● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন

অধিকাংশ মানুহে এই কথা কেতিয়াও নিশিকে যে জীৱনৰ অন্যতম মূল লক্ষ্য হৈছে ইয়াক উপভোগ কৰা।

ছেমুৱেল বাটলাৰ
ব্ৰিটিছ লেখক

www.dainikagradoot.in

৫ কে'বা দশকলৈকে বিজেপিক পৰাভূত কৰা সহজ নহ'ব
১৩ নিজক চাপমুক্ত ৰখাৰ অনুশীলন ভাৰতীয় দলৰ
৪ ধনতেৰস আৰু লক্ষ্মী পূজাৰ সমন্বয়

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২২তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১১ কাতি ১৪২৮ ভাস্কৰাব্দ ২৯ অক্টোবৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 29 October 2021 মূল্য ঃ ৭.০০ টকা

■ মহানগৰীত চলিত মাহতে তিনিটা নৃশংস হত্যাকাণ্ড ■ অপৰাধ বৃদ্ধি হোৱা নাই ঃ দাবী মুখ্যমন্ত্ৰীৰ ■ অপৰাধ ৰোধত ব্যৰ্থতাক লৈ সৰৱ প্ৰাক্তন আৰক্ষী বিষয়া-অধিবক্তা-সক্ৰিয় কৰ্মী

এটাৰ পাছত আনটো হত্যাই জোঁকাৰিছে

১১জন বিষয়া ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাক কণ্টেইনমেণ্ট জ'ন ঘোষণা, মহানগৰীত।

■ চৰম নিৰাপত্তাহীনতাত সাধাৰণ জনতা
■ কে'বাটাও হত্যাকাণ্ডত ঘাতকৰ অস্ত্ৰ পটাগুটি
■ কোনো মন্তব্য নাই আৰক্ষী আয়ুক্ত সিঙৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৮ অক্টোবৰ ঃ অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত অসম আৰক্ষীৰ দুৰ্বল ভূমিকাৰ বাবে ক্ৰমাৎ গুৱাহাটী মহানগৰী অপৰাধীৰ ৰম্যভূমিত পৰিণত হৈছে। চলিত অক্টোবৰতে তিনিটা নৃশংস হত্যাকাণ্ডই সমগ্ৰ ৰাজ্যকে জোঁকাৰি গৈছে। নেচনেল ক্ৰাইম ব্যুৰ'ৰ শেহতীয়া তথ্য অনুসৰি নাৰীজনিত অপৰাধত দেশৰ ভিতৰতে শীৰ্ষত আছে অসম। অন্যান্য শ্ৰেণীৰ অপৰাধৰ ক্ষেত্ৰতো ৰাজ্যৰ পৰিস্থিতি শোচনীয়। ইয়াৰ পাছতো সতৰ্ক আৰু সক্ষম হোৱা নাই অসম আৰক্ষী। ফলত বৃদ্ধি পাইছে অপৰাধীৰ আতংকৰ পৰিৱেশৰ সৃষ্টি কৰিছে। ফলস্বৰূপে চৰম নিৰাপত্তাহীনতাত ভুগিছে মহানগৰবাসী। উল্লেখ্য যে চলিত অক্টোবৰতে ৰাজধানী মহানগৰীত তিনিটাকৈ নৃশংস হত্যাকাণ্ড সংঘটিত হৈছে আৰু তিনিওটা ঘটনাতে সম্বন্ধীয় পৰিয়ালৰ লোক নাইবা বন্ধু বা ঘনিষ্ঠ লোকে জড়িত থকাৰ তথ্য উদঘাটন হৈছে। তদুপৰি কে'বাটাও হত্যাকাণ্ডত ঘাতকৰ বাবে মূল অস্ত্ৰ হৈছে পটাগুটি। যোৱা ছয় অক্টোবৰত *আঠ পৃষ্ঠাত চাওক* টিঘিলঘিলনি। শেহতীয়াভাৱে গুৱাহাটী মহানগৰীতে সংঘটিত কে'বাটাও ভয়াৱহ হত্যাকাণ্ডৰ ঘটনাই এক

ভাষাৰ সংকট

দেশ-কাল-সমাজ

ড° দীনেশ বৈশ্য

ভাষা এটা কেতিয়া বিপন্ন হয় অথবা বিলুপ্তিৰ পথেৰে আগবাঢ়ে? ক্ষুদ্ৰ জাতিৰ লোকসকলে সেই কথাটো জানিব লাগে। ভাষাৰ বিপন্নতাৰ কাৰণসমূহ ক্ষুদ্ৰ ভাষা-ভাষী লোকসকলে বিশেষকৈ শিক্ষিত লোকসকলে, সামাজিক নেতৃত্বত থকা লোকসকলে আৰু ৰাজনৈতিক নেতা তথা প্ৰশাসকসকলে কথাটো জানিব লাগে। ইউনেস্ক'ৰে ভাষাৰ বিপন্নতাৰ কাৰণসমূহৰ এখন তালিকা *১০ পৃষ্ঠাত চাওক*

বৰুৱা দম্পতীৰ শেষকৃত্য, অপৰাধ স্বীকাৰ কৰা নাই ধৃত আকাশে

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৮ অক্টোবৰ ঃ মহানগৰীৰ ছাৰ্ভেৰ নিজ বাসগৃহতে ঘাতকে নৃশংসভাৱে হত্যা কৰা কেন্দ্ৰীয় চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ *১০ পৃষ্ঠাত চাওক*

সহপাঠীক যৌন নিৰ্যাতনৰ অভিযোগত তেজপুৰত গ্ৰেপ্তাৰ গৱেষক

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ২৮ অক্টোবৰ ঃ তেজপুৰ বিশ্ববিদ্যালয়ৰ মলিকুলাৰ বায়'লজী বিভাগৰ এগৰাকী গৱেষক ছাত্ৰীক যৌন উৎপীড়ন চলোৱাৰ অভিযোগত একে *১০ পৃষ্ঠাত চাওক*

পাকিস্তানৰ জয় উদ্‌যাপন কৰি গ্ৰেপ্তাৰ হোৱা কাশ্মীৰৰ ছাত্ৰক প্ৰহাৰ

■ নিউজ ব্যুৰ'

আগ্ৰা, ২৮ অক্টোবৰ ঃ অলপতে টি-২০ বিশ্বকাপৰ এখন খেলত ভাৰতৰ বিৰুদ্ধে পাকিস্তানৰ ক্ৰিকেট দলক সমৰ্থন জনাই উত্তৰ প্ৰদেশৰ আগ্ৰাত গ্ৰেপ্তাৰ হোৱা তিনিজন কাশ্মিৰী *১০ পৃষ্ঠাত চাওক*



তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	৩১°	২২°
ডিব্ৰুগড়	৩০°	১৯°
দিল্লী	৩০°	১৮°
কলকাতা	৩১°	২৫°
মুম্বাই	৩১°	২৭°
চেন্নাই	৩০°	২৭°
বাংগালুৰু	২৮°	১৯°
শ্বিলং	২২°	১৪°

২৮ অক্টোবৰ, ২০২১

চেঙা তেল



বাহ, এইটো কি উপ-নিৰ্বাচন দেখিলোহে! বৰ বৰ নিৰ্বাচনেই দেখোন পাত্তা নাপাব!

■ ৰাইজৰ মূৰত বোজা আছে ■ খুচুৰা ব্যৱসায়ীক নিয়ন্ত্ৰণ কৰিবলৈ শীঘ্ৰে জিলাই জিলা গঠন হ'ব টাস্ক ফৰ্চ ■ উপায়ুক্তলৈ নিৰ্দেশ

মূল্যবৃদ্ধি ঃ ১০-১৫ দিনৰ পাছত অৱস্থা স্বাভাৱিক হোৱাৰ আশ্বাস মুখ্যমন্ত্ৰীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৮ অক্টোবৰ ঃ ইন্ধন তথা অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ পৰা আৰম্ভ কৰি প্ৰতিবিধ সামগ্ৰীৰে ব্যাপক মূল্যবৃদ্ধিত দিশহাৰা ৰাজ্যবাসীয়ে অহা ১০-১৫ দিনৰ পাছতেই এই পৰিৱেশৰ পৰা কিছু সকাহ লাভ কৰিব বুলি আজি মন্তব্য কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শংকৰদেৱ কলাক্ষেত্ৰৰ এক অনুষ্ঠানত সাংবাদিকৰে হোৱা এক বাৰ্তালাপত মুখ্যমন্ত্ৰী শৰ্মাই মূল্যবৃদ্ধিৰ কথা স্বীকাৰ কৰি পূৰ্বৰ পৰিৱেশ শীঘ্ৰে ঘূৰি আহিব বুলি আশ্বাস প্ৰদান কৰে। তেওঁ কয়, 'মূল্যবৃদ্ধিৰ বোজা এটা ৰাইজৰ মূৰত আছে। মই ভাবো আৰু কেইটামান দিনৰ ভিতৰতে পৰিৱেশবোৰ স্বাভাৱিক হ'ব। আজি কে'বামাহো অৰ্থনৈতিক অৱস্থা খুব বেয়া আছিল। সকলো মানুহে ঘৰত জমা হৈ থকা বস্তুবিলাক বিক্ৰী কৰিব খুজিছে। তেওঁলোকৰ তিনিমাহৰ ক্ষতিপূৰণ কৰিব খুজিছে। মই আশা *১০ পৃষ্ঠাত চাওক*

প্ৰযুক্তিগত সমাধান সূত্ৰই জনসাধাৰণক সবল কৰি তুলিব ঃ মুখ্যমন্ত্ৰী

ৰাজ্যত অনলাইনযোগে গাড়ীচালনাৰ লাইচেন্স প্ৰাপ্তিৰ সেৱা মুকলি শৰ্মাৰ

LAUNCH OF ONLINE CO... DRIVING LICENSE RENEWAL
DUPL... DRIVING LICENSE

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৮ অক্টোবৰ ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত অনলাইনযোগে ড্ৰাইভিং লাইচেন্স আৰু ডুপ্লিকেট ড্ৰাইভিং লাইচেন্স প্ৰাপ্তি সেৱা মুকলি কৰে।

নাগৰিক কেন্দ্ৰিক, সহজে উপলব্ধ, স্বচ্ছ আৰু সহজ ব্যৱহাৰযোগ্য এই সেৱাৰ জৰিয়তে জনসাধাৰণে *১০ পৃষ্ঠাত চাওক*

স্কৰপিঅ'সহ এজনক আটক বকতা নেমুগুৰিত

থাওৰাত ৰাইজৰ দলৰ বিৰুদ্ধে মদ-ধন বিতৰণৰ অভিযোগক লৈ উত্তেজনা

অগ্ৰদূত বাৰ্তা

ডিমৌ, ২৮ অক্টোবৰ ঃ থাওৰাৰ উপ-নিৰ্বাচনলৈ মাজত মাত্ৰ এটা দিন বাকী থকাৰ সময়তে আজি ডিমৌৰ কাষৰীয়া বকতা মৌজাত ৰাইজৰ দলৰ কৰ্মকৰ্তাই মদ আৰু নগদ ধন বিতৰণ কৰাৰ অভিযোগক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। তিনিচুকীয়াৰ সন্তোষ মৰাণ নামৰ যুৱকজনে এ আৰ ০১ ই ৬০৬৪ নম্বৰৰ স্কৰপিঅ' গাড়ীৰে নেমুগুৰি ঢেকেৰী ছিগাৰ গাঁৱত মদ আৰু টকা বিলোৱাৰ অভিযোগ তুলি স্থানীয় একাংশ ৰাইজে বকতা আৰক্ষীক খবৰ দিয়ে। বকতা *আঠ পৃষ্ঠাত চাওক*

অস্ত্ৰ ত্যাগৰ সিদ্ধান্ত ডিমাছা নেচনেল লিবাৰেচন আৰ্মীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৮ অক্টোবৰ ঃ এইবাৰ অস্ত্ৰ পৰিত্যাগ কৰিবলৈ সাজু হৈছে ডিমাছা নেচনেল লিবাৰেচন আৰ্মী। উগ্ৰপন্থী সংগঠনটোৰ এই সিদ্ধান্তক আদৰণি জনাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। *১০ পৃষ্ঠাত চাওক*

মূল্যবৃদ্ধি ৰোধ কৰক, নহ'লে গাদী এৰক ■ শ্ল'গান প্ৰতিবাদকাৰীৰ

মূল্যবৃদ্ধিৰ প্ৰতিবাদ, আৰক্ষীৰ বেৰিকেড ভাঙি ৰাজভৱন যাত্ৰা জাতীয় পৰিষদৰ

গুৱাহাটীৰ ৰাজপথত আহত প্ৰতিবাদকাৰী ৰাজ্যপালক স্মাৰকপত্ৰ প্ৰদান

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৮ অক্টোবৰ ঃ 'মূল্যবৃদ্ধি ৰোধ কৰক, নহ'লে গাদী এৰি দিয়ক' এই শ্ল'গানেৰে আজি মহানগৰীৰ ৰাজপথ উত্তাল কৰি তোলে অসম জাতীয় পৰিষদে। পেট্ৰ'ল-ডিজেলকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ দাবীত দলৰ কে'বাশ কৰ্মীয়ে মহানগৰীৰ টিচি পইণ্টৰ পৰা ৰাজভৱনলৈ পদযাত্ৰা কৰি গৈ ৰাজভৱনৰ *১০ পৃষ্ঠাত চাওক*

■ ১৬০ কোটিৰ কাৰ্যকৰী মূলধনেৰে কৃষকৰ পৰা ধান ক্ৰয় কৰিব নিগমে ■ ন্যূনতম সমৰ্থিত মূল্য প্ৰদান কৰা হ'ব প্ৰতি কুইণ্টলত ১৯৪০ টকা ■ পেঞ্চন প্ৰক্ৰিয়া শৃংখলাৱদ্ধ কৰাৰ সিদ্ধান্ত

নাবাৰ্ডৰ ঋণ গ্ৰহণত অনুমোদন কেবিনেটৰ

কেবিনেটৰ অন্যান্য সিদ্ধান্তসমূহ

■ লাভলীনা বৰগোহাঁইক উপ-আৰক্ষী অধীক্ষক পদত নিযুক্তিৰ সম্ভাৱনা
■ দেউৰী পৰিষদৰ আসনৰ সংখ্যা ২০ৰ পৰা ২৬লৈ বৃদ্ধিৰ বাবে আইন সংশোধনী সম্পৰ্কীয় অধ্যাদেশত অনুমোদন
■ মিচিং ভাষা আৰু সংস্কৃতি ভাষালৈ দুকঠা মাটি ■ বৰপেটা জিলা মহিলা সমিতিলৈ দুকঠা ১০ লেচা মাটি
■ পেঞ্চনাৰৰ বাবে কৃতজ্ঞতা পৰ্টেল, পেঞ্চন সেৱা কেন্দ্ৰৰ জৰিয়তে সকাহৰ ব্যৱস্থা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৮ অক্টোবৰ ঃ ৰাজ্য চৰকাৰে নাবাৰ্ডৰ পৰা ৫০৮.৬০ কোটি টকাৰ ঋণ গ্ৰহণত আজি অসম চৰকাৰৰ কেবিনেটে অনুমোদন জনায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি গ্ৰাম্য আন্তঃগাঁথনিৰ উন্নয়ন পুঁজিৰ অধীনত অনুমোদিত প্ৰকল্পৰ বাবে অসম চৰকাৰে দুবছৰৰ বাবে মৰেট'ৰিয়ামৰ স'তে ২.৭৫ শতাংশ সুতৰ হাৰত ঋণ পৰিশোধ কৰিব। আজিৰ বৈঠকত আন এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত অনুসৰি, দেউৰী স্বায়ত্তশাসিত *আঠ পৃষ্ঠাত চাওক*

■ ক'ভিড বঢ়া নাই, উৰাবাতৰিহে ঃ মুখ্যমন্ত্ৰী

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষকে ধৰি মহানগৰীৰ তিনি স্থানক কণ্টেইনমেণ্ট জ'ন ঘোষণা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৮ অক্টোবৰ ঃ ক'ভিড সংক্ৰমণৰ ফলত ৰাজধানী মহানগৰীৰ তিনি স্থানক পুনৰ কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰাৰ সময়তে ক'ভিডৰ সংক্ৰমণ বৃদ্ধি হোৱা নাই বুলি দাবী কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে যোৱা ২৪ অক্টোবৰত গুৱাহাটী মহানগৰীত ক'ভিডৰ সংক্ৰমণৰ সংখ্যা আছিল ৪৩জন। ইয়াৰ পাছতে যোৱা ২৫ অক্টোবৰত ১০৪জন, ২৬ অক্টোবৰত ১৬২জন আৰু কালি ৭৫জন লোক ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত আজি পুনৰ মহানগৰীত ১৪১জন লোক আক্ৰান্ত হোৱাৰ বিপৰীতে এজন মৃত্যুমুখত পৰিছে। শেহতীয়াভাৱে কে'বাটাও *আঠ পৃষ্ঠাত চাওক*

নগাঁৱত পুনৰ আৰক্ষীৰ দ্বাৰা গুলিবিদ্ধ হ'ল ড্ৰাগছ মাফিয়া

বিশেষসংবাদদাতা/অগ্ৰদূত বাৰ্তা

নগাঁও/বটদ্ৰৱা, ২৮ অক্টোবৰ ঃ মাত্ৰ তিনিদিনতে নগাঁও আৰক্ষীৰ দ্বাৰা গুলিবিদ্ধ হ'ল দুজনকৈ কুখ্যাত ড্ৰাগছ মাফিয়া। যোৱা নিশাও জিলাখনৰ কচুৱাৰ পৰা গ্ৰেপ্তাৰ কৰা এজন ড্ৰাগছ মাফিয়াক লগত লৈ আৰক্ষীয়ে বটদ্ৰৱা আৰক্ষী থানাৰ অন্তৰ্গত কদমনিত অভিযান চলাবলৈ যাওঁতে *আঠ পৃষ্ঠাত চাওক*

এনআৰচি-বান-গৰাখহনীয়াকে ধৰি বিভিন্ন সমস্যাৰ অন্ত পেলাবলৈ উপ-সমিতিৰ আলোচনা

অসম চুক্তি ৰূপায়ণ সন্দৰ্ভত আছুৰ প্ৰতিনিধিৰ স'তে চৰকাৰৰ বৈঠক

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৮ অক্টোবৰ ঃ ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু আছুৰ প্ৰতিনিধিৰ উপস্থিতিত আজি অসম চুক্তি ৰূপায়ণ সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ অন্তত মন্ত্ৰী অতুল বৰাই কয় যে ছহিদৰ ত্যাগৰ ফলত হোৱা অসম চুক্তিৰ দফা সম্পূৰ্ণ সদিচ্ছাৰে আৰু একান্ত *আঠ পৃষ্ঠাত চাওক*

গোসাঁইগাঁৱত অব্যাহত উপ-নিৰ্বাচনকেন্দ্ৰিক হিংসা

অগ্ৰদূত বাৰ্তা

গোসাঁইগাঁও, ২৮ অক্টোবৰ ঃ উপ-নিৰ্বাচনৰ প্ৰচাৰৰ অন্ত পৰিল যদিও গোসাঁইগাঁও বিধানসভা সমষ্টিত যোৱা দুদিন ধৰি চেপা উত্তেজনা বিৰাজ কৰিছে। বি পি এফৰ কাৰ্যালয় ক্ষতিসাধন কৰাৰ লগতে কৰ্মীৰ গৃহত *১০ পৃষ্ঠাত চাওক*

তিনিসপ্তাহ কাৰাবন্দী হৈ থকাৰ পাছত জামিন লাভ পুত্ৰ আৰিয়ানৰ

আজি শুকুৰবাৰে ছুপাৰষ্টাৰ শ্বাহৰুখ খানৰ জীৱনৰ সবাতোকৈ বৃহৎ মুক্তি

■ নিউজ ব্যুৰ'

মুম্বাই, ২৮ অক্টোবৰ ঃ ছুপাৰ ষ্টাৰ শ্বাহৰুখ খানৰ পুত্ৰ আৰিয়ান খানে অৱশেষত মুকলি আকাশৰ তললৈ অহাৰ অনুমতি লাভ কৰিলে। তিনি সপ্তাহ জেলত থকাৰ পাছত আদালতে আজি তেওঁৰ চৰ্তযুক্ত জামিন মঞ্জুৰ কৰে। অৱশ্যে তেওঁ আৰু এটা নিশা কাৰাগাৰতে কটাব লাগিব কিয়নো কাইলৈ বম্বে উচ্চ ন্যায়ালয়ৰ আনুষ্ঠানিক নিৰ্দেশনাৰ পাছতে তেওঁৰ কাৰামুক্তি হ'ব। তিনি অক্টোবৰত *আঠ পৃষ্ঠাত চাওক*

■ নলবাৰীত তিনিখন উদ্যোগপাম স্থাপনৰ বাবে উপযুক্ত ভূমিৰ সন্ধান ■ মতলব গাখীৰ খোৱা নহয়, টেকেলি ভঙাৰহে ঃ আছু-যুৱ ছাত্ৰ ■ উদ্যোগমন্ত্ৰীৰ ভূমিকাত তীব্ৰ ক্ষোভৰ সৃষ্টি

অৱহেলাত ধ্বংসপ্ৰাপ্ত কটপুহাৰ উদ্যোগ পাম

■ আব্দুল মজিদ

নলবাৰী, ২৮ অক্টোবৰ ঃ ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগে প্ৰতিখন জিলাতে স্থাপন কৰিব তিনিখনকৈ উদ্যোগ পাম। ইয়াৰ বাবে ইতিমধ্যে উপযুক্ত চৰকাৰী ভূমিৰ সন্ধান আৰম্ভ কৰিছে প্ৰতিখন জিলাতে। নলবাৰীতো আৰম্ভ হৈছে ভূমিৰ সন্ধান। চৰকাৰৰ নিৰ্দেশমৰ্মে নলবাৰীৰ উপায়ুক্তই যোৱা সাত জুলাইত এক পত্ৰযোগে (নম্বৰ ঃ এনএলএছ-এছ-৫/২০১৭/১২৮-এ) জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰক ভূমিৰ সন্ধানৰ নিৰ্দেশ দিয়াত বিভাগ সক্ৰিয় হৈ পৰিছে; কিন্তু এই কথা প্ৰকাশৰ লগে লগে জিলাখনৰ প্ৰায় সৰ্বত্ৰ চৰকাৰৰ ভূমিকাক লৈ চৰ্চা আৰম্ভ হৈছে। কিয়নো জিলাখনৰ বিভিন্ন অঞ্চলত শতাধিক লঘু উদ্যোগ ইতিমধ্যে বন্ধ হৈ পৰাৰ লগতে কটপুহাত স্থাপন কৰা কয়াৰ *১০ পৃষ্ঠাত চাওক*

বাগ্‌সাত যুৱকৰ অৰ্ধগলিত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২৮ অক্টোবৰ ঃ বাগ্‌সাৰ খাৰিজা বিজনীৰ মইনামাতা পথাৰত আজি পথাৰৰ মাজৰ পুখুৰী এটাত জাবৰৰ স'তে মেৰ খাই থকা অৱস্থাত এটা অৰ্ধগলিত যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। স্থানীয় লাংদাংগুৰী আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। মৃতদেহটো বাৰাপেটা গাঁৱৰ ইয়াদ আলীৰ পুত্ৰ ২৭ বছৰীয়া ৰহম আলীৰ বুলি চিনাক্ত কৰা হৈছে। এয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি স্থানীয় ৰাইজে সন্দেহ কৰিছে যদিও আৰক্ষীৰ সঠিক তদন্তৰ অন্ততহে ঘটনাটোৰ প্ৰকৃত ৰহস্য ফাদিল হ'ব। উল্লেখ্য যে যুৱকজন বিগত তিনিদিন ধৰি সন্ধানহীন হৈ আছিল। ইতিমধ্যে আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহটো মুছলপুৰলৈ প্ৰেৰণ কৰিছে। মৃতদেহটো মৰণোত্তৰ পৰীক্ষা কৰি উপযুক্ত তদন্তৰ দাবী উত্থাপন কৰিছে বাগ্‌সা জিলা আমছুৰ সভাপতি ছাইফুল ইছলাম খানৰ লগতে জিলা নেতৃত্ব তথা শালবাৰী জিলা এবিএমছুৰ সভাপতি ছাইজুদ্দিন খন্দকাৰে।

LOST

I have lost my HS registration card bearing No-023873 of session 2017-18.

Nazirul Islam
Satipur Chirang

PUBLIC NOTICE

I Utpal Kumar Sarma, S/O- Lt. Tarun Sarma, Vill-Bampara, PO-Makri Kuchi, PS-Tarabari, Dist-Barpeta, Assam, do hereby declared by an affidavit before Notary, Barpeta on 25/10/2021. That I have lost the Annual Khiraj Patta No-27, dtd-18-01-1965, which was in the name of my deceased father Lt. Tarun Sarma, against the plot at Mouza-Chenga, the then Dist-Kamrup, Assam.

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৱচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী

জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

১১ কাতি শুকুৰবাৰ ২৯ অক্টোবৰ

সূৰ্যোদয় ঃ ঘঃ ৫।৩৩।৩১ **সূৰ্যাস্ত ঃ** ঘঃ ৪।৪১।১৭। **তিথি ঃ** কৃষ্ণা অষ্টমী, দং ৮।৫৫।১৩ ঘঃ ৯।৭।৩৬। **নক্ষত্ৰ ঃ** পুষ্যা, দং ৬।৯।৪৮ ঘ ঃ ৮।০১।২৬। **যোগ**-শুভ, দঃ ৪৪।৪৭।২২ ৰাঘঃ ১১।২৮।২৮ **কৰণ ঃ** বৱ। **জন্মত ঃ** কৰ্কটৰাশি, বিপ্ৰবৰ্ণ দেৱগণ, মেঘৰঅস্থি, বায়ুযোগ, অষ্টোত্তৰী চন্দ্ৰ, বিংশোত্তৰী শনিৰ দশা, ঘঃ ৮।১।২৬ যোৱাত দেৱাৰিগণ, বৰাহৰ অস্থি, বিংশোত্তৰী বুধৰ দশা। **আদ্যঋতু হ'লে ঃ**। সাতদিনীয়া কান্তাযোগ। **মৰণত দোষ ঃ** নাই। **যোগিনী**-ঈশানকোণত, ঘঃ ৯।৭।৩৬ যোৱাত পূবত। **যাত্ৰা ঃ** নাই। **শুভকৰ্ম ঃ** দীক্ষা, আৰোগ্যস্নান। **ভক্ষ্যাভক্ষ্য ঃ** নাৰিকল, মাছ-মাংস খোৱা, প্ৰায়শ্চিত্ত হোৱা, ঘঃ ৯।৭।৩৬ যোৱাত লাও খোৱা খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ এই ৰাশিৰ জাতক জাতিকাই দিনৰ প্ৰথম ভাগত আৰ্থিক বিষয়ত চিন্তা থাকিলেও দিনৰ শেষৰ ভাগত আৰ্থিক উপাৰ্জন অনুকুল থাকিব। শুভ ৰং গুলপীয়া, সংখ্যা ২।

বৃষ ঃ আজিৰ দিনটোত পুৱাৰে পৰা নানা অশান্তি দেখা যাব। কৰ্মক্ষেত্ৰত দিনটো বৰ ভাল নাযাব। বিদ্যাৰ্থীসকলৰ বাবে দিনটো শুভ। শুভ্ৰ ৰং মাটিয়া, সংখ্যা ৬।

মিথুন ঃ দিনৰ মাজভাগত কৰ্মক্ষেত্ৰ পৰিৱৰ্তনৰ যোগ দেখা যায়। নিজৰ ভুলৰ কাৰণে সন্মানহানিৰ যোগ দেখা যায়।

কৰ্কট ঃ আপোনাৰ দিনটোৰ মধ্যমৰে পাৰ হ'ব। কৰ্মক্ষেত্ৰত সফলতা বজাই ৰাখিব। ব্যৱসায়িক ক্ষেত্ৰত দিনটো শুভ। প্ৰেমত উন্নতি। শুভ ৰং বগা, সংখ্যা ২।

সিংহ ঃ আচৰিত কথাৰ সম্ভেদ পাব। আৰ্থিকতো কিছু কষ্ট শৰীৰ সম্পৰ্কে উদাস নহ'ব। বিদ্যাত বেয়া বোলা নাযায়। ভ্ৰমণত অলপ সাৱধান থাকক। ঘৰুৱা শুভ।

কন্যা ঃ আজি কৰ্মক্ষেত্ৰত বিভিন্ন সুযোগ সুবিধা লাভ কৰিব। বিদ্যাৰ্থীৰ কাৰণে দিনটো শুভ। চাকৰিয়ালৰ কাৰণেও ভাল।

তুলা ঃ বিদ্যাৰ্থীৰ বাবে শুভ। প্ৰেমত বাধা। ৰাজনৈতিক নেতা নেত্ৰীসকলৰ মানহানিৰ যোগ দেখা যায়। শুভ ৰং বগা, সংখ্যা ২।

বৃশ্চিক ঃ আজি পুৱা গা ধুৱা পাছত অশ্বথ গছৰ গুৰিত পানী ঢালিব। ৰঙা সুতা হাতত বান্ধি দিনৰ কাৰ্য আৰম্ভ কৰিব।

ধনু ঃ সামাজিক কৰ্মত জড়িত থকা ব্যক্তিসকলে কৰ্মক্ষেত্ৰত সুনাম অৰ্জন কৰিব। ব্যৱসায়ত সিমান ভাল ফল নাপাব পাৰে।

মকৰ ঃ কৰ্মক্ষেত্ৰত বাধা থকাৰ ফলত অৰ্থনৈতিক ক্ষেত্ৰত মিশ্ৰফল আশা কৰিব পাৰে। প্ৰেমত শুভ ফল পাব। বিদ্যাৰ্থীসকলৰ ভাল। শুভ ৰং আকাশি নীলা, সংখ্যা ২।

কুম্ভ ঃ আজি ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শুভ। দেহ ভাব মাধ্যম। প্ৰেমত শুভ ফল আশা কৰিব পাৰে। শুভ সংখ্যা ৮।

মীন ঃ গৃহ বিবাদ, আৰ্থিক নাটনি, কৰ্মত উদাসীনতা, শত্ৰু বৃদ্ধি আদি হ'ব পাৰে। চাকৰিয়ালৰ বাবেও দিনটো শুভ। শুভ ৰং সেউজীয়া, সংখ্যা ৭।

NIT /O. O. No. 155

Short Sale Notice

Under the provision of Rules 32, 33, 34, 35, 36 & 37 of Assam Minor Mineral Concession of Rules- 2013, bids are invited online by the undersigned from registered Companies/Firms/Societies/ individuals etc. for the award of contract /permit for the following Minor Mineral Concession area (Mahal).

Name of Range	Sl. No.	Name of Mahal	Quantity	Area	Period
1	2	3	4	5	6
Lakhipur Range, Lakhipur	1	Ghaguwa River Sand Mahal No. 2.	Sand = 70000 m^3	2.6 ha.	7 (Seven) years

Details of E-Auction will be available on the portal http://www.assamforestonline.in **from 2nd Nov 2021.**

(Jitendra Kumar, IFS)
Divisional Forest Officer
Goalpara Division

Janasanyog/C/7228/21

SHORT TENDER NOTICE

Sealed tender in plain paper (eventually to be drawn in form) affixing court fee stamp of Rs. 8.25p (Rupees Eight and Twenty Five Paise) only (Non-Refundable) are invited for the following works the registered Contractor/ Firm under APHCL/PWD & this Organisation will be received in this Office of the undersigned upto 2.00 P.M on 16-11-2021. The Tender will be opened by the Undersigned on the same date, place at 2.30 P.M. The Tenderer or their authorized agent may be present at the time of opening of tender.

NAME OF WORK	RESERVE PRICE	EARNEST MONEY
Auction/ demolition of Old Assam type MCC, Dispur office including Canteen, toilets etc.	**Rs.12, 84,459.00** (Twelve lakhs eighty four thousand four hundred fifty nine) only	@ 02% of total quoted value, to be submitted along with the quotation.

TIME OF COMPLETION: 04(Four) weeks from the 3rd day of issue of formal work order.

Detailed of tender terms and conditions may be collected from Office of the undersigned in any working days during office hours on or before 12-11-2021

Supdt. of Police(Commn) Assam,
Ulubari, Guwahati-7.

Janasanyog/C/7212/21

NOTICE INVITING QUOTATION

Sealed quotation affixing non refundable court fee stamps of Rs. 8.25 (Rupees Eight and twenty five paisa) only are hereby invited from the registered contractors / Firms for contract of House keeping works of office campuses under Office Of The Executive Engineer, Mangaldai W.R.Division, Mangaldai for the financial year 2021-22 worth Rs. 1,00,000.00 (Rupees One Lakh) only against tentative budget provision made by Chief Engineer, W.R. Department, vide budget allotment No. Dar/FC/001_2021-22(1)_4, dated:- 07-09-2021.

The quotation will be received in the office of the undersigned up to 2.00 pm of 10/11/2021 and will be opened on the same day hour and place in the presence intending quotation holder or their authorized agent. If the last date of quotation happened to holiday or bandh or not possible for received quotation on the stipulated date for any un-foreseen reason, the next working date will be considered as the date of receiving and opening quotation.

Item of work :

Sl No	Item	Unit	Rate (in Rs)
1	Engagement of clean/Sweeper for cleaning and maintenance related works in the office of Chief Engineer, Water Resources Department, Chandmari, Guwahati-03	Per No/Month	

The term and conditions for the quotation may be collected from the office between 11.00 am and 3.00 pm on or before the last date of submission of the quotation,

Executive Engineer
Mangaldai W.R Division
Mangaldai

Janasanyog/C/7248/21

শব্দ-বেহু ঃ ২৯ অক্টোবৰ



@ সব্যসাচী

পথালিয়ে ঃ

২। বিৰীয়াত কঢ়িয়াবলৈ চাৰি থৰ বা পাঁচ থৰ ধানৰ মুঠি একেলগ কৰি বন্ধা মুঠা (৩)
৪।পানী ভৰাই দূৰলৈ জোৰেৰে মাৰি পঠিয়াব পৰা চুঙা সদৃশ যতন, চেৰেকা (৪)
৭। গছৰ সৰু ডাল, শাখা-প্ৰশাখা (২)
৯। কলপাতৰ ঠাৰিৰ তলৰ বহল ভাগ, বৌখা (৩)
১০। আজান ফকীৰৰ দ্বাৰা ৰচিত দেহবিচাৰ মূলক অসমীয়া গীত (৩)
১২। কেইবাজনো গোট খাই কথা পতা, গোচৰ আদিৰ বিচাৰ (২)
১৩। বকৰা, কথা কওঁতে লাগি ধৰা (২)
১৬। উদ্ভিদৰ মাটিৰ তললৈ থকা অংশ, ঘাই (২)
১৮। ৰে'লগাড়ীৰ স্বতন্ত্ৰীয়া কোঠা (২)
১৯। পাঠশালাৰ শিক্ষক, অতি বিদ্বান লোক (৩)
২১। বেৰ বা দুৱাৰৰ তলৰ বা ওপৰ ভাগত সুমাই দিয়া খোলা বাঁহ (৩)
২২। সাপৰ নিচিনা গা আৰু মানুহৰ দৰে মুখৰ এবিধ অপদেৱতা, সাপ (২)
২৪। আহোম শাসন ব্যৱস্থাত এশ কাঁড়ীৰ ওপৰৰ বিষয়া (৪)
২৫। আটাইতকৈ সৰু বা লঘু (৩)

থিয়কৈ ঃ

১। বয়সতকৈ বেছি পৈণত স্বভাৱৰ, পকিবৰ সময় নহওঁতেই পকা (৫)
৩। শৰণাৰ্থী, এখন দেশৰ পৰা আন এখন দেশলৈ আশ্ৰয়ৰ বাবে অহা লোক (৪)
৪। চাউলৰ গুড়িৰ পৰা প্ৰস্তুত কৰা এবিধ লঘু আহাৰ (২)
৫। কাম কৰিবৰ সুবিধা, চেলু, অজুহাত (২)
৬। আখৰা, আগতীয়া অনুশীলন (৪)
৮। ধঁপাতত জুই লগাই তাৰ ধোঁৱা হুপি খোৱা এবিধ যতন, হোকা (৪)
১১। প্ৰহাৰ, কিলাকুটিৰে কৰা আঘাত বা খুন্দা (২)
১৪। তিথি, উৎসৱ-পাৰ্বণ আদিৰ উপলক্ষত হাল বোৱা বন্ধ ৰখা কাৰ্য্য (৪)
১৫। হাবিত হাতী অহা-যোৱা কৰা বাট (২)
১৭। জধে-মধে অধিক ধন খৰচ কৰা লোক (৫)
১৮। হাকিম, বিচাৰক (৪)
২০। জমা, পুঁজি (৪)
২২। জন্তুৰ নাকৰ মাজৰ বেৰ বা পৰ্দা ফুটা কৰি লগোৱা জৰী (২)
২৩।হিন্দু সকলৰ এখন পবিত্ৰ তীৰ্থস্থান (২)

উত্তৰ অহা সংখ্যাত

২৮অক্টোবৰ সংখ্যাৰ উত্তৰ ঃ

পথালিয়ে ঃ ১। ইন্দ্ৰপ্ৰস্থ ৫। আপং ৬। দুৰা ৭। কুৰ্দ্দপা ৮। বদুৱা ৯। লখিমী-ঘৰ ১০। ৰবি ১২। চালাক ১৫। পকীয়া ১৬। নথি ১৮। বইনাপত্ৰ ১৯। ৰায়ত ২০। বাদুলি ২২। চং ২৩। গহ্বৰ ২৪। চাকৰনী

থিয়কৈ ঃ ১ । ইক্ষাকু ২। প্ৰজাপালক ৩। ডাংবৰলা ৪। খাৰা ৫। আজমীঢ় ৬। দুৱাৰ ১১। বিৰীয়া ১২। চালান ১৩। পাবত গজা ১৪। চানাচুৰ ১৫। পত্ৰবাহক ১৭। থিৰাং ২১। লিখনী ২২। চহা

জামুগুৰিহাটত গ্ৰেপ্তাৰ তিনি মানৱ সৰবৰাহকাৰী

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ২৮ অক্টোবৰ ঃ শোণিতপুৰ জিলাৰ জামুগুৰিহাটত বৃদ্ধি পাইছে মানৱ সৰবৰাহকাৰী চক্ৰ। অলপতে জয়সিদ্ধিৰ বিতু বৰা নামৰ এজন যুৱকে হাটিঙাৰ এগৰাকী মহিলাক ডেৰলাখ টকাত হাৰিয়ানাত বিক্ৰী কৰাৰ লগতে তিনিটা শিশুও বিক্ৰী কৰিছিল। পাছত হাৰিয়ানাত বিক্ৰী কৰা মহিলাগৰাকী দুষ্ট চক্ৰৰ কবলৰ পৰা পলাই আহি স্থানীয় মহিলা সমিতিৰ সহযোগত জামুগুৰি আৰক্ষী চকীত এক গোচৰ তৰে। মহিলাগৰাকীৰ গোচৰৰ ভিত্তিত তিনিটা মানৱ সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ইতিপূৰ্বে বিতু বৰা আৰু মুনু আলি নামৰ দুজন যুৱকক জেললৈ প্ৰেৰণ কৰাৰ পাছত আজি চুনিল গড় নামৰ এজন মানৱ সৰবৰাহকাৰীক জেললৈ প্ৰেৰণ কৰে। আনহাতে, আৰক্ষীয়ে তিনিজনকৈ মানৱ সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে যদিও এই পৰ্যন্ত শিশু তিনিটাৰ কোনো সন্ধান উলিয়াব পৰা নাই। হাটিঙাৰ চাৰিগাঁও মহিলা সমিতিয়ে শিশু তিনিটাক সুস্থ অৱস্থাত উদ্ধাৰ কৰাৰ লগতে মানৱ সৰবৰাহ চক্ৰটোৰ লগত জড়িতসকলৰ ফাঁচিৰ দাবী জনাইছে।

হেৰাইছে

পঞ্চম শ্ৰেণীৰ ২০১৫ চনৰ মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তিৰ ট্ৰাম ডিপজিট এডভাইজ হেৰাইছে।

ৰেকিবুৰ জামাল
পিতা ঃ ফইজুদ্দিন আহমেদ
মোল্লাপাৰা প্ৰাথমিক বিদ্যালয়
(দৰং জিলা), ৰোল নং-২০০

ৰাজহুৱা জাননী

ICICI Bank
ICICI Bank Limited

পঞ্জীয়নভুক্ত কাৰ্যালয় ঃ লেণ্ডমাৰ্ক, ৰেচ কৰ্চ চাৰ্কল, ভদোদৰা-৩৯০০০৭
কৰ্প'ৰেট কাৰ্যালয় ঃ আই চি আই বি আই টাৱাৰ্চ, বান্দ্ৰা-কুলা কমপ্লেক্স, মুম্বাই-৪০০০৫১

সোণ নিলাম আৰু নিমন্ত্ৰণী জাননী

আই চি আই চি আই বেংক লিমিটেড (আই চি আই চি আই বেংক)ৰ পৰা দিয়া সুবিধা অনুসৰি তলত উল্লেখ কৰা ঋণীসকলক তেওঁলোকৰ সোণৰ গহণাৰ বিপৰীতে গ্ৰহণ কৰা ঋণৰ সুতৰ স'তে সমুদায় ধনৰাশি পৰিশোধ কৰিবলৈ জাননী জাৰি কৰা হৈছিল। তেওঁলোকে উক্ত ধনৰাশি পৰিশোধ কৰিবলৈ অপাৰগ হোৱাৰ বাবে আমি ৮ নৱেম্বৰ ২০২১ তাৰিখে সেই গহণাসমূহ নিলাম কৰিবলৈ ব্যৱস্থা কৰিছো। আগতীয়া কোনো জাননী নিদিয়াকৈ আই চি আই চি আই বেংকে উক্ত নিলামৰ তাৰিখ/একাউণ্ট নম্বৰ সলনি কৰাৰ অধিকাৰ ৰাখিছে। দিনৰ ১২.৩০ৰ পৰা ৩.৩০ বজালৈ Website.https://jewel-auction.procuretiger.comৰ যোগেদি অনলাইন পদ্ধতিৰে উক্ত নিলাম সম্পন্ন কৰা হ'ব। বিষদ নিয়মাৱলীৰ বাবে উল্লেখ কৰা ৱেবছাইটত লগ ইন কৰক। মৃত ঋণীৰ ক্ষেত্ৰত সমুদায় দায়িত্ব তেওঁৰ উত্তৰাধিকাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

লোন একাউণ্ট নং	গ্ৰাহকৰ নাম
শাখাৰ নাম ঃ বৰপেটা	
083805001231	ৰবিনা পাৰবিন
শাখাৰ নাম ঃ বৰপেটা বি বি ৰোড	
726505000121	আবুল হুছেইন
726505000212	প্ৰসেনজিৎ সূত্ৰধৰ
726505000221	আমিনুল হক
শাখাৰ নাম ঃ বিজয় নগৰ	
272105000767	কনক দাস
272105000772	মুকুট আলী
272105000773	প্ৰহ্লাদ কৈবত্য
শাখাৰ নাম ঃ বিশ্বনাথ চাৰি আলি	
325005000637	শ্যাম ছেত্ৰী
325005000638	অপূৰ্ব সন্দিকৈ
325005000640	টুটুমণি বৰা চুতীয়া
শাখাৰ নাম ঃ বোকাখাত	
263405000117	দিপ্তী বৰা
শাখাৰ নাম ঃ বঙাইগাঁও	
070805001247	হেমন্ত কুমাৰ গিৰি
শাখাৰ নাম ঃ ঢেকীয়াজুলি	
727305000086	মণিষ থাপা
শাখাৰ নাম ঃ ধেমাজি	
271905000121	বিনয় ভূঞা
271905000221	জিতুল সোণোৱাল
271905000315	সোমেশ্বৰী বৰুৱা
শাখাৰ নাম ঃ ধুবুৰী	
132205001414	মফিজুৰ ৰহমান মণ্ডল
132205001430	আনোৱাৰ হুছেইন
132205001432	বাবিদুৰ ৰহমান
132205001433	বিশ্বজিৎ কুণ্ডু
132205001438	হবিবৰ ৰহমান মণ্ডল
132205001439	দিলীপ কুমাৰ ৰয়
132205001440	কৃষ্ণ সূত্ৰধৰ
132205001442	সঞ্জীৱ বায়ন
132205001443	মইনুল হক
132205001451	দীপক চন্দ্ৰ ৰয়
132205001453	য়াকুব আলী শ্বেইখ
132205001454	নাজিয়াৰা বেগম মোল্লাহ
132205001457	মাহা আলাম শ্বেখ
132205001459	গুলজাৰ হুছেইন সৰকাৰ
শাখাৰ নাম ঃ ডিব্ৰুগড়	
083905002412	জয়ন্ত দাস
083905002417	ৰুবিয়া খাতুন
083905002427	দীপক কুমাৰ যাদৱ
083905002561	বদৰুদ্দিন আনছাৰী
শাখাৰ নাম ঃ ডিব্ৰুগড়-মিলন নগৰ	
244005000358	কৃষ্ণ কান্ত ৰাজখোৱা
244005000359	আৰফানউদ্দিন আহমেদ
244005000361	লুতুশ্ৰী বৰা
244005000455	ৰমণী হাজৰিকা
শাখাৰ নাম ঃ দুলীয়াজান	
021305002079	থানেশ্বৰ শইকীয়া
021305001817	দলী মাকৰাৰী
021305002081	ববিতা ভূঞা
শাখাৰ নাম ঃ গুৱাহাটী -বামুণীমৈদাম	
332605000377	জিনুৰ আলী
শাখাৰ নাম ঃ গুৱাহাটী খ্ৰীষ্টানবস্তি	
245505000485	দুলাল ৰাজবংশী
শাখাৰ নাম ঃ গুৱাহাটী পাঞ্জাবাৰী	
735105000117	ধ্ৰুৱজ্যোতি ভূঞা
শাখাৰ নাম ঃ গুৱাহাটী ৰুক্মিণী গাঁও	
245605000739	প্ৰাৰ্থপ্ৰতীম তিৱাৰী
শাখাৰ নাম ঃ গুৱাহাটী উজান বজাৰ	
332405000270	ক্ৰিষ্টিনা বি যোছেফ
শাখাৰ নাম ঃ গুৱাহাটী এ টি ৰোড	
129905001095	পূজা যোশী
শাখাৰ নাম ঃ গুৱাহাটী বেলতলা	
198905000779	উপকূল বৰুৱা
198905001105	সুমিতা চৌধুৰী
198905001106	দুলু দেৱ
শাখাৰ নাম ঃ গুৱাহাটী ভূতনাথ	
726705000075	নিৰজা দাস
শাখাৰ নাম ঃ গুৱাহাটী জি এছ ৰোড	
634305012413	মুনীন্দ্ৰ নাৰায়ণ দত্ত
634305013745	ৰূপম ৰাভা
শাখাৰ নাম ঃ গুৱাহাটী কালাপাহাৰ	
245305001287	ৰবি দে
শাখাৰ নাম ঃ গুৱাহাটী শিলপুখুৰী	
210605000049	এঞ্জেলা ডাউকা বৈশ্য
শাখাৰ নাম ঃ গুৱাহাটী জুৰোড তিনিআলি	
215005000819	সংগীতা দত্ত
215005000503	মনহুৰ তহমিনা চৌধুৰী
215005000729	মনদ্বীপ কৌৰ
215005000731	মনদ্বীপ কৌৰ
215005000793	আলোক কুমাৰ শ্ৰীবাস্তৱ
215005000817	মহম্মদ আজিজ খান
শাখাৰ নাম ঃ হাইলাকান্দি	
213505000951	আলাউদ্দিন বৰভূঞা
213505000964	কৃষেন্দু পুৰকায়স্থ
213505001173	ৰোহন পাল
শাখাৰ নাম ঃ হোজাই	
199605000336	ৰূপম ৰংপী
199605000954	চান্দাম হুছেইন আহমেদ
199605000969	হিৰণ্য দেৱী
199605001048	মহম্মদ কমল আহমেদ
শাখাৰ নাম ঃ জাগীৰোড	
272005000294	ৰাণী দেৱী
272005000372	সীমা শৰ্মা
272005000376	চেহেৰা বেগম
শাখাৰ নাম ঃ কোকৰাঝাৰ	
179905000783	বিজয় সৰকাৰ
179905000787	সুপ্ৰিয়া হাজোৱাৰী
179905000860	আশাদ্বীপ চৌধুৰী
শাখাৰ নাম ঃ লখিপুৰ	
403205000064	ৰফিকুল ইছলাম
শাখাৰ নাম ঃ লংকা	
211405001290	বিনয় মুজমদাৰ
211405001299	অনিমা দাস
শাখাৰ নাম ঃ লামডিং	
263505000446	শিৱম ভৌমিক
263505000444	ৰাজীৱ দেৱনাথ
263505000447	আশীষ বসু
শাখাৰ নাম ঃ মঙলদৈ	
132105002064	মূৰ্তাজা আলী
132105002586	ডেইজি শৰ্মা
132105002588	বিল্লালউদ্দিন আহমেদ
132105002589	শুভংকৰ সাহা
শাখাৰ নাম ঃ মাৰ্ঘেৰিটা	
271805000615	বৰ্ণালী গগৈ
শাখাৰ নাম ঃ মৰিগাঁও	
258805000781	খাইৰুল ইছলাম
258805000322	সমীৰ উদ্দিন
258805000768	আবিদুৰ ৰহমান
258805000769	বিজুমণি মহন্ত
258805000770	অপূৰ্ব বৰা
258805000779	জয়ন্ত কুমাৰ মিশ্ৰ
শাখাৰ নাম ঃ নগাঁও	
070705001049	ভগৱান বৈৰাগী
070705001202	বাবুল ফুকন
070705001761	আনোৱাৰা বেগম
070705002329	পাপুমণি বৰা
070705002338	প্ৰাৰ্থপ্ৰতীম দাস
শাখাৰ নাম ঃ নলবাৰী	
215405000574	ৰামকৃষ্ণ সূত্ৰধৰ
শাখাৰ নাম ঃ নাজিৰা	
215505000435	জ্যোতিপ্ৰভা গগৈ
215505000436	অংকুৰ দাস
215505000443	ছবিৰ হুছেইন
215505000444	অজয় কুমাৰ সুহতা
শাখাৰ নাম ঃ উত্তৰ লখিমপুৰ	
132405001199	গোবিন পাল
132405001783	দিলুৱাৰা বেগম
132405001707	পল্লৱ কুমাৰ মহন্ত
132405001741	ৰফিক হুছেইন
132405002130	আমিন বেলী
132405002126	নিৰ্মল পাগাগ
132405002127	অদিপ আহমেদ বৰবৰুৱা
শাখাৰ নাম ঃ নুমলীগড়	
324805000160	শংকৰ লাল জালান
শাখাৰ নাম ঃ ৰঙিয়া	
325205000575	দিগন্ত দাস
325205000670	মহম্মদ জিয়ানল আলী
শাখাৰ নাম ঃ শিৱসাগৰ	
062105004549	মহেন্দ্ৰ চেতিয়া
062105005495	ইন্দ্ৰ বৰগোহাঁই
062105005586	পবিত্ৰ চুতীয়া
062105006112	সঞ্জীৱ গগৈ
062105006113	সঞ্জয় হাতীমুৰীয়া
062105006137	ৰেহিমা খাতুন
062105006503	শিখামণি চাংমাই
062105006505	অনুৰূপা গগৈ তামুলী
শাখাৰ নাম ঃ শিলচৰ	
061905002889	সুৰ্পণা দে'
061905005312	সুশান্ত ৰয়
061905005313	আফজল হুছেইন লস্কৰ
061905005330	কে সুৰামণি সিংহ
061905005345	পিনাক ৰঞ্জন পাল
061905005348	বিজয় কুমাৰ ৰয়
শাখাৰ নাম ঃ শিলচৰ ইউ কে ডি ৰোড	
252405000401	অমৰেশ সিং
252405000402	ৰমিজুল চৌধুৰী
252405000670	ৰঞ্জিৎ কুমাৰ দত্ত
252405000700	নমি কামেল
252405000706	বুলবুলি দেব
শাখাৰ নাম ঃ তেজপুৰ	
070905002327	গৌৰব দাস
070905002728	জয়ন্ত কুমাৰ দাস
070905002940	বাপন চক্ৰৱৰ্তী
070905002941	চাজাদুল হক
070905002942	নিভাজ সাহা
শাখাৰ নাম ঃ তিনিচুকীয়া জি এন বি ৰোড	
664705600173	দেৱনাৰায়ণ শ্বাহ
শাখাৰ নাম ঃ ওদালগুৰি	
261005000547	মিনাক্ষী গায়ন দাস
261005000473	চান্দিনী নিছা
261005000553	সুবীৰ সাহা

তাৰিখ ঃ ২৯-১০-২০২১
স্থান ঃ কাছাৰ, দৰং, ধেমাজি, ধুবুৰী, ডিব্ৰুগড়, গোৱালপাৰা, গোলাঘাট, হাইলাকান্দি, হোজাই, কামৰূপ, কামৰূপ মেট্ৰ'পলিটান, কোকৰাঝাৰ, লখিমপুৰ, মৰিগাঁও, নগাঁও, নলবাৰী, শিৱসাগৰ, শোণিতপুৰ, তিনিচুকীয়া, ওদালগুৰি, বাগ্‌সা, বৰপেটা, বিশ্বনাথ, বঙাইগাঁও।

স্বাক্ষৰ/কৰ্তৃত্বশীল বিষয়া
আই চি চি আই বেংক লিমিটেডৰ হৈ

GOVERNMENT OF INDIA
MINISTRY OF MINORITY AFFAIRS

Implemented by the Directorate of Char Areas Development Assam

ADVERTISEMENT OF SCHOLARSHIP : 2021-22

(Post-Matric and Merit-cum-Means Scholarship)

Ministry of Minority Affairs (MoMA) provides an opportunity to the students belonging to six Minority communities notified by the Government of India (Jain, Buddhist, Sikh, Zoroastrian (Parsis), Muslim and Christian) for availing scholarships under two scholarship schemes viz. Post-Matric and Merit-cum-Means based Scholarship for the year 2021-22. "**The Directorate of Char Areas Development Assam** invites online applications for above scholarships, given by the Ministry of Minority Affairs, Government of India for the above schemes".

Timeline

Last date for submission applications for Fresh scholarship (first time applicant) and Renewal scholarship (applicant who has got scholarship during 2020-21) by students **(Post Matric and Merit-cum Means Scholarship)** — 30th November 2021

Eligibility

The applicant should be the student of the notified minority communities (Jain, Buddhist, sikh, Zoroastrian (Parsis), Muslim and Christian).

The applicant should be pursuing studies in India in Government or recognized Private University/ Institute/ College/ School.

The course being pursued should be of Minimum one year duration.

Post Matric Scholarship will be awarded to the students of Class XI, XII, Under Graduate and Post Graduate, M. Phil, P.Hd and other Vocational Courses who have secured not less than 50% marks in the previous final examination for fresh scholarship and annual income of their parents/guardian from all sources does not exceed Rs. 2.00 lakh. Scholarship will not be given to more than two students from a family.

Merit-Cum-Means Scholarship will be awarded to the students of Technical and Professional Courses, who have secured not less than 50% marks in the previous final examination and annual income of their parents/guardian from all sources does not exceed Rs. 2.50 lakh. Scholarship will not be given to more than two students from a family. **Aadhaar is mandatory for the applicants of Merit-cum-Means Scholarship scheme.** The eligibily criteria of 50% marks for renewal scholarship of students has been relaxed by the Ministry, a student passing the previous final examination / promoted to next class/ course will be treated as eligible for the year 2021-22.

Instructions

For Applicants

Applicants are advised to apply online against any one of the scholarship schemes on the website of National Scholarship Portal at https://scholarships.gov.in (a link to the site is also available at www.minorityaffairs.gov.in) or Mobile App-National Scholarships (NSP).

Applicant is advised to give only that bank account details which remains in active mode or compliant as per bank's instructions so that payment of Scholarship does not fail.

For Universities/Institutes/Colleges/Schools

Universities/Institutes/Colleges/Schools where a minority student is studying, should get themselves registered with AADHAAR (if not done earlier) on National Scholarship Portal and submit the printout copy of Institute (KYC) registration forms along with supporting documents to the State Nodal Office on or before 10 November, 2021 for approval. Institutions whose KYC forms is already approved are requested to Authenticate AADHAAR for INOs and Head of Institutes at Institute Login on NSP on or before 5 November, 2021. It is mentioned here that, the institutional Head will keep the Online application (Hard copy) along with supporting documents from the students. After receiving Online applications from the students they will login to the Institute and thoroughtly verify/approve the Online applications and submit the verified list with seal and Signature to this Directorate on or before 20 December'2021.

For detailed information-Visit the website of Ministry of Minority Affirs, ie. www.minorityaffars.gov.in. Samadhaan Helpline (Toll free 0120-6619540) also may contact **Directorate of Char Areas Development Assam, Hengrabari Road, Dispur, Guwahati-6 Mob. No. 7086055605, Email. ID. director_cada@yahoo.com**

Sd/-
Director
Char Areas Development Assam
Dispur, Guwahati-6

Janasanyog/D/8113/21

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৯ অক্টোবৰ, ২০২১ শুকুৰবাৰ পৃষ্ঠা তিনি

প্ৰাক্কলনৰ এক শতাংশ কাম কৰিয়েই ঠিকাদাৰে লাভ কৰিলে ধন

অগ্ৰদূত বাৰ্তা
তেজপুৰ, ২৮ অক্টোবৰ ঃ বিগত সৰ্বানন্দ সোণোৱাল চৰকাৰৰ জলসিঞ্চন মন্ত্ৰী ভৱেশ কলিতাৰ কাৰ্যকালত ৰাজ্যৰ জলসিঞ্চন বিভাগত এক বৃহৎ কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ উঠিছে। কংগ্ৰেছৰ শাসনকালত বৰষুণৰ পানী সংৰক্ষণৰ নামত সামগ্ৰী যোগানৰ ঠিকা লাভ কৰি বিয়াগোম দুৰ্নীতি সংঘটিত কৰা এক ঠিকাদাৰ প্ৰতিষ্ঠানেই পুনৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ প্ৰথমটো কাৰ্যকালত একাংশ বিভাগীয় বৰমূৰীয়াৰে *ছয় পৃষ্ঠাত চাওক*

হাজোৰ পুঠিমাৰী নদীত বৃদ্ধৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
হাজো, ২৮ অক্টোবৰ ঃ কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত দলৈটোলাৰ কোঁৱৰঘাটৰ পুঠিমাৰী নদীত আজি এজন প্ৰবীণ নাগৰিকৰ মৃতদেহ উদ্ধাৰ হয়। উদ্ধাৰকৃত মৃত লোকজনক হাজো দলৈটোলা গাঁৱৰ চাহনুৰ আলী (৭৫) বুলি চিনাক্ত কৰা হৈছে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, যোৱা ২৫ অক্টোবৰত দলৈটোলা গাঁৱৰ চাহনুৰ আলীয়ে পুৱাৰ ভাগত নিজ গৃহৰ পৰা হাজোস্থিত বেংকলৈ টকা নিবলৈ আহিছিল। *ছয় পৃষ্ঠাত চাওক*

বিশ্বনাথ সদৰ থানাৰ অভিযানত অৰুণাচলৰ পৰা উদ্ধাৰ দুই শিশু কন্যা

অগ্ৰদূত বাৰ্তা
বিশ্বনাথ চাৰিআলি, ২৮ অক্টোবৰ ঃ যোৱা ২৫ অক্টোবৰত বিশ্বনাথৰ মাজুলিগড় চাহ বাগিচাৰ পৰা দুই কন্যা শিশু কোনো লোকে বিক্ৰী কৰাৰ সন্দৰ্ভত বিশ্বনাথ সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। ইয়াৰ ভিত্তিতে বিশ্বনাথ সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জিত কুমাৰ ৰয়ৰ নেতৃত্বত অভিযানত ছালে নামৰ লোক এজনক সোধা-পোছ কৰে। ছালেৰ মতে খোদ কন্যা শিশু দুটিৰ মাতৃয়ে দৰিদ্ৰতাৰ বাবে দুটি কন্যা শিশুক *ছয় পৃষ্ঠাত চাওক*

■ অনিশ্চয়তাৰ মাজতো এশখন তাঁতশালত এৰী-ৰেচম বস্ত্ৰ-সামগ্ৰী তৈয়াৰত ব্যস্ত পাঁচশ মহিলা

বজাৰৰ অভাৱত হাহাকাৰ শিপিনীৰ

বিশেষ সংবাদদাতা
নগাঁও, ২৮ অক্টোবৰ ঃ এৰী-ৰেচম শিল্প উদ্যোগেৰে স্বাৱলম্বিতাৰে আগুৱাই যোৱা মৰিগাঁও জিলা জাগীৰোড সমষ্টিৰ পাঁচ শতাধিক উদ্যোগী মহিলাই পূৰ্বসূৰী বৃত্তিটোকে ধৰি ৰখাত প্ৰত্যাহ্বান হৈছে। ব্যৱসায়িক ভিত্তিত এৰী-ৰেচম পলু পালনৰ লগতে এৰী সূতা উৎপাদন আৰু প্ৰাকৃতিক ৰং বোলোৱা এৰী সূতাৰে বিভিন্ন বস্ত্ৰ, আকৰ্ষণীয় বস্ত্ৰ সামগ্ৰী উৎপাদনৰে চমক সৃষ্টি কৰি অহা এই উদ্যোগী মহিলাসকলে বজাৰৰ অভাৱত উৎপাদিত সামগ্ৰী উচিত মূল্যত বিক্ৰী কৰিব নোৱাৰাত লোকচানৰ সন্মুখীন হৈছে। ফলত তেওঁলোকৰ সপোনবোৰো ক্ৰমাৎ মৰহিবলৈ ধৰিছে। উল্লেখ্য যে মৰিগাঁও জিলাৰ জাগীৰোড সমষ্টিৰ অন্তৰ্গত হাতীউঠা, ঘগুৱা, হাউলাভেটি, বামফৰ, দেওশাল, নেলী, ধৰমতুল, গড়মাৰী প্ৰমুখ্যে বিভিন্ন অঞ্চলৰ শতাধিক পুৰুষ আৰু *ছয় পৃষ্ঠাত চাওক*

■ গোলাঘাট পৌৰসভাৰ টোঘলকী কাণ্ড

প্ৰাতঃ ভ্ৰমণস্থলীত মাছৰ বজাৰে বিনষ্ট কৰিছে পৰিৱেশ

অগ্ৰদূত বাৰ্তা
আঠখেলীয়া, ২৮ অক্টোবৰ ঃ এসময়ৰ ৰাজ্যৰ ভিতৰতে উৎকৃষ্ট পৌৰসভাৰ পুৰস্কাৰপ্ৰাপ্ত গোলাঘাট পৌৰসভাৰ একাংশ বিষয়াৰ টোঘলকী কাণ্ডই নগৰখনৰ অতি স্পৰ্শকাতৰ প্ৰাতঃভ্ৰমণস্থলীত মাছৰ বজাৰ সৃষ্টি কৰা কাৰ্যই নগৰখনৰ পৰিৱেশ বিনষ্ট কৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে জিলাখনৰ একমাত্ৰ উন্নত তথা অতি পুৰণি চহৰখনৰ ৩৫/৩৬ হেজাৰ বাসিন্দাৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আছে যদিও স্বাস্থ্য ৰক্ষাৰ দিশত অতি প্ৰয়োজনীয় প্ৰাতঃ ভ্ৰমণৰ বাবে বিশেষ উন্নত *ছয় পৃষ্ঠাত চাওক*

■ ‘লুক নটিচ’ জাননী জাৰি
■ বিশেষ আৰক্ষী টিম গঠন

এমাহেই গ্ৰেপ্তাৰ নহ’ল প্ৰৱঞ্চক মৃদুপৱন নেওগ

বিশেষ সংবাদদাতা
নগাঁও, ২৮ অক্টোবৰ ঃ ৰাজ্যৰ ৰাজনৈতিক নেতাৰ স’তে ছ’চিয়েল মিডিয়াত ফটো দি কেতিয়াবা নিজকে আই পি এছ, কেয়িাবা আই এ এছ আৰু কেতিয়াবা এ চি এছ বিষয়া হিচাপে চিনাকি দি নগাঁৱৰ এটা প্ৰতিষ্ঠানৰ পৰা ৩০ লক্ষাধিক টকা আত্মসাৎ কৰি অসম আৰক্ষীৰ পলাতক আচামী ঘোষিত হোৱা মৃদুপৱন নেওগৰ সন্ধান উলিওৱাত ব্যৰ্থ হৈছে নগাঁও আৰক্ষী। এমাহ উকলি যোৱাৰ পাছতো নগাঁও আৰক্ষীয়ে এই প্ৰবঞ্চকজনৰ সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে মৃদুপৱনৰ বিৰুদ্ধে ২৩২৮-২১ নম্বৰত আৰু ভাৰতীয় দণ্ডবিধিৰ ৪০৬-৪২০-১৭১-৫০৬-৩৪ ধাৰাত নগাঁও সদৰ আৰক্ষী থানাত গোচৰ ৰুজু হৈ আছে। মৃদুপৱনে এখন বিলাসী ফলচোনা বাহন বিক্ৰীৰ নামত নগাঁৱৰ নেহা কাৰ বাজাৰ নামৰ এটা প্ৰতিষ্ঠানৰ পৰা ৩১ লাখ টকা আত্মসাৎ কৰিছিল। লোকজনে প্ৰতিষ্ঠানটোক বিলাসী বাহনখন বিক্ৰী কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেই অনুযায়ী নেহা কাৰ বাজাৰ প্ৰতিষ্ঠানৰ কৰ্তৃপক্ষই মৃদুপৱন নেওগৰ একাউণ্টত *ছয় পৃষ্ঠাত চাওক*

কঠিয়াতলি এঘাৰ মাইলত পথ দুৰ্ঘটনাত হতাহত দুই

অগ্ৰদূত বাৰ্তা,
যমুনামুখ, ২৮ অক্টোবৰ ঃ যোৱা নিশা কঠিয়াতলিৰ ৩৬ নম্বৰ ঘাইপথৰ এঘাৰ মাইলত সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হোৱাৰ বিপৰীতে আন এজন লোক গুৰুতৰভাৱে আহত হয়। ৰাষ্ট্ৰীয় পথত ৰৈ থকা এখন ট্ৰাকক অতিক্ৰম কৰিবলৈ গৈ নগাঁও অভিমুখী এ-এচ-০৯-বি-৯৪৯৫ নম্বৰৰ তীব্ৰ বেগী কে ইউ ভি মহিন্দ্ৰা বাহনে পাছফালে খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। *ছয় পৃষ্ঠাত চাওক*

সোঁতৰ বিপৰীতে



গোসাঁইগাঁও বিধানসভা সমষ্টিত তিনিকোণীয়া যুঁজ হোৱাৰ সম্ভাৱনা

অগ্ৰদূত বাৰ্তা
শ্ৰীৰামপুৰ, ২৮ অক্টোবৰ ঃ অহা ৩০ অক্টোবৰত অনুষ্ঠিতব্য গোসাঁইগাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত আঠ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈ পূৰ্বৰ মহাজোঁট ভাগ ভাগ হৈ পৰাত কংগ্ৰেছে বিপিএফ আৰু এআইইউডিএফে পৃথকে পৃথকে প্ৰাৰ্থীক থিয় কৰাইছে যদিও মিত্ৰজোঁট অক্ষত থকাত মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে ইউপিপিএলৰ জিৰণ বসুমতাৰী সমষ্টিটোত শক্তিশালী প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতাত নামিছে। বাকী ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলৰ ভিতৰত এককভাৱে বিপিএফৰ প্ৰাৰ্থী হৈছে ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰী, কংগ্ৰেছৰ জুৱেল টুডু এআইইউডিএফৰ খাইৰুল আনাম খণ্ডকাৰ আৰু বিজেপি-ইউপিপিএল আৰু অগপৰ সন্মিলিত প্ৰাৰ্থী জিৰণ বসুমতাৰী। চাৰিগৰাকী নিৰ্দলীয় প্ৰাৰ্থীৰ ভিতৰত দুজনে ইতিমধ্যে মিত্ৰজোঁটৰ প্ৰাৰ্থীক সমৰ্থন জনাইছে। গোসাঁইগাঁও *ছয় পৃষ্ঠাত চাওক*

■ চাইৰেণৰ শব্দ-বিলাসী বাহনৰ বাহাৰ দেখা গ’ল ■ মন্ত্ৰীৰ কনভয়ৰ বাবেই আবদ্ধ হ’ল এম্বুলেন্স

কাহানিও নেদেখা এক উপ-নিৰ্বাচনৰ সাক্ষী হৈ ৰ’ল মৰিয়নিবাসী

অগ্ৰদূত বাৰ্তা
মৰিয়নি, ২৮ অক্টোবৰ ঃ অভূতপূৰ্ব এক উপ-নিৰ্বাচনৰ এইবাৰ সাক্ষী হৈ ৰ’ল মৰিয়নি সমষ্টিবাসী। উপ-নিৰ্বাচনো যে এনে এক পৰ্যায়ৰ হ’ব পাৰে সেয়া বহুতৰে বাবে আছিল কল্পনাৰো অগোচৰ। কিন্তু এইবাৰ ৰাজনৈতিক দলসমূহে দেখুৱাই দিলে যেন উপ-নিৰ্বাচন সাধাৰণ নিবাচনতকৈ বেছিহে গুৰুত্বপূৰ্ণ। ২০০৪ তো মৰিয়নিত উপ-নিৰ্বাচন অনুষ্ঠিত হৈছিল। কেবিনেট মন্ত্ৰী তথা মৰিয়নিৰ তদানীন্তন বিধায়ক ৰূপম কুৰ্মীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত সেইবাৰ উপ-নিৰ্বাচন অনুষ্ঠিত হৈছিল; কিন্তু তেতিয়াৰ পৰিৱেশ আজিৰ দৰে নাছিল। এইবাৰৰ পৰিৱেশ সম্পূৰ্ণ সুকীয়া। এইবাৰ মৰিয়নিত সততে শুনা গ’ল চাইৰেণৰ শব্দ। সেয়া এম্বুলেন্স বা অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীৰ চাইৰেণৰ শব্দ *ছয় পৃষ্ঠাত চাওক*

কোনো ভোটাৰ যাতে বাদ পৰি নাযায়

আমি সজাগ ভোটাৰ
ভোটদান আমাৰ অধিকাৰ

উপ-নিৰ্বাচন
অসম বিধান সভা, ২০২১
☑ ভোটদানৰ দিন- ৩০ অক্টোবৰ

এক সামগ্ৰীক প্ৰতিনিধিত্বমূলক নিৰ্বাচনী প্ৰক্ৰিয়াৰ বাবে অসমৰ মুখ্য নিৰ্বাচনী বিষয়াই ভোটদানৰ দিনাখন বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ যাতায়াতৰ সুবিধাৰ বাবে দিব্যাংগ সাৰথি নিৰ্বাচন এপ্লিকেশ্যন (DIVYAANG SARATHI NIRVACHAN APP) মুকলি কৰিছে।

GET IT ON Google Play

Divyaang Sarathi Nirvachan

আমাৰ ভোটাৰ হেল্পলাইন ট’লফ্ৰী নম্বৰ ১৯৫০
অথবা পৰিদৰ্শন কৰকঃ
https://voterportal.eci.gov.in
http://ceoassam.nic.in
@ceoassam @ceoassam @ceo_assam

এই এপ্লিকেশ্যনটো কোনে ব্যৱহাৰ কৰিব পাৰিব?
ভোটকেন্দ্ৰলৈ অহা-যোৱা কৰিবলৈ ইচ্ছুক দিব্যাংগ ব্যক্তিসকলে এই সেৱা লাভ কৰিব পাৰিব।

এই সেৱা কত উপলব্ধ হ’ব?
অহা ৩০ অক্টোবৰ, ২০২১ ইং তাৰিখে ৫ খন জিলাত অনুষ্ঠিত হ’বলগীয়া উপ-নিৰ্বাচনত এই এপ্লিকেশ্যনটো উপলব্ধ হ’ব। জিলা কেইখন হ’লঃ
- ২৮ গোসাঁইগাঁও বিধানসভা সমষ্টি
- ৪১ ভৱানীপুৰ বিধানসভা সমষ্টি
- ৫৮ তামুলপুৰ বিধানসভা সমষ্টি
- ১০১ মৰিয়নি বিধানসভা সমষ্টি
- ১০৭ থাওৰা বিধানসভা সমষ্টি

এপ্লিকেশ্যনটো কেনেদৰে ব্যৱহাৰ কৰিব?
গুগল প্লে ষ্টোৰৰ পৰা এপটো ডাউনল’ড কৰক। ডাউনল’ড হোৱাৰ পিছত, এপটোত পঞ্জীয়ন কৰিবলৈ আপোনাৰ এপিক নম্বৰ আৰু অন্যান্য বিৱৰণ সন্নিবিষ্ট কৰক। আপোনাৰ মনঃপূত পিক-আপ সময় আৰু ঠিকনা সহ আপোনাৰ তথ্য পূৰণ কৰক। পঞ্জীয়ন হোৱাৰ পিছত, পৰিবহণৰ বাবে আপোনাৰ অনুৰোধ জিলা কৰ্তৃপক্ষই গ্ৰহণ কৰিব।

এপটো ব্যৱহাৰ কৰিবলৈ প্ৰয়োজনীয় সামগ্ৰীৰ তালিকা
- ইণ্টাৰনেটৰ সৈতে এণ্ড্ৰইড মবাইল ফোন
- বিশেষভাৱে সক্ষম ভোটাৰৰ এপিক নম্বৰ
- ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰৰ ফটো
- প্ৰতিবন্ধীতাৰ প্ৰমাণপত্ৰৰ ফটো

মুখ্য নিৰ্বাচনী বিষয়া, অসমৰ দ্বাৰা ৰাইজৰ জ্ঞাতাৰ্থে প্ৰচাৰিত
জনসংযোগ/ডি এফ/১২৯১/২১

দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ১১ কাতি ১৪২৮ ভাস্কৰাব্দ ২৯ অক্টোবৰ ২০২১

হুজুগৰ অন্ত পৰিবনে?

সমাজপ্ৰিয় মানুহে কেৱল নিজক লৈয়ে সন্তুষ্ট হৈ থাকিব নোৱাৰে আৰু তেনে ধাৰণাৰ আধাৰতে সুষম সমাজ আৰু জাতিৰ পটভূমি গঢ়ি উঠে। বিভিন্ন জনগোষ্ঠীৰ বাসভূমি উত্তৰ-পূব ভাৰতৰ জনগণৰ মাজত শ্ৰীমন্ত শংকৰদেৱৰ বাণীৰ প্ৰাসংগিকতাই সৰ্বাধিক। দৰাচলতে আমি নিজৰ স্বাৰ্থ পূৰণৰ বাবেই সামাজিক অথবা জাতিগত বিকাশৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। মানুহে কেৱল নিজৰ পৈতৃক নামটোৰে চিনাকি দিয়েই সন্তুষ্ট নহয়। ফলস্বৰূপে ভিন্নজনে জাৰ্মান, ফৰাছী, ইংৰাজ, সিংহলী, ভাৰতীয়, অসমীয়া, বাঙালী আদি হিচাপে চিনাকি দিবলৈ বিচৰাই কেৱল নহয়, জাতীয় আদৰ্শৰ বাবেই মানৱ জাতিয়ে দুখনকৈ মহাসমৰ আৰু অলেখ সমৰৰ সন্মুখীন হ'ব লগা হৈছে। কোনো কোনো মনীষীয়ে জাতীয়তাবাদক নস্যাৎ কৰিবলৈ গৈও সফল হৈছে বুলি ক'ব নোৱাৰি। মানুহে জাতীয় স্বাৰ্থত সা-সম্পত্তিয়েই কেৱল নহয়, নিজৰ প্ৰাণ উছৰ্গা দিবলৈকো কুণ্ঠাবোধ নকৰে। সেয়েহে জাতীয় ঐক্যৰ বাণী স্ব-মহিমাৰে উজ্জ্বল হৈ আহিছে।

এইটো অনস্বীকাৰ্য যে জাতি-প্ৰেমৰ তাড়নাতেই বহু যুৱক-যুৱতীয়ে অমূল্য প্ৰাণ দি ছহিদ হোৱাৰ উপৰি অসংখ্য লোকে সা-সম্পত্তি হেৰুৱাব লগা হৈছে। যদি সিয়েই হয়, তেন্তে অসমীয়াৰ জাতিপ্ৰেমৰ দুৰ্বলতা কোনখিনিত? দৰাচলতে হঠাতে তেনেদৰে জাতিপ্ৰেম জাগি উঠাৰ আঁৰত যুক্তিতকৈ হুজুগেহে বেছি ক্ৰিয়া কৰিছে। হুজুগ সৃষ্টিৰে প্ৰাণ আহুতি দিয়াটোকে জাতিপ্ৰেম নুবুজায়।

অসমীয়া জাতিৰ চাৰিত্ৰিক বৈশিষ্ট্য মূলতঃ ভাষা-সাহিত্যৰ ওপৰত নিৰ্ভৰশীল। অসমীয়াসকলে মাতৃভাষাক ভাল পায় বুলি দাবী কৰে আৰু অসম সাহিত্য সভাৰ বিয়াগোম অধিৱেশনেই তাৰ স্বাক্ষৰ বহন কৰে বুলি কৈ অহা হৈছে। কিন্তু বহুতে অসম সাহিত্য সভাৰ মেলামুখিতাক হুজুগ বুলিয়ে গণ্য কৰি আহিছে। আনকি সাহিত্য সভাৰ বিষয়ববীয়াসকলৰ সতি-সন্ততিয়ে মাতৃভাষাৰ বিদ্যালয়ত অধ্যয়নৰ পৰা বিৰত থকাৰ অভিযোগ উঠি আহিছে। সাহিত্য সভাৰ বিষয়ববীয়াই ধন আত্মসাৎ কৰাৰ অভিযোগো প্ৰায়েই শুনিবলৈ পোৱা যায়। তেন্তে ভাষা-সাহিত্যৰ প্ৰতি থকা আন্তৰিকতাৰ প্ৰমাণ ক'ত? হুজুগৰ বাবেই সাহিত্য সভাৰ প্ৰতি এই আকৰ্ষণ নেকি? তেনেদৰেই ৰঙালী বিহুক জাতীয় উৎসৱৰ আখ্যা দি উলহ-মালহেৰে পালন কৰা হয় বিষয়ববীয়াসকলৰ নিজৰ জেপৰ ধনেৰে নহয়। বিহু উৎসৱৰ বাবে নানা হেঁচা প্ৰয়োগ কৰি বিভিন্নজনৰ পৰা ধন আদায় কৰা হয় আৰু সেই ধনৰ কিয়দংশ আত্মসাৎ কৰা হয় বুলিও সময়ে সময়ে অভিযোগ উত্থাপিত হৈ আহিছে। কিন্তু অসমত থকা ৰাজস্থানী, বিহাৰী, পঞ্জাৱী, বাঙালী আদি সম্প্ৰদায়ৰ লোকে তেওঁলোকৰ জাতীয় উৎসৱ পালনৰ উদ্দেশ্যে অসমীয়াৰ পৰা ধন বিচৰা দেখা নাযায়। একেদৰে অসমীয়াৰ জাতীয় সাজপাৰ, নিজস্ব খাদ্য সম্ভাৰ আদিৰ প্ৰতি অনীহা প্ৰকাশ কৰিবলৈ লোৱা দেখা গৈছে; অথচ এই সকলোবোৰেই উচ্চ গুণসম্পন্ন সামগ্ৰী। অসমীয়াই জাতীয় প্ৰেমৰ আচল নিদৰ্শন দাঙি ধৰিবলৈ হ'লে আন্তৰিকতাৰে নিজৰ ভাষা-সাহিত্যৰ লগতে সাজপাৰ, খাদ্য সম্ভাৰ আৰু নিজস্ব উৎসৱসমূহৰ পৱিত্ৰতা ৰক্ষা কৰি স্বকীয়তা দাঙি ধৰিব লাগিব। এই সকলোৰে ওপৰত অৱস্থান কৰিছে স্বাভিমানে। আনৰ প্ৰতি যথোচিত মৰ্যাদা প্ৰদৰ্শন কৰিও নিজস্ব জাতীয় বৈশিষ্ট্যসমূহক লৈ গৰ্ব কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব। তাৰ বাবে সততা আৰু যুক্তিনিৰ্ভৰ হ'ব লাগিব। তথাকথিত সস্তীয়া হুজুগ বিসৰ্জন দি আত্মনিৰ্ভৰশীল হোৱাৰ তাড়নাৰ ওপৰতে প্ৰকৃত স্বদেশপ্ৰেম নিৰ্ভৰ কৰে। আমদানিকৃত সামগ্ৰীৰে পেট পূৰাই জাতিৰ নাম লৈ ডকা-হকা দি আনৰ পৰা ধন সংগ্ৰহ কৰি স্বদেশ প্ৰেমৰ ধ্বনি দিয়াটো প্ৰকৃত দেশপ্ৰেম নহয়, ই চূড়ান্ত ভণ্ডামিহে। বিদেশী বিতাড়নৰ নামত হুজুগৰ মাজেদি অহা ছাত্ৰ নেতাসকলে আঞ্চলিক দল গঠন কৰি কিদৰে অসমবাসীক প্ৰতাৰণা কৰিলে তাক নতুনকৈ ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। হুজুগৰ অন্ত পেলাই নিস্বাৰ্থ স্বদেশ প্ৰেম আৰু যুক্তিৰ বাটেৰে দৃঢ়তাৰে খোজ পেলোৱাৰ ওপৰতেই অসমীয়া সমাজৰ বিকাশ নিৰ্ভৰ কৰে। সেয়ে নহ'লে সামাজিক অস্থিৰতা আমাৰ সহচৰ হৈ থাকিব আৰু অধোগতিৰ বাবে আনৰ ওচৰত লজ্জানত হ'ব লাগিব।

খোলা মঞ্চ

৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে?

কিৰণ চন্দ্ৰ দাস, লেখক

মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত গঢ়ি উঠা স্বাধীনতা আন্দোলনৰ জৰিয়তে ১৯৪৭ৰ ১৫ আগষ্টত ব্ৰিটিছ সাম্ৰাজ্যৰ পৰা শাসনমুক্ত হয় ভাৰত। প্ৰায় দুশবছৰ ৰাজত্ব কৰি ইংৰাজসকলে স্বদেশলৈ উভতিছিল। দেশ স্বাধীন হোৱাৰ ৭৫ বছৰ হ'ল। এই ৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে বুলি উত্থাপন হোৱা প্ৰশ্নোত্তৰত আমি একো পোৱা নাই বুলি ক'লে নিশ্চয় সমীচীন নহ'ব। পূৰ্বৰ তুলনাত শিক্ষা-দীক্ষাৰ বাবে শৈক্ষিক অনুষ্ঠান স্কুল, কলেজ, বিশ্ববিদ্যালয়, ৰাস্তা-ঘাট, পোহৰ, বিশেষকৈ মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত নিৰ্মাণ হৈ উঠা কে'বাখনো দলঙৰ কথা সদৰী কৰিব লাগিব। আনফালে ব্ৰিটিছ শাসনৰ অধীনস্থ যি গোলামী, নিৰ্যাতন, অতিচাৰ-অত্যাচাৰ, দমন-পীড়ন প্ৰভৃতি নেতিবাচক কাৰ্য-প্ৰণালীৰ পৰা বন্ধনমুক্ত হোৱাতো হৈছে অতি সন্তোষজনক সূচী। আমি ১৯৪৭ৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰিলো যদিও প্ৰকৃতাৰ্থত স্বাধীন হোৱাৰ উপযুক্ত বয়স হয়তো সমাগত হোৱা নাছিল। কাৰণ দেশ স্বাধীন হ'বৰ ৭৫ বছৰ হ'ল যদিও যি ধৰণে আমি বিকাশ অৰ্জন কৰিব লাগিছিল কিন্তু পৰা নাই। প্ৰতিনিয়ত সংঘটিত হৈছে হিংসা-হত্যা, লুণ্ঠন, নাৰী নিৰ্যাতন, ধৰ্ষণ আদি প্ৰভূত কু-ক্ৰিয়া- কাৰ্যই জনজীৱন শংকিত কৰি তুলিছে। স্বাধীনতাৰ সুবাসে মাথোঁ ধনী শ্ৰেণীটোকহে মুনাফা যোগাইছে আৰু ৰাজনৈতিক নেতা-নেত্ৰীকহে স্বাধীনতাই বিকশিত কৰিছে; কিন্তু খাটি খোৱা জনতাই দৰিদ্ৰতাৰ কৰাল গ্ৰাসত ডুব গৈ কক্‌বকাইছে মাথোঁ। সৰ্বহাৰা জনতাই ভোকৰ অন্ন মুঠিৰ বাবে দিনে-নিশাই হাহাকাৰ কৰিব ধৰিছে। জনবিস্ফোৰণ হৈছে; কিন্তু নিবনুৱা সমস্যাই দেশত অশান্তিৰ তাণ্ডৱ সৃষ্টি কৰিছে। চৰকাৰী কু-চৰিত্ৰৱান ব্যক্তিৰ পয়োভৰে সহজ-সৰল নিষ্ঠাৱান লোকসকলক যিকোনো চৰকাৰী কাৰ্যালয়ত উপঢৌকন বিচাৰি হাৰাশাস্তি কৰাটো কোনে অৱগত হোৱা নাই। সম্প্ৰতি বিজ্ঞান-প্ৰযুক্তি উত্থানৰ সময়তো দেশত বিভিন্ন প্ৰাকৃতিক দুৰ্যোগে দেশবাসীক জলা-কলা খুৱাই অহাটো তাৎপৰ্যপূৰ্ণ ঘটনা। যেনে— বাৰিষাৰ বানৰ কৱলত পৰি সহস্ৰ জনতাই দুৰ্ভিক্ষৰ কৱলগ্ৰস্ত হৈ আহিছে। খৰালি খৰাঙত জলসিঞ্চনৰ অভাৱত ছিৰাল ফাট। তদুপৰি ভাৰত স্বাধীন হোৱাৰ লগে লগে দেশ বিভাজনৰ ক্ষেত্ৰত অৰ্থাৎ পাকিস্তান-হিন্দুস্থান হোৱাৰ পৰিণতিতে দেশত সাম্প্ৰদায়িক সংঘৰ্ষৰ বীজ ৰোপণ হৈ থাকিল, যাৰ ফলস্বৰূপে বিদেশী বা প্ৰব্ৰজন সমস্যাই দেশক জোঁকাৰি গৈছে। সংস্থাপন নাপাই এচাম যুৱকে হাতত মাৰণাস্ত্ৰ লৈ বিভিন্ন সন্ত্ৰাসবাদী সংগঠনৰ সৃষ্টি কৰিছে। যাৰ ফলশ্ৰুতিত সঘনাই দেশত হত্যা, হিংসাৰ তাণ্ডৱে জনসাধাৰণৰ মাজত অশান্তিৰ বাতাবৰণ সৃষ্টি কৰিছে। বাকীবোৰ ৰাজ্যৰ তুলনাত অসম ৰাজ্যৰ কেউদিশে সীমামূৰীয়া পূৰ্বৰ সমস্যাৰাজিয়ে বৰ্তমান সময়তো ৰাজ্যখনৰ আৰ্থিক-সামাজিক দিশত ক্ষতিসাধন নকৰাকৈ থকা নাই। এই সমস্ত সমস্যাবোৰ নস্যাৎ কৰি ৭৫ বছৰীয়া স্বাধীনতাৰ স্বাদ ল'বলৈ হ'লে আমি সকলোৰে কৰ্ম-সংস্কৃতিৱান হ'ব লাগিব। যুৱক-যুৱতীসৰে স্ব-নিৰ্ভৰশীল হ'ব লাগিব। তদুপৰি দুৰ্নীতিৰ বিৰুদ্ধে আমি উদ্বুদ্ধ হ'ব লাগিব।

ধনতেৰস আৰু লক্ষ্মী পূজাৰ সমন্বয়

উৎসৱ পালনৰ সকলোৰে অধিকাৰ নিশ্চয় আছে, পিছে আতিশয্যবোৰ বৰ্জনীয় হ'ব লাগে

দৃষ্টিপাত



ড° খৰ্গেশ্বৰ ভূঞা

অসমৰ মানুহে বহিঃৰাজ্যৰ উৎসৱসমূহ বাৰুকৈয়ে আঁকোৱালি ল'বলৈ লৈছে। উৎসৱে যিহেতু মানুহক আনন্দ প্ৰদান কৰে, সেয়েহে বেছিকৈ উৎসৱ পালন কৰাত বিশেষ আপত্তি কৰিবলগীয়া নাথাকে। পিছে এইবোৰত ধন আৰু সময় যথেষ্ট পৰিমাণে খৰচ হয়। আধুনিক জীৱন যাত্ৰা বৰকৈ প্ৰতিদ্বন্দ্বিতামূলক হোৱাৰ বাবে উৎসৱৰ নামত কৰা সময় আৰু ধনৰ খৰচ অপব্যয়ৰ লেখীয়া হয়গৈ। সৰ্বভাৰতীয় বা বিশ্বজনীনতা প্ৰদৰ্শন কৰিবলৈ অসমত প্ৰচলিত হোৱা উৎসৱসমূহৰে কেইটামান হৈছে— ৰাখী বন্ধন, ভেলেন্টাইন ডে', ব'ল বম, ধনতেৰস, কৰৱা চথ বা চথ পূজা, ৰাম নৱমী, গণেশ চতুৰ্থী, মেহেন্দী আৰু চংগীত (বিবাহৰ) ইত্যাদি। গণেশ চতুৰ্থী অৱশ্যেই যথেষ্ট পুৰণি। সেইদৰে বিভিন্ন পূজাবোৰো পাছৰ কালত অসমলৈ অহা। ইয়াৰে ধনতেৰসৰ বিষয়ে কিছু লিখা যাওক।

এটা কথা ঠিক যে ধৰ্মৰ লগত জড়িত কৰ্ম-কাণ্ডবোৰৰ (যিবোৰ পৰৱৰ্তী কালত উৎসৱৰ দৰে পালিত হ'ল) আধাৰস্বৰূপ দেৱ-দেৱী, ইছলামধৰ্মীৰ আল্লা, খ্ৰীষ্টানৰ গড, বৌদ্ধৰ বুদ্ধদেৱ, শিখৰ নানক আদিৰ প্ৰতি আধ্যাত্মিক আৰু আৱেগিক একাত্মতা নাথাকিলে সেইবোৰৰ পৰা আনন্দ লাভ কৰিব নোৱাৰি। মুছলমানৰ নামাজ, ঈদ আদি ধৰ্মীয় কৰ্ম-কাণ্ড, খ্ৰীষ্টানৰ ক'ৰেল, মম জ্বলোৱা ধৰণৰ কামবোৰৰ প্ৰতি আগ্ৰহ নথকাসকলৰ বাবে ধৰ্মীয় আধাৰিত এনে কৰ্মবোৰ নিৰৰ্থক যেনেই লাগিব। মহাপুৰুষ শংকৰদেৱৰ আৰু তেওঁৰ প্ৰৱৰ্তিত নাম-কীৰ্তনৰ প্ৰতি আস্থাহীন লোকে সেইবোৰৰ মাধুৰ্য অনুভৱ কৰিব নোৱাৰিব। অসমলৈ আমদানি হোৱা উৎসৱ জনপ্ৰিয় হোৱাৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য, অৰ্থাৎ সেই সেই উৎসৱৰ কৰ্ম-কাণ্ডৰ প্ৰতি অসমৰ মানুহৰ আস্থা হৈছে বুলি বুজিব লাগিব। অৱশ্যে আজি-কালি উৎসৱবোৰত হোৱা জাক-জমকতাই মানুহক এনেয়েও আকৰ্ষণ কৰিবলৈ লৈছে।

'ধনতেৰস'ৰ 'তেৰস' মানে হিন্দীত যিকোনো ত্ৰয়োদশী তিথি। পিছে ধনতেৰস হৈছে কাতিৰ কৃষ্ণা চতুৰ্দশী তিথি, দিনটো দেৱালীৰ দুদিন আগৰ, বাঙালীসকলে দেৱালীৰ আগদিনা কালীপূজা পতাৰ বাবে এই পূজাৰ আগদিনা ধনতেৰস বুলি মানে। চান্দ্ৰমাহৰ বিশেষ তিথিক বিশেষ নাম বহুততে দিয়া হয়, যেনে ৰাম নৱমী, বিজয়া দশমী, লক্ষ্মী পূৰ্ণিমা, বৌদ্ধ পূৰ্ণিমা, গণেশ চতুৰ্থী, শ্ৰীপঞ্চমী ইত্যাদি। অৰ্থাৎ প্ৰতিটো মাহতে দুবাৰকৈ প্ৰতিপদৰ পৰা পূৰ্ণিমা (বা অমাৱস্যা) লৈ তিথিবোৰ আহিলেও বিশেষ তিথিক বিশেষ উদ্দেশ্যৰে 'সংৰক্ষিত' কৰা হয়, যেনে— আহিনৰ শুক্লা দশমীক বিজয়া দশমী বোলা হয়। একেদৰে ধনতেৰসৰ তিথিও সংৰক্ষিত। 'ধন' শব্দটো আহিছে 'ধন্বন্তৰি'ৰ পৰা, এওঁ এই দিনটোতে অমৃতৰ ঘট ধৰি সমুদ্ৰ বক্ষৰ পৰা ওলাই আহিছিল। এইজন ধন্বন্তৰি বিষ্ণুৰ চৌবিশ অৱতাৰৰ অন্যতম বুলি কোৱা হয়। মহাপুৰুষে 'কীৰ্তন'ত লিখিছে— 'সাৰ মথন্তে অমৃতৰ ঘট ধৰি/ ধন্বন্তৰিৰূপে অৱতাৰ ভৈলা হৰি।' ধন্বন্তৰি হৈছে দেৱতাসকলৰ আয়ুৰ্বেদিক চিকিৎসক। গৰুড় পুৰাণত ধন্বন্তৰিৰ ঘটত থকা 'অমৃত'ক ঔষধৰ মৰ্যাদা দিয়া হৈছে। এই অমৃত মোহিনীৰূপে বিষ্ণুৱে অসুৰক বঞ্চিত কৰি দেৱতাসকলক খুৱাই দিয়াৰ কাৰণে দেৱতাসকল দেৱাসুৰৰ যুদ্ধত নমৰা হ'ল। ধন্বন্তৰিয়ে অমৃত বিদ্যা সুশ্ৰুতক শিকাইছিল। খ্ৰীঃপূঃ ষষ্ঠ-সপ্তম শতিকাৰ ভিতৰৰ (তথ্যমতে খ্ৰীষ্টীয় প্ৰথম-চতুৰ্থ শতিকাৰ) চিকিৎসক সুশ্ৰুত শল্য চিকিৎসাৰ ক্ষেত্ৰত অতি বিখ্যাত আছিল। 'সুশ্ৰুত সংহিতা'ত এওঁ কৰা আঠবিধ অস্ত্ৰোপচাৰ আৰু ১২৫ প্ৰকাৰ সঁজুলিৰ বৰ্ণনা আছে। 'ধনতেৰস'ৰ কথা ক'বলৈ গৈ চিকিৎসাৰ প্ৰসংগ অনাৰ এটা উদ্দেশ্য আছে। প্ৰাচীন শাস্ত্ৰৰ কাহিনীবোৰত ইমানেই বিবিধতা আছে যে পথাৰৰ শিমলু যি ফালৰ পৰাই ইচ্ছা পোনাব পৰাৰ দৰে কাহিনীবোৰো ইচ্ছামতে সলনি কৰিব পাৰি। শাৰদীয় দুৰ্গা পূজা বাংলা কৃত্তিবাসে প্ৰচলন কৰিলে বোলাৰ যেনেকৈ যুক্তি আছে, তেনেকৈ এই পূজা (শাৰদীয়) অতি প্ৰাচীন কালতো আছিল বোলাৰ প্ৰমাণো আছে।

সি যি কি নহওক, 'ধনতেৰস'ৰ বিষয়ত চিকিৎসাৰ কথা অনাৰ উদ্দেশ্যটো হ'ল— এই উৎসৱৰ 'ধন'জন হ'ল ধন্বন্তৰি, যিজন চিকিৎসকৰূপে পৰিচিত আৰু ধন-সম্পদৰ লগত কোনো সম্পৰ্ক ধন্বন্তৰিৰ নাই। অথচ 'ধনতেৰস'ত মানুহে সোণ, ৰূপ আদি কিনিলে ভাল বুলি ভাৱে। ধন্বন্তৰিয়ে অমৃতৰ ঘট লৈ, সাগৰৰ বুকুৰ পৰা ওলাই আহিছিল বাবে ঘট বা যিকোনো পাত্ৰ অৰ্থাৎ বাচন-বৰ্তন কিনিলে ভাল বুলি ভবাৰ যুক্তি এটা হয়তো ওলাব, কিন্তু ধন, সোণ আদি সংগ্ৰহ কৰাৰ কোনো যুক্তি পোৱা নাযায়। সুশ্ৰুতৰ প্ৰসংগ অনাৰ আৰু এটা কাৰণ আছিল। সমুদ্ৰ মন্থনৰ কাহিনী ভালদৰে বিশ্লেষণ কৰিলে বুজা যায় যে 'অমৃত' বস্তুটো এটি প্ৰাণদায়িনী বিশেষ ঔষধ, যিটো গৰুড় পুৰাণেও কৈছে। সেই প্ৰসংগ বাদ দি ধন্বন্তৰিৰ 'ধন'ক সম্পদ গোটোৱালৈ অনাৰ কথালৈ অহা যাওক।

ধনতেৰসক 'ধন-সম্পদ'ৰ লগত একাকাৰ কৰাৰ বাবে ধনৰ দেৱী লক্ষ্মীৰ প্ৰসংগও আহিল। প্ৰাচীন শাস্ত্ৰৰ দেৱীসকলৰ পৰিচয়ো বৰ বিচিত্ৰ, কোন কাৰ পত্নী ধৰিবই নোৱাৰি। সৰস্বতী ব্ৰহ্মাৰ কন্যা আৰু পত্নীও, সেইদৰে সৰস্বতী বিষ্ণুৰো অন্যতমা পত্নী। অৰ্থাৎ লক্ষ্মী-সৰস্বতী সতিনী। প্ৰাচীন কালত সকলো ৰজা আৰু আঢ্যৱন্তসকলৰে একাধিক পত্নী আছিল যদিও কৈকেয়ী, সুৰুচি-সুনীতি ধৰণৰ দুই-এটা ব্যতিক্ৰমৰ বাদে সতিনী কাজিয়াৰ কাহিনী বৰকৈ নাছিল। পৰৱৰ্তী কালত সতিনীৰ বিবাদ বহু কাহিনীতেই সুমুৱাই দিয়া হ'ল। লক্ষ্মী-সৰস্বতীৰ বিবাদো তেনেদৰেই অতি অৰ্বাচীন। সৰস্বতী হ'ল বিদ্যাৰ অধিষ্ঠাত্ৰী আৰু লক্ষ্মী ধনৰ গৰাকী। সেয়েহে ধাৰণাৰ সৃষ্টি কৰা হ'ল যে সৰস্বতীয়ে কৃপা কৰা বিদ্বানসকলক লক্ষ্মীয়ে কৃপা নকৰে, অৰ্থাৎ তেওঁলোক ধনী নহয়। ব্ৰাহ্মণসকল আছিল ইয়াৰ উৎকৃষ্ট উদাহৰণ। এইবোৰেৰে লক্ষ্মীৰ ওপৰত আৰোপ কৰা হ'ল এটা নতুন বৈশিষ্ট্য— এওঁ চঞ্চলা। এওঁ কাৰ গৃহত স্থিত হয় ঠিক নাই, কাৰোবাৰ ঘৰত স্থায়ীভাৱে থাকি যায়, কাৰোবাৰ ঘৰলৈ একেবাৰেই নাহে, কাৰোবাৰ ঘৰলৈ আহো আহো কৈ নাহে, কাৰোবাৰ ঘৰলৈ দেৰিকৈ হ'লেও আহি যায়, মুঠতে এওঁৰ মতি-গতি ধৰিব নোৱাৰি।

লক্ষ্মীৰ এই স্বভাৱৰ কথা জানে বাবেই এওঁৰ পূজা হয় আৰু পূজাৰ দিনা ঘৰৰ সকলোৱে দেৱীক কাকুতি-মিনতি কৰে— 'লক্ষ্মী আহা, এয়া আসন দিছো বহা।' পিছে লক্ষ্মী কাৰ প্ৰতি প্ৰসন্ন হয় তেওঁহে জানে। লক্ষ্যণীয় কথাটো হ'ল— প্ৰাচীন কালত লক্ষ্মী টকা-পইচা বা ধন-সম্পদৰ গৰাকিনী নাছিল। নাৰায়ণ বা বিষ্ণুৰ পত্নী হিচাপে লক্ষ্মী চঞ্চলাও নাছিল। ভৃগু মুনিৰ কন্যা (দুই ভ্ৰাতৃ ধাতা আৰু বিধাতা) লক্ষ্মী বিষ্ণুৰ পত্নী হয়, পিছে দুৰ্বাসাৰ শাপত ইন্দ্ৰৰ ৰাজলক্ষ্মী সাগৰত সোমাল। পাছত সমুদ্ৰ মন্থনত লক্ষ্মীৰ উদ্ভৱ হৈ পুনৰ বিষ্ণুৰ পত্নী হয়। ধনতেৰসৰ লগত লক্ষ্মী অৰ্থাৎ ধন-সম্পদৰ সম্পৰ্কও পৰৱৰ্তী কালত অনা হৈছে। ভৱিষ্য পুৰাণৰ মতে মাঘৰ শ্ৰীপঞ্চমী অৰ্থাৎ শুক্লা পঞ্চমীত লক্ষ্মীক পূজা কৰিলে শ্ৰীবৃদ্ধি বা ধন-সম্পদ বৃদ্ধি হয়। আজি-কালি পিছে শ্ৰীপঞ্চমীত লক্ষ্মী পূজা নহয়, সৰস্বতী পূজাহে হয়। অগ্নিপুৰাণে লক্ষ্মী আৰু সৰস্বতী একেটি দেৱী সত্তা বুলিছে। ইয়াত লক্ষ্মীক সকলো বিদ্যা আৰু ইয়াৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰূপেও কল্পনা কৰিছে। কথাটো হ'ল ধনতেৰসৰ লগত লক্ষ্মীক সাঙুৰিলেও দুৰ্গা পূজাৰ পাছৰ পূৰ্ণিমাতেই লক্ষ্মী পূজা হয় আৰু তাৰ ১৩ দিনৰ পাছতহে ধনতেৰস আহে। ইয়াৰ এদিনৰ পাছত কালী পূজা আৰু দুদিনৰ পাছত দীপান্বিতা হয় অমাৱস্যাত। স্মাৰ্ত (স্মৃতি শাস্ত্ৰৰ ব্যাখ্যাকাৰ) ৰঘুনন্দনৰ মতে দীপান্বিতাত লক্ষ্মী পূজা কৰিব লাগে, যি পূজাৰ লগত অগ্ৰৱৰ্তী ধনতেৰসৰ সম্বন্ধ আছে।

লক্ষ্মী দেৱীৰ চৰিত্ৰৰ পৰিৱৰ্তনক লৈ ৰবীন্দ্ৰনাথে কৌতুক কৰি কাহিনীৰ চৰিত্ৰৰ মুখেদি কোৱাইছিল— 'একালত লক্ষ্মী বুলিলে এগৰাকী দেৱীক বুজোৱা হৈছিল, কালক্ৰমত লক্ষ্মীৰ গুণ অনুসাৰে সুশীলা স্ত্ৰীসকলক লক্ষ্মী বোলা হ'ল, তাৰ পাছত পুৰুষকো লক্ষ্মী নামেৰে মতা হ'ল।' লক্ষ্মী ধনৰ দেৱী নাছিল, কিন্তু মানুহৰ ধন-সম্পদৰ প্ৰতি লোভ বঢ়াৰ লগে লগে ইয়াৰ চঞ্চল স্বভাৱটোও লক্ষ্মীৰ ওপৰত জাপি দিয়া হ'ল। দুৰ্গা পূজাৰ পাছৰ পূৰ্ণিমাৰ নাম কোজাগৰ; এই নিশা কোন কোন জাগি আছে সেয়া লক্ষ্মীয়ে চাই ফুৰে বুলি পুৰাণে কৈছে, জাগি থকাসকলক লক্ষ্মীয়ে কৃপা কৰে বাবে মানুহে সেই নিশা সাৰে থাকি লক্ষ্মীৰ পূজা কৰে। লক্ষ্মীৰ চঞ্চলা স্বভাৱৰ বাবেই ভক্তই প্ৰতি বৃহস্পতিবাৰে তেওঁৰ পূজা কৰে, তাৰ পাছত কোজাগৰী লক্ষ্মী পূজা আৰু শেষত একেবাৰে দীপান্বিতালৈকে লক্ষ্মী পূজা চলিবলৈ ধৰিলে, গতিকে 'ধনতেৰস'ৰো ৰাজত্ব আৰম্ভ হ'ল।

ধনতেৰসত কি কি কৰিব লাগিব-নালাগিব, তাৰ দীঘলীয়া তালিকা আছে। সোণ, ৰূপৰ গহনা বা এই দুবিধ ধাতু কিনিব লাগে, তীখাৰ বাচন কিনিব লাগে নে নালাগে, তাকে লৈ মতভেদ আছে, জোঙা, ধাৰ থকা বস্তু কিনিব নালাগে। বাচন কিনি খালী অৱস্থাত আনিব নালাগে, পাৰিলে শস্য, নোৱাৰিলে পানীকে ভৰাই আনিব। ঝাৰু বা বাঢ়নী (উৎসৱবিধে অসমীয়াত্ব পোৱাৰ বাবে) কিনা ভাল, এইবোৰে হেনো ঘৰত সোমোৱা পাপবোৰ সাৰি পেলায়। ধন ধাৰে লোৱা বা পৰিশোধ কৰিব নালাগে। গাড়ী কিনিব লাগে, এই দিনটোত পইচা খৰচ কৰা বেয়া, পিছে সোণ, ৰূপ, গাড়ী আদি বাকীকৈ কোনে দিব জনা নাযায়। ক'লা ৰং পৰিত্যাজ্য, আমিষ আহাৰ বৰ্জনীয়। চাৰিডাল শলিতাৰে চাকি জ্বলাব লাগে। এনে ধৰণৰ 'পায়-নাপায়'বোৰ মানুহে নিজে নিজে সৃষ্টি কৰি লৈছে, যিবোৰে মানুহক অধিক অন্ধবিশ্বাসী কৰি তোলে। ধনতেৰস আৰু লক্ষ্মী পূজাৰ কিছু আধাৰৰ বিষয়ে দাঙি ধৰি ক'ব বিচৰা হৈছে যে এইবোৰ তেনেই ধৰি লোৱা কথা। গতিকে এইবোৰক লৈ উত্ৰাৱল হোৱাৰ কথাও নাই। ধনতেৰসৰ 'ধন' অংশ মূলতে ধন্বন্তৰি আৰু এওঁৰ পূজাৰ পৰা আহিছিল যদিও কিছুমানে শব্দটো টকা-পইচা, সম্পদ আদিলৈ পৰিৱৰ্তন কৰিলে। সেইদৰে লক্ষ্মীদেৱীৰো চৰিত্ৰৰ আমূল পৰিৱৰ্তন কৰি পূজ্য কৰি তোলা হ'ল। এনেবোৰ কাৰ্যই অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ জন্ম দিয়ে; ইয়াৰ লগতে প্ৰাচীন শাস্ত্ৰসমূহৰ ধাৰণাৰ পৰিৱৰ্তন ঘটাই সেইবোৰৰ মৰ্যাদা হানি কৰা হয়। 'গৰু খালত পেলোৱা'ৰ দৰে এনেবোৰ কথাৰ লগত চৰকাৰকো আঁজুৰিব লগা হয়। যেনে ধনতেৰসক 'ৰাষ্ট্ৰীয় আয়ুৰ্বেদিক দিৱস' হিচাপে চৰকাৰে ২৮/১০/২০১৬ৰ পৰা পালন কৰিবলৈ লৈছে। জৈনধৰ্মীসকলে এই দিনটোক মহাবীৰৰ মোক্ষ লাভৰ দিন হিচাপে পালন কৰে পূৰ্বৰে পৰা; যিটোৰ লগত বোধহয় ধনতেৰসৰ সম্পৰ্ক নাই। ধনতেৰসত (আৰু আন উৎসৱ, পূজা-পাৰ্বণ আদিত) কৰণীয়-বৰ্জনীয়ৰ তালিকাত আপত্তিজনক একো নাই যদিও এইবোৰ যে অন্ধবিশ্বাস, সেয়া সহজেই প্ৰমাণ কৰিব পাৰি। ধনতেৰস অসমীয়া মানুহৰ লগতে ভাৰতৰ বিভিন্ন ঠাইৰ মানুহে (পৃথিৱীৰ অন্য ঠাইৰ কথা বাদেই) পালন পূৰ্বতে কৰা নাছিল যদিও মানুহ ধনী নোহোৱাকৈ থকা নাছিল। এতিয়া তেনেবোৰ কাম কৰাৰ বাবে কৰাসকলৰ অধিক ধন গোট খাই যোৱা নাই। সেইদৰে অন্ততঃ দুশমান বছৰ ধৰি অসম, বংগ তথা আন ঠাইৰ মানুহে বিভিন্ন ধৰণে লক্ষ্মীপূজা কৰি আহিছে; সেই হিচাপত বৃহৎ সংখ্যক পূজা কৰা লোক ধনী হ'ব লাগিছিল, বাস্তৱত তেনে হোৱা নাই। মুঠতে ধনতেৰস, লক্ষ্মী পূজা আদিৰ যোগেদি ধন-সম্পত্তি গোটাব নোৱাৰি। দুৰ্নীতিগ্ৰস্তসকলৰ কথা বাদ দিলে ক'ব লাগিব যে ফলপ্ৰসূ প্ৰচেষ্টাৰ দ্বাৰাহে সম্পদশালী হ'ব পাৰি।

ধনতেৰসক 'ধন-সম্পদ'ৰ লগত একাকাৰ কৰাৰ বাবে ধনৰ দেৱী লক্ষ্মীৰ প্ৰসংগও আহিল। প্ৰাচীন শাস্ত্ৰৰ দেৱীসকলৰ পৰিচয়ো বৰ বিচিত্ৰ, কোন কাৰ পত্নী ধৰিবই নোৱাৰি। সৰস্বতী ব্ৰহ্মাৰ কন্যা আৰু পত্নীও, সেইদৰে সৰস্বতী বিষ্ণুৰো অন্যতমা পত্নী। অৰ্থাৎ লক্ষ্মী-সৰস্বতী সতিনী

উৎসৱ পালনৰ সকলোৰে অধিকাৰ নিশ্চয় আছে, পিছে আতিশয্যবোৰ বৰ্জনীয় হ'ব লাগে। দীপান্বিতাত প্ৰদূষণ সৃষ্টিকাৰক সামগ্ৰী ব্যৱহাৰ নকৰিবলৈ তথা জাক-জমকতাত লেকাম লগাবলৈ প্ৰশাসনে কৰা নিয়ম-কানুনবোৰে প্ৰমাণ কৰিছে যে আজি-কালি উৎসৱৰ নামত হোৱা আতিশয্যই মানুহৰেই অপকাৰ কৰিছে।

ফোন : ৮১৩৫৮৩৫২১৯

পেগাছাছ বিতৰ্কৰ তদন্তই শ'লঠেকত পেলাব কেন্দ্ৰক

সংসদ আৰু দেশৰ বিৰোধী ৰাজনীতিত তোলপাৰ লগোৱা পেগাছাছ কাণ্ড

আঠ সপ্তাহৰ ভিতৰতে তদন্তৰ ৰায়দানৰ নিৰ্দেশ উচ্চতম ন্যায়ালয়ৰ

চোৰাংচোৰাৰ বিতৰ্কৰ ৰায়দান কৰিলে উচ্চতম ন্যায়ালয়ে ২৭ অক্টোবৰত

দৃষ্টিপাত

ভাস্কৰ ফুকন

দেশৰ সংবাদ মাধ্যম আৰু সংসদৰ অধিৱেশন তোলপাৰ কৰা পেগাছাছ। যোৱা পাঁচ জুলাইৰ দিনা দেশৰ উচ্চতম ন্যায়ালয়ত এই গোচৰ প্ৰথমবাৰৰ বাবে আলোচনালৈ আহে। উল্লেখ কৰা প্ৰয়োজন যে দুজন বিশিষ্ট সাংবাদিক 'দি হিন্দু' কাকতৰ মুখ্য সম্পাদক এন ৰাম আৰু শশী ভাটনাগৰৰ লগতে আন এজন জ্যেষ্ঠ সাংবাদিকে ভাৰত চৰকাৰৰ বিৰুদ্ধে অবৈধভাৱে ভালে কেইজন সাংবাদিক, এজন কেন্দ্ৰীয় মন্ত্ৰী, এজন ন্যায়াধীশ আৰু বহু কেইজন সামাজিক কৰ্মীৰ ম'বাইল ফোন 'হেক' কৰি গুপুতভাৱে পেগাছাছ গুপ্তচৰ ছফ্‌টৱেৰৰ দ্বাৰা তেওঁলোকৰ ওপৰত চোৰাংচোৰাগিৰি কৰাৰ অভিযোগ তুলি এই ন্যায়ালয়ত গোচৰ তৰিছিল।

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এন ভি ৰামান্না আৰু ন্যায়াধীশ সূৰ্য কান্তই এই গোচৰৰ লগতে মুঠ আঠটা গোচৰৰ বিষয়ে মন্তব্য প্ৰকাশ কৰিছিল যে এই গোচৰসমূহৰ সমৰ্থনত আৰু অধিক তথ্য-প্ৰমাণৰ আৱশ্যক। দুয়োজন ন্যায়াধীশে এই মন্তব্য প্ৰকাশ কৰে যে এই অভিযোগ এক অতি গুৰুতৰ ধৰণৰ অভিযোগ আৰু ইয়াক গুৰুত্ব সহকাৰে লোৱা উচিত। ইয়াৰ পাছত উচ্চতম ন্যায়ালয়ে এই মোকৰ্দমাৰ পৰৱৰ্তী দিন ১০ আগষ্টত নিৰ্ধাৰণ কৰিছিল যদিও ইয়াৰ সময় এসপ্তাহ পিছুৱাই দিয়া হ'ল। উচ্চতম ন্যায়ালয়ৰ তদন্তৰ ফলাফলৰ ওপৰতহে এই অভিযোগৰ গুৰুত্ব আৰু বৈধতা নিৰ্ণয় হ'ব আৰু সৰ্ব সাধাৰণৰ আগত এই কথা স্পষ্ট হৈ পৰিব যে চৰকাৰখনৰ বিৰুদ্ধে চোৰাংচোৰা গিৰিৰ এনে ধৰণৰ অভিযোগ আৰু ন্যায়িক পদক্ষেপ প্ৰকৃততে ন্যায্য বা যুক্তিযুক্ত নে কেৱল এক ৰাজনৈতিক নাটকৰ অংশ বিশেষ। এনেবোৰ কথা থিৰাং হ'বৰ বাবে কিছুদিন অপেক্ষা কৰাৰ প্ৰয়োজন হ'ব কাৰণ আইন-আদালতৰ কামত বিশেষকৈ ৰায়দানৰ ক্ষেত্ৰত সময়ৰ প্ৰয়োজন হোৱাটো এক গতানুগতিক কথা।

এইখিনিতে উল্লেখ কৰিব পাৰি যে কোনো এজন ব্যক্তি বা ব্যক্তিসমূহৰ ওপৰত চোকা নজৰ ৰখা বা সেই লোক বা লোকসকলৰ জীৱনৰ ওপৰত চোৰাংচোৰাগিৰি চলোৱাটো কোনো নতুন কথা নহয়। কেৱল মাত্ৰ ভাৰততে নহয়, বিশ্বৰ বিভিন্ন দেশত এনে ধৰণৰ চোৰাংচোৰাগিৰি চলি আহিছে। ভাৰতৰ ক্ষেত্ৰত ইয়াৰ উদাহৰণ দিবলৈ হ'লে প্ৰথমেই জৱাহৰলাল নেহৰুৰ দ্বাৰা নেতাজী সুভাষ চন্দ্ৰ বসুৰ পৰিয়ালৰ লোকৰ ওপৰত চলা প্ৰায় তিনি দশকযোৱা এনে চোৰাংচোৰা কাৰ্যৰ কথা উল্লেখ নকৰি নোৱাৰি। নেতাজী সুভাষ বসুৰ জীয়াই থকাৰ সম্ভাৱনাই নেহৰুৰ মনত এনে ধৰণৰ শংকাৰ সৃষ্টি কৰিছিল, যাৰ বাবে তেওঁ সেই বিষয়ত আশ্বস্ত হ'বৰ বাবে সকলো ধৰণৰ পন্থা অৱলম্বন কৰিছিল। চৰকাৰী খৰচত অনেক ধৰণে এনে ধৰণৰ শেন দৃষ্টি নেহৰুৱে বসু পৰিয়ালৰ ওপৰত অনৱৰত ৰাখিছিল।

ডিজিটেল যুগত প্ৰৱেশ কৰাৰ আগেয়ে চোৰাংচোৰাগিৰিৰ পদ্ধতি আছিল যথেষ্ট আহুকলীয়া আৰু কষ্টকৰ। সন্দেহজনক ব্যক্তিৰ ওপৰত নজৰ ৰখা হৈছিল গুপ্তচৰৰ জৰিয়তে। নিৰ্দিষ্ট ব্যক্তিগৰাকীৰ ওপৰত তীক্ষ্ণ নিৰীক্ষণ চলোৱা হৈছিল কোনো কোনো ক্ষেত্ৰত ভেশছন কৰা মানৱ গুপ্তচৰৰ জৰিয়তে। সেই দিনত টেলিফোন সংযোগৰ ব্যৱস্থাও আছিল সংকুচিত আৰু ফোনৰ সুবিধা থকাসকলৰ ফোনবোৰৰ লগত গুপ্তচৰ সস্থা বা চৰকাৰী নিৰীক্ষণকাৰী সস্থাৰ নিৰ্দিষ্ট টেলিফোনবোৰৰ জৰিয়তে কথা বাৰ্তাবোৰ শুনা আৰু প্ৰয়োজন অনুসৰি বাণীবদ্ধ কৰাৰ ব্যৱস্থা কৰা হৈছিল— ইংৰাজীত যাক ফোন টেপিং বুলি কোৱা হৈছিল। ইয়াৰ উপৰি এজন ব্যক্তিৰ অজ্ঞাতে তেওঁৰ কোঠালিত গুপ্তভাৱে কেমেৰা ৰাখি এনে নিৰীক্ষণ চলাই থকা হৈছিল; কিন্তু আজিৰ ডিজিটেল যুগত এনে ধৰণৰ নিৰীক্ষণ পদ্ধতি ভাবিব নোৱৰা ধৰণে আগবাঢ়ি গৈছে। মাত্ৰ এক ধৰণৰ ছফ্‌টৱেৰৰ বৰ্তমান দিনত উপলব্ধ এণ্ড্ৰইড ফোন বা তাতোকৈ উন্নত আৰু মূল্যৱান আই ফোনত সংলগ্ন কৰি প্ৰয়োজন অনুসৰি যি কোনো ব্যক্তিৰ ওপৰত নজৰ ৰখাই নহয়, তেওঁৰ কথা, তেওঁ পঠিওৱা বাৰ্তা আদি সকলো দিশতে নিৰীক্ষণ চলাই থাকিব পাৰি।

যোৱা ২০ জুলাইত দি ৱায়াৰ নামৰ এক স্বাধীন ইণ্টাৰনেট ৱেবছাইটটোত প্ৰকাশিত এটা প্ৰবন্ধই এনে এটা বিবদমান তথ্য ফাদিল কৰিলে যাক লৈ সংবাদ মাধ্যম, ৰাজনৈতিক মহল আৰু সচেতন নাগৰিকৰ মাজত খলকনিৰ সৃষ্টি হ'ল। দি ৱায়াৰ নামৰ এই বাতৰি প্ৰচাৰ কৰা ৱেবছাইটটোৰে প্ৰকাশ কৰা প্ৰবন্ধত এই কথা উল্লেখ আছিল যে ইজৰাইলৰ 'এন এছ অ' নামৰ পেছাদাৰী প্ৰতিষ্ঠান এটাই যোগান ধৰা পেগাছাছ নামৰ এক গুপ্তচৰ ছফ্‌টৱেৰৰ যোগেদি ভাৰতৰ ৩০০ জনমান ৰাজনৈতিক ব্যক্তি, সাংবাদিক, সামাজিক কৰ্মী আদিৰ কথা-বাৰ্তা আৰু সকলো ধৰণৰ যোগাযোগ ছফ্‌টৱেৰ বিধ তেওঁলোকৰ স্মাৰ্টফোনত প্ৰৱেশ কৰাই নিৰীক্ষণ ৰখা হৈছিল। ২১ জুলাইত ইয়াৰ পাছৰটো প্ৰৱন্ধত কোৱা হ'ল যে এমনেষ্টি ইণ্টাৰনেছনেল নামৰ মানৱ অধিকাৰ সস্থাৰ উদ্যোগত চলোৱা এক অনুসন্ধানৰ জৰিয়তে এনে ধৰণৰ নিৰীক্ষণৰ উদ্দেশ্যে তৈয়াৰ কৰা ব্যক্তিৰ এখন তালিকাৰ সম্ভেদ পোৱা আৰু ইতিমধ্যে এই তালিকাৰ ভালেমান ব্যক্তিৰ এণ্ড্ৰইড ফোন আৰু আই ফোনত এই গুপ্ত ছফ্‌টৱেৰ প্ৰৱেশ কৰোৱাৰ প্ৰমাণ পোৱা বুলিও উল্লেখ কৰা হয়। এই অনুসন্ধানত বিশ্বৰ ১৭ টা অনুসন্ধান সস্থা আৰু ৱাশ্বিংটন পোষ্ট আৰু দি গাৰ্ডিয়েন নামৰ সংবাদ পত্ৰৰ সহযোগ থকা বুলিও দাবী কৰা হয়। এই গুপ্তচৰজনিত ঘটনাৰ বাবে সন্দেহৰ মাজলৈ টানি অনা হয় কেন্দ্ৰীয় চৰকাৰক, কাৰণ এক ইজৰাইলী সংস্থা এন এছ অ'ৰ দ্বাৰা সৃষ্ট এই পেগাছাছ ছফ্‌টৱেৰ এন এছ অ' নামৰ সংস্থাটোৱে ঘোষণা কৰা মতে এই ছফ্‌টৱেৰৰ বেচা-কিনা একমাত্ৰ চৰকাৰী বিভাগ বা সংস্থাৰ লগতহে কৰা হৈছিল।

ইয়াৰ প্ৰত্যুত্তৰ হিচাপে চৰকাৰৰ ফালৰ পৰা কোৱা হয় যে এই ধৰণৰ গুপ্তচৰ ছফ্‌টৱেৰৰ দ্বাৰা কৰা নিৰীক্ষণ কাৰ্যত চৰকাৰৰ কোনো হাত নাই আৰু চৰকাৰ যি কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ সাজু। চৰকাৰৰ এই ক্ষেত্ৰত ভয় কৰিব লগা বা লুকুৱাব লগা একো নাই। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা আৰু কোৱা হয় যে মাত্ৰ এটা প্ৰৱন্ধৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰৰ ওপৰত কৰা এনে ধৰণৰ অভিযোগ স্বীকাৰ কৰা নাযায়। এই তথ্য সদৰী হোৱাৰ লগে লগে দেশৰ ৰাজনৈতিক মহলতো এক জোঁকাৰণিৰ সূত্ৰপাত হয়। দেশৰ সংসদৰ বৰ্ষাকালীন অধিৱেশন এই পেগাছাছ প্ৰশ্নত উত্তাল হৈ উঠে। লোকসভা আৰু ৰাজ্যসভা উভয় সদনত বিৰোধী সাংসদসকলে বিশেষকৈ কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছ দলৰ সাংসদসকলে সভাৰ সকলো কাম-কাজ চলাত বাধা প্ৰদান কৰে আৰু উভয় সদনতে অধ্যক্ষই কে'বাবাৰো সভা স্থগিত ৰাখিবলৈ বাধ্য হয়। সংসদৰ অধিৱেশন চলি থকাৰ সময়তে ২৩ জুলাইত ৰাজ্যসভাত এই বিষয়ৰ ওপৰত বক্তব্য ৰাখিব খুজি থিয় হোৱাৰ সময়ত তথ্য প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ হাতৰ পৰা বক্তব্য লিখি অনা কাগজ তৃণমূল কংগ্ৰেছ দলৰ শান্তনু সেন নামৰ সাংসদগৰাকীয়ে কাঢ়ি আনি ফালি ছিৰি ৰাজ্যসভাৰ উপ-অধ্যক্ষ হৰিবংশৰ সন্মুখত দলিয়াই পেলায়।

ভাৰতৰ ৰাজনীতি এই প্ৰশ্ন লৈ উত্তাল আৰু বিৰোধী দল বিশেষকৈ কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে এই প্ৰশ্ন নিজৰ সুবিধাৰ দিশত ব্যৱহাৰ কৰাত বদ্ধ পৰিকৰ। মমতা বেনাৰ্জীৰ দল তৃণমূল কংগ্ৰেছ এই ক্ষেত্ৰত অধিক সক্ৰিয়। সংসদৰ বৰ্ষাকালিন অধিৱেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ অধিৱেশনৰ মাজত উচিত-অনুচিত বিচাৰ নকৰি তৃণমূল দলৰ প্ৰিয় শ্ল'গান 'খেলা হ'বে'ৰ চিঞৰে সংসদৰ মাজ-মজিয়াত এক বিশৃংখল পৰিৱেশ সৃষ্টি কৰা পৰিলক্ষিত হৈছিল। ইয়াৰ উপৰি কংগ্ৰেছ দলে বাৰে বাৰে ট্ৰেজাৰী বেঞ্চলৈ ফলা প্লে কাৰ্ড আৰু ফলা কাগজ দলিয়াই সদনৰ পৰিৱেশ নষ্ট কৰা আৰু সদনৰ যাৱতীয় কাম কাজৰ মাজত ব্যাঘাত জন্মোৱা কাৰ্যই উভয় সদনৰ পৰিৱেশ বহু পৰিমাণে বিনষ্ট কৰা দেখা গৈছিল। উচ্চতম ন্যায়ালয়ৰ দ্বাৰা এই গুৰুতৰ অভিযোগৰ প্ৰকৃত তদন্ত প্ৰক্ৰিয়া শেষ নোহোৱালৈকে এই কথা নিশ্চিত যে বিৰোধী বিশেষকৈ তৃণমূল কংগ্ৰেছ আৰু কংগ্ৰেছ দলে সদনৰ বাহিৰে-ভিতৰে এনে আচৰণ চলাই থাকিব, কাৰণ মোদী চৰকাৰক শলঠেকত পেলোৱাৰ ই এটা অপূৰ্ব সুযোগ।

১৯৮৮ত কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ৰামকৃষ্ণ হেগড়েৰ পতনৰ কাৰণ আছিল স্নুপিং আখ্যাৰ এনে ধৰণৰ কাৰ্য। যোৱা দশকৰ আৰম্ভণিত মহাৰাষ্ট্ৰত কোনো কোনো ব্যক্তিৰ ক্ষেত্ৰত এনে স্নুপিং হোৱা বুলি প্ৰকাশ। এনে ধৰণৰ চোৰাংচোৰা কাৰ্য কংগ্ৰেছ চৰকাৰ, বিশেষকৈ ইন্দিৰা গান্ধীৰ আৰু ৰাজীৱ গান্ধীৰ প্ৰধানমন্ত্ৰিত্বৰ কালত এক চিৰাচৰিত কৰা আছিল বুলি সেই সময়ত গুপ্ত তথ্য কিন্তু বৰ্তমান মুক্ত সত্যৰূপে পোহৰলৈ আহিছে। বৰ্তমান তথ্য-প্ৰযুক্তিৰ উত্তৰণৰ সুবিধাৰ জৰিয়তে এই কাম অধিক গোপনীয়- ভাৱে কৰা আৰু অধিক ব্যাপকভাৱে কৰাটো সম্ভৱ হৈ পৰিছে। এই পেগাছাছ চোৰাংচোৰাগিৰিৰ প্ৰশ্নত চৰকাৰ জড়িত আছে নে নাই সেই কথা উচ্চতম ন্যায়ালয়ৰ বিচাৰৰ পাছৰ ৰায়দানৰ জৰিয়তেহে পোহৰলৈ আহিব, কাৰণ বহু বিতৰ্কৰ অন্তত যোৱা বুধবাৰে উচ্চতম ন্যায়ালয়ে পেগাছাছ তদন্তৰ বাবে এটি তিনিজনীয়া কমিটী গঠন কৰি দিছে। এই কমিটীৰ ওপৰত উচ্চতম ন্যায়ালয়ে নজৰ ৰাখিব আৰু মাত্ৰ আঠ মাহৰ ভিতৰতে তদন্ত দাখিল কৰিবলৈ দিয়া নিৰ্দেশে পেগাছাছ কাণ্ডৰ গুৰুত্বকে সূচাইছে।আন যিয়েই নহওক বিৰোধী দল বিশেষকৈ তৃণমূল কংগ্ৰেছ আৰু কংগ্ৰেছ দলক পেগাছাছ প্ৰশ্নই ৰাষ্ট্ৰীয় ৰাজনীতিৰ ক্ষেত্ৰখনত কিছু হ'লেও প্ৰাসংগিক আৰু সক্ৰিয় কৰি ৰখা আৰু বিৰোধী ৰাজনৈতিক দলবোৰৰ দ্বাৰা শাসক দলৰ বিৰুদ্ধে ইতিপূৰ্বে বহুত বাৰ কৰাৰ দৰে এক সন্মিলিত মৰ্চা গঠন কৰাৰ এক সুযোগ প্ৰদান কৰাৰ এক পৰিস্থিতি সৃষ্টি কৰাত সাৰ-পানী যোগান ধৰা পৰিলক্ষিত হৈছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী আৰু তৃণমূল কংগ্ৰেছ নেত্ৰী মমতা বেনাৰ্জী তেওঁৰ নেতৃত্বৰ আৰু ব্যক্তিত্বৰ এক ৰাষ্ট্ৰীয় ভাৱমূৰ্তি তৈয়াৰ কৰা আৰু বিস্তাৰ কৰাৰ প্ৰচেষ্টাত অতি স্পষ্টভাৱে দৃশ্যমান।

ফোন : ৯৮৬৪০৬৩৫৮৪

দৈনিক
অগ্রদূত

জীৱন জিজ্ঞাসা

মহানবী-জগৎগুৰু হজৰত মহম্মদ (ছঃ)ৰ জীৱন চৰিত্ৰত এভুমুকি

■ এম হাছিম আলী

এই পৃথিৱীত অসংখ্য স্মৰণীয় ব্যক্তিয়ে জন্মগ্ৰহণ কৰিছে যিসকলে জীৱন আৰু জগতৰ একো একোটা সমস্যা সমাধানৰ ক্ষেত্ৰত বৰণীয় অৱদান ৰাখি থৈ গৈছে আৰু ইয়াৰ ভিতৰত কিছুমানে জ্ঞানৰ ক্ষেত্ৰত, কিছুমানে বিজ্ঞানৰ ক্ষেত্ৰত, কিছুমানে ৰাজনীতিৰ ক্ষেত্ৰত, কিছুমানে সমাজ-সংস্কৃতিত অথবা কিছুমানে অৰ্থনীতিৰ ক্ষেত্ৰত। কিন্তু পৃথিৱীৰ ইতিহাসত এনেকুৱা মহামানৱৰ সংখ্যা অতি বিৰল যিয়ে একেলগে অসংখ্য ক্ষেত্ৰত অতুলনীয় কীৰ্তি স্থাপনত অৱদান ৰাখি থৈ গৈছে। 'দি হানড্ৰেড' গ্ৰন্থৰ দূৰদৰ্শী ন্যায় পৰায়ণ লেখক মাইকেল হাৰ্টে অতি আনন্দৰে লিখিছে যে— হজৰত মহম্মদ (ছঃ)ৰ দৰে একেধাৰে অসংখ্য প্ৰতিভা, ক্ষমতা, দক্ষতা আৰু অতুলনীয় জনপ্ৰিয়তাৰ অধিকাৰী ব্যক্তি ইতিহাসত বিৰল। তেওঁ গ্ৰন্থত লিখিছে, 'মানৱ ইতিহাসত একমাত্ৰ হজৰত মহম্মদ (ছঃ) এনেকুৱা এগৰাকী বিৰল ব্যক্তি যিজনে অক্ষৰজ্ঞানহীন হৈও এক অতুল্য আৰু পূৰ্ণাংগ জীৱন পদ্ধতিৰ উদ্ভাৱক আৰু প্ৰচাৰক, এটা বিশিষ্ট ভাষাশৈলী আৰু উচ্চস্তৰৰ সাহিত্যৰ জন্মদাতা, সফল শাসক আৰু সেনাপতি, ন্যায় পৰায়ণ বিচাৰক, ত্যাগ-তপস্যা আৰু উৎসৰ্গৰ মূৰ্ত প্ৰতীক। তেৰেঁই আছিল বিশ্বৰ সৰ্বাধিক সফল প্ৰচাৰক। তেওঁৰ শিক্ষা যুক্তিনিষ্ঠ আৰু বিজ্ঞান ভিত্তিক। নৈতিক মূল্যবোধৰ বিচাৰত অদ্বিতীয়।' প্ৰখ্যাত ফৰাচী লেখক আলফ্ৰেড দেলা মাৰ্টনে তেওঁৰ 'দি হোলী প্ৰফেট' নামৰ গ্ৰন্থত উল্লেখ কৰিছে—'উদ্দেশ্যৰ মহত্ত্ব, বিস্ময়কৰ সফলতা আৰু উপকৰণৰ অভাৱ-অনাটন— এই তিনিটা বিষয় হৈছে মানৱ প্ৰতিভাৰ মান তেনেহ'লে ইতিহাসৰ অন্য কোনো মহামানৱক ইছলাম ধৰ্মৰ প্ৰচাৰক মহম্মদ (ছঃ)ৰ লগত তুলনা কৰাৰ সাহস কাৰ আছে?' বিশ্বৰ অন্যতম শ্ৰেষ্ঠ নাট্যকাৰ, ঔপন্যাসিক জৰ্জ বাৰ্ণাৰ্ড শ্ব'ৱে তেওঁৰ ১৯২৯ত লিখা 'গেটিং মেৰেড'ত হজৰত মহম্মদ (ছঃ) সম্পৰ্কে কৈছে— 'মই বিশ্বাস কৰো সমগ্ৰ ব্ৰিটিছ সাম্ৰাজ্যই এই শতাব্দী শেষ হোৱাৰ পূৰ্বেই মহম্মদবাদ গ্ৰহণ কৰিব তেওঁ দেখুৱাই যোৱা আদৰ্শৰ অৱদানৰ দ্বাৰা। সেই সকলো সময়তেই মহম্মদ (ছঃ) ধৰ্ম সম্পৰ্কে তেওঁৰ আশ্চৰ্য জীৱনী শক্তিৰ কাৰণে উচ্চ শ্ৰদ্ধা পোষণ কৰি আহিছে। এইটো মই ভাবো প্ৰত্যেক যুগৰ কাৰণে যুগপোযোগী ধৰ্ম। প্ৰকৃতপক্ষে সেই সময়ত মধ্যযুগীয় লোকসকলে গোড়ামিৰ মাধ্যমেদি মহম্মদক ক'লা ৰঙেৰে ৰঞ্জিত কৰিছিল; কিন্তু মই এই সুন্দৰ মানুহজনৰ বিষয়ে ভালকৈ অধ্যয়ন কৰিছো যে তেওঁ অজ্ঞানতা অন্ধবিশ্বাসক দূৰ কৰি সকলো সমস্যা সমাধান কৰিব পাৰিছিল, আৰু যিয়ে পৃথিৱীত আনিব পাৰিছিল বহু আকাংক্ষিত সুখ আৰু শান্তি।'

আজি পৰ্যন্ত এই পৃথিৱীত যিমানগৰাকী স্ৰষ্টাই দূত প্ৰেৰণ কৰিছে, সেইসকলৰ মাজত হজৰত মহম্মদ (ছঃ) কৃতকাৰ্য আৰু সফল ব্যক্তি। পৱিত্ৰ কোৰান শ্বৰীফত কোৱা আছে, 'হজৰত মহম্মদ (ছঃ) সৰ্বশেষ আৰু সৰ্বশ্ৰেষ্ঠ ৰছুল, সৰ্বোত্তম চৰিত্ৰৰ অধিকাৰী, বিশ্বমানৱ মণ্ডলীৰ কাৰণে সৰ্বোত্তম নমুনা আৰু আদৰ্শ তথা সমগ্ৰ পৃথিৱীৰ বাবে ৰহমত (দয়া) আৰু আশীৰ্বাদ স্বৰূপ।'

পয়গম্বৰ হজৰত মহম্মদ (ছঃ)ৰ জন্মৰ প্ৰাক্‌কালত পৃথিৱীৰ অৱস্থা মুঠেই ভাল নাছিল। সেই যুগক 'অন্ধকাৰ যুগ' বুলি ইতিহাসে কয়। অজ্ঞানতাৰ অন্ধকাৰ জগতত মানুহ নিমজ্জিত আছিল। মৰামৰি, কটা-কটি, দ্বন্দ্ব-খৰিয়াল আদি আছিল নিত্যনৈমিত্তিক ঘটনা। হিংসা-বিদ্বেষ আদিয়ে এনেকুৱাকৈ শিপাইছিল যে পশুত্বকো হাৰ মনাইছিল। গ্ৰীচৰ গৌৰৱ, ৰোমৰ মাহাত্ম্য এইবোৰ সকলো তেতিয়া বিলীন হৈছিল। লণ্ডনৰ পৰা কনষ্টাণ্টিনোপল, স্পেইনৰ পৰা ৰাছিয়া আদি আছিল অন্ধকাৰত নিমগ্ন। কেৱল স্বৈৰাচাৰীৰ ৰাজত্বহে চলিছিল। সত্যৰ পৰা সকলোৱেই দূৰত অৱস্থান কৰিছিল। সকলোৱেই যেন নিৰাশ-হতাশ। জৰাজীৰ্ণ মানৱতাৰ উদ্ধাৰকল্পে সেই সময়ত মহম্মদ (ছঃ)ৰ বাহিৰে আৰু কোনো আগুৱাই অহা নাছিল। মহম্মদ (ছঃ) বিশ্বৰ নিৰ্বাচিত ব্যক্তি ৰহমাতুল্লিল আলামীন, বিশ্বৰ কৰুণা স্বৰূপ। মহম্মদ আছিল আধ্যাত্মিকতাৰ সূৰ্য, সদ্‌গুণে গুণান্বিত, আল্লাহৰ প্ৰিয়জন, হবিব, খলিল, সৃষ্টিৰ শ্ৰেষ্ঠ নবী।

মহম্মদ (ছঃ)ৰ জন্ম আৰু শৈশৱৰ ইতিহাস অতি কৰুণ মৰ্মান্তিক। মাতৃগৰ্ভত থাকোতে পিতৃহাৰা। ৫৭০ খ্ৰীষ্টাব্দত পৃথিৱীলৈ আগমন, শিশু কালতেই মাতৃহাৰা। অৰ্থাৎ ঘাটমাউৰা। পিতৃ-মাতৃৰ মৰমৰ পৰা সৰু কালতেই বঞ্চিত। কিছুদিন পাছত যাৰ আশ্ৰয়ত আছিল সেই ককাকো ঢুকায়।

এজন মানুহৰ সমগ্ৰ কৰ্মময় জীৱনৰ প্ৰকৃত ছবি ফুটি উঠে তেওঁৰ নিজৰ চৰিত্ৰত। মহানবী মহম্মদ (ছঃ)ৰ চৰিত্ৰক লক্ষ্য কৰিব পাৰি জ্ঞান, বিবেক আৰু দৃষ্টিক। চৰিত্ৰত কোনো এটা দাগ লগা নাছিল। কোনো সত্য কথাই অলপো গোপন কৰি থোৱা নাছিল। মা-হালিমাৰ কোলাত দুগ্ধপোষ্য মহানবীৰ চিৰসত্যবাদী। আবু তালিবৰ ঘৰত ভেড়াপালক, খাদিজাৰ ব্যৱসায়ত বণিকৰূপী, নিষ্ঠাবান কৰ্মচাৰী, পাছত খাদিজাৰ প্ৰাণপ্ৰিয় স্বামী, স্ত্ৰী-পুত্ৰ কন্যা লৈ প্ৰকৃত সংসাৰী, স্ৰষ্টাৰ লগত সাক্ষাৎকাৰী। হেৰা পৰ্বতৰ গুহাত ধ্যানকাৰী, মক্কাৰ মাটিত নবী-প্ৰাপ্তি, বিশ্বসমাজৰ ত্ৰাণকৰ্তা, শত্ৰুৰ পৰিবেষ্টিত, মক্কা-মদিনাৰ শাসনকৰ্তা, মদিনাৰ পথত হিজৰত, বদৰ, ওহুদ, খন্দক যুদ্ধত সেনাপতি, যুদ্ধত ক্ষত-বিক্ষত নবী, হুদাই বিয়াৰ বাধাপ্ৰাপ্তত সন্ধি চুক্তি, মক্কা বিজয়ত নিজ দেশৰ পৰা বিতাড়িত, বিদেশ অৱস্থানত, ক্ষমা-দয়াৰ মূৰ্ত প্ৰতীক। কেতিয়াবা বীৰবেশত। দুৰ্বলৰ ওচৰত স্নেহময়ী মাকৰ বেশত, কোৰাইছসকলৰ লগত, ঈহুদী-নাছাৰাৰ লগত নবী, বীৰ যোদ্ধা আবুলাহাব, আবু জেহেলৰ লগত, আবু বক্কৰ ছিদ্দিক, ওমৰ ফাৰুক, ওছমান গণী, হজৰত আলীৰ লগত মহানবী, গৰিবৰ ৰক্ষাকাৰী, আল্লাহৰ প্ৰকৃত প্ৰচাৰত মহানবী। মানুহৰ নিবিড় বন্ধনৰ পৰা বিশ্ব ভ্ৰাতৃত্ব বন্ধনলৈ, আন্তৰ্জাতিক বুজাপৰাৰ পৰা গণতন্ত্ৰলৈ, ধনীৰ পৰকালৰ মুক্তিৰ নিৰ্দেশক দাস প্ৰথাৰ বিলুপ্তি সাধন, ধনীৰ বাবে জাকাত, ফিতৰা, সদকা-হজ্বৰ নিৰ্দেশ, গৰিবৰ দুমুঠি অন্নৰ অনুশীলন, দীন-দৰিদ্ৰৰ পৰা আৰবৰ মুকুট বিহীন সম্ৰাট, পুৰুষৰ পৌৰুষত মহানবীৰ পৰা নাৰীৰ মৰ্যাদাকাৰীৰ মহানবী। আচাৰ-আচৰণত, বিচাৰত, সমাজ সংস্কাৰত। জড়জগতৰ পৰা উদ্ভিদ আৰু প্ৰাণী জগতলৈ, প্ৰাণী জগতৰ পৰা মনুষ্য জগতলৈ । মনুষ্য জগতৰ পৰা স্বৰ্গীয় জগতলৈ। ইহকালৰ পৰা পৰকাললৈ অনুশীলন, তায়েফৰ সৰু পথৰ পৰা আল্লাহৰ আৰশ্বলৈ আৰোহণকাৰী, আকাশ ভেদী মে'ৰাজ ভেদকাৰী, মহানবী জীৱনৰ প্ৰাৰম্ভণিতে পশু সেৱনকাৰীৰ পৰা অন্তিম সময়লৈ মানৱ সেৱাকাৰী। গৰিবৰ চিৰ দৰদী বন্ধু, নিখুঁত জীৱন চৰিত, শ্ৰেষ্ঠতম মুজাহিদ মানৱতাৰ শেষ উত্তৰণত, ব্ৰতত মহানবী, যি ব্ৰত সাধনাৰ ফলত লাভ কৰিছিল আলকোৰান। ৬১০ খ্ৰীষ্টাব্দত নবুত্তত (নবী-পয়গম্বৰ প্ৰাপ্ত), প্ৰতিজ্ঞাত, সমাজ সংস্কাৰত, ৰাজনীতিবিদ, ইছলামী অৰ্থনীতিবিদ, মানুহৰ মুক্তিদাতা, ৰাষ্ট্ৰসংঘ আৰু বিশ্বগণতন্ত্ৰৰ প্ৰতিষ্ঠাতা, জাতিৰ জনক, আৰৱক একত্ৰকাৰী, বিশ্ব ভ্ৰাতৃত্বৰ প্ৰতিষ্ঠাতা মহাপুৰুষ সাধক, ৰাজ্য শাসনত, আইনদাতা, অসাম্প্ৰদায়িক আৰু জগতপ্ৰেমী নেতা, সত্যৰ সেৱক যুদ্ধ-বিগ্ৰহত বাধ্য, কৰ্মবীৰ, পৰিশ্ৰমী, বিদ্যানুৰাগী, জ্ঞানৰ সন্ধান কৰা, যদি চোৱা চীন দেশলৈ যোৱা, অন্যায় মজুতকাৰী সম্পৰ্কে, আদৰ্শ ব্যৱসায়ী, আদৰ্শদাতা, চিকিৎসক, ৰোগীৰ লগত সাক্ষাৎ-সেৱা শুশ্ৰূষাকাৰী, দৈহিক গঠনত মহানবী, স্বাস্থ্যৰক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, বেশভূষা আৰু সাজ-সজ্জাত, আচাৰ-ব্যৱহাৰ, আদৱ-কায়দা পিতৃ-মাতৃৰ প্ৰতি থকা কৰ্তব্য, সন্তানৰ প্ৰতি বিবাহ, দৰাই কইনাক আৰু কইনাই দৰাক চোৱা। জন্ম নিয়ন্ত্ৰণ সম্পৰ্কত, আদৰ্শ স্বামীৰূপে, স্ত্ৰীৰ প্ৰতি স্বামীৰ কৰ্তব্য, স্বামীৰ প্ৰতি স্ত্ৰীৰ কৰ্তভ্য, আত্মীয়-স্বজন,বন্ধু-বান্ধৱ, সৰু-ডাঙৰৰ প্ৰতি, দাস-দাসীৰ প্ৰতি, প্ৰতিবেশীৰ প্ৰতি, সৎ স্বভাৱ, সৎ ব্যৱহাৰ নম্ৰতাৰ নবী, প্ৰতাৰণা সম্পৰ্কে, সহজ-সৰল জীৱন-যাপন, অতিথি পৰায়ণ, পৰচৰ্চা বা আনক দেখুৱাই কৰা কামৰ বিৰোধিতা, সহিষ্ণুতা, কুৎসাৰটনা, পৰনিন্দা সম্পৰ্কে, অধ্যৱসায়, মধ্যম পন্থা, ভিক্ষাবৃত্তি, উপহাৰ, তোষামোদ, ক্ৰোধ, অহংকাৰ আত্মসমালোচনা, দাম্ভিক, বংশ, জাতি, দেশ, লজ্জা, ধন-সম্পত্তি, প্ৰতাৰণা, উৎকোচ, সৎ চিন্তা, বাদ-বিসম্বাদ, শাস্ত্ৰীয় বিধি-বিধান, নামাজ, ৰাকফ, যোগসূত্ৰ, আদেশ-নিৰ্দেশ, আইনী-বেআইনী ইত্যাদি সকলো বিষয়তে মহানবী মহম্মদ (ছঃ)ৰ আদেশ-নিষেধ, উপদেশ আদি সৰ্বজন বিদিত। বিখ্যাত মহাকবি সেখ চা'দীয়ে কৈছে—

'বালাগুল ৰালা বেকামালিহি
কাছাফাদ দ্বোজা বে জামালিহি
হাছানাৎ জামিও খেছালিহি
ছাল্লু আলাইহে ৱাআলিহি।'

প্ৰখ্যাত মনীষী যোছেফ হেলে মহানবী (ছঃ) সম্পৰ্কে কৈছিল 'মহম্মদ (ছঃ) এনেকুৱা এগৰাকী মহান ব্যক্তি যিগৰাকী নহ'লে হয়তো পৃথিৱীখন অসম্পূৰ্ণ হৈ গ'লহেঁতেন। তেওঁ নিজেই নিজৰ তুলনা। তেওঁৰ কৃতিত্বময় ইতিহাস মানৱজাতিৰ ইতিহাসত এক সমুজ্জ্বল অধ্যায় হিচাপে ৰচনা কৰিছে।'

আজি ১৫শ বছৰৰ শুভ লগনত বিশ্বনবী, ইছলাম ধৰ্মৰ প্ৰচাৰক, হজৰত মহম্মদ (ছঃ) অসম্পূৰ্ণ বিশ্বৰ সম্পূৰ্ণকাৰী মহানবী (ছঃ), অভাৱনীয় একনিষ্ঠ মুজাহিদ, মানৱতাৰ শেষ উত্তোৰণ, মানৱ সূৰ্য তথা পোহৰৰ মহান বাৰ্তাবাহক, মানৱ সমাজৰ শ্ৰেষ্ঠতম ফচল, বিশ্ব সমাজৰ বৰ্ণনাতীত বিপ্লৱী বীৰ, শ্ৰেষ্ঠতম সমাজ সংস্কাৰক, মহান শিক্ষক, সমগ্ৰ বিশ্বৰ চিৰ বন্দিত, চিৰ নন্দিত মহম্মদ (ছঃ) হৈ আছে আৰু হৈ থাকিব। তেওঁ দি থৈ যোৱা অৱদানসমূহ যথাযথভাৱে পালন কৰিলে বিশ্বৰ পৰা নোহোৱা হ'ব সংঘাত, হাই-কাজিয়া, পৰস্পৰে পৰস্পৰক আঁকোৱালি ল'লেহে শান্তিৰ কপৌহাল উৰিব। এয়া ক্ষুদ্ৰ লেখাৰে মহম্মদ (ছঃ)ৰ দৰে বিশাল হৃদয়ৰ জীৱন সাগৰ বৰ্ণনা কৰা আমাৰ দৰে লোকৰ বাতুলতাহে হ'ব মাথোন। শেষত পৱিত্ৰ কোৰানৰ বাণী 'নিশ্চয় তোমালোকৰ কাৰণে আল্লাহৰ ৰছুল (ছঃ)ৰ মাজত আছে উত্তম অনুপম পথ আদৰ্শ। (ছুৰা আহ যাব ঃ ২১)।

ফোন ঃ ৯৪০১৬১১৮৬৬

পঞ্চভূতৰ পঞ্চামৃত জ্ঞান

■ চুমিন্দ্ৰ চৌধুৰী

কৰ্ম সূত্ৰে একাধিকবাৰ ভূটান ভ্ৰমণ কালত বগা দপ্লে আৰু মেগ্নলীয়া ফুলেৰে জাতিস্কাৰ হৈ থকা পাহাৰৰ চূড়াত বতাহত উৰি থকা বগা পতাকাবোৰ আৰু জং (ৰাজমহল), লাখাং (মন্দিৰ), চোৰ্তেন (স্তুপা)ৰ চোতালত উৰি থকা ৰঙীন পতাকাবোৰে মনত বহুতো প্ৰশ্নৰ জোৱাৰ তুলিছিল। পৰৱৰ্তী সময়ত এই পতাকাবোৰ আৰু পঞ্চভূতৰ মাজত থকা সম্পৰ্কৰ বিষয়ে কিছু গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰিবলৈ সমৰ্থ হ'লো। তাকেই আজি অৱগত কৰাব বিচাৰিছো।

হিন্দু আৰু বৌদ্ধ ধৰ্মত পাঁচ সংখ্যাটোৰ অধিক মহত্ত্ব আছে। হিন্দু ধৰ্মৰ স'তে বৌদ্ধ ধৰ্মৰ দৰ্শন আৰু চিন্তাধাৰাৰ যথেষ্ট সাদৃশ্যও আছে আৰু নাথাকিবইনো কিয় গুৰু শাক্যমুনি প্ৰভুও এজন সনাতনহে আছিল। সেই বাবেই হিন্দু ধৰ্মত শাক্যমুনি অমিতাভক প্ৰভু শ্ৰীবিষ্ণুৰ নৱম অৱতাৰ বুলি জ্ঞান কৰা হয়।

শ্ৰীমদ্ভগৱদগীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল, জীৱ জগৎ প্ৰধানত পঞ্চভূত অৰ্থাৎ পাঁচটা উপাদানেৰে তৈয়াৰী। এই পঞ্চভূত হৈছে ক্ষিতি (পৃথিৱী), অপ (পানী), তেজ (অগ্নি), মৰুৎ (বায়ু) আৰু ব্যোম (আকাশ)। শৰীৰৰ পঞ্চ জ্ঞানেন্দ্ৰিয় (নাক, কাণ, চকু, জিভা আৰু ছাল) আৰু পঞ্চ কৰ্ম ইন্দ্ৰিয় (হাত, ভৰি, লিংগ, শৌচদ্বাৰ আৰু মুখ)ৰ লগতে শৰীৰৰ সকলো অংগ-প্ৰত্যংগ এই পঞ্চভূতৰ দ্বাৰাই তৈয়াৰ হয়।

পঞ্চতত্ত্বৰ দৰ্শন মতে জীৱৰ ভৌতিক অৱয়বটোৰেই হৈছে আকাশ। শৰীৰটোক জীৱন্ত কৰি ৰাখিবলৈ হৃদযন্ত্ৰই বায়ুমণ্ডলৰ পৰা অহৰহ বায়ু যোগাই থাকে। বায়ু অবিহনে জীৱ জীয়াই থাকিব নোৱাৰে। তেজৰ কণিকাৰ স'তে মিহলি হোৱা অম্লজানে শৰীৰ মৃত্যুৰ কোষবোৰৰ ঠাইত নতুন কোষৰ উৎপত্তিৰে জীৱনৰ চালিকা শক্তি অব্যাহত ৰাখে।

জীৱৰ শৰীৰৰ ভিতৰত সংঘটিত হৈ থকা বিভিন্ন ভৌতিক আৰু ৰাসায়নিক প্ৰক্ৰিয়াৰ বাবে শৰীৰত উত্তাপৰ সৃষ্টি হয়। এই আভ্যন্তৰীণ উত্তাপে শৰীৰৰ পৰিপাক প্ৰক্ৰিয়াৰ লগতে আৰু অন্যান্য বহুত কাৰ্য সম্পাদনাত সহায় কৰে। জীৱৰ মৃত্যুৰ লগে লগে শৰীৰৰ ৰাসায়নিক আৰু ভৌতিক প্ৰক্ৰিয়াবোৰ স্তব্ধ হৈ পৰে আৰু শৰীৰ মাজৰ উত্তাপৰ উৎপন্নতা বন্ধ হৈ পৰে। ফলত জীৱৰ শৰীৰটো চেঁচা হৈ পৰে। শৰীৰৰ উত্তাপেই হ'ল অগ্নি।

শৰীৰৰ ভিতৰত ভৰি থকা তেজ, শ্লেস্মা, পিত্ত সকলোবোৰ হ'ল জল অৰ্থাৎ পানী। মানৱ দেহত প্ৰায় ৬০ শতাংশ পানী থাকে।

দেহৰ ভিতৰত পানীয়ে শৰীৰৰ উত্তাপ নিয়ন্ত্ৰণ কৰে। তদুপৰি দেহৰ কোষবোৰলৈ অম্লজান আৰু পুষ্টি সৰবৰাহ কৰে।

শৰীৰৰ অংগ-প্ৰত্যংগ, অস্থি, নখ, চুলি, মজ্জা, ছাল আৰু মঙহেই হ'ল পৃথিৱী। পৃথিৱীয়ে জীৱৰ ভৌতিক অৱয়বটোক পূৰ্ণ ৰূপ প্ৰদান কৰে।

জীৱৰ মৃত্যুৰ পাছত পাঁচবিধ উপাদান পুনৰ নিজৰ প্ৰাথমিক অৱস্থালৈ ঘূৰি যায়। সেই বাবেই জীৱৰ মৃত্যুৰ পাছত মৃতদেহ সৎকাৰ কৰি শৰীৰৰ উপাদানবোৰ পঞ্চভূতত বিলীন কৰি দিয়া হয়।

মানৱদেহটোক প্ৰাচীন ভাৰতৰ আয়ুৰ্বেদ শাস্ত্ৰ মতে মূৰ, ডিঙি, হাত, ভৰি আৰু কবন্ধ নামেৰে পাঁচোটা বিশেষ ভাগত বিভক্ত কৰা হৈছিল।

মূৰে পঞ্চ ইন্দ্ৰিয়, পোন্ধৰ বাসনা, পাঁচ আবেগৰ লগতে সমস্ত শৰীৰটোক নিয়ন্ত্ৰণ কৰে। তাৰ লগতে হাত দুখনে কৰম ভৰি দুখনে ভ্ৰমণ আৰু কবন্ধে শ্বাস-প্ৰশ্বাস, পৰিপাক আৰু প্ৰজনন ক্ৰিয়াৰ জৈৱিক শৰীৰটোক সম্পূৰ্ণ প্ৰাণৱন্ত কৰি তোলে।

মানৱ দেহৰ আকৌ মগজু, হৃদয়, বৃক্ক, যকৃত আৰু হাওঁফাওঁ এই পাঁচটা বিশেষ অংগ এটাৰ অবিহনেও জীৱ এক পলো বাচি থাকিব নোৱাৰে।

সহস্ৰ বছৰ আগতেই ৰচিত ভাৰতীয় আয়ুৰ্বেদ শাস্ত্ৰত জীৱৰ শৰীৰটোক শক্তি যোগান ধৰিবলৈ শৰ্কৰা (কাৰ্ব'হাইড্ৰেট), দেহসাৰ (প্ৰ'টিন), মেদ (ফেট), খাদ্যপ্ৰাণ (ভিটামিন) আৰু খনিজ (মিনাৰেল) নামৰ পাঁচবিধ পুষ্টিকৰ আহাৰ (পঞ্চভোগ)ৰ প্ৰয়োজনীয়তাৰ কথাা উল্লেখ কৰা আছে। এই পঞ্চভোগৰ জৰিয়তে আকৌ জিভাখনে মিঠা, তিতা, টেঙা, কেঁহা আৰু লুণীয়া, পাঁচটা ভিন্ন স্বাদৰ অনুভৱ কৰে।

আনহাতে, হিন্দু ধৰ্মৰ পূজা-পাৰ্বণ তথা শুভ অনুষ্ঠানত ঈশ্বৰৰ প্ৰসাদ হিচাপে ব্যৱহাৰ কৰা ঘিউ, মৌ, চেনি, দৈ আৰু এৰাঁ গাখীৰেৰে তৈয়াৰী পঞ্চামৃতৰ কথাও সৰ্বজনবিদিত। আচৰিত কথাটো হ'ল উত্তৰ আমেৰিকাত বসবাস কৰা ক্ৰীতদাস আফ্ৰিকান জনজাতিৰ লোকসকলে বিশ্বাস কৰা হুডু ধৰ্মতো ভাৰতীয় পঞ্চামৃতক শেহতীয়াকৈ উপাস্য ঈশ্বৰৰ প্ৰসাদ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। আমাৰ ভাৰতীয়সকলৰ বিড়ম্বনা হ'ল সনাতন ধৰ্মৰ উদাৰ বিচাৰধাৰাৰ বাবে তেওঁলোকে নিজৰ দৰ্শন আৰু চিন্তাধাৰাক প্ৰাধান্য দিবলৈ বাদ দিয়াটো। সামান্য বৈষয়িক সুখ আৰু সুবিধাৰ স্বাৰ্থত নিজৰ সনাতন ধৰ্ম এৰি পাশ্চাত্যৰ ধৰ্ম গ্ৰহণ কৰিছে। ধৰ্ম পৰিৱৰ্তনৰ অজুহাত লৈ পাশ্চাত্যৰ দেশসমূহে ভাৰতৰ উৎকৃষ্ট দৰ্শন, চিন্তাধাৰা আৰু বিজ্ঞান শাস্ত্ৰসমূহ নিজাকৰণ কৰি সংস্কাৰকৰ ভূমিকা ল'বলৈ ধৰিছে। ফলত পৰৱৰ্তী কালত ভাৰতৰ আয়ুৰ্বেদ, শিক্ষা, ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন শাস্ত্ৰৰ বিশেষ সূত্ৰসমূহ পশ্চিমীয়াকৰণ হ'বলৈ ধৰিছে। আজি তেওঁলোকে আমাৰ ঋষি—মুনিসকলে কঠোৰ তপস্যা আৰু সাধনাৰে দি যোৱা প্ৰাচীন দৰ্শনক ন-সাজ পিন্ধাই আমাকেই শিক্ষা দিছে। আৰু আমি তেওঁলোকৰ মুখত আঁখে ফুটা সেই জ্ঞানৰাজিত অভিভূত হৈছো।

বেদত উল্লেখ থকা মতে, ভগৱানে জীৱ শ্ৰেষ্ঠ মানুহক ৰচনা কৰোতে শাৰীৰিক কায়াটোৰ স'তে হৃদয়ৰ মাজত ১৫টা বাসনাও সঞ্চাৰ কৰিছিল। সেই ১৫টা বাসনাৰ পাঁচটা উত্তম, পাঁচটা মধ্যম আৰু পাঁচটা অধম বুলি গণ্য কৰা হয়।

পাঁচটা উত্তম বাসনা হ'ল ক্ৰমে স্বাধীনতা, অনুসন্ধিৎসা, আধ্যাত্মিকতা, প্ৰেম আৰু প্ৰশান্তি। শতগুণী লোকসকলৰ মন এইবোৰ বাসনাৰ লিপ্সাই নিয়ন্ত্ৰণ কৰি ৰাখে।

মানুহৰ মনত সক্ৰিয় হৈ থকা মধ্যম বাসনাবোৰ হ'ল—পৰিয়াল, ধন সঞ্চয়, শৰীৰ চৰ্চা, পদমৰ্যাদা আৰু সামাজিক সংযোগ। ৰাজগুণী মানুহৰ চিন্তাধাৰা এই মধ্যম শ্ৰেণীৰ বাসনাৰ দ্বাৰা পৰিচালিত হয়।

তম গুণীসকলৰ মন-মগজু ঘোলা কৰি থকা অধম শ্ৰেণীৰ বাসনাকেইটা হ'ল ক্ষমতা, ভোগ, প্ৰতিশোধ, স্বীকৃতি আৰু আদেশ প্ৰদান।

এই সকলোবোৰৰ ভিতৰত পাঁচটা বাসনাৰ আকৌ কেতিয়াও সম্পূৰ্ণভাৱে তৃপ্তি পূৰণ নহয়। সেই অতৃপ্ত বাসনাকেইটা হ'ল— আধ্যাত্মিকতা, ধন সঞ্চয়, প্ৰতিশোধ, ক্ষমতা আৰু প্ৰেম।

যৌন ক্ষুধা বাসনা নহয়, ই এক আদিম লালসা। বংশবৃদ্ধিৰ বাবে ঈশ্বৰে জীৱৰ শৰীৰৰ এই জৈৱিক প্ৰক্ৰিয়াৰ সৃষ্টি কৰিছিল। প্ৰেম মানেই যৌন উপভোগক নুবুজায়; কিন্তু প্ৰেমবিহীন যৌন ভোগৰ লালসাক আকৌ যৌন উৎপীড়ন বুলি গণ্য কৰা হয়। যৌন উৎপীড়ন মহাপাপ। যৌন উৎপীড়নকাৰী পাপাত্মাবোৰ ৰৌ ৰৌ নৰকত পচে। আনকি পশু-পক্ষীয়েও যৌন কৰ্মত প্ৰবৃত্ত হোৱাৰ আগতে ইজনে সিজনক প্ৰেম নিবেদন যাচি পৰস্পৰৰ মাজত স্বৰ্গীয় আবেগ জগাই তুলিব চেষ্টা কৰে। কিন্তু জীৱ শ্ৰেষ্ঠ বুলি কোৱা মানুহৰ বেছিভাগেই আকৌ বিকৃত যৌন কাৰ্যৰ প্ৰতিহে আকৃষ্ট। বলপূৰ্বকভাৱে কৰা যৌন উৎপীড়ন একমাত্ৰ জীৱশ্ৰেষ্ঠ বুলি দাবীকৰা মানুহৰ সমাজতহে দেখা যায়। সেই কাৰণে পশু-পক্ষীবোৰৰ পৰা জন্ম পোৱা সন্তানবোৰ আপেক্ষিকভাৱে মানুহৰ সন্তানতকৈ সুস্থ আৰু সবল হয়। বিশ্লেষণ কৰি চালে দেখা যায় পশু-পক্ষীৰ ক্ষেত্ৰত কেতিয়াবা কাচিৎহে পংগু সন্তান জন্ম হয়। কাৰণ বিকৃত যৌনাচাৰ অথবা যৌন উৎপীড়নৰ বিষয়ে পশু-পক্ষীবোৰ অজ্ঞ।

wood
earth
water
metal

এজন মানুহৰ আচাৰ-ব্যৱহাৰ, চলন-ফুৰণ আৰু কাৰ্যকলাপ এই ১৫টা বিশেষ বাসনাৰে প্ৰভাৱান্বিত হয়। এই বাসনাবোৰৰ প্ৰৱলতাৰ কবলত মানুহ এজনৰ পাঁচটা জ্ঞানেন্দ্ৰিয় আৰু পাঁচটা কৰ্ম ইন্দ্ৰিয় সষ্টম হৈ উঠে আৰু কাৰ্য কৰা আৰম্ভ কৰে। বাসনাৰ প্ৰভাৱ মনৰ মাজত আবেগৰ ঢৌ উঠে।

পঞ্চ জ্ঞানেন্দ্ৰিয় নাক, কাণ, চকু, ছাল আৰু জিভাখন মানুহৰ মনটোৰ দ্বাৰা নিয়ন্ত্ৰণ হয়। মনটোক মধ্যম আৰু অধম বাসনাৰ পৰা নিলগাই ৰাখিব পাৰিলেহে এজন মানুহৰ বাবে চিৰসুন্দৰ আৰু চিৰশান্তিৰ প্ৰাপ্তি সম্ভৱ হ'ব পাৰে।

বিষয় বাসনা পূৰণত ব্যাকুল লোক এজনৰ হৃদয়ৰ মাজত পঞ্চ আবেগ-হৰ্ষ, বিষাদ, ঘৃণা, ক্ষোভ আৰু আশংকাৰ সৃষ্টি হয়। মানুহে বেছিভাগ সময়তে এই পাঁচটা বিশেষ আবেগৰ বশৱৰ্তী হৈ ভাল বেয়া নাভাবি কাৰ্যকলাপ কৰি পেলায়। মগজুৰ বুদ্ধি আৰু জ্ঞানেৰে বিবেচনা নকৰি একমাত্ৰ বিবেকৰ দ্বাৰা পৰিচালিত হৈ কৰা যিকোনো কামেই মংগলজনক নহয়।

এজন মানুহ জীয়াই থাকিবলৈ মাত্ৰ পাঁচটা বিশেষ বস্তুৰহে দৰাচলতে প্ৰয়োজন হয়। সেইকেইটা হ'ল বায়ু, পানী, আহাৰ, নিদ্ৰা আৰু শাৰীৰিক ব্যায়াম। পৰৱৰ্তীকালত সমাজ পাতি থাকিবলৈ লোৱাৰ পাছত বস্ত্ৰ আৰু বাসস্থান এই দুয়োটাও মানুহৰ বাবে অপৰিহাৰ্য হৈ পৰিল। পৰৱৰ্তী কালত শিক্ষা-দীক্ষাৰ আধাৰত সমাজৰ প্ৰথাগত ৰীতি-নীতিবোৰৰো সৃষ্টি হ'বলৈ ধৰিলে।

গুৰুত্বপূৰ্ণ কথা এটা হ'ল মানুহৰ মন। মানুহৰ ইচ্ছা শক্তিৰ ওচৰত ঈশ্বৰো অধীন হৈ পৰে। এজন ব্যক্তিয়ে যদি হৃদয়েৰে কিবা এটা কাম কৰিম বুলি দৃঢ়প্ৰতিজ্ঞ হয় ঈশ্বৰেও তেওঁক সহায় কৰে। সনাতন দৰ্শন মতে হাতযোৰ কৰি ঈশ্বৰক প্ৰণাম কৰি নিজৰ পঞ্চতত্ত্ব, পঞ্চ ইন্দ্ৰিয় আৰু পঞ্চ আবেগক ভগৱানৰ শ্ৰীচৰণত অৰ্পণ কৰা হয়। দৃঢ়তাৰে কিবা কাম কৰিবলৈ যেতিয়া মুঠি টান কৰা হয় তেতিয়া হাতৰ পাঁচোটা আঙুলি এক সমান হৈ পৰে, অৰ্থাৎ হৃদয়ৰ পৰা বিচৰা কামটোত সফল হ'বলৈ নিজৰ পাঁচোটা আত্মবল (বিশ্বাস, মন, ধন, শৰীৰ আৰু জ্ঞান) এক জোঁট কৰা হয়। হাতৰ কনিষ্ঠা, অনামিকা, মধ্যমা, তৰ্জনী আৰু বৃদ্ধাংগুলিয়ে একাদিক্ৰমে পঞ্চভূত জল, পৃথিৱী, আকাশ, বায়ু আৰু অগ্নিক প্ৰতিনিধিত্ব কৰে। সেয়েহে একজোঁট হোৱা হাতৰ পাঁচটা আঙুলিয়ে মানুহৰ মাজত সোমাই থকা পাঁচবিধ জ্ঞানক উদীপ্ত কৰি উচিত পথেৰে কৰ্মক্ষেত্ৰত আগুৱাই যোৱাত সহায় কৰে। এই পাঁচবিধ জ্ঞান হৈছে— মতি, শ্ৰুতি, পৰ, স্বৰ্গীয় আৰু চিৰন্তন।

১। মতি জ্ঞান ঃ সংবেদনশীলতা অৰ্থাৎ নিজৰ অনুভৱৰ দ্বাৰা প্ৰাপ্ত জ্ঞান। যেনে ধৰক গৰম বস্তু চুলে হাত পোৰে। গৰম বস্তু চুলেহে পোৱাৰ অনুভৱ প্ৰাপ্তি হয়।

২। শ্ৰুতি জ্ঞান ঃ শ্ৰৱণ ইন্দ্ৰিয়ৰ দ্বাৰা প্ৰাপ্ত হোৱা জ্ঞান।

৩। পৰ জ্ঞান ঃ আনৰ মগজুৰ দ্বাৰা লাভ কৰা জ্ঞান। যেনে শিক্ষকে নিজৰ বুদ্ধিমত্তাৰে প্ৰদান কৰা জ্ঞান।

৪। **অলৌকিক জ্ঞান ঃ** সমাজত কেতিয়াবা কিছুমান মানুহ স্বৰ্গীয় জ্ঞানেৰে পৰিপুষ্ট হৈ অদ্ভুত কাৰ্যকলাপ কৰা দৃষ্টিগোচৰ হয়।

৫। চিৰন্তন জ্ঞান ঃ ধৰাৰ দিন ৰাতিৰ উৎপত্তি, ঋতু পৰিৱৰ্তন, জন্ম-মৃত্যুৰ পৰিক্ৰমা ইত্যাদি চিৰন্তন বিষয়ক জ্ঞান সকলোৱেই কম বেছি পৰিমাণে প্ৰাপ্তি লাভ কৰে।

এই পাঁচবিধ জ্ঞানৰ আধাৰত আকৌ মানুহৰ পাঁচবিধ বুদ্ধিমত্তাৰ বিকাশ হয়। সেই বুদ্ধিমত্তা পাঁচবিধ হৈছে মানসিক, জ্ঞানীয়, সামাজিক, প্ৰযুক্তিগত আৰু পাৰিপাৰ্শ্বিক বুদ্ধিমত্তা। এই বুদ্ধিমত্তাৰে এজন ব্যক্তিয়ে পাঁচোটা জ্ঞানেন্দ্ৰিয় আৰু পাঁচোটা কৰ্ম ইন্দ্ৰিয়ক নিয়ন্ত্ৰণ কৰি কৰ্মত ব্ৰতী হৈ পৰে। হৃদয়েৰে বিচৰা সাফল্য লাভ কৰিলে মানুহে পাঁচ প্ৰকাৰৰ সুখ অনুভৱ কৰে। সেই পাঁচবিধ সুখ হ'ল একাদিক্ৰমে— আনন্দ, সন্তোষ, গৰিমা, কৃতজ্ঞতা আৰু আশাবাদ। মানুহে এই পাঁচবিধ সুখক পঞ্চৰত্ন-হীৰা, সোণ, নীল, মণি, মুক্তা আৰু প্ৰবালতকৈয়ো উচ্চতম বুলি গণ্য কৰে। এই সুখে মানুহৰ জীৱনটোক অৰ্থপূৰ্ণ আৰু সজীৱ কৰি ৰাখে। মানুহৰ সফলতা, জ্ঞান আৰু বুদ্ধিমত্তা বনজুইৰ দৰে পূব পশ্চিম, উত্তৰ, দক্ষিণ আৰু কেন্দ্ৰ পাঁচো দিশত বিয়পি পৰে। মানুহে সদায়েই পাঁচবিধ কুকৰ্মৰ পৰা আঁতৰি থকাটো বাঞ্ছনীয়। সেই পাঁচটা কুকৰ্ম হ'ল— যৌন উৎপীড়ন, জীৱ হত্যা, নিচা সেৱন, মিছা কোৱা আৰু চুৰি কাৰ্য। মানুহৰ কুকীৰ্তিবোৰক ঢাকোন দি ৰাখিব নোৱাৰি। এই কুকীৰ্তিবোৰ পাঁচো দিশত বিয়পি পৰে।

সচৰাচৰ ভূটানৰ সকলোবোৰ ঠাইতে দেখা পোৱা ৰঙীন পতাকাবোৰে পঞ্চতত্ত্ব, পঞ্চ ইন্দ্ৰিয়, পঞ্চ বাসনা, পঞ্চ জ্ঞান, পঞ্চ দিশ, পঞ্চ আবেগ, পঞ্চ ভোগ, পঞ্চ সুখ, পঞ্চ ৰত্ন, পঞ্চ ৰোগ আৰু পঞ্চ সুখক প্ৰতিনিধিত্ব কৰে। বৌদ্ধ ধৰ্মত পাঁচ প্ৰকাৰৰ পৱিত্ৰ পতাকা বিভিন্ন কাৰণত ব্যৱহাৰ কৰা হয়। বৌদ্ধমন্ত্ৰ সম্বলিত এই পৱিত্ৰ পতাকাবোৰক জংখা ভাষাত ধৰ বুলি কোৱা হয়। এই মন্ত্ৰপূত পতাকাসমূহ বগা, নীলা, হালধীয়া, সেউজীয়া আৰু ৰঙা পাঁচ বৰণৰ কাপোৰেৰে তৈয়াৰ কৰা হয়।

১। বগা বৰণে প্ৰতিনিধিত্ব কৰে বায়ু। ই হ'ল সৌভাগ্যৰ প্ৰতীক, লগতে বায়ুৱে ঋণাত্মক কৰ্মক পৰিশোধন কৰি ইতিবাচক ৰূপ দিওৱা সূচায়। এই ৰঙে শাক্যমুনি বৌদ্ধৰ ব্ৰজসত্তাক সূচায়।

২। নীলা বৰণে প্ৰতিনিধিত্ব কৰে আকাশ। ই হ'ল সুস্বাস্থ্য আৰু দীৰ্ঘায়ুৰ প্ৰতীক, লগতে এই ৰঙে 'চা লা নাম চাম' মানে তিব্বতীয় বৌদ্ধ ধৰ্মৰ তিনিগৰাকীৰ দীৰ্ঘায়ুৰ উপাস্য দেৱতা অমিতায়ুস, নামগীয়ালমা আৰু শুভ্ৰতাৰা নামৰ বুদ্ধৰ তিনিটা ৰূপক উপাসনা কৰা হয়।

৩। হালধীয়া বৰণে প্ৰতিনিধিত্ব কৰে পৃথিৱীক। ই সংকটমোচন অৰ্থাৎ শত্ৰু আৰু সংঘাত বিজয়ৰ প্ৰতীক। লগতে ই এক বিশেষ বিজয়ৰ সূত্ৰ সূচায় যাৰ বলত ইন্দ্ৰই অসুৰক দমন কৰিবলৈ সমৰ্থ হৈছিল। শাক্যমুনি অমিতাভে ইন্দ্ৰক এই সূত্ৰ প্ৰদান কৰিছিল।

৪। সেউজীয়া বৰণে প্ৰতিনিধিত্ব কৰে জল। এই ৰঙেৰে নাৰীৰূপিনী বৌদ্ধসত্তাৰ ২১ গৰাকী তাৰাদেৱীৰ অৱতাৰক পূজা-উপাসনা কৰা হয়।

৫। ৰঙা বৰণে প্ৰতিনিধিত্ব কৰে অগ্নিক। ই হ'ল পূৰ্ণতাৰ প্ৰতীক, লগতে এই দ্বিতীয় বুদ্ধ পদ্মচম্ভৱা অৰ্থাৎ গুৰু ৰিনপোচেইক উপাসনা কৰা হয়।

ভূটানত এই পাঁচবিধ ৰঙেৰে বনোৱা মন্ত্ৰপূত পাঁচবিধ পৱিত্ৰ পতাকা বিভিন্ন উৎসৱ- পাৰ্বণ, পূজা-সকাম আৰু বিয়া-বাৰুত ব্যৱহাৰ কৰা হয়। সাধাৰণতে বগা ৰঙৰ মন্ত্ৰপূত পৱিত্ৰ পতাকাসমূহ বেমাৰ-আজাৰ বা সা-সমস্যাৰে দুৰ্গত লোক সকলৰ মংগলাৰ্থে আৰু মৃত লোকৰ আত্মাৰ সদ্‌গতিৰ বাবে জনসমাজৰ পৰা নিলগত পাহাৰৰ চূড়া আদিত উত্তোলন কৰা হয়। অন্য ৰঙীন পতাকাসমূহ সাধাৰণতে লাখাং, চোৰ্তেন, মনেষ্ট্ৰী অথবা যিকোনো পৱিত্ৰ স্থান, ঘৰ-দুৱাৰ আদিত লগাই ৰখা হয়। বৌদ্ধ ধৰ্মৰ পাঁচবিধ এই বিশেষ পতাকা হৈছে—

১। লুং ধৰ ঃ সাধাৰণতে ৰচিৰে লানি লানি কৈ ওলমাই ৰখা সৰু সৰু আয়তাকাৰ ৰঙীন পৱিত্ৰ মন্ত্ৰপূত লুংধৰবোৰ ভূটান আৰু তিব্বতৰ দাঁতি কাষৰীয়া, দলং, গিৰিপথ, মনেষ্ট্ৰী আদিত দেখিবলৈ পোৱা যায়।

২। ডাচগ ধৰ ঃ স্থানীয় ভাষাত ডাচিং বুলি খ্যাত দীঘল দীঘল দণ্ডত থিয়কৈ লগাই ৰখা আয়তাকাৰ ৰঙীন শাৰী-শাৰীকৈ পুতি ৰখা পতাকাবোৰ পাহাৰ- পৰ্বতৰ ওপৰত স্থাপন কৰা হয়।

৩। মনি ধৰ ঃ জংখা ভাষাত আকৌ বগা ৰঙৰ ডাৰ্চিংবোৰৰ দৰে অকল বগা ৰঙৰ পতাকাবোৰক মনিধৰ বুলি কোৱা হয়। মৃত ব্যক্তিৰ আত্মাৰ সদ্‌গতিৰ বাবে পাহাৰৰ চূড়াত এই মনিধৰ পতাকা উৰুৱা হয়। ১০৮খন মনিধৰ দান কৰিলে দাতাই ঈশ্বৰৰ পৰা বহুত কৃপা লাভ কৰে বুলি কথিত আছে।

৪। লা ধৰ ঃ ডাচগ ধৰতকৈ বিশাল আকাৰৰ আয়তাকাৰ ৰঙীন পৱিত্ৰ পতাকাবোৰক লা ধৰ বুলি কোৱা হয়। এই পতাকাবোৰত কোনো মন্ত্ৰ মুদ্ৰিত কৰা নহয়। তাৰ পৰিৱৰ্তে পতাকাবোৰত গৰুড়, হিমসিংহ, উৰণীয়া বাঘ আৰু ড্ৰেগন এই চাৰিবিধ কাল্পনিক জীৱৰ প্ৰতিচ্ছবি অংকন কৰা হয়। এই পতাকাবোৰ অপশক্তিৰ ওপৰত পোৱা বিজয়ৰ স্মৃতিক সুঁৱৰি উৰুৱা হয়। ভূটানৰ মনেষ্ট্ৰী আৰু জংবোৰৰ সন্মুখত ৰঙা, নীলা, হালধীয়া আৰু সেউজীয়া ফিটা দাঁতিত লগোৱা এই পতাকাবোৰ স্থাপন কৰা হয়। সাধাৰণতে এই স্থানবোৰত যিকোনো লোকে প্ৰৱেশ কৰিবলৈ ভূটানৰ থলুৱা পোছাক পিন্ধাটো বাঞ্ছনীয়। অন্যথা তেনে স্থানত তেওঁলোকৰ প্ৰৱেশ নিষেধ।

৫। গোৱেন ধাৰ ঃ দাঁতিত ৰঙা, নীলা, হালধীয়া আৰু সেউজীয়া ফিটা লগোৱা, আয়তাকাৰ সৰু এই বগা মন্ত্ৰপূত পৱিত্ৰ পতাকাবোৰ ভূটানৰ স্থানীয় লোকৰ ঘৰৰ মূধচত উত্তোলন কৰে। এই পতাকাখন ঘৰখনৰ শাান্তি, সমৃদ্ধি আৰু প্ৰগতিৰ বাবে লগোৱা হয়। বৌদ্ধ ধৰ্মৰ পাঁচবিধ এই বিশেষ পতাকাবোৰত এক বিশেষ চিয়াঁহীৰে পৱিত্ৰ মন্ত্ৰ মুদ্ৰিত কৰা হয়। বৌদ্ধসকলে পতাকাবোৰত মুদ্ৰিত কৰা এই মন্ত্ৰবোৰ সমীৰত ধ্বনিত হৈ চৌপাশে বিয়পি পৰে বুলি বিশ্বাস কৰে। বতাহত বিয়পি পৰা বিভিন্ন মন্ত্ৰৰ শক্তিকণাই জীৱজগতৰ সমস্ত প্ৰাণীৰ কল্যাণ সাধন কৰে। শব্দই ব্ৰহ্ম। গতিকে আমি প্ৰত্যেকেই নিজৰ মুখৰ পৰা নিৰ্গত হোৱা শব্দৰ ওপৰত নিয়ন্ত্ৰণ ৰখাটো বাঞ্ছনীয়, অন্যথা ই নিজৰ লগতে আনৰো ক্ষতি সাধন কৰিব পাৰে।

নামঘোষা এখন নিৰ্মল শাস্ত্ৰ



■ ডিম্বেশ্বৰ দত্ত

নিৰ্মল মানে নিকা, পৰিষ্কাৰ, সম্পূৰ্ণ শুদ্ধ অৱস্থা। নিৰ্মল মানে নিৰঞ্জনো। নিৰঞ্জন আকৌ ভগৱানৰে এটা নাম। নিৰ্মল শব্দটো বিশেষ্য পদো হয় বিশেষণ পদো হয়। মাধৱ গুৰুজনে নামঘোষাত নিৰ্মল শব্দটো ১১ বাৰ বিশেষণ হিচাপে ব্যৱহাৰ কৰিছে। যথা—

১) নিৰ্মল তৰংগ ২) নিৰ্মল ধৰ্ম ৩) নিৰ্মল মতি ৪) নিৰ্মল জ্ঞান ৫) নিৰ্মল অমৃত ৬) নিৰ্মল ভকতি ৭) নিৰ্মল আনন্দ ৮) নিৰ্মল বৈকুণ্ঠ ৯) নিৰ্মল ৰতি ১০) নিৰ্মল গুণ-নাম ১১) নিৰ্মল চৰিত্ৰ।

১) নিৰ্মল তৰংগ ঃ

শান্ত চিদানন্দ শুদ্ধ
অনন্ত মহিমা নিত্য
নিৰ্মল তৰংগ চয় হীন।
হেনয় পৰমানন্দ
অমৃত সাগৰে মজি
আচান্ত নকৰে বুদ্ধি ক্ষীণ।। ৯৮

২) নিৰ্মল ধৰ্ম ঃ

পৰম নিৰ্মল ধৰ্ম   হৰি
নাম কীৰ্তনত
সমস্ত প্ৰাণীৰ অধিকাৰ।
এতেকেসে হৰি নাম   সমস্ত ধৰ্মৰ
ৰাজা
এহিসাৰ শাস্ত্ৰৰ বিচাৰ।।১১৮

৩) নিৰ্মল মতি ঃ

নমো নমো ৰাম   কৃষ্ণ প্ৰভুদেৱ
তুমি মোৰ নিজ গতি।
হুয়োক সদয়   যিমতে ৰহয়
তোমাত নিৰ্মল মতি।। ৩০৮

৪) নিৰ্মল জ্ঞান ঃ

হে কৃষ্ণ কৃপা   ময় প্ৰভু মোক
কৰা কৃপা এহি মান।
তোমাৰ চৰণে   ৰহোক আমাৰ
সদায়ে নিৰ্মল জ্ঞান।। ৩২০

৫) নিৰ্মল অমৃত ঃ

হৰি কথা ৰস   নিৰ্মল অমৃত
যিটো জনে পান কৰে।
সংসাৰ মধ্যত সি সি জনে মাত্ৰ
সফল জনম ধৰে।। ৩৭০

৬) নিৰ্মল ভকতি ঃ

যাদৱ জয় যদুপতি, তোমাৰ চৰণে
লাগো
শ্ৰৱণ-কীৰ্তন নিৰ্মল ভকতি
কাকূতি কৰিয়া মাগো।। ৮২২

৪০৪ আৰু ৬০৮ নম্বৰ ঘোষাতো নিৰ্মল ভকতিৰ কথা পোৱা যায়।

৭) নিৰ্মল আনন্দ ঃ

সন্ত উপদেশ হৰি চৰণে ভজিয়ো
হৰি নাম নিৰমল আনন্দে মজিয়ো।। ৪৩০

৮) নিৰ্মল বৈকুণ্ঠ ঃ

হে দেৱ মহেশ্বৰ হৰি   তযু কথামৃত
পান কৰি
বঢ়ায়া ভকতি মনক শুদ্ধ কৰয়।
বৈৰাগ্যসে সাৰ ভৈল যাৰ
হেনয় বোধক লভি পুনু
পৰম নিৰ্মল বৈকুণ্ঠ গৈয়া পাৱয়।। ৬৭৬

৯) নিৰ্মল ৰতি ঃ

তুমি সত্য সনাতন সদাশিৱ
হৰি হৰি হৰি হৰি এ
তোমাৰ চৰণে মাগোহো নিৰ্মল ৰতি।। ৮১৭

১০) নিৰ্মল গুণ-নাম ঃ

হে হৰি মোৰ মুখে নছাড়োক
হৰি হৰি হৰি হৰি এ
পৰম নিৰ্মল তযু গুণ-নাম যশ।। ৮১৮

১১) নিৰ্মল চৰিত্ৰ ঃ

কৃষ্ণৰ পৰমনিৰ্মল চৰিত্ৰ
কথাৰ যৈত প্ৰকাশ।
গংগা আদি কৰি   যত তীৰ্থ আছে
তৈতেসে কৰে নিবাস।। ৩২৭

তদুপৰি, 'স্বভাৱতে নিৰ্মল কৰয়'- ১৫, 'পাইবা ভক্তি পৰম নিৰ্মল'- ৩৩ আৰু তুমিসে নিত্য নিৰ্মল'- ৩১৮ আদি ঘোষাতো 'নিৰ্মল' শব্দটো ব্যৱহাৰ হৈছে। সৰ্বমুঠ ১৬ বাৰ নিৰ্মল শব্দটো মাধৱ পুৰুষে নামঘোষাত ব্যৱহাৰ কৰিছে। প্ৰখৰ বৈৰাগ্য সম্পন্ন মাধৱ পুৰুষৰ পৰম নিৰ্মল হৃদয়েৰে ৰচনা কৰা নামঘোষা শাস্ত্ৰখন স্বভাৱতে এখন পতিত-পাৱন-নিৰ্মল শাস্ত্ৰ বুলি দৃঢ়তাৰে ঘোষণা কৰিব পাৰি।

ফোন ঃ ৯৬১৩১৫২৭০৩

কঠিয়াতলি এঘাৰ মাইলত পথ দুৰ্ঘটনাত

তিনি পৃষ্ঠাৰ পৰা পাছত আৰক্ষীয়ে আহত লোকজনক উদ্ধাৰ কৰি নিশাই উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। এই দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতেই ট্ৰাকসহ চালক পলায়ন কৰে। নিহত লোকজনক বাতৰি লিখা সময়লৈকে চিনাক্ত হোৱা নাই। উল্লেখ্য যে নিশাৰ ভাগত ৰাষ্ট্ৰীয় পথৰ দাঁতিত একাংশ ট্ৰাক ৰখাই থোৱাৰ বাবে প্ৰায়ে দুৰ্ঘটনা সংঘটিত হৈ অহাৰ অভিযোগ উঠিছে।

কাহানিও নেদেখা এক উপ-নিৰ্বাচনৰ

তিনি পৃষ্ঠাৰ পৰা নাছিল। সেয়া আছিল কোনোবা মন্ত্ৰী-সাংসদৰ কনভয়ৰ বাহনৰ চাইৰেণৰ শব্দ। মৰিয়নিত যেতিয়াই তেতিয়াই শুনা হৈছিল এই চাইৰেণৰ শব্দ। মৰিয়নি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ সমগ্ৰ মৰিয়নি সমষ্টি উত্তাল হৈ পৰিছিল। কি গ্ৰামাঞ্চল, কি নগৰাঞ্চল, কি চাহ বাগিচা অঞ্চল সকলোতে এইবাৰ সমানে প্ৰচাৰ চলিল। ৰাজ্যখনৰ আন চাৰিটা সমষ্টিৰ উপ-নিৰ্বাচনতকৈ মৰিয়নিৰ উপ-নিৰ্বাচন কিছু সুকীয়া বুলি সততে চৰ্চিত হৈ আছে। তেনে এক প্ৰেক্ষাপটত মৰিয়নি সমষ্টি কোনো দলেই সহজে এৰি দিব খোজা নাই। সেয়েহে শাসকীয় বিজেপিয়ে প্ৰথমবাৰলৈ মৰিয়নিৰ আসনখন লাভ কৰিবলৈ একপ্ৰকাৰ জঁপিয়াই পৰিছিল। সমষ্টিটোলৈ সঘনাই আহ-যাহ হৈছিল বিজেপি নেতা-কৰ্মীৰ লগতে চৰকাৰৰ মন্ত্ৰী-বিধায়ক-সাংসদৰ। সেয়েহে তেওঁলোক অহা কনভয়ৰ পাইলট বাহনৰ চাইৰেণৰ শব্দ সমষ্টিটোৰ চৌদিশে শুনা গ'ল। একেদৰে বগা ৰঙৰ বিলাসী বাহনৰ বাহাৰ দেখা গৈছে মৰিয়নিত। অধিকাংশ মন্ত্ৰী-বিধায়ক-সাংসদে বগা ৰঙৰ বাহন ব্যৱহাৰ কৰাৰ ফলত মৰিয়নি ভৰি পৰিছিল দেশী-বিদেশী বিভিন্ন বিলাসী বাহনেৰে। মৰিয়নি সমষ্টিলৈ দুবাৰকৈ আহি মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী প্ৰচাৰ চলাই গৈছে। মৰিয়নি নগৰৰ মাজেদি একাধিকবাৰ অহা-যোৱা কৰিলে মুখ্যমন্ত্ৰীৰ বিশাল কনভয়। আনহাতে, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো মৰিয়নিলৈ আহিল। মৰিয়নিলৈ সঘনাই আহ-যাহ চলিল বিজেপিৰ সাধাৰণ সম্পাদক তথা সাংসদদ্বয় তপন কুমাৰ গগৈ আৰু পল্লৱলোচন দাসৰ। ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আছেই। আনহাতে, কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে একাধিকবাৰ মৰিয়নিলৈ আহিল। মন্ত্ৰী পীযুষ হাজৰিকা, ডাঃ ৰণোজ পেগু, সঞ্জয় কিষাণ, বিমল বৰা, অতুল বৰা, কেশৱ মহন্ত, পৰিমল শুক্লবৈদ্য আদি মৰিয়নিলৈ আহিয়েই আছে। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাও আহি গ'ল। একেদৰে কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক তথা নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিঙেও নিৰ্বাচনী প্ৰচাৰত অংশ লৈ গ'ল। এইসকল ৰাজনৈতিক নেতা আৰু মন্ত্ৰীৰ কনভয়ৰ চাইৰেণৰ শব্দই সাধাৰণ ৰাইজক কিছু সময়ৰ বাবে হ'লেও স্তব্ধ কৰি দিছিল। থৰকাছুটি হেৰাইছিল আৰক্ষীৰো। নেতা-মন্ত্ৰীৰ সঘন আহ-যাহৰ ফলত মৰিয়নি নগৰত বিভিন্ন সময়ত যান-জঁটৰ সৃষ্টি হোৱাও দেখা গ'ল। য'ত বহু সময়ত সাধাৰণ জনতা পণবন্দী হ'বলগীয়া পৰিস্থিতিৰো উদ্ভৱ হয়। আনকি ৰেলৰে লেভেল ক্ৰছিঙত কিছু সময়ৰ বাবে হ'লেও কে'বাজনো মন্ত্ৰীৰ কনভয় আবদ্ধ হৈ পৰিছিল। এনেদৰে ৰেলগাড়ী অহাৰ ফলত ৰেলৰে লেভেল ক্ৰছিঙত ৰৈ থাকোতেই মন্ত্ৰী বিমল বৰাৰ কনভয়ৰ বাবেই এখন এম্বুলেন্স আবদ্ধ হৈ পৰিবলগীয়াও হৈছিল। শাসকীয় বা বিৰোধী দলৰ বিধায়কৰ কথা ইয়াত উল্লেখ নকৰিলেও হৈছে। কালি বিয়লি প্ৰচাৰ অভিযান অন্ত পৰাৰ পাছত ৰাইজে যেন কিছু স্বস্তিৰ নিশ্বাস লৈছে। পিছে এই উপ-নিৰ্বাচনৰ পৰা কাৰ কি লাভ হ'ব সেয়া পাছৰ কথা; কিন্তু উপ-নিৰ্বাচনৰ বাবেই এইবাৰ মৰিয়নি সমষ্টিবাসী ৰাইজে ৰাজ্যৰ বিয়াগোম মন্ত্ৰী, নেতাসকলক নিচেই কাষৰ পৰা চোৱাৰ সুযোগ পালে। বহুতৰ বাবে এই উপ-নিৰ্বাচন পাহৰিব নোৱৰা ধৰণৰ হৈ ৰ'ব।

প্ৰাক্‌কলনৰ এক শতাংশ কাম

তিনি পৃষ্ঠাৰ পৰা মিলি ৰাজ্যত পাঁচশ কোটি টকাৰ এই কেলেংকাৰি সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হৈছে। আনকি মুকলি বজাৰত যিটো সামগ্ৰী মাত্ৰ দুশ-তিনিশ টকাত ক্ৰয় কৰিব পাৰি সেইটো সামগ্ৰীৰ বাবে ঠিকাদাৰক বিভাগে আদায় দিছে ছশ-নশ টকা। উত্থাপিত অভিযোগ মতে, ২০১৯-২০ আৰু ২০২০-২১ত জলসিঞ্চন বিভাগে ৰাজ্যৰ খেতি পথাৰত কৃষকৰ সুবিধা হোৱাকৈ সৌৰশক্তি আৰু বিদ্যুৎচালিত নলীনাদ আঁচনি ৰূপায়ণৰ বাবে আবণ্টন দিছিল পাঁচশ কোটি টকা। ইয়াৰে ভিতৰত প্ৰথম অৱস্থাত ৰাজ্যৰ ২০খন জিলাত এই আঁচনিৰ বাবে আবণ্টন দিছিল ২০৯ কোটি ৬৮ লাখ ১৩ হেজাৰ ৫৭৮ টকা। উক্ত আঁচনিৰ ৰূপায়ণৰ বাবে প্ৰয়োজনীয় পিভিচি প্লাষ্টিক পাইপ যোগানৰ ঠিকা লাভ কৰিছিল গুৱাহাটীৰ এম-এছ ব্ৰহ্মপুত্ৰ উদোগ প্ৰাইভেট লিমিটেড নামৰ প্ৰতিষ্ঠানটোৱে। উল্লেখ্য যে উক্ত প্ৰতিষ্ঠানটোক বজাৰত ৩৫০ টকাত উপলব্ধ পিভিচি চলভেণ্ট চিমেণ্টৰ এশ মিলিলিটাৰ বটলৰ বিপৰীতে ৬২৫ টকা, ১৫০ ১০০ পিভিচি ৰিডিউচাৰৰ ৩৫০ টকা বজাৰ মূল্যৰ বিপৰীতে ৯৪৩ টকা আৰু ২৯০ টকীয়া ১৫০ মিলিমিটাৰ পিভিচি এণ্ডকেপৰ বিপৰীতে ৬১৯টকাকৈ আদায় দিছিল। তদুপৰি বিভিন্ন সামগ্ৰীৰ বিপৰীতে বজাৰ মূল্যতকৈ তিনিগুণ অধিক মূল্য ৰহস্যজনকভাৱে ঠিকাদাৰক আদায় দিয়া হৈছিল। এই আঁচনিৰ ক্ষেত্ৰত, সৌৰশকিত পানীযোগান আঁচনিখন কোনো স্থানতে প্ৰাককলন অনুসৰি ৰূপায়ণ কৰা নহ'ল। প্ৰাককলন অনুসৰি আঁচনিখনত ৪১টা সামগ্ৰীৰ ব্যৱহাৰ কৰিবলৈ উল্লেখ কৰা হৈছিল যদিও বাস্তৱত ১০-১২বিধ সামগ্ৰী ব্যৱহাৰ কৰি সমগ্ৰ ধন আত্মসাৎ কৰিছে বুলি অভিযোগ উঠিছে আঁচনি ৰূপায়ণৰে জড়িতসকলৰ বিৰুদ্ধে। একেদৰেই বৈদ্যুতিক আঁচনিখনৰ ক্ষেত্ৰতো এনে দুৰ্নীতিয়েই ঘটিছে। উল্লেখ্য যে এখন সৌৰ আঁচনিৰ বিপৰীতে ছয় লাখ ছয় হেজাৰ আৰু বৈদুতিক আঁচনি একোখনৰ বিপৰীতে চাৰিলাখ ২৭ হেজাৰ দুশ টকা ধাৰ্য কৰা হৈছিল। ইতিমধ্যেই আঁচনিৰ ৯৫ শতাংশ ধন ঠিকাদাৰক আদায় দিয়া জলসিঞ্চন বিভাগে ৰহস্যজনকভাৱে আঁচনিৰ প্ৰথমখন চিত্ৰ সলাই দ্বিতীয় এখন চিত্ৰ ব্যৱহাৰ কৰে ঠিকাদাৰক সুৰক্ষিত কৰিবলৈ। তাকো আঁচনিৰ ৯০ শতাংশ ৰূপায়ণৰ পাছত বিভাগটোৱে দিয়ে দ্বিতীয়খন আঁচনি চিত্ৰ। ৰহস্যজনকভাৱে একেই আঁচনিৰ দুখন চিত্ৰত বৰিঙৰ দ্বাৰা পানী সংগ্ৰহৰ পাইপৰ আকাৰৰ মাজত বৃহৎ পাৰ্থক্য আছে। কিন্তু প্ৰাককলনৰ চিত্ৰ একেই আঁচনিৰ দুখন চিত্ৰত বৰিঙৰ দ্বাৰা পানী সংগ্ৰহৰ পাইপৰ আকাৰৰ মাজত বৃহৎ পাৰ্থক্য আছে। কিন্তু প্ৰাককলনৰ চিত্ৰ অনুসৰি প্ৰথমৰ পৰাই কাম কৰা হোৱা নাছিল। ছয় ইঞ্চিৰ বৰিং কৰি দুই ইঞ্চিৰ পাইপৰে পানী যোগান ধৰাত এজন কৃষককে এবিঘা মাটিত কৃষিৰ বাবে প্ৰয়োজনীয় পানী লাভৰ বাবে পাঁচ-ছয়দিনে সময় লাগে। অথচ বিভাগীয়ভাৱে এখন আঁচনিৰে ১০জন কৃষকৰ পথাৰত পানী যোগানৰ লক্ষ্য লোৱা হৈছিল। ইতিমধ্যেই শোণিতপুৰতে এনে আঁচনি বিকল হোৱা বুলিও অভিযোগ উঠিছে। তদুপৰি, পাম্পহাউছ, পানী টেংকি আদি নিৰ্মাণ নকৰি ঠিকাদাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই সেয়া নকৰি ইটা, বদ, চিমেণ্টৰ লগতে দৰ্জা, খিৰিকীৰ সকলো ধন আত্মসাত কৰাৰো অভিযোগ উছিছে। বিভাগীয় মন্ত্ৰী, বিভাগীয় মুৰব্বী তথা শীৰ্ষ অভিযন্তা, আঁচনিৰে জড়িত অভিযন্তা-কৰ্মচাৰীৰ অগোচৰে এনে কাৰ্য সম্ভৱ নহয় বুলি সম্প্ৰতি উত্থাপিত অভিযোগৰ লগতে তদানীন্তন বিভাগীয় মন্ত্ৰী কলিতাৰ অজ্ঞাতে এনে বৃহৎ কেলেংকাৰি সংঘটিত হোৱাতো সম্ভৱ নহয় বুলিও অভিযোগ উঠাৰ উপৰি কংগ্ৰেছৰ দিনত দুৰ্নীতি সংঘটিত কৰিও সুৰক্ষিত থকা যোগানধাৰী প্ৰতিষ্ঠান আৰু আঁচনিৰ নামত কৃষকক চূড়ান্ত ঠগন দিয়া জলসিঞ্চন বিভাগৰ এই কেলেংকাৰিৰ তদন্তৰে জড়িতসকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ৰাজ্যৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে বৰ্তমানৰ বিভাগীয় মন্ত্ৰী অশোক সিংঘালৰ প্ৰতি আহ্বান জনাইছে একাংশ ভুক্তভোগীয়ে।

বজাৰৰ অভাৱত হাহাকাৰ শিপিনীৰ

তিনি পৃষ্ঠাৰ পৰা পাঁচ শতাধিক উদ্যোগী মহিলাই বিগত কে'বাবছৰ ধৰি সম্পূৰ্ণ ব্যৱসায়িক ভিত্তিত এৰী পলু পুহি তাৰ জৰিয়তে এৰী লেটা, এৰী-ৰেচম সূতা উৎপাদন কৰাৰ লগতে এৰী-ৰেচমৰ প্ৰাকৃতিকভাৱে ৰং বোলোৱা ৰং বিৰঙৰ সূতাৰে বিভিন্ন বস্ত্ৰ আৰু অন্যান্য সামগ্ৰী উৎপাদন কৰি আহিছে। এইবাৰো সংশ্লিষ্ট অঞ্চলৰ পাঁচ শতাধিক উদ্যোগী মহিলাই এশখন তাঁতশালত এৰী-ৰেচমৰ ৰং- বিৰঙী সূতাৰে পুৰুষ-মহিলাৰ বিভিন্ন বস্ত্ৰ, ঘৰত ব্যৱহাৰ্য সামগ্ৰী তৈয়াৰ কৰাত ব্যস্ত হৈ পৰিছে। শতাধিক পুৰুষো পলুপোহা, সূতা কটা আদি কামত জড়িত হৈ আছে। কিন্তু এই ৰেচম শিল্প উদ্যোগটোৰ স'তে জড়িত পাঁচ শতাধিক উদ্যোগী মহিলাৰ মুখৰ হাঁহিবোৰ ক্ৰমাৎ নাইকিয়া হৈছে। ইয়াৰ অন্যতম কাৰণ তেওঁলোক ভীষণ লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে। হাড়ভঙা উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰিবলৈ বজাৰৰ অভাৱ। হাতীউঠাত যিযোৰ এৰী ৰেচমৰ ৰঙীণ আকৰ্ষণীয় মহিলাৰ পোছাক চাৰি-পাঁচ হেজাৰ টকা মূল্যত বিক্ৰী হয় সেইযোৰ কাপোৰেই গুৱাহাটীৰ বিপণীত ১৮-২০ হেজাৰ টকাত বিক্ৰী হৈ আছে। ইপিনে, পৰিপুষ্টিকৰ খাদ্য ৰূপে পৰিগণিত পলুৰ লেটাসমূহৰ প্ৰতি কিলোগ্ৰামত দাম জাগীৰোডৰ সংশ্লিষ্ট অঞ্চলত মাত্ৰ চাৰিশ টকা যদিও তাৰ দাম গুৱাহাটীৰ বজাৰত সাতশ-আঠশ টকা। আনহাতে, পলুৰ বিষ্ঠাসমূহো মাছৰ বাবে উৎকৃষ্ট খাদ্য। সেইসমূহৰ দামো প্ৰতি কেজিত ১০ টকা আছিল। আগতে পলুৰ বিষ্ঠাসমূহ ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জে বি এন)ৰ মানুহে ক্ৰয় কৰি নিছিল যদিও বহু দিনৰ পৰা তাকো ক্ৰয় কৰা নাই।

জাগীৰোড সমষ্টিৰ মায়ং ৰাজহ চক্ৰৰ হাতীউঠা অঞ্চলত এৰী-ৰেচম শিল্পক পুৰুজ্জীৱিত কৰি ইয়াক ব্যৱসায়িক ৰূপ দিয়া উদ্যোগী মহিলাসকলৰ অনতম জ্যোতিৰ্ময়ী মাছাৰীয়ে আজি 'দৈনিক অগ্ৰদূত'ক কয়, 'আমাৰ জাগীৰোড সমষ্টিৰ হাতীউঠা, ঘগুৱা, বামফৰ, হাওলাভেটি, দেওশাল, নেলী, ধৰমতুল, গড়মাৰী প্ৰমুখ্যে বিভিন্ন অঞ্চলৰ পাঁচ শতাধিক মহিলা আৰু শতাধিক পুৰুষ এৰী ৰেচম পলু পোহা, পলুৰ খাদ্যৰ বাবে এৰা গছৰ পাত সংগ্ৰহ কৰা, সূতা কটা, কাপোৰ বোৱা, ব্যৱসায় আদি কামত নিয়োজিত হৈ আছে। কিন্তু বিগত বৰ্ষৰ তলাবন্ধ, চলিত বৰ্ষতো আংশিক তলাবন্ধ, সান্ধ্য আইন, কৰ'না ভাইৰাছৰ সংক্ৰমণৰ ৰোধৰ বাবে চৰকাৰে বলৱৎ কৰা স্বাস্থ্য বিধি, বানপানী আদিৰ ফলত এৰী ৰেচম পলু পালক, শিপিনীসকলে মহা সংকটত পৰিব লগা হয়। এইবাৰ ক'ভিড পৰিস্থিতি কিছু উন্নত হোৱাত আমি জাগীৰোড সমষ্টি বিভিন্ন অঞ্চলৰ পাঁচ শতাধিক মহিলাই প্ৰাকৃতিকভাৱে ৰং দিয়া এৰী সূতাৰ চাদৰ, ষ্টল, চাৰ্টৰ কাপোৰ, মেখেলা-চাদৰ, পৰ্দাৰ কাপোৰ, কুচন ক'ভাৰ আৰু অন্যান্য সামগ্ৰী তৈয়াৰ কৰি বিক্ৰীৰ বাবে সাজু হৈছো। কিন্তু আমাৰ ইয়াত উচিত বজাৰ নথকাৰ পৰিপ্ৰেক্ষিতত লাখ লাখ টকা মূল্যৰ এৰী-ৰেচম বস্ত্ৰ-সামগ্ৰী বিক্ৰী নোহোৱাকৈ পৰি আছে। অৱশ্যে আমি একাংশই অনলাইনযোগে উৎপাদিত সামগ্ৰী বিক্ৰী কৰো যদিও আমাৰ ইয়াৰ সৰহ সংখ্যক মহিলাই নাজানে অনলাইন ব্যৱস্থাটোৰ কথা। সেয়েহে আমি এই শিল্প উদ্যোগটোৰ লগত জড়িত অধিকাংশ মহিলাই উৎপাদন থলীত যি কেইজন গ্ৰাহক পাওঁ তেওঁলোককে নিচেই কম দামতে আমাৰ উৎপাদিত বস্ত্ৰ-সামগ্ৰী বিক্ৰী কৰিবলৈ বাধ্য হওঁ। বজাৰ নথকাৰ বাবেই আমি উচিত মূল্যৰ পৰা বঞ্চিত হ'ব লগা হৈছে। আমাৰ ইয়াত তৈয়াৰী যিবোৰ পোছাক সাত-আঠ হেজাৰ টকা দামত বিক্ৰী কৰো সেই কাপোৰেই গুৱাহাটীৰ বিপণীত ১৮-২০ হেজাৰ টকা দামত বিক্ৰী কৰে। তদুপৰি বহু তৈয়াৰী বস্ত্ৰ-সামগ্ৰী আমি গ্ৰাহকৰ অভাৱত বিক্ৰী কৰিব নোৱাৰি জমা কৰি ৰাখিছো।'

তেওঁ অতি আক্ষেপেৰে কয়, 'আমি পাঁচশ মহিলাই মৃত এৰী ৰেচম শিল্প উদ্যোগটোক পুনৰুজ্জীৱিত কৰি বহু কষ্টেৰে জীয়াই ৰাখিছে। কিন্তু সামগ্ৰী বিক্ৰী কৰিব পৰাকৈ কোনো বজাৰ নথকাত পদেপদে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। চৰকাৰে নগাঁৱতেই হওক অথবা গুৱাহাটীতেই হওক এৰী-ৰেচম শিল্পৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ এখন যদি বজাৰ স্থাপন কৰে তেতিয়া আমাৰ বহু সমস্যাই সমাধান হ'লহেঁতেন। চৰকাৰে এটা বিক্ৰী কেন্দ্ৰ স্থাপন কৰক, পাৰে যদি আমাৰ বস্ত্ৰ-সামগ্ৰীসমূহ বাহিৰলৈ ৰপ্তানি কৰাৰ দিহা কৰক। তেতিয়াহে বহু সম্ভাৱনাপূৰ্ণ এই শিল্প উদ্যোগটো জীয়াই থাকিব। নহ'লে আমি এই শিল্প উদ্যোগটোৰ পৰা আঁতৰি আহিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হ'ব।' জাগীৰোডৰ এৰী-ৰেচম শিল্প উদ্যোগটোৰ লগত জড়িত শতাধিক মহিলাই ৰেচম বিভাগৰ পৰা কোনো ধৰণৰ সহায়-সহযোগিতা লাভ কৰিবলৈ সক্ষম হোৱা নাই বুলি আক্ষেপ কৰি তেওঁ কয়, 'আমি ৰেচম বিভাগৰ লগত একাধিকবাৰ যোগাযোগ কৰিও কোনো সুফল নাপালো। আনকি চৰকাৰৰ আন বিভাগসমূহৰ পৰাও এই পৰ্যন্ত কোনো ধৰণৰ সহযোগিতা লাভ কৰিবলৈ সক্ষম হোৱা নাই। আমি বহুত হতাশাত ভুগিছো। মোৰ মন যায় এৰি দিম নেকি এই এৰী-ৰেচম শিল্প উদ্যোগটোৰ কাম। পূৰ্বসূৰী এই শিল্প উদ্যোগটোক জীয়াই ৰখাটোৱেই এতিয়া এক প্ৰত্যাহ্বান হৈ পৰিছে।''

ইপিনে, বৃহত্তৰ জাগীৰোড সমষ্টিত এৰী-ৰেচম উদ্যোগটোক প্ৰতিষ্ঠাৰ বাবে অহোপুৰুষাৰ্থ কৰা হাতীউঠা আঞ্চলিক হস্তশিল্প সমবায় সমিতিৰ ৰাজেন পাটৰেও অতি দুখেৰে কয়, 'কৰ'নাই সৃষ্টি কৰা জটিল সমস্যাই আমাক জুৰুলা কৰিলে। তৎসত্ত্বেও আমি এৰী-ৰেচম শিল্প উদ্যোগটোক জীয়াই ৰাখিছো। কিন্তু ইমান কষ্ট কৰি উৎপাদিত সামগ্ৰী বিক্ৰী কৰিবলৈ এখন বজাৰ নাই। বজাৰৰ অভাৱত সামগ্ৰী বিক্ৰী কৰিব পৰা নাই। যি অলপ-অচৰপ বিক্ৰী হৈছে তাকো পানী দামত। ফলত আমি ভীষণ লোকচানৰ সন্মুখীন হৈছো। এতিয়া এৰী- ৰেচম শিল্প উদ্যোগটোক জীয়াই ৰাখিব পাৰিম নে নাই ঠিক নাই। এনেবোৰ কাৰণতে গঞাৰ এই শিল্প উদ্যোগটোৰ প্ৰতি আগ্ৰহ কমি আহিছে। নতুন প্ৰজন্মৰ কাৰোৱেই এই শিল্প উদ্যোগটোৰ প্ৰতি কিঞ্চিতো আগ্ৰহ পৰিলক্ষিত হোৱা নাই। আগতে লেটা আৰু পলুৰ বিষ্ঠা বিক্ৰী কৰিও কিছু টকা পাইছিলো যদিও এতিয়া সেইবোৰ কিনোতা নাই।'

এৰী ৰেচম শিল্প উদ্যোগটোৰ লগত জড়িত হৈ স্বাৱলম্বী হোৱাৰ প্ৰয়াস কৰা জাগীৰোডৰ বিভিন্ন অঞ্চলৰ জ্যোতিৰ্ময়ী মাছাৰী, পখিলা পোমা, মঞ্জুলা বৰদলৈ, বিজুমণি টেৰণ, গীতাঞ্জলি টেৰণ, গীতা ৰংহাং, ববিতা ইংতি, ৰাজেন পাটৰ প্ৰমুখ্যে প্ৰায় ছশগৰাকীৰো অধিক উদ্যোগীৰ আজি পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। আজি তাঁতশালত শিপিনীৰ হাঁহিৰ চিম্ফনী নাই। প্ৰতিগৰাকী শিপিনীৰ মুখত হতাশা-অনিশ্চয়তাৰ ভাবহে প্ৰকট হৈ আছে। কিন্তু তেওঁলোকৰ দুৰ্দশাৰ বুজ ল'বলৈ আহৰি নাই চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহৰ।

বনভাগ মহাবিদ্যালয়ত আছু গোটৰ অধিৱেশন

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ২৮ অক্টোবৰ ঃ সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃত্বত বনভাগ মহাবিদ্যালয় আছু গোটৰ অধিৱেশন আজি মহাবিদ্যালয়ৰ সভা গৃহত অনুষ্ঠিত হয়। তদুপৰি নতুন সমিতিখন গঠন কৰা হয়। তৃষ্ণা দাসক সভাপতি হিচাপে আৰু সমীৰণ শৰ্মাক সম্পাদকৰূপে লৈ ৭১ জনীয়া এখন পূৰ্ণাংগ সমিতি গঠন কৰা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক হিৰকজ্যোতি শৰ্মা, ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ইলিয়াছ আলী, উপদেষ্টা নিকুঞ্জ শৰ্মা, সাহিত্য সম্পাদক আৰ্জু আহমেদ, সহকাৰী সাধাৰণ সম্পাদক ইমৰান হুছেইন আদি।

গোৱালপাৰাৰ হুৰকাকুছিত নৱজাতকৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ২৮ অক্টোবৰ ঃ গোৱালপাৰা চহৰৰ নিকটবৰ্তী হুৰকাকুছিত ৪৬ নম্বৰ ৰাজ্যিক ঘাইপথৰ কাষতে আজি এটা মৃত নৱজাতক উদ্ধাৰ হয়। কোনোবাই পৰিকল্পিতভাৱে পেলাই থৈ যোৱা মৃত নৱজাতকটো প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজে আৰক্ষীক খবৰ দিয়ে আৰু আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃত নৱজাতকটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱাৰপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পাষণ্ড মাতৃয়ে নিজৰ কলংক মোচনৰ বাবেই এই কাৰ্য সংঘটিত কৰা বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে।

বিষ্ণুপুৰৰ সৰবৰহী মহিলাৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

টিহু, ২৮ অক্টোবৰ ঃ টিহুৰ ৰতনপুৰ গাঁৱৰ বিষ্ণুপুৰ চুবুৰি নিৱাসী সৰবৰহী মহিলা মিনতি দেৱী (৫৮)ৰ যোৱা ২৫ অক্টোবৰৰ নিশা নিজ বাসগৃহত মৃত্যু হোৱাত গাঁওখনত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে ধৰ্মপ্ৰাণা মহিলাগৰাকী দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত ভুগি আছিল। সৰবৰহী মহিলাগৰাকীৰ মৃত্যুত ২৭৭ নম্বৰ ৰতনপুৰ প্ৰাথমিক বিদ্যালয়, ৰতনপুৰ দৌল মহোৎসৱ সমিতি, ৰতনপুৰ জগন্নাথ মন্দৰ পৰিচালনা সমিতি আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ স্বামী, তিনি কন্যা, দেওৰ-জা, ভতিজা-ভতিজী, নাতি-নাতিনীক ইহসংসাৰত এৰি যায়।

বকোৰ নিছলামাৰীত পথ দুৰ্ঘটনাত নিহত এক

আলোপতি, ২৮ অক্টোবৰ ঃ কামৰূপ জিলাৰ বকো সমষ্টিৰ মন্দিৰা আৰক্ষী চকীৰ অন্তৰ্গত নিছলামাৰীত আজি পুৱা সংঘটিত এক পথ দুৰ্ঘটনাত এখন বাহনৰ খুন্দাত নিহত হয় মৰণ দাস নামৰ এজন লোক। মৰণে মালিবাৰী মন্দিৰা পথেৰে গৈ থকা অৱস্থাতে মন্দিৰাৰ ফালৰ পৰা অহা এ এছ-০১ এইছ-৭৪৪৫ নম্বৰৰ মাৰুতি-৮০০ কাৰে সন্মুখৰ পৰা খুন্দিওৱাত স্থানীয় লোকে সংকটজনক অৱস্থাত তেওঁক হেকৰা চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। নিহত মৰণৰ ঘৰ মালিবাৰী সত্ৰ গাঁৱত। চালক আয়ুব আলীক ইতিমধ্যে মন্দিৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

জাওকাটাত জব্দ চোৰাং কাঠ

আলোপতি, ২৮ অক্টোবৰ ঃ আজি নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয় অঞ্চলৰ জাওকাটাদিয়াত বন বিভাগে বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ কৰাৰ উপৰি উৎখাত কৰে এটা অবৈধ কাঠফলা কল। উল্লেখ্য যে বন বিভাগৰ লোক অহাৰ খবৰ পাই মিলটো খুলি টিয়াপাৰা গাঁৱৰ এঘৰত লুকুৱাই ৰাখিছিল যদিও দলটোৱে পাছত কলটো উদ্ধাৰ কৰে।

এমাহেই গ্ৰেপ্তাৰ নহ'ল প্ৰৱঞ্চক

তিনি পৃষ্ঠাৰ পৰা প্ৰায় ৩১ লাখ টকা ভৰাই দিছিল। কিন্তু এইধন দিয়াৰ মাহদিয়েক পাৰ হোৱাৰ পাছতো মৃদুপৱনে লোকজনক বাহনখন হস্তান্তৰ নকৰিলে। ফলত নেহা কাৰ বজাৰে আৰক্ষীৰ কাষ চাপিবলৈ বাধ্য হয়। ইপিনে, আজি সংবাদ মাধ্যমৰ আগত নগাঁও জিলাৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই প্ৰৱঞ্চক মৃদুপৱনক কৰায়ত্ত কৰাৰ বাবে আৰক্ষীয়ে প্ৰচেষ্টা অব্যাহত ৰখা বুলি সদৰী কৰে যে ইতিমধ্যে ইয়াৰ বাবে এটা বিশেষ আৰক্ষী টিম গঠন কৰা হৈছে। আনকি মৃদুপৱনৰ বিৰুদ্ধে 'লুক আউট' জাননী জাৰি কৰাৰ কথাও আৰক্ষী অধীক্ষকজনে সদৰী কৰে।

হাজোৰ পুঠিমাৰী নদীত বৃদ্ধৰ

তিনি পৃষ্ঠাৰ পৰা সেই দিনাৰ পৰা চাহনুৰ আলী নিজ গৃহলৈ উভতি নোযোৱাত পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰি কোনো সন্ধান উলিয়াব পৰা নাছিল। পৰিয়ালৰ লোকে হাজো আৰক্ষী থানাত নিৰুদ্দেশ সম্পৰ্কে ২৬ অক্টোবৰত এখন এজাহাৰ দাখিল কৰে। ইফালে, আজি পুঠিমাৰী নদীৰ দলৈটোলাৰ কোঁৱৰ ঘাটত স্থানীয় মাছমৰীয়াকেইজনমানে পানীত ওপঙি থকা এটি মৃতদেহ প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজক খবৰ দিয়ে। নৈত মৃতদেহ ওপঙি থকাৰ খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলটোৰ অগণন লোক তথা চাহনুৰ আলীৰ পৰিয়ালৰ লোকো ঘটনাস্থলীত উপস্থিত হয়। পৰিয়ালৰ লোকে মৃতদেহটো চাহনুৰ আলীৰ বুলি চিনাক্ত কৰে। পাছত হাজো আৰক্ষীক খবৰ দিয়াত এটি আৰক্ষীৰ দলে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ থানালৈ আনি মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।

প্ৰাতঃ ভ্ৰমণস্থলীত মাছৰ

তিনি পৃষ্ঠাৰ পৰা স্থান তথা উন্নত পৰিৱেশ যুক্ত পৰিৱেশৰ অভাৱ পূৰণ কৰি আহিছে মাত্ৰ যমুনা পাৰ্কে। গোলাঘাট মিছন ৰোডৰ পূব অংশত অৱস্থিত গোলাঘাট পৌৰসভাৰ দ্বাৰা নিয়ন্ত্ৰিত যমুনা পাৰ্কৰ নান্দনিক পৰিৱেশে প্ৰতিটো পুৱা-গধূলিয়ে নগৰখনৰ প্ৰায় প্ৰতিজন লোকক আকৰ্ষণ কৰে। এই পৰিৱেশে পৌৰসভাখনকো আৰ্থিক দিশত যথেষ্ট উপকৃত কৰিছে। যুমনা পাৰ্ক আৰু মিছন পথৰ আনটো দিশত ড° ৰবীন বেনাৰ্জী মিউজিয়াম তথা ডক্তৰছ ক্লাবত ঘটা দৈনন্দিন বিজ লোকৰ সমাবেশে উক্ত স্থানৰ নগৰখনৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ হিচাপে চিহ্নিত কৰিছে। আনহাতে, উক্ত যমুনা পাৰ্কৰ অতি ওচৰতে গোলাঘাট জিলা পুথিভঁৰাল, কে কে বি হাইস্কুল আদি অৱস্থিত। এনে এক গুৰুত্বপূৰ্ণ স্থানত পৌৰসভাৰ এক্তিয়াৰৰ ভিতৰত জনৈক 'চালাম' আৰু অন্য এজন মাছ ব্যৱসায়ীয়ে ড° ৰবীন বেনাৰ্জী মিউজিয়ামৰ সন্মুখত যোৱা চাৰি-পাঁচ মাহে মাছ বিক্ৰী দোকান খোলাত প্ৰাতঃ ভ্ৰমণৰ স্থানৰ লগতে মিউজিয়ামৰ পৰিৱেশ দুৰ্গন্ধময় হৈ পৰিছে বুলি অভিযোগ উঠিছে। তৎসত্ত্বেও পৌৰপ্ৰশাসনৰ সংশ্লিষ্ট বিষয়াবৰ্গই জনতাৰ স্বাৰ্থৰ প্ৰতি পিঠি দি মাত্ৰ মাছ ব্যৱসায়ীৰ পৰা কৰ সংগ্ৰহতে ব্যস্ত থকাৰ অভিযোগ উঠিছে। নগৰখনৰ সচেতন মহলে এই ক্ষেত্ৰত জিলা প্ৰশাসনক অতি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি প্ৰাতঃভ্ৰমণস্থলী তথা ড° ৰবীন বেনাৰ্জী মিউজিয়ামৰ আৰু ক্লাব প্ৰদূষণ মুক্ত কৰিবলৈ দাবী জনাইছে।

বিশ্বনাথ সদৰ থানাৰ অভিযানত

তিনি পৃষ্ঠাৰ পৰা তিনি হেজাৰকৈ টকাৰ বিনিময়ত শিশু দুটিক তেওঁক গতাই দিছিল। তাৰ পাছতে ছালে নামৰ লোকজনে এই কন্যা শিশু দুটিক অৰুণাচলৰ হাগে ৰাণা নামৰ লোকজনক শিশু শ্ৰমিক হিচাপে ব্যৱহাৰ কৰিবলৈ প্ৰদান কৰিছিল। লগে লগে বিশ্বনাথ সদৰ আৰক্ষী দল এটাই ছালেক লগত লৈ শিশু দুটিক উদ্ধাৰৰ বাবে অৰুণাচললৈ ৰাওনা হয়। ছালেৰ দ্বাৰা এই শিশু দুটিক বিক্ৰী কৰা অৰুণাচলৰ ৰাণাক লগ কৰিবলৈ মাতে যদিও ৰাণাই সম্ভেদ লাভ কৰি আটক হোৱাৰ ভয়ত কৌশলেৰে অৰুণাচলৰে দৈমুখ থানাৰ সন্মুখত দুই শিশুক এৰি পলায়ন কৰে। অৱশেষত বিশ্বনাথ সদৰ আৰক্ষী থানাৰ উদ্ধাৰকাৰী দলটোৱে দুই শিশুক দৈমুখ থানাৰ পৰা উদ্ধাৰ কৰি বিশ্বনাথলৈ লৈ আনে। আনহাতে, এই ঘটনাৰ পৰা আৰু এক ঘটনা পোহৰলৈ আহে যে বিশ্বনাথ জিলাত শিশু নিৰুদ্দেশ হোৱাৰ ঘটনাৰ আঁৰৰ কাহিনী দৰিদ্ৰতাই হ'ব বুলি সন্দেহ কৰা হৈছে।

■ দুই ফৈদৰ কমেও ১০জন আহত

নগাঁও জিলাৰ আমবাগানত ভূমি বিবাদক কেন্দ্ৰ কৰি সংঘৰ্ষ

বিশেষ সংবাদদাতা

নগাঁও, ২৮ অক্টোবৰ ঃ নগাঁও জিলাৰ আমবাগান আৰক্ষী চকীৰ অন্তৰ্গত ভাটিয়াখালি অঞ্চলত আজি ভূমি বিবাদক কেন্দ্ৰ কৰি দুই ফৈদৰ মাজত প্ৰচণ্ড সংঘৰ্ষ হয়। এই সংঘৰ্ষত দুই ফৈদৰ পুৰুষ-মহিলাসহ ১০ জনৰো অধিক লোক গুৰুতৰভাৱে আহত হয়।

আৰক্ষী সূত্ৰই জনোৱা মতে, দুই নম্বৰ ভাটিয়াখালি অঞ্চলৰ হজৰত আলী আৰু আতৰ আলীৰ পৰিয়ালৰ মাজত ভূমি বিবাদক কেন্দ্ৰ কৰি আজি পুৱা প্ৰায় ৯-৩০ বজাত কাজিয়াৰ সূত্ৰপাত হয়। পৰৱৰ্তী সময়ত তেওঁলোকৰ মাজত প্ৰচণ্ড মাৰপিট লাগে। ফলত আতৰ আলী, হজৰত আলী, উচমান আলী, চোবান আলী আৰু শিৰাজ উদ্দিন, ইব্ৰাহিম আলীসহ দুই ফৈদৰ ১০ জনৰো অধিক লোক গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত আমবাগান আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। লগতে গুৰুতৰভাৱে আহতসকলক স্থানীয় লোকৰ সহযোগত আৰক্ষীয়ে চিকিৎসাৰ বাবে কাৰৈমাৰী নুৰুল হুছেইন এফ আৰ ইউ চিকিৎসালয়ত ভৰ্তি কৰে। পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আনহাতে, ভূমি বিবাদক কেন্দ্ৰ কৰি আজি সংঘটিত মাৰপিটৰ ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

অসম নাট্য সন্মিলনৰ সভা

অগ্ৰদূত বাৰ্তা,

হাউলী, ২৮ অক্টোবৰ ঃ অসম নাট্য সন্মিলনৰ ৬০ সংখ্যক নগাঁও অধিৱেশনৰ লগত সংগতি ৰাখি অহা ২০ নৱেম্বৰত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এখন কৰ্ণধাৰ সমিতিৰ সভা আহ্বান কৰা হৈছে। নাট্য সন্মিলনৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে উল্লেখ কৰা মতে, এই একেদিনাই কাৰ্যনিৰ্বাহক সভা আৰু সাধাৰণ পৰিষদৰ সভাও অনুষ্ঠিত হ'ব। সেয়েহে কৰ্ণধাৰ সভাত কৰ্ণধাৰ সমিতিৰ সদস্য, কাৰ্যনিৰ্বাহক সভাত কাৰ্যনিৰ্বাহক সদস্য আৰু সাধাৰণ পৰিষদৰ সভাত প্ৰতিটো মণ্ডল জিলা আৰু শাখাৰ পৰা প্ৰতিনিধি উপস্থিত থাকিবলৈ নাট্য সন্মিলনৰ প্ৰধান সম্পাদক গিৰিধৰ ৰয়ে আহ্বান জনাইছে। সিদিনা পুৱা ন বজাৰ পৰা সভা অনুষ্ঠিত হ'ব।

ধৰ্ষণকাৰীৰ ফাঁচিৰ দাবীত পানেৰী -বাগানপাৰাত সমদল

অগ্ৰদূত বাৰ্তা

টংলা/বাগানপাৰা, ২৮ অক্টোবৰ ঃ বাগ্‌সা জিলাৰ বাগানপাৰা আৰক্ষী চকীৰ অন্তৰ্গত উত্তৰপাৰৰ এগৰাকী ২২ বছৰীয়া যুৱতীক তিনিজনকৈ নৰপিশাচে দলবদ্ধভাৱে ধৰ্ষণ কৰি হত্যা কৰাৰ কাণ্ডক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া অব্যাহত আছে। পাছত উক্ত হত্যাকাণ্ডৰ স'তে জড়িত তিনিজন যুৱক ক্ৰমে জনছন বান্দ, অভিজিত তিৰ্কী আৰু ডেচলিন খাল্কোক বৰবৰী আৰক্ষী আৰু বাগানপাৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। উক্ত কাণ্ডৰ অভিযুক্ত যাতে কোনো কাৰণতে মুকলি আকাশৰ তলত ওলাই আহিব নোৱাৰে তাৰ বাবে যুৱতীগৰাকীৰ পৰিয়ালৰ লগতে বিভিন্ন দল-সংগঠনে চৰকাৰক আহ্বান জনাইছে। আনহাতে, সদৌ অসম আদিবাসী ছাত্ৰ সন্থা ওদালগুৰি জিলা সমিতি আৰু পানেৰী আঞ্চলিক সমিতি, আছাৰ যৌথ উদ্যোগত কালি সন্ধিয়া হাতত মমবাতি লৈ এক মৌন শান্তি সমদলেৰে এনে ঘটনাৰ ন্যায় বিচাৰে। উক্ত সমদলত অংশগ্ৰহণ কৰা দল-সংগঠনৰ বিষয়ববীয়া তথা নেতা-কৰ্মীসকলে ঘটনাটোৰ লগত জড়িত যুৱককেইজনক দ্ৰুত বিচাৰ আদালতৰ জৰিয়তে বিচাৰ কৰি উচিত শাস্তি প্ৰদানৰ বাবে দাবী জনায়। এনে ঘটনা ৰোধ কৰিবলৈ হ'লে একমাত্ৰ ফাঁচি দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি মন্তব্য কৰে ওদালগুৰি জিলা সমিতিৰ উপ-সভাপতি খগেন তাঁতীয়ে। আনহাতে, ধৰ্ষণৰ বলি হৈ মৃত্যুক সাবটি লোৱা যুৱতীগৰাকীৰ পৰিয়ালে যদি উচিত ন্যায় নাপাই তথা দোষীক ফাঁচিকাঠত নিদিয়ালৈকে সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব কয় আঞ্চলিক সমিতি, আছাৰ সাধাৰণ সম্পাদক তিলক ৰৌচন বাৰাই। ইপিনে, নৃশংসতাৰ বলি হৈ মৃত্যুক আঁকোৱালি লোৱা বাগ্‌সাৰ বাগানপাৰাৰ যুৱতীগৰাকীৰ সদগতি আৰু ন্যায়ৰ বাবে আজি আছা আৰু আছুৰ উদ্যোগত মমবাতি জ্বলাই এক সমদল উলিওৱা হয়। সহস্ৰাধিক পুৰুষ-মহিলাই বাগানপাৰাৰ ৰাজপথেৰে মৌন সমদল কৰে। আজি সন্ধিয়া আদিবাসী ছাত্ৰ সন্থা আৰু আছুৰ নেতৃত্বত নৃশংসতাৰ বলি হোৱা যুৱতীগৰাকীৰ আত্মাৰ সদগতি আৰু ন্যায় বিচাৰি এক সমদল উলিওৱা হয়। সমদলত অংশ লৈ আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ডেভিদ এক্কাই দোষীক কঠোৰ শাস্তি প্ৰদান কৰাৰ বাবে প্ৰশাসনক দাবী জনায়।

■ কেন্দ্ৰত চাইবাৰ সুৰক্ষাৰ সজাগতামূলক আলোচনাচক্ৰ সম্পন্ন

শিক্ষাৰ্থীক ডিজিটেল প্ৰচাৰ মাধ্যমত সুৰক্ষিত ৰাখিবলৈ আহ্বান

কোকৰাঝাৰ, ২৮ অক্টোবৰ ঃ ভাৰত চৰকাৰৰ যোগাযোগ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰণালয়ৰ অধীনস্থ নেছনেল ইনষ্টিটিউট অৱ ইলেকট্ৰনিক্স এণ্ড ইনফৰমেচন টেকন'লজী চমুকৈ এনআইইএলআইটি গুৱাহাটীৰ কোকৰাঝাৰ সম্প্ৰসাৰণ কেন্দ্ৰত কালি 'নেছনেল চাইবাৰ ছিকিউৰিটি এৱাৰনেছ মান্থ'ৰ স'তে সংগতি ৰাখি 'মহিলাৰ চাইবাৰ সুৰক্ষা সজাগতা' আলোচনাচক্ৰ অনুষ্ঠিত কৰে। উল্লেখ্য যে অক্টোবৰ মাহ হৈছে নেছনেল চাইবাৰ সুৰক্ষা সজাগতা মাহ। এই সজাগতা অনুষ্ঠানৰ এইবাৰৰ বিষয়বস্তু হৈছে—"Do Your Part, #Be Cy.berSmart"। এই অনুষ্ঠানটোত কমল কুমাৰ বাগলাৰীয়ে নিমন্ত্ৰিত অতিথি তথা অংশগ্ৰহণকাৰীসকলক আদৰণি জনায়। অনুষ্ঠানটোৰ সমল ব্যক্তি হিচাপে এনআইইএলআইটি গুৱাহাটীৰ বৈজ্ঞানিক (নট) ড° বিপুল ৰয় আৰু প্ৰশাসনিক বিষয়া ড° ৰাণা শৰ্মাই প্ৰশিক্ষণ প্ৰদান কৰে।

উক্ত দিনটো জোৰা কাৰ্যসূচীত বিভিন্ন ক্ষেত্ৰত যেনে এটিএম, ম'বাইল ফোন, ৱাটছ এপ, ছ'চিয়েল নেটৱৰ্কিং চাইট, অনলাইন শ্বপিং, ডিজিটেল পেমেণ্ট ইত্যাদিত হ'ব পৰা চাইবাৰ অপৰাধসমূহ তথা ইয়াৰ প্ৰতিৰোধ আৰু প্ৰতিৰোধৰ প্ৰশিক্ষণ দিয়া হয়। তদুপৰি অনুষ্ঠানটোত চাইবাৰ সুৰক্ষা-সজাগতাৰ ওপৰত চলচ্চিত্ৰ প্ৰদৰ্শন আৰু কুইজ প্ৰতিযোগিতা এখনো অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত কোকৰাঝাৰ গভৰ্ণমেণ্ট মহাবিদ্যালয়ৰ প্লোৰিণা ব্ৰহ্মই প্ৰথম স্থান পাবলৈ সক্ষম হয়।

এই অনুষ্ঠানৰ মুখ্য অতিথিৰূপে উপস্থিত থাকি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ চায়েন্স এণ্ড টেকন'লজি বিভাগৰ মুৰব্বী অধ্যাপক ড° মনোজ কুমাৰ ডেকাই বিজেতাসকলক পুৰস্কাৰ প্ৰদান কৰাৰ লগতে অনুষ্ঠানৰ সামৰণি বক্তব্য অগবঢ়ায়। ড° ডেকাই দিনে দিনে বৃদ্ধি হৈ থকা চাইবাৰ অপৰাধসমূহ তথা উন্নত প্ৰযুক্তিবিদ্যা যেনে আৰ্টিফিচিয়েল ইনটেলিজেন্স (এ আই)ৰ ওপৰত চমু বক্তব্য আগবঢ়ায়। ড° ডেকাই নিজৰ ভাষণত এ আইৰ নিচিনা উন্নত প্ৰযুক্তিবিদ্যাক কেনেকৈ এচামে চাইবাৰ অপৰাধমূলক আৰু এচামে প্ৰতিকাৰমূলক ব্যৱহাৰ কৰি আছে আৰু শিক্ষাৰ্থীসকলক ডিজিটেল প্ৰচাৰ মাধ্যমত নিজকে সুৰক্ষিত কৰি ৰাখিবলৈ আহ্বান জনায়।

উক্ত অনুষ্ঠানত চি আই টি, বড়োলেণ্ড বিশ্ববিদ্যালয় তথা বিভিন্ন কলেজৰ পৰা মুঠ ৪৫ জনী ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানত আই টি ফেকাল্টি উদীপ্তা কলিতাই শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানটোৰ সামৰণি কৰে।

গোসাঁইগাঁও বিধানসভা সমষ্টিত

তিনি পৃষ্ঠাৰ পৰা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ বিজেপি আৰু ইউপিপিএলে সৰ্বশক্তি প্ৰয়োগ কৰি যিদৰে প্ৰচাৰ চলাইছে তাৰ তুলনাত কংগ্ৰেছ বিপিএফ আৰু এআইইউডিএফৰ প্ৰচাৰ আছিল তেনে সীমিত। তথাপি সমষ্টিটোত তিনিটা দলৰ মাজত প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। এআইইউডিএফে যিমান ভোট কাটিব সিমানে মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ লাভ হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে বিগত চাৰিটা বিধানসভা নিৰ্বাচনত এই সমষ্টিটো বিপিএফৰ দখলত আছিল। একেৰাহে চাৰিবাৰকৈ বিপিএফৰ বিধায়ক হিচাপে নিৰ্বাচিত মাজেন্দ্ৰ নাৰ্জাৰীয়ে বিগত নিৰ্বাচনত জয়লাভ কৰাৰ পাছত শপত গ্ৰহণৰ পূৰ্বেই আকস্মিকভাৱে মৃত্যুক আঁকোৱালি লোৱাত সমষ্টিটোত উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। যোৱা বেলি নাৰ্জাৰীয়ে ৭০ হেজাৰ ভোট লাভ কৰি নিকটতম প্ৰতিদ্বন্দ্বী মিত্ৰজোঁটৰ অংশীদাৰ ইউপিপিএলৰ প্ৰাৰ্থী সোমনাথ নাৰ্জাৰীক ১০ সহস্ৰাধিক ভোটৰ ব্যৱধানত পৰাজিত কৰিছিল। কিন্তু এইবেলি বিপিএফৰ জয় ইমান সহজ নহ'ব। উল্লেখ্য যে বিগত নিৰ্বাচনত মহাজোঁটৰ অংশীদাৰ হিচাপে বিপিএফে প্ৰতিদ্বন্দ্বিতা কৰি ৭০ হেজাৰ ভোট পাবলৈ সক্ষম হোৱাৰ বিপৰীতে বিজেপিৰ মিত্ৰদল ইউপিপিএলে লাভ কৰিছিল ৬০ হেজাৰ ভোট। এইবাৰ মহাজোঁটত থকা তিনিটা দলে পৃথকে পৃথকে প্ৰাৰ্থিত্ব প্ৰক্ষেপ কৰাত ভোট বিভাজন হ'ব আৰু ইয়াৰ ফলত লাভ হ'ব মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ। মহাজোঁটৰ সন্মিলিত ভোট এইবাৰ তিনিটা শিবিৰত ভাগ হোৱাৰ সম্ভাৱনাই অধিক। সমষ্টিটোৰ ভোটাৰৰ পৰিসংখ্যা আৰু জাত- পাতৰ সমীকৰণ পৰ্যবেক্ষণ কৰি চালে শাসক দল বা বিৰোধী দল সহজেই যে জয়লাভ কৰিব সেয়া এতিয়াও স্পষ্টকৈ ক'ব পৰা নাযায়। কিয়নো সমষ্টিটোত ধৰ্মীয় সংখ্যালঘু আৰু আদিবাসী ভোটাৰসকলে নিৰ্বাচনী ফলাফলত মুখ্য প্ৰভাৱ পেলায়। সমষ্টিটোৰ ভোটাৰৰ জনগাঁথনি মতে এআইইউডিএফে ধৰ্মীয় সংখ্যালঘু প্ৰাৰ্থী থিয় কৰোৱাৰ বিপৰীতে কংগ্ৰেছে আদিবাসীৰ চাওতাল সম্প্ৰদায়ৰ এজনক প্ৰাৰ্থিত্ব দিছে। আনহাতে, বিপিএফ আৰু ইউপিপিএলে বড়ো জনগোষ্ঠীৰ লোকক প্ৰাৰ্থিত্ব দিছে। কালি প্ৰচাৰৰ অন্ত পৰাৰ পাছত এতিয়া কোনে কিমান ভোট লাভ কৰি বিজয়ী হ'ব তাকে লৈ চলিছে গুণাগাঁথা। ভোট প্ৰচাৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী আনৰ তুলনাত বহুখিনি আগবাঢ়ি থকাৰ উপৰি শাসক দল হোৱাৰ সুবাদত আন দিশতো বেলেগ দলত কৈ অধিক সুবিধা পাই আছে বুলি কংগ্ৰেছৰ প্ৰাৰ্থী জুৱেল টুডু আৰু বিপিএফৰ প্ৰাৰ্থী ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰীয়ে অভিযোগ কৰি দুয়োজনে নিজৰ জয় সম্পৰ্কে নিশ্চিত বুলি দাবী কৰিছে। নিৰ্বাচন আয়ুক্ত আৰু প্ৰশাসনক নিৰপেক্ষ ভূমিকা পালন কৰাৰ আহ্বান জনাইছে বিৰোধী দলৰ প্ৰাৰ্থীদ্বয়ে। এআইইউডিএফ বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীক সুবিধা কৰি দিয়াৰ বাবে ভোট খেলিছে বুলিও কংগ্ৰেছ প্ৰাৰ্থীয়ে কয়। তথাপি আদিবাসী, ধৰ্মীয় সংখ্যালঘু তথা দেশত আকাল সৃষ্টি কৰি দেশৰ সম্পত্তি বণিয়াৰ হাতত গতাই দিয়া বিজেপিৰ বিৰোধিতা কৰা অগণন ভোটাৰে কংগ্ৰেছক ভোট দিবলৈ সাজু হৈ আছে বুলি কয় জুৱেল টুডুৱে। বিপিএফৰ প্ৰাৰ্থী নাৰ্জাৰীয়েও নিজৰ জয়ক লৈ চিন্তিত নহয় বুলি দাবী কৰি কয় যে চাৰিবাৰ ইয়াৰ ভোটাৰ ৰাইজে বিপিএফক জয়ী কৰাইছিল, এইবেলিও সেইসকল ভোটাৰ আমাৰ লগত আছে। মহাজোঁট ভংগ হোৱাত বিপিএফৰ একো ক্ষতি নহয় বুলি তেওঁ যুক্তি দাঙি কয়, যোৱাটো নিৰ্বাচনতহে বিপিএফ মহাজোঁটত চামিল হৈছিল ইয়াৰ আগত তিনিবাৰ বিপিএফ নিজৰ বলেৰেই বিজয়ী হ'বলৈ সক্ষম হৈছিল। বিপিএফৰ কিছু স্বাৰ্থপৰ নেতাহে সুবিধা বুজি দল সলনি কৰি শাসক দলত চামিল হৈছে কিন্তু বিপিএফৰ ভোটাৰ ৰাইজ বিপিএফৰ লগতে আছে। আমি যোৱাবাৰতকৈ ভাল ফলাফল কৰিম। এআইইউডিএফৰ প্ৰাৰ্থীজনে যথেষ্ট ভোট লাভ কৰিব বুলি দাবী কৰে যদিও তেওঁৰ যে জয়ৰ অংক নাই সেয়া দলৰ সমৰ্থকসকলেই প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত

কাশ্মীৰত খাৰৈত পৰিল বাছ, নিহত কমেও ১১ যাত্ৰী

নিউজ ব্যুৰ'

শ্ৰীনগৰ, ২৮ অক্টোবৰ ঃ জন্মু-কাশ্মীৰৰ ডোডা জিলাৰ থাতৰি অঞ্চলত এখন যাত্ৰীবাহী মিনি বাছ খাৰৈত বাগৰি পৰাৰ ফলত কমেও ১১ জন ছাত্ৰীৰ মৃত্যু হ'ল। এই ঘটনাত ১৫ জন লোক আহত হৈছে। থাতৰিৰ পৰা ডোডা অভিমুখে যাত্ৰা কৰা মিনি বাছখনে ৰাজপথত হঠাতে নিয়ন্ত্ৰণ হেৰুৱাই খাৰৈত বাগৰি পৰিছিল। ঘটনা সংঘটিত হোৱাৰ পাছতে উদ্ধাৰকাৰী বাহিনীয়ে উদ্ধাৰ অভিযান আৰম্ভ কৰে।

মুকেশ আম্বানীৰ আজীৱন উপাৰ্জনৰ ধন এবছৰতে লাভ এলন মাস্কৰ

নিউজ ব্যুৰ'

টেক্সাছ, ২৮ অক্টোবৰ ঃ চলিত বৰ্ষত বৰ্তমানলৈকে বৈদ্যুতিক গাড়ী নিৰ্মাতা কোম্পানী টেছলাৰ মুখ্য কাৰ্যবাহী বিষয়া এলন মাস্কৰ ১১৭ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি পালে। ইফালে, ভাৰতৰ সবাতোকৈ ধনাঢ্য উদ্যোগপতি মুকেশ আম্বানীৰ বৰ্তমানৰ সম্পত্তিৰ পৰিমাণ হৈছে ১০১ বিলিয়ন ডলাৰ। এসময়ত মাস্কৰ হাতত এখন সাধাৰণ সস্তীয়া গাড়ী ক্ৰয় কৰিবলৈ ধন নাছিল আৰু আজি মাস্ক হৈছে বিশ্বৰ বৃহত্তম গাড়ী কোম্পানীৰ মালিক। মুঠ সম্পদ আৰু চলিত বৰ্ষত উপাৰ্জনৰ দিশৰ পৰা সম্প্ৰতি বিশ্বৰ ভিতৰতে প্ৰথম স্থানত আছে মাস্ক। যোৱা সোমবাৰে এদিনতে মাস্কৰ ৩৬.২ বিলিয়ন ডলাৰ অৰ্থাৎ ২.৭১ লাখ কোটি টকাৰ সম্পত্তি বৃদ্ধি পাইছিল। ব্লুমবাৰ্গ বিলিয়নেৰ্ছ ইনডেক্সৰ ইতিহাসত এয়াই আছিল এদিনত সম্পত্তিৰ সৰ্বাধিক বৃদ্ধি। বৰ্তমানে মাস্কৰ সম্পত্তিৰ পৰিমাণ হৈছে ২৮৭ বিলিয়ন ডলাৰ। মাত্ৰ এবছৰতে মাস্কে যি পৰিমাণৰ ধন উপাৰ্জন কৰিলে, সেই পৰিমাণৰ ধনৰ অধিকাৰী হ'বলৈ ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মুৰব্বী মুকেশ আম্বানীয়ে আজীৱন ব্যয় কৰিব লগা হ'ল।

এদিনতে ৪০ হেজাৰ কৰ'না আক্ৰান্ত ৰাছিয়াত, মৃত্যু ১১৫৯

নিউজ ব্যুৰ', ম'স্কো, ২৮ অক্টোবৰ ঃ ৰাছিয়াত ক'ভিড ১৯ৰ নতুন সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। বিগত ২৪ ঘণ্টাত দেশখনত ৪০ হেজাৰো অধিক লোক কৰ'নাত আক্ৰান্ত হ'ল। ৰাছিয়াত ক'ভিড মহামাৰীৰ সমগ্ৰ পৰ্বটোত এয়ে বৃহস্পতিবাৰে সৰ্বাধিক ক'ভিড ৰোগীক চিনাক্ত কৰা হ'ল। কৰ'নাৰ সংক্ৰমণত দেশখনত এদিনতে ১১৫৯ জন লোকৰ মৃত্যু হ'ল। কৰ'নাৰ শেহতীয়া সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ইতিমধ্যে দেশত ১১ দিনৰ তলাবন্ধ ঘোষণা কৰিলে। আজিৰে পৰা ৰাছিয়াত সকলোবোৰ বিদ্যালয়, কলেজ, বিশ্ববিদ্যালয়, শ্ব'পিং মল, ৰেস্তোৰাঁসহ বজাৰ-সমাৰ বন্ধ থাকিব। ভ্লাডিমীৰ পুটিন চৰকাৰে দেশখনৰ ৬০ বছৰৰ উৰ্ধ্বৰ নাগৰিকসকলক ঘৰতে থাকিবলৈ আহ্বান জনাইছে।

কৰ্ণাটকৰ আৱাসিক বিদ্যালয়ত ৩৩ ছাত্ৰ হ'ল ক'ভিড আক্ৰান্ত

নিউজ ব্যুৰ', বাংগালুৰু, ২৮ অক্টোবৰ ঃ বিদ্যালয় খোলাৰ পাছত বিপত্তি আৰম্ভ হ'ল কৰ্ণাটকৰ আৱাসিক বিদ্যালয়ত। ৰাজ্যখনৰ কোডাগো জিলাৰ জৱাহৰ নৱোদয় বিদ্যালয়ত অধ্যয়নৰত ৩৩ ছাত্ৰ-ছাত্ৰী ক'ভিড-১৯ত সংক্ৰমিত হ'ল। ইয়াৰ পাছতে উক্ত আৱাসিক বিদ্যালয়খনক 'কণ্টেইনমেণ্ট জ'ন' হিচাপে ঘোষণা কৰা হৈছে। আক্ৰান্ত ছাত্ৰ-ছাত্ৰীসকলৰ সৰহসংখ্যকে উপসৰ্গহীন। অলপতে আৱাসিক বিদ্যালয়খনৰ ২৮৭ ছাত্ৰ-ছাত্ৰীৰ ক'ভিড পৰীক্ষা কৰা হৈছিল আৰু তেওঁলোকৰ ৩৩ ছাত্ৰ-ছাত্ৰীৰ শৰীৰত এই ভাইৰাছৰ সংক্ৰমণ ধৰা পৰে।

কাশ্মীৰত সেনাৰে সংঘৰ্ষত নিহত শ্ৰমিক হত্যাত অভিযুক্ত সন্ত্ৰাসবাদী

নিউজ ব্যুৰ', শ্ৰীনগৰ, ২৮ অক্টোবৰ ঃ জন্মু আৰু কাশ্মীৰত সেনাবাহিনীৰ স'তে হোৱা সন্ত্ৰাসবাদীৰ এক গুলীয়াগুলিৰ ঘটনাত এজন সন্ত্ৰাসবাদী নিহত হ'ল। আজি পুৱাতে বাৰমুলাৰ চেৰদাৰী টহল দিয়াৰ সময়তে নিৰাপত্তা বাহিনীৰ স'তে সন্ত্ৰাসবাদীৰ গুলীয়াগুলিৰ ঘটনা সংঘটিত হৈছিল। সন্ত্ৰাসবাদীৰ এটি দলে সেনালৈ গুলিবৰ্ষণ কৰাত সেনায়ো গুলিৰে প্ৰত্যুত্তৰ দিয়াত এজন সন্ত্ৰাসবাদী ধৰাশায়ী হয়। মৃত সন্ত্ৰাসবাদীৰ পৰা এটা পিষ্টল, গুলিভৰ্তি মেগজিন আৰু পাকিস্তানত তৈয়াৰী গ্ৰেণেড জব্দ কৰা হৈছে। সেনাই প্ৰকাশ কৰা অনুসৰি, কাশ্মীৰত বিহাৰৰ পৰা অহা দুজন প্ৰব্ৰজনকাৰী শ্ৰমিকৰ হত্যাকাণ্ডৰ স'তে নিহত সন্ত্ৰাসবাদীজন জড়িত আছিল।

বিজেপি ভাৰতীয় ৰাজনীতিৰ এক কেন্দ্ৰত পৰিণত হ'বলৈ ধৰিছে ঃ গোৱাত নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰৰ মন্তব্য

কে'বা দশকলৈকে বিজেপিক পৰাভূত কৰা সহজ নহ'ব, ৰাহুলে নুবুজে

নিউজ ব্যুৰ'

নতুন দিল্লী, ২৮ অক্টোবৰ ঃ দেশৰ ক্ষমতাৰ কেন্দ্ৰৰ পৰা আগন্তুক কে'বা দশকলৈকে বিজেপিক বিদায় দিয়াটো সহজ নহ'ব। গোৱাত এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত এইদৰে মত প্ৰকাশ কৰিলে দেশৰ বিশিষ্ট নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে। কিশোৰে কয়, 'বিজেপি কে'বা দশকলৈকে আঁতৰি নাযায় আৰু ৰাহুল গান্ধীৰ সমস্যা হৈছে তেওঁ এই কথা বুজি নাপায়।' কিছুদিন পূৰ্বলৈকে কিশোৰে কংগ্ৰেছত যোগদান কৰিব বুলি বিশেষ চৰ্চা চলিছিল। কানহাইয়া কুমাৰ আৰু জিগনেশ মেবানীৰ কংগ্ৰেছলৈ আগমনৰ আঁৰতো কিশোৰৰ হাত থকা বুলি ধাৰণা কৰা হৈছিল। কংগ্ৰেছৰ স'তে কিশোৰে শেহতীয়াভাৱে ঘনিষ্ঠতা প্ৰদৰ্শন কৰি অহাৰ পাছতো হঠাতে গোৱাৰ ৰাজহুৱা সভাত ৰাহুলক কটাক্ষ কৰি বিজেপিৰ প্ৰসংগত নিৰ্বাচন ৰণনীতিজ্ঞজনে কৰা মন্তব্যই বিশেষ তাৎপৰ্য বহন কৰিছে। কে'বামাহ পূৰ্বে পশ্চিমবংগৰ নিৰ্বাচনত তৃণমূল কংগ্ৰেছৰ বিপুল জয়ৰ আঁৰতো কিশোৰৰ বিশেষ ভূমিকা আছিল। গোৱাৰ সভাত প্ৰশ্নোত্তৰ পৰ্বত

কিশোৰে কয়, 'বিজেপি ভাৰতীয় ৰাজনীতিৰ এক কেন্দ্ৰত পৰিণত হ'বলৈ ধৰিছে। হাৰকে বা জিককে বিজেপিয়ে এতিয়া এনে এক পৰ্যায়ত উপনীত হৈছে যি পৰ্যায় স্বাধীনতাৰ পাছত প্ৰথম ৪০ বছৰত কংগ্ৰেছে লাভ কৰিছিল। বিজেপি আঁতৰি নাযায়। এবাৰ কোনো দলে ৰাষ্ট্ৰীয় পৰ্যায়ত ৩০ শতাংশ ভোট লাভ কৰিলে সেই দলে সহজে ক্ষমতাৰ পৰা আঁতৰি নাযায়। সেয়েহে আপুনি এই ভুল ধাৰণা নকৰিব যে মানুহ অসন্তুষ্ট হৈছে আৰু তেওঁলোকে মোদীক উৎখাত কৰিব। এইটো হ'ব পাৰে যে মোদীক উৎখাত কৰিলে, কিন্তু বিজেপিক উৎখাত কৰা সহজ নহ'ব। বিজেপি আগন্তুক কে'বাদশকলৈকো ক্ষমতাত থাকিব।' কংগ্ৰেছৰ প্ৰসংগত মন্তব্য কৰি কিশোৰে পুনৰ কয়, 'দৰাচলতে হয়তো সমস্যাটো ৰাহুল গান্ধীৰ স'তে আছে। তেওঁ ভাবে যে আৰু মাত্ৰ কিছু সময়ৰ কথা, মানুহে মোদীক উৎখাত কৰিব। কিন্তু এনে ঘটনা নহয়। যেতিয়ালৈকে আপুনি তেওঁৰ (প্ৰধানমন্ত্ৰী মোদী) ক্ষমতাক ভালদৰে বুজি নাপাব, স্বীকাৰ নকৰিব, তেতিয়ালৈকে আপুনি তেওঁক প্ৰতিৰোধ কৰিব নোৱাৰে, কেতিয়াও পৰাজিত কৰিব নোৱাৰিব।' উল্লেখ্য যে কিছুদিন পূৰ্বে কিশোৰে কৈছিল যে কংগ্ৰেছৰ গভীৰতে সমস্যা আছে। দেশৰ এজন বিশিষ্ট নিৰ্বাচন ৰণনীতিকাৰ হিচাপে পৰিচিত কিশোৰে ২০১৪ৰ লোকসভাৰ নিৰ্বাচনত বিজেপিৰ অভূতপূৰ্ব জয়তো বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ২০১৫ত কিশোৰে বিহাৰত জে ডি ইউ, আৰ জে ডি, কংগ্ৰেছ মৰ্চাৰ হৈ কাম কৰিছিল। পশ্চিমবংগ বিধানসভাৰ বিগত নিৰ্বাচনত তেওঁ মমতা বেনাৰ্জীৰ তৃণমূল কংগ্ৰেছৰ হৈ ৰণকৌশল প্ৰস্তুত কৰিছিল। তামিলনাডুতো এম কে ষ্টেলিনৰ নেতৃত্বাধীন ডি এম কেৰ বিপুল জয়ৰ আঁৰত কিশোৰ জড়িত আছিল।

২০২৫ লৈকে উত্তৰ কোৰিয়াবাসীক কমাই খাদ্য খাবলৈ নিৰ্দেশ কীমৰ

নিউজ ব্যুৰ', পিয়ংইয়ং, ২৮ অক্টোবৰ ঃ ভয়াৱহ খাদ্য সংকটৰ সন্মুখীন হোৱা উত্তৰ কোৰিয়াৰ বাসিন্দাক ২০২৫ বৰ্ষলৈকে কম পৰিমাণত খাদ্য গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিলে কমিউনিষ্ট দেশখনৰ শাসক কীম জং উনে। কীমে এই টোঘলকী নিৰ্দেশৰ জৰিয়তে উত্তৰ কোৰিয়াৰ খাদ্য সংকটৰ সমাধান ঘটাব বিচাৰিছে। উল্লেখ্য যে উত্তৰ কোৰিয়াত খাদ্য সামগ্ৰীৰ অভাৱ ঘটাৰ ফলত দেশখনত খাদ্য দ্ৰব্যৰ মূল্য যথেষ্ট বৃদ্ধি পাইছে। প্ৰতিকূল প্ৰাকৃতিক পৰিৱেশৰ ফলত বিগত কে'বামাহ ধৰি উত্তৰ কোৰিয়াত খাদ্য শস্যৰ উৎপাদন বাধাপ্ৰাপ্ত হৈছে। তদুপৰি কৰ'নাৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত বিগত প্ৰায় দুবছৰ ধৰি উত্তৰ কোৰিয়াই দেশৰ সীমান্ত বন্ধ কৰি ৰখাৰ ফলত বিদেশী ৰাষ্ট্ৰৰ পৰা খাদ্য আমদানিও বন্ধ হৈ আছে। ইয়াৰ পৰিণতিতে উত্তৰ কোৰিয়াত প্ৰয়োজনীয় খাদ্যৰ অভাৱ ঘটিছে। খাদ্য সংকটৰ অৱসান ঘটোৱাৰ পৰিবৰ্তে কীমে দেশবাসীক ২০২৫ বৰ্ষলৈকে কম পৰিমাণত খাদ্য খাবলৈ পৰামৰ্শ দিলে। কিছুদিন পূৰ্বে কীমে ঘোষণা কৰি কৈছিল যে উত্তৰ কোৰিয়াত ২০২৫ বৰ্ষলৈকে খাদ্য সংকট বাহাল থকাৰ সম্ভাৱনা আছে।

পাকিস্তানী শ্ল'গানৰ বিৰোধিতা কৰা কাশ্মীৰৰ চিকিৎসা বিজ্ঞানৰ ছাত্ৰীক দিলে প্ৰাণনাশৰ ভাবুকি

নিউজ ব্যুৰ', শ্ৰীনগৰ, ২৮ অক্টোবৰ ঃ পাকিস্তানপন্থীৰ শ্ল'গানত আপত্তি প্ৰদৰ্শনৰ বাবে অনন্যা জামৱাল নামৰ এগৰাকী চিকিৎসা বিজ্ঞানৰ ছাত্ৰীক প্ৰাণনাশৰ ভাবুকি দিয়াৰ অভিযোগ উত্থাপিত হ'ল কাশ্মীৰত। শ্ৰীনগৰৰ নিবাসী চিকিৎসা বিজ্ঞানৰ ছাত্ৰী অনন্যাই দাবী কৰা অনুসৰি, টি-২০ বিশ্বকাপৰ খেলত ভাৰতৰ বিৰুদ্ধে পাকিস্তানৰ জয়ৰ পাছত তেওঁৰ কলেজৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে পাকিস্তানৰ সমৰ্থনত শ্ল'গান দিয়াত এই কাৰ্যৰ তেওঁ বিৰোধিতা কৰিছিল। পাকপন্থীৰ শ্ল'গানৰ বিৰোধিতা কৰাত এতিয়া অনন্যাক একাংশ লোকে হত্যাৰ ভাবুকি দিয়া বুলি অভিযোগ উত্থাপিত হৈছে। অনন্যাক আৰ এছ এছৰ সদস্য বুলিও অভিহিত কৰি একাংশই টুইটাৰত ভাবুকি দিছে। উল্লেখ্য যে টি-২০ বিশ্বকাপত ভাৰতৰ বিৰুদ্ধে পাকিস্তানৰ জয়ত কাশ্মীৰৰ এখন মেডিকেল কলেজৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে উল্লাস প্ৰকাশ কৰিছিল। দুখন মেডিকেল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে ইতিমধ্যে বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনত গোচৰ তৰা হৈছে।

এ টি এমৰ পৰা ধন উলিয়াবলৈ ম'বাইল ফোন লগত নিব লাগিব

নিউজ ব্যুৰ'

নতুন দিল্লী, ২৮ অক্টোবৰ ঃ নিতৌ নানা ধৰণৰে সক্ৰিয় হৈ উঠিছে জালিয়াতি চক্ৰ। বিভিন্ন কায়দাৰে গ্ৰাহকৰ বেংক একাউণ্টৰ ধন জালিয়াতি চক্ৰই লুটি নিছে। হেৰাই যোৱা এ টি এম কাৰ্ডৰ জৰিয়তেও জালিয়াতি চক্ৰই বহু সময়ত বেংকৰ পৰা ধন উলিয়াই নিয়ে। এনে জালিয়াতি ৰোধ কৰিবলৈ পূৰ্বে একাধিক পদ্ধতি অৱলম্বন কৰিছিল ষ্টেট বেংক ইণ্ডিয়াই (এছ বি আই)। এইবাৰ এই নীতি আৰু কঠোৰ কৰাৰ সিদ্ধান্ত ল'লে দেশৰ বৃহত্তম বেংকটোৱে। এছ বি আয়ে টুইট কৰি জনোৱা অনুসৰি, এতিয়াৰে পৰা ১০ হেজাৰ বা ততোধিক পৰিমাণৰ ধন এ টি এমৰ পৰা উলিয়ালে ম'বাইল ফোনলৈ অ টি পি প্ৰেৰণ কৰা হ'ব আৰু এই অ টি পি ব্যৱহাৰৰ জৰিয়তেহে ধন উলিয়াব পাৰিব। এ টি এমৰ পৰা ধন উলিয়াবলৈ হ'লে এছ বি আইৰ গ্ৰাহকে সংশ্লিষ্ট একাউণ্টৰ স'তে সংযোগ কৰা ম'বাইল ফোন লগত নিব লাগিব। কেৱল কাৰ্ডৰ জৰিয়তে এতিয়াৰে পৰা এবাৰত সৰ্বাধিক ৯,৯০০ টকা উলিয়াব পাৰিব।

এন চি পিৰ নেতা-মন্ত্ৰী নবাবৰ বিৰুদ্ধে আৰক্ষীক অভিযোগ সমীৰ ভগ্নী য়াছমিনৰ

নিউজ ব্যুৰ', মুম্বাই, ২৮ অক্টোবৰ ঃ নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)ৰ বিষয়া সমীৰ ৱাংখেড়েক লৈ বিতৰ্ক অব্যাহত থকাৰ সময়তে এইবাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ল মহাৰাষ্ট্ৰ চৰকাৰৰ মন্ত্ৰী তথা এন চি পিৰ নেতা নবাব মলিক। মন্ত্ৰী মলিকৰ বিৰুদ্ধে আৰক্ষীৰ দ্বাৰস্থ হ'ল সমীৰৰ ভগ্নী য়াছমিন ৱাংখেড়েয়ে। উল্লেখ্য যে বুধবাৰে সমীৰে তেওঁৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগৰ প্ৰমাণ দাখিল কৰিবলৈ মলিকক প্ৰত্যাহ্বান জনাইছিল। আজি সমীৰৰ অধিবক্তা ভগ্নী য়াছমিনে মলিকৰ বিৰুদ্ধে থানাত অভিযোগ দাখিল কৰে। লিখিত অভিযোগত সমীৰ ভগ্নীয়ে দাবী কৰা অনুসৰি, মলিকে তেওঁৰ সন্মান হানি কৰিছে। আৰক্ষীক গোচৰ দিয়াৰ লগতে য়াছমিনে মলিকৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় মহিলা আয়োগক অভিযোগ দাখিল কৰিছে। আয়োগলৈ লিখা পত্ৰত য়াছমিনে কয় যে মলিকে ইণ্টাৰনেটৰ জৰিয়তে তেওঁৰ গোপনীয়তা ভংগ কৰিছে। ফে'চবুক, ইনষ্টাগ্ৰামৰ পৰা ব্যক্তিগত ফটোগ্ৰাফ সংগ্ৰহ কৰি সেইসমূহ সংবাদ মাধ্যমত প্ৰচাৰ কৰাৰো মলিকে ভাবুকি দিয়া বুলি সমীৰ ভগ্নীয়ে অভিযোগ কৰিছে।

আৰিয়ান গোচৰত তদন্তৰ দায়িত্বত থাকিব সমীৰ ঃ জনালে এন চি বিয়ে

নিউজ ব্যুৰ'

মুম্বাই, ২৮ অক্টোবৰ ঃ বলিউডৰ মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ জ্যেষ্ঠ পুত্ৰ আৰিয়ান খানক নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত গ্ৰেপ্তাৰ কৰা নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)ৰ মুম্বাইৰ আঞ্চলিক সঞ্চালক সমীৰ ৱাংখেড়েৰ বিৰুদ্ধে ধন দাবীৰ লগতে অন্য গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই অভিযোগৰ সন্দৰ্ভত এন চি বিৰ বিষয়াজনৰ বিৰুদ্ধে ইতিমধ্যে তদাৰকী তদন্ত আৰম্ভ কৰিছে কেন্দ্ৰীয় মাদক নিয়ন্ত্ৰক সংস্থাটোৱে। পাঁচ সদস্যৰ বিভাগীয় সমিতিয়ে সমীৰৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ তদন্ত চলাব। অৱশ্যে এন চি বিয়ে স্পষ্টভাৱে কয় যে আৰিয়ান গোচৰত তদন্তকাৰী বিষয়াৰ দায়িত্বত সমীৰ বাহাল থাকিব।

চৰম আৰ্থিক সংকটত আফগানিস্তান, টিভিৰ জৰিয়তে বিনিয়োগ বিচাৰিলে মোল্লা ওমৰৰ পুত্ৰই

নিউজ ব্যুৰ', কাবুল, ২৮ অক্টোবৰ ঃ তালিবানৰ প্ৰতিষ্ঠাপক মোল্লা ওমৰৰ পুত্ৰ মহম্মদ য়াকুবে প্ৰথমবাৰৰ বাবে ৰাজহুৱা আত্মপ্ৰকাশ কৰিলে। টেলিভিছনৰ এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত আফগানিস্তানৰ নতুন প্ৰতিৰক্ষা মন্ত্ৰী মহম্মদ য়াকুবে স্থানীয় ব্যৱসায়ীৰ পৰা চিকিৎসালয় নিৰ্মাণৰ বাবে বিত্তীয় সহযোগিতাৰ আহ্বান জনায়। তালিবানে আফগানিস্তান পুনৰ দখল কৰাৰ পাছত প্ৰথমবাৰ ৰাজহুৱা আত্মপ্ৰকাশ কৰি মন্ত্ৰী য়াকুবে দেশখনৰ বিনিয়োগকাৰীসকলক আগুৱাই আহিবলৈ আহ্বান জনায়। উল্লেখ্য যে আফগানিস্তানৰ বিত্তীয় পৰিস্থিতি সম্প্ৰতি যথেষ্ট জটিল হৈছে। ধনৰ অভাৱত দেশখনৰ উন্নয়নমূলক কাম-কাজসমূহ বন্ধ হৈ আছে। মন্ত্ৰী য়াকুবে কাবুলৰ চৰ্দাৰ মহম্মদ ডাউদ খান সামৰিক চিকিৎসালয়ৰ বাবে আফগানিস্তানৰ বিনিয়োগকাৰীৰ পৰা সহায় বিচাৰি কয় যে বৰ্তমানৰ পৰিস্থিতিত এই চিকিৎসালয়খন অত্যাধুনিক কৰি তোলাৰ বাবে সকলোৱে ধন বিনিয়োগ কৰা উচিত।

আৰিয়ান কাণ্ডত পুনেৰ পৰা গ্ৰেপ্তাৰ এন চি বিৰ অন্যতম সাক্ষী গ'চাভিক

নিউজ ব্যুৰ', পুনে, ২৮ অক্টোবৰ ঃ মুম্বাইৰ প্ৰমোদতৰীৰ নিষিদ্ধ মাদক দ্ৰব্যৰ কাণ্ড নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)ৰ অন্যতম সাক্ষী কিৰণ গ'চাভিক গ্ৰেপ্তাৰ কৰিলে আৰক্ষীয়ে। পুনেৰ পৰা পলাতক গ'চাভিক গ্ৰেপ্তাৰ কৰা হৈছে। পুনেৰ আৰক্ষী আয়ুক্ত অমিতাভ গুপ্তই এই কথা প্ৰকাশ কৰি আজি কয়, 'মুম্বাইৰ প্ৰমোদতৰীৰ মাদক গোচৰত এন চি বিৰ অন্যতম সাক্ষী কিৰণ গ'চাভিক আটক কৰা হৈছে।' ২০১৮ৰ এটি প্ৰৱঞ্চনাৰ গোচৰতো পুনে আৰক্ষীয়ে গ'চাভিৰ সন্ধান বিচাৰি জাননী জাৰি কৰিছিল। এই ঘটনাৰ পাছৰে পৰা গ'চাভি সন্ধানহীন হৈ আছিল। মুম্বাইৰ যিখন প্ৰমোদতৰীত এন চি বিয়ে অভিযান চলাইছিল, সেই প্ৰমোদতৰীত গ'চাভি উপস্থিত থকা বুলি অভিযোগ উত্থাপিত হৈছিল।

দেশত ২৪ ঘণ্টাত ২০ শতাংশ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি, মৃত্যু বাঢ়িল ৭৩৩ জনলৈ

নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ অক্টোবৰ ঃ পুনৰ ১৫ হেজাৰৰ সীমা অতিক্ৰম কৰিলে দেশৰ ক'ভিডৰ সংক্ৰমণে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ১৬,১৫৬ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। বুধবাৰৰ তুলনাত আজি দেশত ২০ শতাংশ দৈনিক সংক্ৰমণ বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বৰ্তমানলৈকে দেশত তিনি কোটি ৪২ লাখ ৩১ হেজাৰ ৮০৯ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। ইফালে, বুধবাৰৰ তুলনাত বৃহস্পতিবাৰে দেশত ক'ভিডৰ ৰোগীৰ মৃত্যুৰ সংখ্যাও যথেষ্ট বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে ৭৩৩ জন লোকৰ প্ৰাণ কাঢ়িলে। কেৰল কেৰালাতে ৬২২ জন ক'ভিড ৰোগীৰ বিগত এদিনত মৃত্যু হ'ল। মহাৰাষ্ট্ৰত ৩৮, কৰ্ণাটকত ১৩, তামিলনাডুত ১২ আৰু পশ্চিমবংগত ১৫ জন ক'ভিড ৰোগীৰ যোৱা ২৪ ঘণ্টাত মৃত্যু হ'ল।

চীনা সৈন্যৰ আক্ৰমণৰ শংকাত উদ্বিগ্ন টাইৱানৰ ৰাষ্ট্ৰপতি

নিউজ ব্যুৰ', টাইপে, ২৮ অক্টোবৰ ঃ কিছুদিন পূৰ্বে পুনৰ টাইৱান দখলৰ সন্দৰ্ভত মন্তব্য কৰিছিল চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে। চীনৰ ৰাষ্ট্ৰপতিৰ এই মন্তব্যৰ পাছৰে পৰা চীনা সৈন্যৰ আক্ৰমণৰ শংকাত ভুগি আহিছে টাইৱানৰ ৰাষ্ট্ৰপতি চাই ইং-ৱেন। চি এন এনৰ স'তে হোৱা এক সাক্ষাৎকাৰত টাইৱানৰ ৰাষ্ট্ৰপতি ৱেনে স্পষ্টভাৱে কয় যে চীনৰ পৰা প্ৰতিদিনে বিপদ বাঢ়িব ধৰিছে। উক্ত সাক্ষাৎকাৰত টাইৱানৰ ৰাষ্ট্ৰপতিজনে এইদৰে কয়, 'প্ৰতিদিনে চীনৰ পৰা আমাৰ দেশৰ প্ৰতি বিপদ বৃদ্ধি পাইছে। প্ৰায় আঢ়ৈ কোটি মানুহৰ এই দ্বীপৰাষ্ট্ৰখনে প্ৰতিদিনে গণতন্ত্ৰ আৰু নিজৰ প্ৰাপ্য অধিকাৰ ৰক্ষাৰ বাবে সংগ্ৰাম অব্যাহত ৰাখিছে। আমি যদি ব্যৰ্থ হওঁ তেন্তে গণতান্ত্ৰিক প্ৰমূল্যবোধৰ ওপৰত থকা মানুহৰ বিশ্বাস নোহোৱা হ'ব।'

ট্ৰাকৰ চেপাত মৃত্যু তিনি মহিলা কৃষকৰ ঃ টিক্ৰি সীমান্তত ব্যাপক উত্তেজনা

নিউজ ব্যুৰ', টিক্ৰি, ২৮ অক্টোবৰ ঃ ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ টিক্ৰি সীমান্তত দ্ৰুতগতিৰ ট্ৰাকৰ চেপাত প্ৰাণ হেৰুৱালে তিনিগৰাকী মহিলা কৃষকে। বিগত ১১ মাহ ধৰি কেন্দ্ৰীয় চৰকাৰৰ তিনিখন কৃষি আইনৰ বিৰোধিতাৰে দিল্লী-হাৰিয়ানাৰ সীমান্তৰ টিক্ৰিত পঞ্জাৱ, হাৰিয়ানা, পশ্চিম উত্তৰ প্ৰদেশৰ কৃষকে অৱস্থান বিক্ষোভ প্ৰদৰ্শন কৰি আহিছে। এই বিক্ষোভত অংশ ল'বলৈ টিক্ৰিলৈ গৈছিল পঞ্জাৱৰ বাসিন্দা উক্ত তিনি মহিলা কৃষক। বুধবাৰে ঘৰলৈ ওভতাৰ সময়ত পথ বিভাজিকাৰ ওপৰত থিয় হৈ অট'ৰ বাবে অপেক্ষা কৰাৰ সময়তে এখন ট্ৰাকে নিয়ন্ত্ৰণ হেৰুৱাই তিনি মহিলাক মহটিয়াই নিয়ে। ফলত ঘটনাস্থলীতে দুগৰাকী আৰু চিকিৎসালয়ত আনগৰাকী মহিলাৰ মৃত্যু হয়। ঘটনাৰ পাছৰে পৰা ট্ৰাকচালকজন পলাতক হৈ আছে। এই ঘটনাক লৈ সম্প্ৰতি টিক্ৰি সীমান্তত চেপা উত্তেজনা অব্যাহত আছে।

অৱশেষত আই এছ আইৰ মুৰব্বীৰ পদত নাদিমক নিয়োগ ইমৰানৰ

নিউজ ব্যুৰ', ইছলামাবাদ, ২৮ অক্টোবৰ ঃ পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খান আৰু সেনা বাহিনীৰ মাজত অব্যাহত থকা সংঘাতৰ মাজতে দেশখনৰ চোৰাংচোৱা সংস্থা আই এছ আইৰ মুৰব্বীৰ পদত নিযুক্তি লাভ কৰিলে লেফটেনেণ্ট জেনেৰেল নাদিম আহমেদ অঞ্জুমে। আৰম্ভণিতে ৰাৱলপিণ্ডিৰ প্ৰস্তাৱৰ ঘোৰ বিৰোধিতা কৰিলেও অৱশেষত নাদিমক আই এছ আইৰ মুৰব্বীৰ নিযুক্তিৰ প্ৰস্তাৱত অনুমোদন জনালে পাক প্ৰধানমন্ত্ৰীয়ে। বৰ্তমানৰ আই এছ আইৰ মুৰব্বী লেফটেনেণ্ট জেনেৰেল ফইজ হামিদক পেছোৱাৰৰ ক'ৰ কমাণ্ডাৰ পদলৈ বদলি কৰা হৈছে আৰু তেওঁৰ স্থানত নাদিমক নিযুক্তি দিয়া হ'ল। সেনাই নাদিমক আই এছ আইৰ মুৰব্বী নিযুক্তিৰ প্ৰস্তাৱ দিয়াত প্ৰথমে ইমৰানে এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছিল। কিন্তু অৱশেষত সেনাৰ হেঁচাত ইমৰানে এই প্ৰস্তাৱত অনুমোদন জনালে।

গৌৰীসাগৰ আৰু পাৰ্শ্বৱৰ্তী অঞ্চলত আকৌ বৃদ্ধি পাইছে কৰ’নাৰ সংক্ৰমণ

অগ্ৰদূত বাৰ্তা
গৌৰীসাগৰ, ২৮ অক্টোবৰ ঃ ৰাজ্যত ক’ভিড পৰিস্থিতি অধিক উন্নত হোৱা বুলি ৰাজ্য চৰকাৰে দাবী কৰি অহাৰ সমান্তৰালভাৱে ক’ভিডৰ তৃতীয়টো ঢৌৱে পুনৰ জোঁকাৰি তুলিছে জনসাধাৰণক। শিৱসাগৰ জিলাৰ গৌৰীসাগৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ গ্ৰামাঞ্চলসমূহত ইতিমধ্যে যোৱা তিনিদিনত লক্ষ্যণীয়ভাৱে বিভিন্নজনৰ দেহত ক’ভিড পজিটিভ ধৰা পৰাত উদ্বিগ্নতা বৃদ্ধি পাইছে। গৌৰীসাগৰত আজি এজন শিক্ষকৰ শৰীৰত ক’ভিড পজিটিভ ধৰা পৰাৰ উপৰি চাৰিংনাথ গাঁৱত একেটা পৰিয়ালৰ চাৰিজনকৈ ব্যক্তিৰ শৰীৰত ক’ভিড পজিটিভ ধৰা পৰাত তেওঁলোকক হোম কোৱাৰেণ্টাইনত ৰখাৰ ব্যৱস্থা কৰিছে স্বাস্থ্য বিভাগে। ইফালে, ইয়াৰ ম’ৰাবজাৰৰ ধেনুচোঁচা গাঁৱত একেটা পৰিয়ালৰ তিনিজনকৈ লোকৰ দেহত ক’ভিড পজিটিভ ধৰা পৰিছে। উল্লেখ্য যে যি সময়ত ক’ভিড সংক্ৰমণৰ তৃতীয়টো ঢৌৱে জিলাখনৰ বিভিন্ন স্থানত উদ্বিগ্নতা বৃদ্ধি কৰিছে তেনে সময়তো গৌৰীসাগৰকে ধৰি ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত ৯০ শতাংশ জনসাধাৰণে ক’ভিড বিধি পদে পদে উলংঘা কৰি মুক্ত মনেৰে ঘূৰি ফুৰা পৰিলক্ষিত হৈছে। ৰাজহুৱা স্থান, দোকান বজাৰত দুৰ্গোৎসৱৰে পৰা পূৰ্বৰ দৰেই আৰম্ভ হৈছে মুক্ত জনসমাগম। ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখত নাই ছেনিটাইজাৰৰ ব্যৱস্থা। বেংক, ডাকঘৰ, সভা সমিতিত নাই কোনো সামাজিক ব্যৱধান। প্ৰশাসনৰ সন্মুখতে ক’ভিড বিধি উলংঘাৰে মুক্ত মনেৰে ঘূৰি ফুৰিছে ৰাইজ। পথে-পদূলিয়ে, দোকান বজাৰ সকলোতে ভিৰ। ইয়াৰে ১০ শতাংশই মুখত মাস্ক পৰিধান কৰিলেও ৯০ শতাংশই সেই বিধিও উলংঘা কৰি ঘূৰি ফুৰিছে। প্ৰশাসন তথা আৰক্ষীয়ে এই ক্ষেত্ৰত কিয় নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰি আহিছে সেয়া জনসাধাৰণৰ বাবে হৈ পৰিছে অবুজ সাঁথৰ।

স্বাস্থ্য বিভাগৰ নিৰ্দেশনা উলংঘা ৯০ শতাংশ জনসাধাৰণৰ

ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত ‘কৰ্মচাৰী ছহিদ দিৱস’ৰ আয়োজন

বিশেষ সংবাদদাতা
ডিব্ৰুগড়, ২৮ অক্টোবৰ ঃ সদৌ অসম কৰ্মচাৰী পৰিষদৰ আহ্বান ক্ৰমে ডিব্ৰুগড়ত ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদে গ্ৰেহেমবজাৰস্থিত ৰেডক্ৰছ ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ কাৰ্যালয়ত অহা পহিলা নৱেম্বৰত পুৱা ১১ বজাত কৰ্মচাৰী ছহিদ দিৱস কাৰ্যসূচী পালন কৰিব। অসমৰ পৰা অবৈধ বিদেশী নাগৰিক চিনাক্তকৰণ আৰু বহিষ্কৰণৰ দাবীত ১৯৭৯ত আৰম্ভ হোৱা ছবছৰীয়া গণ সংগ্ৰামৰ সময়ত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানত উপস্থিত সংগ্ৰামী জনতাক ভংগ দিয়া বাবে অৰ্ধ সামৰিক বাহিনীয়ে আন্দোলনকাৰীৰ ওপৰত নিৰ্মমভাৱে লাঠিচালন আৰু নিৰ্বিচাৰে গুলিচালনা কৰাত সিদিনা অসম সচিবালয়ৰ ৰাজহ বিভাগৰ কৰ্মচাৰী তথা অসম সচিবালয় সেৱা সন্থাৰ অন্যতম সভাত দিলীপ চক্ৰৱৰ্তী কাৰ্যালয় চৌহদতে গুলিবিদ্ধ হৈ মৃত্যু হৈছিল। সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ অন্যতম ভ্ৰাতৃ সংগঠন সদৌ অসম কৰ্মচাৰী পৰিষদে অসম আন্দোলনৰ সমৰ্থনত ‘দেশতকৈ চাকৰি ডাঙৰ নহয়’ বুলি ৰাজপথলৈ ওলাই আহিছিল আৰু ছবছৰীয়া গণ আন্দোলনত ছহিদ চক্ৰৱৰ্তীসহ ৰাজ্যখনৰ ৬৮ গৰাকী কৰ্মচাৰীয়ে প্ৰাণ আহুতি দিছিল। সদৌ অসম কৰ্মচাৰী পৰিষদে ৬৮গৰাকী ছহিদৰ স্মৃতিত চক্ৰৱৰ্তীৰ মৃত্যুৰ দিনটোত ‘কৰ্মচাৰী ছহিদ’ দিৱস হিচাপে পালন কৰি আহিছে। ডিব্ৰুগড়ত অনুষ্ঠিত উক্ত দিৱসৰ কাৰ্যসূচীত ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ বিষয়ববীয়া তথা আঞ্চলিক সমিতিসমূহৰ বিষয়ববীয়াসকলক উপস্থিত থাকিবলৈ ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক অনিল প্ৰসাদ সিংহই আহ্বান জনাইছে।

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষকে

এক পৃষ্ঠাৰ পৰা গুৰুত্বপূৰ্ণ দুৰ্নীতিৰ গোচৰৰ তদন্ত অব্যাহত ৰখা মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ ১১ জনকৈ বিষয়া আৰু কামাখ্যা হাইস্কুল, গাড়ীগাঁও বালিকা মোক্তাবৰ শিক্ষকৰ দেহত ক’ভিডৰ উপস্থিতি ধৰা পৰাৰ পাছতে আজি এই তিনিটা স্থান প্ৰশাসনে কণ্টেইনমেণ্ট জ’ন হিচাপে ঘোষণা কৰিছে। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ আৰক্ষী অধীক্ষক ৰ’জী কলিতা, উপ-আৰক্ষী অধীক্ষক মৃণাল শৰ্মা, পৰিদৰ্শক হৰিশ শৰ্মা, প্ৰীতম শইকীয়াকে ধৰি মুঠ ১১ জনৰ দেহত ক’ভিডৰ উপস্থিতি ধৰা পৰাৰ পাছতে কাৰ্যালয়টোৰ কাম-কাজ সম্পূৰ্ণৰূপে বন্ধ কৰিছে। ইফালে, মহানগৰীত ক’ভিডৰ সংক্ৰমণ বৃদ্ধি হোৱা বুলি জনোৱা খবৰ সম্পূৰ্ণৰূপে নস্যাৎ কৰিছে মুখ্যমন্ত্ৰী ড° শৰ্মাই। তেওঁ কয়, ‘ক’ভিড বঢ়া নাই। এয়া উৰাবাতৰি প্ৰচাৰ কৰা হৈছে। কিমান ক’ভিডত সংক্ৰমণ হয় মই সদায় গধূলি টুইট কৰো।’ উল্লেখ্য যে যিয়ে এই খবৰ উলিয়াইছে এই ক্ষেত্ৰত সংবাদ মাধ্যম উৰাবাতৰিৰ স্বীকাৰ হৈছে বুলি তেওঁ মন্তব্য কৰে।

ASSAM ELECTRICITY GRID CORPORATION LIMITED
AEGCL

NOTICE INVITING TENDER

1. **BID Document No.** AEGCL/DGM/UA T&C and Comm./DBR/2021/T-23/**800**, Dated **27.10.2021**
2. **Name of Work:** Repairing of Office Building and Fixing of Partition Wall at O/o. the AGM, T&C Division, AEGCL, Dibrugarh at Tinsukia.
3. **Tender Fee:** Rs. 1000.00 (Rupees One Thousand) per work.
4. **Tender start date and time:** 11:00 hrs of 29.10.2021

Interested Bidders may download the bid document from the official website of AEGCL, **www.aegcl.co.in**

Sd/-
Deputy General Manager
UA T&C and Comm. Circle, AEGCL, Dibrugarh

T-872/PR/2021/APS/26

No. 309L

RE-TENDER NOTICE

District Health Society, Dibrugarh Sealed tender is invited from interested reputed supplier/firms/vendors/NGOs/self Help Groups/Cooperative Societies with affixing non refundable fee stamp of Rs.8.25 (Rupees Eight and twenty five paise) for supply of non perishable food items (in a package) to all institutional delivery patients under Dibrugarh district.

The items to be supplied in a branded package in the name of SAMAHAR. The items supplied will provide approximately of 3016 Kcal energy and 116g protein per day. The package will have logos of Govt. of Assam and NHM. Item details will be displayed on the package to minimize any supply issue. List of items to be supplied in the package is-

Item	Amount
Rice flakes	500g
Puffed rice	500g
Jaggry	250g
Roasted Channa	250g
Mung whole	500g
Pasteurized tetra packed toned milk	1200ml
Ground nuts	250g

The sealed tenders must reach in the office of DPMU, NHM, Dibrugarh O/o the Deputy Commissioner, Dibrugarh (top floor), Pin-786003 on or before 02.11.2021 at 3:00 pm and will be opened on same day at 4:00 pm.

The rate should be quoted in the printing pad use by the party which is showing the Firms Registration Number/GST registration No. and PAN No. etc.

The terms and conditions are as follows :

1. The rate must be quoted inclusive of all applicable taxes.
2. The authority reserves the right to reject the tender without assigning any reason there off.
3. The supplier having/PAN Card/GST/registration/food license etc are eligible to participate in the tendering process.
4. The intending bidders or their authorized representatives are to be present at the time of opening of Tender.
5. Interested firms may contact the Office of the DPMU (NHM) Office at DC Office. Dibrugarh for any details Informations during working hours.

Sd/-
Joint Director of Health Services
cum Member Secretary,
District Health Society, Dibrugarh

Janasanyog/C/7263/21

থাওৱাত ৰাইজৰ দলৰ বিৰুদ্ধে

এক পৃষ্ঠাৰ পৰা আৰক্ষীয়ে স্কৰপিঅ’ গাড়ীসহ যুৱকজনক থানালৈ নি সোধ পোছ অব্যাহত ৰাখে। ইফালে, একাংশ ৰাজনৈতিক দলৰ কৰ্মকৰ্তাই ৰাইজৰ দলৰ হৈ মদ আৰু টকা বিলোৱাৰ অভিযোগ তুলি থানা চৌহদ উত্তপ্ত কৰি তোলে। নেমুগুৰি আৰক্ষীৰ লগতে নিৰ্বাচনী আয়োগৰ ফ্লায়িং স্কোৱাডে গাড়ীখনত তালাচী চলাই গাড়ীখনৰ পৰা চাৰিটা মদল বটল লগতে দুহেজাৰ টকা উদ্ধাৰ কৰে। যুৱকজনে জানিবলৈ দিয়া অনুসৰি তেওঁ উক্ত অঞ্চললৈ ফুৰিবলৈ আহিছিল। কিন্তু ইয়াৰ বিপৰীতে বিজেপিৰ কৰ্মকৰ্তাসকলে অভিযোগ কৰে যে উক্ত গাড়ীখন ৰাইজৰ দলৰ হৈ বহু দিনৰ পৰাই নিৰ্বাচনী কাম-কাজত ব্যৱহাৰ কৰি আহিছিল। আৰু আজি উক্ত যুৱকজনে ৰাইজৰ দলৰ হৈ ভোটাৰ ৰাইজক মদ আৰু টকা বিলাই ফুলিছে বুলি অভিযোগ উত্থাপন কৰে। ফ্লাযিং স্কোৱাড আৰু নেমুগুৰি আৰক্ষীয়ে যুৱকজনক সোধ পোছৰ অন্তত এৰি দিয়ে।

অসম চুক্তি ৰূপায়ণ সন্দৰ্ভত

এক পৃষ্ঠাৰ পৰা দায়বদ্ধতাৰে ৰূপায়ণ কৰিবলৈ মিত্ৰজোঁটৰ চৰকাৰ বদ্ধপৰিকৰ। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই গ্ৰহণ কৰা পদক্ষেপক প্ৰশংসা কৰি তেওঁ কয়, ‘চুক্তিৰ দফাসমূহ ৰূপায়ণৰ লক্ষ্যৰে যোৱা সাত ছেপ্টেম্বৰত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত অসম চৰকাৰ আৰু আছুৰ নেতৃবৰ্গৰ মাজত এলানি গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছিল। সেইদিনা চুক্তিৰ দফাসমূহ ৰূপায়ণৰ ক্ষেত্ৰত যাৱতীয় পদক্ষেপ গ্ৰহণৰ লক্ষ্যৰে অধ্যক্ষতাত এখন উপ-সমিতি গঠন কৰা হৈছিল। আজি গুৱাহাটীৰ অসম চুক্তি ৰূপায়ণ কাৰ্যালয়ত অনুষ্ঠিত অসম চুক্তিৰ প্ৰথমখন সভাত সভাপতিত্ব কৰো।’ তেওঁ সদৰী কৰে যে চুক্তিৰ দফাসমূহ পুংখানুপুংখভাৱে ৰূপায়ণৰ দিশত এক সুপৰিকল্পিত ফ্ৰেমৱৰ্ক প্ৰস্তুত কৰা সন্দৰ্ভত আজিৰ বৈঠকত আলোচনা কৰা হয়। ফ্ৰেমৱৰ্ক প্ৰস্তুতৰ কামসমূহ ত্বৰান্বিত কৰিবলৈ প্ৰতি ১৫দিনৰ মূৰত বা তাতোকৈ সঘনাই বৈঠকত মিলিত হোৱাৰ সিদ্ধান্ত লোৱা হয়।

আজিৰ সভাত উপস্থিত আছিল মন্ত্ৰী অজন্তা নেওগ, আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যকে ধৰি সমিতিৰ স’তে জড়িত আছু নেতা তথা চুক্তি ৰূপায়ণ বিভাগৰ বিষয়ববীয়াসকল। উল্লেখ্য যে অসম চুক্তিৰ অন্তৰ্গত ছয়, সাত, ন আৰু ২০ নম্বৰ দফাই সামৰি লোৱা বিষয়সমূহৰ লগতে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ, বানপানী, ছহিদ পৰিয়ালৰ পুনৰ সংস্থাপন আৰু অসম আন্দোলনত পীড়িত লোকসকলৰ সমস্যা সমাধানৰ সিদ্ধান্তৰ বাবে উপ সমিতি গঠন কৰা হৈছিল। এই সমিতিখনে তদুপৰি ৰাজ্যৰ সৰ্বাংগীণ উন্নয়ন বিকাশৰ স’তে জড়িত সমস্যাসমূহ সমাধানৰ বাবে কাম কৰিব।

নাবাৰ্ডৰ ঋণ গ্ৰহণত অনুমোদন

এক পৃষ্ঠাৰ পৰা আসনৰ সংখ্যা ২০ৰ পৰা ২৬লৈ বৃদ্ধি কৰিবলৈ দেউৰী স্বায়ত্তশাসিত পৰিষদ আইন, ২০০৫ৰ সংশোধনৰ বাবে অধ্যাদেশৰ অনুমোদন দিয়ে কেবিনেটে। ইয়াৰ দ্বাৰা স্বায়ত্তশাসিত পৰিষদলৈ ২২জন সদস্যক নিৰ্বাচন কৰা হ’ব আৰু পৰিষদত প্ৰতিনিধিত্ব লাভ নকৰা অঞ্চল, গোট আৰু সম্প্ৰদায়ৰ চাৰিজন প্ৰতিনিধিক মনোনীত কৰিব পাৰিব অসম চৰকাৰে। ইপিনে, মিচিং ভাষা, সংস্কৃতি আৰু গৱেষণা কেন্দ্ৰৰ প্ৰচাৰ সংৰক্ষণৰ বাবে ধেমাজিৰ গোগামুখত স্থাপিত মিচিং ভাষা আৰু সাংস্কৃতিক গৱেষণা কেন্দ্ৰৰ বাবে দুই কঠা ভূমি আবণ্টনত কেবিনেটে অনুমোদন জনায়। তদুপৰি মহিলা আৰু শিশুৰ বাবে কাম কৰা স্বেচ্ছাসেৱী সংগঠন বৰপেটা জিলা মহিলা সমিতিলৈ দুই কঠা ১০ লেচা ভূমি আবণ্টনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ইয়াৰ উপৰি পেঞ্চনৰ প্ৰক্ৰিয়া শৃংখলাৱদ্ধ কৰিবলৈ কৃতজ্ঞতা প’ৰ্টেলৰ জৰিয়তে সকলো পেঞ্চন গোচৰৰ প্ৰক্ৰিয়াকৰণ আৰু দৰমহা নিৰ্ধাৰণ সম্পৰ্কীয় বিষয় নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি কেবিনেটৰ সিদ্ধান্ত অনুসৰি এমট্ৰ’নৰ শিক্ষা বিভাগৰ জিলা কাৰ্যালয়সমূহত স্কেনাৰ আদিৰ দৰে সুবিধাযুক্ত পেঞ্চন সেৱাযুক্ত স্থাপন কৰা হ’ব। অন্যান্য চৰকাৰী বিভাগৰ কৰ্মচাৰীৰ গোচৰৰ বাবেও পেঞ্চন সেৱা কেন্দ্ৰ স্থাপন কৰা হ’ব। ইপিনে, কৃতজ্ঞতা প’ৰ্টেলৰ জৰিয়তে পেঞ্চনৰ কাগজ-পত্ৰ প্ৰেৰণৰ বাবে কেবিনেটে জনোৱা অনুমোদন মৰ্মে মহাবিদ্যালয়ৰ অধ্যক্ষৰ দৰেই সংশ্লিষ্ট জিলা কাৰ্যালয় আৰু বিভাগীয় মুৰব্বীক জিলা কৰ্তৃপক্ষ হিচাপে কৰ্তৃত্ব দিয়া হ’ব। সকলো জিলা কৰ্তৃপক্ষ, বিভাগীয় মুৰব্বী, সংশ্লিষ্ট কৰ্তৃপক্ষই অৱসৰৰ এবছৰৰ ভিতৰত পেঞ্চন প্ৰস্তাৱৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবেও কেবিনেটে সিদ্ধান্ত লয়। অৱসৰৰ এবছৰৰ ভিতৰতে পেঞ্চন প্ৰক্ৰিয়া সৰলীকৰণৰ বাবে অধিসূচনা জাৰি কৰা হ’ব।

ইপিনে, অসমৰ ইতিহাসত প্ৰথমবাৰৰ বাবে অলিম্পিক বঁটা কঢ়িয়াই অনা লাভলীনা বৰগোহাঁইক প্ৰবেছনত উপ-আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিয়া হ’ব। কেবিনেটৰ আন এক অনুমোদন অনুসৰি ৰাজ্যৰ কৃষকসকলৰ পৰা প্ৰতি কুইণ্টলত ১৯৪০ টকাৰ ন্যূনতম সমৰ্থিত মূল্য প্ৰদানেৰে ধান ক্ৰয়ৰ বাবে অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডলৈ ১৬০ কোটি টকাৰ কাৰ্যকৰী মূলধন প্ৰদান কৰা হ’ব। ইপিনে, চলিত অক্টোবৰৰ পৰা অৰুণোদয় আঁচনিক অনুমোদনৰ আওতাৰ পৰা ৰেহাই দিয়া হ’ব বুলি কেবিনেটে সিদ্ধান্ত লয়।

আনহাতে, বনৰক্ষী, গেমৱাটছাৰ পৰ্যায়ৰ পৰা বিভাগৰ সকলো শাখাৰ ডেপুটি ৰেঞ্জাৰ, গেমকিপাৰ আৰু ফিক্সড পে কৰ্মী পৰ্যন্ত অসম চৰকাৰৰ বন বিভাগৰ প্ৰথমশাৰীৰ কৰ্মচাৰীসকলক ইউনিফৰ্ম দিয়াৰ সিদ্ধান্ত লয় কেবিনেটে। অতি কমেও দুযোৰ ইউনিফৰ্ম দিয়া হ’ব। আন প্ৰয়োজনীয় সামগ্ৰী যেনে জোতা, গৰম পোছাক, ৰেইন কোট, টুপী আদি প্ৰতি বছৰে এইসকল কৰ্মীক দিয়া হ’ব।

আজি শুকুৰবাৰে ছুপাৰষ্টাৰ

এক পৃষ্ঠাৰ পৰা বিলাসী জাহাজত এটা পাৰ্টিত ড্ৰাগছৰ ব্যৱহাৰৰ বিৰুদ্ধে নাৰ্ক’টিক্স কন্ট্ৰ’ল ব্যুৰ’ৰে চলোৱা অভিযানত গ্ৰেপ্তাৰ হোৱা আৰিয়ান খানে আঠ অক্টোবৰৰ পৰা মুম্বাইৰ আৰ্থাৰ ৰ’ড জেলত বন্দিত্বৰ সময়ছোৱাত ইতিমধ্যে দুবাৰ জামিন আবেদন দাখিল কৰে যদিও অগ্ৰাহ্য হয়।

এনচিবিয়ে তেওঁৰ জামিনত আৰোপ কৰা সাতটা চৰ্তৰ ভিতৰত আছে যে তেওঁ অনুমতি নোলোৱাকৈ দেশৰ বাহিৰলৈ যাব নোৱাৰিব, তথ্যপাতি নষ্ট কৰিবলৈ চেষ্টা কৰিব নোৱাৰিব আৰু সংবাদ মাধ্যমৰ সন্মুখত মুখ খুলিব নোৱাৰিব। আৰিয়ানৰ দেশৰ অধিবক্তা এটৰ্ণী জেনেৰেল মুকুট ৰোহটগীয়ে কয় যে আদালতত বাৰম্বাৰ যুক্তি দৰ্শায় যে আৰিয়ানৰ জিম্মাত কোনো ধৰণৰ ড্ৰাগছ উদ্ধাৰ হোৱা নাই আৰু মনেসজা ভিত্তিতে তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে। হোৱাটছ এপৰ কথোপকথনৰ কোনো প্ৰামাণিক মূল্য নাই বুলি তেওঁ কয়।

এনচিবিয়ে দাবী কৰে যে আৰিয়ান ষড়যন্ত্ৰৰ অংশীদাৰ আছিল আৰু তেওঁৰ হোৱাটছ এপৰ কথোপকথনে অবৈধ ড্ৰাগছ সৰবৰাহত তেওঁ জড়িত থকাৰ বিষয়ে ফাদিল কৰিছে। আৰিয়ান খানৰ গ্ৰেপ্তাৰ আৰু দুবাৰকৈ তেওঁৰ জামিন নাকচ হোৱাৰ ঘটনাই এক বিতৰ্কৰ সৃষ্টি কৰে। আৰিয়ানৰ জিম্মাৰ পৰা ড্ৰাগছ উদ্ধাৰ নোহোৱা আৰু তেওঁ মাদক দ্ৰব্য গ্ৰহণ কৰাৰ কোনো প্ৰমাণ নথকাৰ পাছতো কাৰাবন্দী কৰি ৰখাৰ ন্যায্যতা আছে নে বুলি বিতৰ্ক অব্যাহত আছে। বিভিন্নজনে এইদৰেও কয় যে পিতৃৰ বিশাল জনপ্ৰিয়তাৰ মূল্য ভৰিবলগীয়া হৈছে আৰিয়ানে। বিগত সময়ছোৱাত শ্বাহৰুখ খানৰ পক্ষত হেজাৰ হেজাৰ লোক থিয় দিছে। আৰিয়ানৰ পিতৃ শ্বাহৰুখ খান ভাৰতৰ সবাতোকৈ জনপ্ৰিয় অভিনেতা। তেওঁৰ মুম্বাইৰ বাসগৃহ মন্নতৰ সন্মুখত এবাৰ তেওঁক দৰ্শন কৰিবলৈ গণমুগ্ধৰ ভিৰ এক পৰিচিত দৃশ্য। বিশেষকৈ অহা দুই নৱেম্বৰত আছে তেওঁৰ জন্মদিন। বলিউদৰ বহু অভিনেতা, চিত্ৰ পৰিচালক আদিয়েও তেওঁলৈ মুকলি সমৰ্থন আগবঢ়াইছে।

অধিবক্তা ৰোহটগীয়ে কয় যে আৰিয়ানৰ গ্ৰেপ্তাৰ কৰাটোৱে ভুল বিষয় আৰু ইয়াৰ দ্বাৰা তেওঁৰ সাংবিধানিক অধিকাৰ খৰ্ব কৰা হৈছে। অধিবক্তাজনে আদালতত কয় যে মাত্ৰ দুবছৰৰ হোৱাটছ এপ কথোপকথনৰ ভিত্তিত আৰিয়ানক অভিযুক্ত কৰাটো অপ্ৰাসংগিক। ‘তেওঁলোক তৰুণ। তেওঁলোকক পুনৰ সংশোধন কেন্দ্ৰলৈ প্ৰেৰণ কৰিব পাৰি, বিচাৰৰ প্ৰয়োজন নাই। যদি সামান্য পৰিমাণৰ নিচাযুক্ত দ্ৰব্য থাকে আৰু পুনৰ সংশোধন কেন্দ্ৰলৈ যাবলৈ অভিযুক্ত আগ্ৰহী হয় তেন্তে বিচাৰ প্ৰক্ৰিয়াৰ প্ৰয়োজন নাই।’ অধিবক্তাজনে কয়। তদুপৰি তদন্তকাৰী সংস্থাৰ যুক্তিৰ বিপৰীতে কয় যে বন্ধু আৰবাজ মাৰ্চেণ্টৰ জোতাৰ ভিতৰত কি আছিল সেয়া আৰিয়ানে নিয়ন্ত্ৰণ কৰিব নোৱাৰে। কিয়নো আৰবাজ তেওঁৰ অধীনস্থ অথবা তেওঁৰ কৰ্মচাৰী নহয়।

আজি এনচিবিয়ে দৃঢ়তাৰে কয় যে আৰিয়ানে নিয়মিত ড্ৰাগছ সেৱন কৰে আৰু তেওঁ বাণিজ্যিক ভিত্তিত ব্যৱহাৰ যোগ্য উচ্চ হাৰৰ নিচাযুক্ত দ্ৰব্য ক্ৰয় কৰাৰ বিষয়ে হোৱাটছ এপৰ কথোপকথনত উল্লেখ কৰা আছে। আৰিয়ানে প্ৰথমবাৰৰ বাবে ড্ৰাগছ সেৱন কৰা নাই বুলি আদালতত যুক্তি দৰ্শাই এনচিবিৰ অধিবক্তা তথা অতিৰিক্ত ছলিচিটৰ জেনেৰেল অনিল সিঙে।

আৰিয়ানে বাণিজ্যিক পৰিমাণৰ নিচাযুক্ত সামগ্ৰী ক্ৰয়ৰ বিষয়ে বাৰম্বাৰ দোহাৰে তদন্তকাৰী সংস্থাই। সিঙে কয় যে জাহাজত ধৃত আঠজনৰ স’তে বিভিন্ন ধৰণৰ নিচাযুক্ত সামগ্ৰী উদ্ধাৰ কৰা হৈছিল। এয়া কাকতালীয় হ’ব নোৱাৰে। ড্ৰাগছৰ পৰিমাণ আৰু ইয়াৰ প্ৰকাৰলৈ চালে এয়া এক কাকতালীয় ঘটনা নোহোৱাটো নিশ্চিত বুলি তদন্তকাৰী সংস্থাৰ হৈ অধিবক্তা সিঙে কয়। ৰোহটগীয়ে প্ৰত্যুত্তৰত যুক্তি দৰ্শায় যে এই বিলাসী জাহাজত ১৩শ জন লোক আছিল। ‘তাজত পাঁচশটা কোঠা আছে। দুটা কোঠাত যদি দুজন লোকে মাদকদ্ৰব্য সেৱন কৰে তেন্তে সমস্ত হোটেলখনকে জগৰীয়া কৰা হ’ব নেকি?’

পুত্ৰ আৰিয়ানৰ মুক্তি শ্বাহৰুখানৰ বাবে তেওঁৰ ছবি মুক্তিলাভৰ উত্তেজনাৰ দৰেই। যোৱা তিনি সপ্তাহজোৱা উদ্বেগৰ পাছত অৱশেষত পুত্ৰৰ মুক্তিয়ে তাৰকাজনক মানসিকভাৱে বহু পৰিমাণে মুক্ত কৰিলে বুলি বিভিন্নজনে কয়।

চাবুৱাৰ বিদ্যালয়ত শিক্ষক ক’ভিডত আক্ৰান্ত

অগ্ৰদূত বাৰ্তা,
চাবুৱা, ২৮ অক্টোবৰ ঃ ৰাজ্যৰ কভিড পৰিস্থিতি কিছু শাম কটাত সকলোৱে দুবছৰ অন্তত মুক্তভাৱে চলা-ফুৰা কৰি থকাৰ সময়তে পুনৰ বৃদ্ধি পাব ধৰিছে আক্ৰান্তৰ সংখ্যা। ডিব্ৰুগড় জিলাৰ প্ৰতিখন বিদ্যালয়ত পাঠদানৰ প্ৰক্ৰিয়া আৰম্ভ হ’বলৈ ধৰাৰ সময়তে আন এক খবৰে চাবুৱাৰ লগতে জিলাখনৰ জনতাক শংকিত কৰি তুলিছে। চাবুৱাৰ অসম বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এজন শিক্ষকৰ দেহত বুধবাৰে ক’ভিড পজিটিভ ধৰা পৰাৰ পিছত বিদ্যালয় খনত পুনৰ পাঁচগৰাকীৰ দেহত ভাইৰাছ ধৰা পৰাত অভিভাৱকসকলক চিন্তিত কৰি তুলিছে। বুধবাৰে ধৰা পৰা শিক্ষকৰ পত্নীৰ দেহতো ক’ভিড ধৰা পৰাত ফোনযোগে বিদ্যালয়খনৰ অধ্যক্ষ নৃপেন গোহাঁইক জনায়। ইয়াৰ পাছতে প্ৰশাসনৰ নিৰ্দেশত আজি পানীতোলা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্যকৰ্মীয়ে বিদ্যালয়খনত 220 গৰাকী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক ক’ভিড পৰীক্ষা কৰোৱাত তিনি গৰাকী শিক্ষক আৰু দুগৰাকী ছাত্ৰীৰ দেহত ক’ভিড ধৰা পৰে। এই কথা সদৰী কৰিছে চাবুৱাস্থিত পানীতোলা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ প্ৰকল্প সমন্বয়ক জ্যোতিৰ্ময় বৰুৱাৰ যোগেদি।

নগাঁৱত পুনৰ আৰক্ষীৰ দ্বাৰা গুলিবিদ্ধ

এক পৃষ্ঠাৰ পৰা আৰক্ষীৰ কৱলৰ পৰা পলায়নৰ চেষ্টা কৰোতে আৰক্ষীৰ গুলিত আহত হয় ড্ৰাগছ মাফিয়া এজন। পলায়নৰ চেষ্টা কৰি গুলিবিদ্ধ হোৱা ড্ৰাগছ মাফিয়াজনৰ নাম চিৰাজুল ইছলাম (৩২)। তেওঁৰ ঘৰ নগাঁও জিলাৰ কদমনিত বুলি আৰক্ষী সূত্ৰই জনাইছে। সূত্ৰটোৱে সদৰী কৰা অনুসৰি, নিশা এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত নগাঁও আৰক্ষীৰ এটা দলে কামপুৰ কচুৱাৰ পৰা চিৰাজুল ইছলাম নামৰ ড্ৰাগছ মাফিয়া এজনক গ্ৰেপ্তাৰ কৰি তেওঁক লগত লৈ তেওঁৰ বটদ্ৰৱা কদমনিৰ বাসগৃহতো তালাচী চলায়। আৰক্ষীয়ে তেওঁৰ ঘৰৰ পৰা এটা পইণ্ট ২২ পিষ্টল আৰু বুজন পৰিমাণৰ ব্ৰাউন ছুগাৰ জব্দ কৰিবলৈ সক্ষম হয়। কিন্তু আৰক্ষীৰ অভিযানৰ মাজতে নিশাৰ আন্ধাৰৰ সুযোগ লৈ ড্ৰাগছ মাফিয়া চিৰাজুলে আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা কৰে। আৰক্ষীয়ে তেওঁক ৰ’বলৈ নিৰ্দেশ দিয়াৰ পাছতো পলায়ন কৰোতেই গুলিচালনা কৰে আৰক্ষীয়ে। ফলত বাওঁভৰিত গুলি লাগে ড্ৰাগছ সৰবৰাহকাৰী চিৰাজুল ইছলামৰ। পাছত গুলিবিদ্ধ চিৰাজুলক নগাঁৰৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ নি চিকিৎসা প্ৰদান কৰা হয় যদিও তেওঁৰ আঘাত গুৰুতৰ হোৱাৰ পৰিপ্ৰেক্ষিতত চিকিৎসকৰ পৰামৰ্শ অনুসৰি উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতাললৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে যোৱা ২৫ অক্টোবৰতো নগাঁও জিলাৰ নৰৈত আৰক্ষীৰ গুলিত গুলিবিদ্ধ হৈছিল উত্তৰ-পূৰ্বাঞ্চলত ড্ৰাগছৰ বৃহৎ বজাৰ গঢ়ি তোলা মণিপুৰৰ কুখ্যাত ড্ৰাগছ মাফিয়া ৰামাই খেজি হেপিনচন (৩৫)। কুখ্যাত ড্ৰাগছ মাফিয়াজনে সিদিনা অভিযানৰ সময়তে এজন আৰক্ষীৰ জোৱানক আক্ৰমণ কৰি পলায়নৰ চেষ্টা কৰোতেই নগাঁও আৰক্ষীয়ে গুলিচালনা কৰিছিল। ফলত তেওঁ গুলিবিদ্ধ হৈছিল।

ইপিনে, ঘটনাৰ সন্দৰ্ভত নগাঁৰৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই সাংবাদিকৰ আগত কয়, ‘কচুৱাৰ এখন গাঁৱত ধৃত নগাঁও আৰক্ষীৰ ম’ষ্ট ৱাণ্টেড অপৰাধী চিৰাজুল ইছলামক লগত লৈ তেওঁৰ বটদ্ৰৱা আৰক্ষী থানাৰ অন্তৰ্গত কদমনি গাঁৱৰ বাসগৃহত অভিযান চলাওঁতে তাৰ পৰা কিছু পৰিমাণৰ ব্ৰাউন ছুগাৰ জব্দ কৰা হয়। পাছত তেওঁ আন এটা কোঠাত সোমাই তাৰ পৰা এটা পইণ্ট ২২ পিষ্টল লৈ পলায়নৰ চেষ্টা কৰে। তেতিয়াই আৰক্ষীয়ে গুলিচালনা কৰাত তেওঁ গুলিবিদ্ধ হয়। তেওঁ নগাঁও আৰক্ষীৰ ম’ষ্ট ৱাণ্টেড অপৰাধী আছিল।’ আৰক্ষী অধীক্ষক মিশ্ৰই আৰু কয় যে ধিং বটদ্ৰৱা অঞ্চলত ড্ৰাগছৰ বেহা নিৰ্মূল কৰা হ’ব।

এটাৰ পাছত আনটো হত্যাই জোঁকাৰিছে

এক পৃষ্ঠাৰ পৰা ভঙাগড়ত বিশাল ৰয় আৰু ২০ অক্টোবৰত গড়চুকৰ বৰাগাঁৱত আন্টিমা গুপ্তাৰ হত্যাকাণ্ডৰ ঘটনা মাৰ নৌযাওঁতেই পুনৰ ২৬ অক্টোবৰত ছাৰ্ভেত সংঘটিত হোৱা ননীগোপল বৰুৱা আৰু মীনা বৰুৱা নামৰ প্ৰবীণ দম্পতীহালৰ হত্যাকাণ্ডই সম্প্ৰতি সকলোকে আতংকিত কৰি তুলিছে। একেদৰে চলিত বৰ্ষৰ ২২ মাৰ্চত বেলতলাত মাংস ব্যৱসায়ী প্ৰাঞ্জল কলিতা, ছয় এপ্ৰিলত ছয়মাইলত ব্যৱসায়ী জাহিদুৰ আলী, ১৩ এপ্ৰিলত বশিষ্ঠত ২০ বছৰীয়া যুৱতী নেহা কুমাৰী, ২৬ মে’ত শৰাইঘাটৰ ওপৰত মৃতদেহ উদ্ধাৰ হোৱা ৰেলৱে কৰ্মচাৰী সন্তোষ প্ৰসাদ, চাৰি আগষ্টত পাণ্ডুত পূৰৱী দে মণ্ডল, পহিলা ছেপ্টেম্বৰত পাণবজাৰৰ কিশোৰী ডিম্পল কুমাৰট আদি এটাৰ পাছত আন এটা হত্যাকাণ্ডই জোকাৰি গৈছে ৰাজধানী মহানগৰীক।

নিৰাপত্তাহীনতাত ভুগিছে জনসাধাৰণ

মহানগৰীত হত্যাকাণ্ডৰ সমান্তৰালভাৱে চুৰি-ডকাইত-চিলনী চোৰ আদিৰ সন্ত্ৰাস প্ৰায় প্ৰতিদিনে সংঘটিত হোৱাটো যেন সম্প্ৰতি এক সাধাৰণ ঘটনাত পৰিণত হৈছে; যাৰ ফলত এনে অপৰাধ ৰোধত গৃহ বিভাগ চূড়ান্ত ব্যৰ্থ হোৱাৰ অভিযোগ তুলিছে সচেতন মহলে।

আতংকিত নাগৰিকে কয়, ‘গুৱাহাটীত এইবাৰ দিল্লী-মুম্বাইৰ দৰে এটাৰ পাছত আন এটা ধাৰাবাহিক লোমহৰ্ষক হত্যাকাণ্ডই জোকাৰি গৈছে। চলিত মাহতে তিনিটাকৈ নৃশংস হত্যাকাণ্ডৰ সমান্তৰালভাৱে চোৰৰ বাবে ঘৰ এৰিব নোৱাৰা গুৱাহাটী মহানগৰবাসীৰ বাবে সম্প্ৰতি আন এক আতংকৰ বিষয় হৈছে চিলনী চোৰ।’ আইন-শংখলাজনিত ব্যৱস্থাক অধিক নিয়ন্ত্ৰণত ৰখাৰ উদ্দেশ্যে জিলাখনত আয়ুক্তালয়ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল যদিও সম্প্ৰতি সঠিক পৰিকল্পনা তথা আৰক্ষীৰ সোপাটিলা ভূমিকাৰ বাবে পুনৰ গুৱাহাটী মহানগৰী অপৰাধীৰ ৰম্যভূমিলৈ পৰিণত হোৱা বুলি অভিযোগ উঠিছে।

মুখ্যমন্ত্ৰীৰ ভাষ্য

উল্লেখ্য যে ৰাজধানী মহানগৰীত অপৰাধৰ সংখ্যা বৃদ্ধি পাইছে বুলি সাধাৰণ জনতাই অনুভৱ কৰিছে যদিও এয়া সম্পূৰ্ণৰূপে নস্যাৎ কৰিছে গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই সন্দৰ্ভত আজি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, ‘অপৰাধ বৃদ্ধি হোৱা নাই; কাৰণ অপৰাধ বাঢ়িলে পৰিৱেশ এটা গম পোৱা যায়। তিনিদিন আগতে যি ঘটনা হৈছে সেয়া দুখদায়ক; কিন্তু অপৰাধ বৃদ্ধি হোৱা বুলি কোনো পৰিসংখ্যা ওলোৱা নাই। ইমান ডাঙৰ পূজা হৈ গ’ল ক’তো অপৰাধৰ খবৰ পোৱা নাই।’ অপৰাধ বৃদ্ধি হ’লে ঘৰৰ পৰা ওলাই গ’লেই যেন কোনোবাই মাৰিব, ইজনে-সিজনে কথা পাতি থাকিব নোৱাৰা এনে এটা পৰিৱেশক বুজায় বুলি মন্তব্য কৰি অপৰাধ আৰু ঘটনা এই দুটাৰ মাজত পাৰ্থক্য আছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই কয়।

সঠিক কামত নিয়োগ কৰা নহয় আৰক্ষীক ঃ দেৱেন দত্ত

অসম আৰক্ষী আধুনিকীকৰণ আৰু বল বৃদ্ধি কৰা হৈছে বুলি সময়ে সময়ে চৰকাৰে দাবী কৰি আহিলে অপৰাধ তথা আইন-শৃংখলাজনিত পৰিৱেশ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চিপাহী-বিষয়াসকলক সঠিক কামত নিয়োগ নকৰাৰ ফলতে এনেধৰণৰ ঘটনা ৰোধ কৰিবলৈ সংশ্লিষ্ট পক্ষ সক্ষম নহয় বুলি মন্তব্য কৰিছে অধ্যাপক দেৱেন দত্তই। সাধাৰণ জনতাক নিৰাপত্তা দিয়াটো চৰকাৰ তথা গৃহ বিভাগৰ প্ৰধান দায়িত্ব বুলি সক্ৰিয় ৰাজহুৱা কৰ্মীজনে মন্তব্য কৰি কয় যে ৰাইজ আতংকিত হওক বা নহওক, চৰকাৰে ইয়াৰ পৰা গা এৰা দিলে নহ’ব। চৰকাৰে সঁচা কথাবোৰ প্ৰকাশ কৰক বুলি তেওঁ উল্লেখ কৰি কয়, ‘বাৰে বাৰে কৈ অহা হৈছে যে আৰক্ষীৰ নিযুক্তি বৃদ্ধি কৰা হৈছে। কিমান হেজাৰ নিযুক্তি দিয়া হৈছে, কিমান হেজাৰ নিযুক্তি দিয়া হ’ব আদিটো ঘোষণা কৰিয়েই থাকে; তেন্তে সেই চিপাহী-বিষয়াসকল ক’লৈ যায়? বীৰাংগনাসকলকো মাজে মাজে ব্যায়াম কৰাহে দেখুৱায়। এক কথাক ক’বলৈ গ’লে আৰক্ষীৰ বেছিভাগক ৰাজনৈতিক নেতা, আমোলা, অসংখ্য আজিকালি উগ্ৰপন্থী দল ওলাইছে যিয়ে নিজকে বিপ্লৱী বুলি কয় সেইবিলাকৰ পাছ পাছে নিৰাপত্তাৰক্ষীৰূপে নিযুক্তি দিয়া হয়। আত্মসমৰ্পণকাৰী উগ্ৰপন্থী, বিভিন্ন লোকক ব্যক্তিগত নিৰাপত্তাৰক্ষী, আৰক্ষীৰ অধিকাংশ শীৰ্ষ বিষয়াসকলৰ ঘৰত আলপৈচান ধৰাত নিয়োজিত হয় বহুসংখ্যক চিপাহী-জোৱান। এনেবোৰ কাৰণত সৰহ সংখ্যক বিষয়া-জোৱানক নিয়োগ কৰি ৰখাৰ কাৰণে সাধাৰণ নাগৰিকৰ নিৰাপত্তাৰ কাৰণে পৰ্যাপ্ত আৰক্ষীৰ অভাৱ হৈ পৰিছে।’ উল্লেখ্য যে সম্প্ৰতি ভিভিআইপি-ভিআইপি সেই পথৰে নাহিলে ৰাজপথত খাকী পোছাকধাৰী দেখিবলৈ পোৱা নাযায় বুলি উল্লেখ কৰি দত্তই পুনৰ কয় যে জনতাৰ নিৰাপত্তাৰ দিশটো দূৰৰে কথা আজিৰ দিনত যান-বাহন নিয়ন্ত্ৰণৰ কাৰণেই পৰ্যাপ্ত আৰক্ষী নাই। বিশৃংখল যান-বাহন পৰিৱেশৰ বাবে দুৰ্ঘটনা অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। ৰাজপথত যিবিলাক পুলিচ পইণ্ট থাকে সেইবিলাকতো আজিকালি আৰক্ষীৰ লোক দেখিবলৈ নাই। কোনো এটা ঘটনা সংঘটিত হোৱাৰ পাছতহে এনেবোৰ কথা আজিৰ সংবাদ মাধ্যমত প্ৰকাশ পায় বুলি তেওঁ মন্তব্য কৰি কয়, ‘যদি সঁচাই আৰক্ষী নিযুক্তি হৈছে, যদি পৰ্যাপ্ত আৰক্ষী আছে তেন্তে তেওঁলোকক সঠিক কামত লগাওক। চি চি টিভি বিলাক নিষ্ক্ৰিয় হৈ থকা ঘটনাৰ পাছতহে পোহৰলৈ আহে। দায়িত্ব কাৰ, এয়াতো আৰক্ষীৰ দৈনন্দিন কাম। চি চি টিভি বিলাক সক্ৰিয় হৈ আছে নে নাই আৰক্ষীয়ে নিয়মিত পৰীক্ষা কৰাৰ কাম। মহানগৰবিলাকত যিদৰে আৰক্ষীৰ টহল থাকিব লাগে তেনে ব্যৱস্থা নাই। যাৰ ফলত এটাৰ পাছত আন এটা ঘটনা সংঘটিত হৈ আহিছে আৰু সাধাৰণ জনতাৰ নিৰাপত্তা খৰ্ব হ’বলৈ ধৰিছে।’

জনতা-আৰক্ষীৰ মাজত বন্ধুত্ব গঢ় লৈ নুঠিলে অপৰাধ ৰোধ অসম্ভৱ ঃ জ্যোতিৰ্ময় চক্ৰৱৰ্তী

অপৰাধ সংঘটিত কৰি যেতিয়া অপৰাধীয়ে সাৰি যাব পাৰিব বুলি ভবা এক পৰিৱেশৰ সৃষ্টি হয় তেতিয়া অপৰাধৰ সংখ্যা বৃদ্ধি পায় বুলি মন্তব্য কৰিছে অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতিৰ্ময় চক্ৰৱৰ্তীয়ে। মহানগৰীত শেহতীয়াকৈ সংঘটিত হোৱা এটাৰ পাছত আন এটা হত্যাকাণ্ড, চুৰি-ডকাইতিৰ ঘটনাৰ সন্দৰ্ভত নিজৰ মন্তব্য প্ৰকাশ কৰি গুৱাহাটীৰ প্ৰথমজন আৰক্ষী আয়ুক্ত চক্ৰৱৰ্তীয়ে কয়, ‘যিকোনো স্থানতে অপৰাধ বৃদ্ধি হ’লে সাধাৰণ জনতা আতংকগ্ৰস্ত হয় আৰু এয়া স্বাভাৱিক। ইয়াতে দুটা কথা আছে; এটা ধাৰণা হ’ল প্ৰকৃততে অপৰাধ বৃদ্ধি পাইছে নেকি বা মানুহৰ ধাৰণাতহে কেৱল অপৰাধ বৃদ্ধি হৈছে নেকি? এনে দিশ পৰীক্ষাৰ প্ৰয়োজন। অৱশ্যে শেহতীয়াকৈ যিহেতু কে’বাটাও ঘটনা বিশেষকৈ মহিলাৰ ওপৰত হৈছে এয়া এক উদ্বেগৰ কাৰণ।’ উল্লেখ্য যে যিকোনো অপৰাধীৰ বাবে মহিলা প্ৰথম লক্ষ্য হয় আৰু অপৰাধীয়ে যদি ভাবে অপৰাধ সংঘটিত কৰি সাৰি যাব পাৰিব কেতিয়া অপৰাধৰ সংখ্যা বৃদ্ধি পায় বুলি তেওঁ মন্তব্য কৰি পুনৰ কয় যে এনে ঘটনা পৰিয়াল নাইবা ঘনিষ্ঠ চিনাকি মানুহে সংঘটিত কৰিলে বুলি সেই হত্যাকাণ্ডৰ গুৰুত্ব কেতিয়াও কমি যাব নোৱাৰে। এজন লোকৰ যেতিয়া প্ৰাণহানি হয় সেই গুৰুত্বটো সদায় থাকে আৰু হত্যাকাৰী নধৰালৈকে লোক আতংকিত হৈ থাকে। সেয়ে এনেধৰণৰ ঘটনাত প্ৰকৃত অপৰাধীক ধৰা পেলোৱাটো আৰক্ষীৰ এটা ডাঙৰ কৰ্তব্য আৰু আৰক্ষীয়ে সেয়ে সম্পূৰ্ণ নিপুণতাৰে এই দায়িত্ব পালন কৰিব লাগিব। যদি দোষীক কৰায়ত্ত কৰা বুলি দেখুৱাবলৈ দুই-চাৰিজন নিৰপৰাধীক গ্ৰেপ্তাৰ কৰা হয়, এনে কাৰ্যইও এটা বিপৰীত ফল দিব পাৰে বুলি অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনে মন্তব্য কৰি কয়, ‘যেতিয়া সমাজ জ্ঞাত যে কৰায়ত্ত কৰা সেইজন মানুহ অপৰাধী নহয়, তেতিয়া আৰক্ষীৰ প্ৰতি মানুহৰ বিশ্বাস হ্ৰাস পাব আৰু আৰক্ষীৰ কাষ চাপিবলৈ ভয় কৰিব। কিবা কথা জানিলেও ক’বলৈ ভয় কৰিব। সেই কাৰণে প্ৰতিটো অপৰাধৰ ক্ষেত্ৰত প্ৰকৃত অপৰাধীক কৰায়ত্ত কৰাটো অতি প্ৰয়োজনীয়।’ ৰাইজ আৰু আৰক্ষীৰ মাজত ব্যৱধান বৃদ্ধি পাইছে নেকি এই দিশলৈও আৰক্ষীয়ে নজৰ দিব লাগিব বুলি উল্লেখ কৰি চক্ৰৱৰ্তীয়ে কয় যে যদি জনতা আৰু আৰক্ষীৰ মাজত ব্যৱধান বৃদ্ধি পায় সেয়া আন এক চিন্তনীয় বিষয়। আৰক্ষী প্ৰতিটো সময়তে সকলো শ্ৰেণীৰ নাগৰিকৰ লগত মিলিব পাৰিব লাগে। যদিও নাগৰিকে আৰক্ষীৰ স’তে যোগাযোগ কৰিব বিচাৰে তাৰ পৰ্যাপ্ত সুবিধা থাকিব লাগে। যদি আৰক্ষীয়ে নিজকে জনতাৰ মাজৰ পৰা আঁতৰাই ৰাখে তেতিয়া এনেধৰণৰ খবৰ অহাটো হ্ৰাস পাব বুলি তেওঁ মন্তব্য কৰে। উল্লেখ্য যে জনতাৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ আৰক্ষীয়ে পৰিৱেশ সাপেক্ষে কিছু পদক্ষেপ গ্ৰহণ কৰাটো অত্যন্ত প্ৰয়োজনীয় বুলি উল্লেখ কৰি চক্ৰৱৰ্তীয়ে লগতে কয়, ‘এটা অঞ্চললৈ কেৱল অপৰাধ হ’লেই যে আৰক্ষী যাব তেনে কথা নহয়। কেৱল অপৰাধৰ খবৰ পালেহে যে যাব সেইটো হ’ব নালাগে। অপৰাধ নহ’লেও প্ৰতিটো অঞ্চলৰ নাগৰিকৰ লগত আৰক্ষীয়ে যোগাযোগ ৰাখিব লাগে। অপৰাধজনিত ঘটনা নাথকিলেও সাধাৰণভাৱে গৈ অঞ্চলবাসীৰ লগত কথা-বাৰ্তা পাতি সময় কটাব লাগে। এনেধৰণৰ ব্যৱস্থাত থাকিলেহে কিছুমান খবৰ লাভ কৰা যায় যিবোৰ খবৰে এটা সময়ত ডাঙৰ অপৰাধ সংঘটিত কৰে। যদি জনতাৰ লগত যোগসূত্ৰ থাকে এনেধৰণৰ কথাবিলাক লাভ কৰে। যদি এনে ব্যৱস্থা বলৱৎ হয় তেন্তে জনতাই আতংকৰ পৰিৱৰ্তে কিছু সকাহ লাভ কৰিব।’

অপৰাধ ৰোধত চৰম ব্যৰ্থ হৈছে গৃহ বিভাগ ঃ জ্যেষ্ঠ অধিবক্তা শৰ্মা

অপৰাধ ৰোধত ৰাজ্যৰ গৃহ বিভাগ চূড়ান্ত ব্যৰ্থ হৈছে আৰু শেহতীয়াকৈ সংঘটিত ঘটনাপ্ৰৱাহে ইয়াক প্ৰমাণিত কৰিছে বুলি মন্তব্য কৰিছে জ্যেষ্ঠ অধিবক্তা তথা প্ৰাক্তন সাংসদ আৰ পি শৰ্মাই। সম্প্ৰতি পৰিয়ালৰ লোকক ঘৰত এৰি যাব নোৱাৰা আৰু কাকো বিশ্বাস কৰিব নোৱাৰা এটা পৰিৱেশৰ সৃষ্টি হৈছে বুলি উল্লেখ কৰি শৰ্মাই কয় যে কেনে ধৰণে ধাৰাবাহিক নিৰ্মম হত্যাকাণ্ড সংঘটিত হৈছে সকলোৱে প্ৰত্যক্ষ কৰিছে আৰু এই দিশটো ৰোধ কৰিবলৈ যদি শীঘ্ৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নহয় এনেধৰণৰ অপৰাধ বৃদ্ধি পোৱাৰ অৱকাশ থাকে। তাতে প্ৰকৃত ঘাতকক যদি আৰক্ষীয়ে ধৰিবলৈ সক্ষম নহয় তেতিয়াও এনে অপৰাধ বৃদ্ধি হোৱাৰ আশংকা থাকে। এই ক্ষেত্ৰত আৰক্ষী অধিক সতৰ্ক আৰু সক্ৰিয় হ’ব লাগিব আৰু প্ৰথমে আৰক্ষীৰ পদ যদি খালী আছে শীঘ্ৰে নিযুক্তি দিব লাগিব। উল্লেখ্য যে ৰাজনীতিৰ মেৰপেচত সোমাই গৃহ বিভাগ এনেধৰণৰ অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চূড়ান্ত ব্যৰ্থ বুলি জ্যেষ্ঠ অধিবক্তাজনে সদৰী কৰি অৰ্থনৈতিক অৱস্থা শোচনীয় হৈ পৰা ফলতো চোৰ-ডকাইতিৰ ঘটনা বৃদ্ধি হোৱাৰ অৱকাশ আছে বুলি কয়। তেওঁ মহানগৰীত শেহতীয়াকৈ ধাৰাবাহিকভাৱে সংঘটিত হত্যাকাণ্ডৰ লগতে চোৰ-ডকাইতিৰ ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত শীঘ্ৰে পদক্ষেপ ল’বলৈ চৰকাৰক আহ্বান জনায়।

ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰ ছাগলীঝাৰত বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

টংলা, ২৮ অক্টোবৰ ঃ ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী ছাগলীঝাৰৰ বৰমুকুলি নদীৰ দলঙৰ কাষৰ ধাননি পথাৰত কালি পুৱা ৫-৩০ বজাত স্থানীয় ৰাইজে মৃত বনৰীয়া হাতী এটা প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়ে। পাছত নৈ ৰেঞ্জৰ ৰেঞ্জ বিষয়াসহ বন বিভাগৰ লোক উপস্থিত হৈ মৃত বনৰীয়া হাতীটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। খাদ্যত বিষক্ৰিয়া হৈ মৃত্যু হোৱা বুলি সন্দেহ কৰা হাতীটোৰ আনুমানিক বয়স ৩০ বছৰ হ'ব বুলি বন বিভাগে জানিব দিয়ে। মতা বন্যহস্তীটোৱে এজাক বন্যহস্তীৰ স'তে খাদ্যৰ সন্ধানত জনাঞ্চললৈ আহোতে এনে অস্বাভাৱিক মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে।

■ মূল্যবৃদ্ধিয়ে জুৰুলা কৰিছে জনসাধাৰণক ■ মূল্যবৃদ্ধি নিয়ন্ত্ৰণত ব্যৰ্থ বিয়াগোম যোগান বিভাগ

ঢেকিয়াজুলিৰ বজাৰত শাক-পাচলিৰ মূল্যবৃদ্ধি

অগ্ৰদূত বাৰ্তা

ঠেলামৰা, ২৮ অক্টোবৰ ঃ অত্যাৱশ্যকীয় সামগ্ৰীকে ধৰি শাক-পাচলিৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে দহিছে ৰাজ্যবাসীক। মূল্যবৃদ্ধি নিয়ন্ত্ৰণত ব্যৰ্থ হৈছে ৰাজ্য চৰকাৰ আৰু যোগান বিভাগ। সমান্তৰালকৈ শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিতো অত্যাৱশ্যকীয় সামগ্ৰীৰ লগতে শাক-পাচলিৰ দাম আকাশলংঘী হৈ পৰাত দুৰ্ভোগ ভুগিছে সৰ্বসাধাৰণ ৰাইজে। শাক-পাচলিৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাৰ পাছতো বজাৰ দৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত স্থানীয় প্ৰশাসন আৰু যোগান বিভাগে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। অস্বাভাৱিক হাৰত মূল্যবৃদ্ধি হোৱাৰ পাছতো ৰাজ্য চৰকাৰে মূল্যবৃদ্ধি ৰোধ কৰাৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। শাক-পাচলিৰ বজাৰ মূল্য দৈনিক বৃদ্ধি হৈ থকাৰ পাছতো ব্যৱসায়ীসকলক নাকী লগাব পৰা নাই প্ৰশাসন তথা যোগান বিভাগে। ঢেকিয়াজুলিৰ বজাৰত শাক-পাচলিৰ অস্বাভাৱিক মূল্যবৃদ্ধিয়ে গ্ৰাহক ৰাইজক বিপাঙত পেলাইছে যদিও বিভাগীয় কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ কৰিছে গ্ৰাহক ৰাইজে। উল্লেখ্য যে ঢেকিয়াজুলিৰ বজাৰত প্ৰতি কেজি পিঁয়াজ ৪৫-৫০, দাইল-১০০-১১০ টকা, বিলাহী ৮০ টকা, আলু ২০-২৫ টকা, লেচেৰা ৪০ টকা, নহৰু ১০০ টকা, জলকীয়া ১৫০ টকা, বেঙেনা ৩০ টকা, মূলা ৪০ টকা, গাজৰ ৮০ টকা, বেঙেনা ৩০-৪০ টকা, বন্ধা কবি ৩০ টকা, ফুল কবি ৪০-৫০ টকা হোৱাত জনসাধাৰণ জুৰুলা হৈ পৰিছে। চৰকাৰ তথা প্ৰশাসনক বজাৰ দৰ নিয়ন্ত্ৰণ কৰি জনসাধাৰণক সকাহ দিবলৈ দাবী জনাইছে অঞ্চলটোৰ গ্ৰাহক ৰাইজে।

নলবাৰীত স্বাস্থ্য বিভাগৰ সজাগতা সভা, বৃহস্পতিবাৰে।

সভা-সমাৰেশ আদিত বঙাইগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নিষেধাজ্ঞা

অগ্ৰদূত ব্যুৰ'

বঙাইগাঁও, ২৮ অক্টোবৰ ঃ ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে বঙাইগাঁও জিলাৰ উপায়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষা ডাঃ এম এছ লক্ষ্মীপ্ৰিয়াই এক নিৰ্দেশনা মৰ্মে জিলাখনৰ গ্ৰামাঞ্চল আৰু নগৰাঞ্চল উভয়তে মুকলি ঠাইত বা সভাগৃহত সভা নাইবা সমাৰেশ অনুষ্ঠিত কৰা আদিত নাগৰিকৰ উপস্থিতিৰ ক্ষেত্ৰত এক নিষেধাজ্ঞা জাৰি কৰিছে। এই মৰ্মে ৰাজহুৱা বা ব্যক্তিগত অনুষ্ঠান, প্ৰতিষ্ঠান আদি মুকলি ঠাইত বা সভাগৃহত সভা, অনুষ্ঠানৰ ক্ষেত্ৰত দিয়া নিৰ্দেশনা মৰ্মে ৫০ গৰাকী প্ৰথম পালি ক'ভিড-১৯ প্ৰতিষেধক লোৱা ব্যক্তিয়েহে উপস্থিত থাকিব পাৰিব। অৱশ্যে দুয়োপালি ক'ভিড-১৯ প্ৰতিষেধক লোৱা দুশগৰাকী ব্যক্তিয়ে উপায়ুক্তৰ আগতীয়া অনুমতি সাপেক্ষে মুকলি ঠাইত বা সভাগৃহত অনুষ্ঠিত ব্যক্তিগত বা ৰাজহুৱা অনুষ্ঠান, বিবাহ আদিত উপস্থিত থাকিব পাৰিব।

ধুৰকুছিত ১০৯ সংখ্যক সাৰ্বজনীন শ্ৰীশ্ৰী জগদ্ধাত্ৰী পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

নলবাৰী, ২৮ অক্টোবৰ ঃ নলবাৰী জিলাৰ ধুৰকুছিত অইনবেলিৰ দৰে এইবেলিও ১০৯ সংখ্যক সাৰ্বজনীন শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজা অহা ১১ৰ পৰা ১৪ নৱেম্বৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। পূজা উদ্‌যাপন সমিতিৰ সভাপতি দিলীপ ভট্টাচাৰ্য আৰু সম্পাদক নীলমণি তালুকদাৰে সংবাদ মাধ্যমক জানিবলৈ দিয়া মৰ্মে ১১ নৱেম্বৰৰ পুৱাৰ ভাগত পৰিৱেশ নিষ্কাষণ, ধৰ্মধ্বজা উত্তোলন, সংঘৰ পতাকা উত্তোলন, ছহিদ তৰ্পণ, প্ৰয়াত অম্বিকা নাথ গোস্বামীৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ, গছপুলি ৰোপণ কৰাৰ পাছত আবেলি প্ৰতিমা স্থাপন কৰাৰ পাছত সন্ধিয়া ধুৰকুছি ৰূপজ্যোতি সংঘৰ বিষয় বাছনি সভা অনুষ্ঠিত হ'ব। ১২ নৱেম্বৰৰ পুৱা সামূহিক চাফাই, মহাষ্টমী পূজা আৰু চণ্ডীপাঠ আৰম্ভ, পূৰ্বপুৰুষৰ স্মৃতিত স্মৃতি তৰ্পণ, গোপাষ্টমী পূজা, আয়তীৰ নামৰ পাছত আবেলি নাগাৰা নাম উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী, ভাগ্যশ্ৰী টাটা মটৰ্চৰ পৰিচালন সঞ্চালক, অভিনেতা দিলীপ কুমাৰ দাসে। সন্ধিয়া বিশ্ব শান্তিৰ হকে বন্তি প্ৰজ্বলন কৰিব নলবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই। নিশা আৰতি প্ৰদান। ১৩ নৱেম্বৰৰ পুৱা সামূহিক চাফাই, মহানৱমী পূজা আৰম্ভ, দেৱী বন্দনা, আয়তীৰ নাম, আবেলি ওজাপালি পৰিৱেশন, সন্ধিয়া সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰিব সাংসদ দিলীপ শইকীয়াই, নিশা আৰতি প্ৰদান। ১৪ নৱেম্বৰৰ পুৱা সামূহিক চাফাই, দশমী পূজা, দিনৰ এক বজাত শান্তি প্ৰদান আৰু ভোগ বিতৰণ কৰা হ'ব বুলি সমিতিৰ প্ৰচাৰ বিভাগৰ সদস্য ৰাতুল দাসে জানিবলৈ দিছে।

নাট্যশিল্পী ভবেন বৰাৰ আশু আৰোগ্য কামনা দল-সংগঠনৰ

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ২৮ অক্টোবৰ ঃ অসম চৰকাৰে আগবঢ়োৱা 'শোণিত কোঁৱৰ গজেন বৰুৱা' বঁটা প্ৰাপক বিভিন্ন উপাধিৰে বিভূষিত বিশিষ্ট নাট্য শিল্পী, অৱসৰী অধ্যাপক জামুগুৰিহাটৰ ডেকাসুন্দৰ গাঁও নিৱাসী ভৱেন বৰাৰ আশু আৰোগ্য কামনা কৰিছে অসম নাট্য সন্মিলনৰ কৰ্মকৰ্তাসকলে। আজি শয্যাগত অৱস্থাত থকা নাট্য শিল্পীজনৰ বাসগৃহত উপস্থিত হৈ নাট্য সন্মিলনৰ কেন্দ্ৰীয় বিষয়ববীয়া মৃগেন বৰা আৰু সদস্য ভাস্কৰ ডেকাই কয় যে ৯১ বছৰ গৰকা ভৱেন বৰাই ৬০ৰ দশকৰ পৰাই অসমৰ নাট্যক্ষেত্ৰখনৰ স'তে জড়িত হৈ আছিল। অসমৰ নাট্য আন্দোলনক সু-সংগঠিত ৰূপত আগবঢ়াই নিয়া ভৱেন বৰাই অসমৰ নাট্যক্ষেত্ৰখনত সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছিল। জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনাৰ সভাপতিৰ পদ অলংকৃত কৰা ভৱেন বৰা জিলা তথা ৰাজ্যখনৰ বিভিন্ন সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠানৰে জড়িত থকাৰ উপৰি এগৰাকী সু-বক্তা আছিল। বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত ভৱেন বৰাৰ আমি বহু কথা অনুষ্ঠানেৰে জড়িত থকাৰ উপৰি এগৰাকী সু-বক্তা আছিল। আশু আৰোগ্য কামনাৰে আমি অসম নাট্য সন্মিলনৰ সকলো সদস্যই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো বুলি মন্তব্য কৰে নাট্য সন্মিলনৰ বিষয়ববীয়াদ্বয়ে।

বৰাগাঁৱত 'ভূপেন হাজৰিকাৰ গীতত প্ৰেম আৰু প্ৰতীতি' গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

আজাৰা, ২৮ অক্টোবৰ ঃ মহানগৰীৰ পশ্চিম বৰাগাঁৱৰ 'কাব্যকুঞ্জ'ত লেখক, গীতিকাৰ শচীন দাসৰ নৱতম গ্ৰন্থ 'ভূপেন হাজৰিকাৰ গীতত প্ৰেম আৰু প্ৰতীতি' আজি উন্মোচন কৰে বিশিষ্ট সংগীত শিল্পী কমল কটকীয়ে। গ্ৰন্থখন উন্মোচন কৰি শিল্পী কটকীয়ে ভূপেন হাজৰিকাই সকলো স্তৰৰ লোকৰ বাবে গীত লিখিছিল বুলি উল্লেখ কৰি সমাজ সচেতনতাৰ পৰা প্ৰেম-প্ৰীতি, সুখ-দুখ, বিষাদ, বিধৱা বিবাহ আদিৰ বিষয়ে গীত ৰচিছিল বুলি কয়। সোণালী সুদিন ঘূৰাই আনিবৰ বাবে বহু অহোৰাত্ৰি গীত গাই ৰাইজক জগাই তুলিছিল বুলি উল্লেখ কৰি শচীন দাসৰ ভূপেন হাজৰিকাৰ বিষয়ে লিখা গ্ৰন্থখনিয়ে আশাৰ সঞ্চাৰ কঢ়িয়াই আনিব বুলি কয়। গুৱাহাটীৰ জিলা বড়ো সাহিত্য সভাৰ সভাপতি লোহিত চন্দ্ৰ ব্ৰহ্মাই কয় যে অসমখনক আগুৱাই নিবৰ বাবে ভূপেনদাই সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিছিল। অসমৰ ভাষা-সাহিত্য-সংস্কৃতি, অৰ্থনীতি আদিৰ বিকাশৰ বাবেও অহোপুৰুষাৰ্থ কৰিছিল। অনাতাঁৰ কেন্দ্ৰ, গুৱাহাটীৰ অৱসৰী সঞ্চালক, গীতিকাৰ-সুৰকাৰ অৰনী ৰঞ্জন পাঠকে কয় যে পাহাৰ-ভৈয়াম, জাতি-জনজাতি আদি প্ৰতিজন অসমৰ মানুহৰ বাবে ভূপেন হাজৰিকাই গীত লিখি, কণ্ঠ নিগৰাই, মানুহে মানুহৰ বাবে থকা দায়বদ্ধতা প্ৰকাশ কৰিছিল। 'বহুবাক'ৰ প্ৰধান সম্পাদক, দীপক শৰ্মাই আঁত ধৰা সভাখনত অসম নাট্য সন্মিলনৰ প্ৰধান সম্পাদক তথা নাট্যকাৰ গিৰিধৰ ৰয়, লেখক শচীন দাস, ব্যৱসায়ী গগন চন্দ্ৰ ডেকা আদি কৰি কে'বাগৰাকী ব্যক্তিয়ে ভাষণ দিয়ে।

বৰভাগৰ তিনিগৰাকী শিক্ষকক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

বৰভাগ, ২৮ অক্টোবৰ ঃ নলবাৰী জিলাৰ বৰভাগৰ কালাগ হাটখোলাস্থিত বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা তিনিজন শিক্ষকক কালি বিদায় সম্ভাষণ জ্ঞাপন কৰা হয়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক কৰ্মচাৰী গোটৰ পৰা উক্ত বিদায় সম্ভাষণ জনোৱা হয়। উল্লেখ্য যে বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰাক্তন শৈক্ষিক তত্ত্বাৱধায়ক তথা শিক্ষক ক্ৰমে বিধূভুষণ চক্ৰৱৰ্তী, বিষয় শিক্ষক ৰবীন চন্দ্ৰ ডেকা আৰু সহকাৰী শিক্ষক প্ৰদীপ ডেকাক বিদায় সম্ভাষণ জ্ঞাপন কৰে বিদ্যালয় কৰ্তৃপক্ষই। উক্ত বিদায় সভাখন পৰিচালনা কৰে বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মকিবৰ ৰহমানে। সভাখনত বিদ্যালয়ৰ কে'বাগৰাকী শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে বিদায়ী শিক্ষক কেইগৰাকীৰ শিক্ষকতা জীৱন সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। বিদায় সম্ভাষণ জ্ঞাপন কৰা তিনিওগৰাকী শিক্ষককে একোখনকৈ ফুলাম গামোচা, ফুলাম জাপি, শৰাই, সোণৰ আঙঠি আদি প্ৰদান কৰা হয়। আনহাতে, বিদ্যালয়খনৰ উন্নয়নৰ ক্ষেত্ৰত অনাগত দিনতো বিদায় সম্ভাষণ জনোৱা তিনিওগৰাকী শিক্ষকৰ সহযোগিতা কামনা কৰে বিদ্যালয় কৰ্তৃপক্ষই।

বজালী নিত্যানন্দৰ ভুৱনেশ্বৰ বৰ্মনৰ মৃত্যু দিৱসৰ আয়োজন

পাটাছাৰকুছি, ২৮ অক্টোবৰ ঃ ব্ৰিটিছকালীন বজালীৰ ৰাজধানী পাটাছাকুছি ডেটলাইনত সাংবাদিকতা কৰা প্ৰথম সাংবাদিক, বজালীৰ সাংবাদিকতাৰ অন্যতম বাটকটীয়া, পাটাছাৰকুছি বিদ্যাপীঠৰ প্ৰাক্তন শিক্ষক, সমবায় আন্দোলনৰ হোতা প্ৰয়াত ভুৱনেশ্বৰ বৰ্মনৰ অহা ৩১ অক্টোবৰত প্ৰথম মৃত্যু বাৰ্ষিকীৰ আয়োজন কৰা হৈছে। নিত্যানন্দৰ নিজা বাসভৱনত আয়োজন কৰা উক্ত অনুষ্ঠানৰ স'তে সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব। সেইদিনা কাৰ্যসূচী অনুসৰি, বন্তি প্ৰজ্বলন কৰিব সত্ৰাধিকাৰ গিৰীন্দ্ৰ নাথ গোস্বামীয়ে। অনুষ্ঠানত মাল্যাৰ্পণ কৰিব অসম মুক্তি যুঁজাৰু সন্মিলনৰ সভাপতি কৃষ্ণকান্ত লহকৰে। আনহাতে, পুষ্পাঞ্জলি অৰ্পণ কৰিব ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিৰিঞ্চি কুমাৰ দাসে। মংগলচৰণ পাঠ কৰিব অৱসৰপ্ৰাপ্ত অধ্যাপক ড° খগেন্দ্ৰ নাথ শৰ্মাই আৰু স্মৃতি উন্মোচন কৰিব অসমৰ প্ৰাক্তন শিক্ষামন্ত্ৰী ৰমনী বৰ্মনে। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব স্থানীয় বিধায়ক তথা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰী আৰু সাহিত্যিক পেঞ্চনাৰ মুনীন্দ্ৰ নাৰায়ণ গোস্বামী সন্মানীয় অতিথি, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব জনপ্ৰিয় সাহিত্যিক ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী। ধীৰেন্দ্ৰ নাথ তালুকদাৰ সভাপতি আৰু দিলীপ কুমাৰ ৰায়ক সম্পাদক হিচাপে লৈ গঠিত সম্পাদনা সমিতিয়ে সম্পাদনা কৰি উলিওৱা স্মৃতিগ্ৰন্থখনৰ প্ৰকাশক পাটাছাৰকুছি প্ৰেছ ক্লাবে।

১১ দিনে সন্ধানহীন ধিং ৰাধাআটিৰ যুৱক

অগ্ৰদূত বাৰ্তা

ধিং, ২৮ অক্টোবৰ ঃ নগাঁও জিলাৰ ধিঙৰ সৰু ৰাধাআটী গাঁৱৰ ফকৰ উদ্দিনৰ একমাত্ৰ পুত্ৰ সন্তান ইয়াদুল জুলফিকাৰ যোৱা ১৭ অক্টোবৰৰ পৰা সন্ধানহীন হৈ আছে। ঘটনাৰ দিনা ঘৰত অকলে আছিল। পাছত পৰিয়ালৰ লোক ঘৰলৈ উভতি আহি বিচাৰ-খোচাৰ কৰে যদিও সন্তানটিক উলিয়াব নোৱাৰিলে। জুলফিকাৰ ধিং ৰজাবাৰীৰ এখন ব্যক্তিগত বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ। যোৱা ১০ দিনে পৰিয়ালৰ লোকসকলে বিভিন্ন স্থানত বিচাৰ-খোচাৰ কৰিও ইয়াদুল জুলফিকাৰৰ কোনো সন্ধান উলিয়াব নোৱাৰি কালি পিতৃয়ে এই সন্দৰ্ভত ধিং আৰক্ষী থানাত লিখিতভাৱে জনাইছে যদিও বৰ্তমানলৈকে আৰক্ষীয়েও সন্ধান উলিয়াব পৰা নাই।

কুলহাটীৰ কোনাদিয়াত বাৰ্ষিক হোম যজ্ঞৰ আয়োজন

অগ্ৰদূত বাৰ্তা

হাজো, ২৮ অক্টোবৰ ঃ কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অধীনস্থ কুলহাটী গাঁৱৰ কোনাদিয়া চুবুৰি উন্নয়ন সমিতিৰ উদ্যোগত অহা ৩১ অক্টোবৰত দিনজোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে বিষ্ণু মন্দিৰ প্ৰাংগণত বাৰ্ষিক হোম যজ্ঞৰ আয়োজন কৰা হৈছে। সেই অনুসৰি, পুৱা বন্তি প্ৰজ্বলনৰে অনুষ্ঠানটো আৰম্ভ কৰিব সমাজকৰ্মী মাধৱ চন্দ্ৰ দাসে। আনহাতে, পতাকা উত্তোলন কৰিব দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গণেশ চন্দ্ৰ দাসে। ইপিনে, বৃক্ষৰোপণ কৰিব ক্ৰীড়া পেন্সনাৰ তথা অৱসৰপ্ৰাপ্ত শিক্ষক বাসুদেৱ ঠাকুৰীয়াই। আবেলি দৰঙৰ বিশিষ্টা নাগাৰা নামৰ পাঠিকা কুসুম দেৱী আৰু মৰমী শইকীয়াই নাগাৰা নাম পৰিৱেশন কৰিব। এই নাগাৰা নাম উদ্বোধন কৰিব হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই।

কঠিয়াতলিত দক্ষতা বিকাশৰ প্ৰশিক্ষণ শিবিৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

যমুনামুখ, ২৮ অক্টোবৰ ঃ ৰাজ্য চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগ গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক পৰিষদৰ তত্ত্বাৱধানত নগাঁও জিলাৰ কঠিয়াতলিত দক্ষতা বিকাশৰ এক প্ৰশিক্ষণ শিবিৰৰ আজি আৰম্ভ কৰা হয়। ৰাজ্য চৰকাৰৰ শ্ৰমিক কল্যাণৰ বাবে দায়বদ্ধতাৰ উদ্দেশ্য আগত ৰাখি বৰ্তমান চৰকাৰে নিৰ্মাণ শ্ৰমিকৰ কল্যাণমূলক সুবিধাসমূহ তৎকালীনভাৱে বলৱৎ কৰাৰ লক্ষ্যৰে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। ৰাজ্য চৰকাৰৰ এই আঁচনিখন ৰূপায়ণৰ দায়িত্ব প্ৰদান কৰা হৈছে ভেলুৱাৰ ফেবটেস্কচ প্ৰাইভেট লিমিটেড নামৰ এটি প্ৰতিষ্ঠানক। এই প্ৰতিষ্ঠানৰ দ্বাৰা অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত নগাঁও জিলাৰ সহকাৰী কৰ আয়ুক্ত নৰেচ চন্দ্ৰ দাস, প্ৰজেক্ট প্ৰধান ধীৰাজ সিংহা, কেন্দ্ৰ পৰিচালক অনুপ কুমাৰ ভূঞাকে ধৰি বহু আমন্ত্ৰিত অতিথি আৰু প্ৰশিক্ষাৰ্থীসকল উপস্থিত থাকে।

কৃষ্ণগুৰু শাখা চক্ৰত আদিগুৰু সেৱা দিৱস পালন

অগ্ৰদূত বাৰ্তা

চামতা, ২৮ অক্টোবৰ ঃ কালি পশ্চিম নলবাৰীৰ উত্তৰ আমনিস্থিত কৃষ্ণগুৰু শাখা সেৱাশ্ৰমৰ ধৰ্মপুৰ চক্ৰত দিনজোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে আদিগুৰু সেৱা দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱা ছয় বজাত চাফাই অভিযান তথা শ্ৰমদান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পাছত একাদিক্ৰমে নাম জপ, প্ৰাৰ্থনা আদিৰ অন্তত কৃষ্ণগুৰু ভকত ফণী বৰ্মনে আদিগুৰু সেৱা দিৱসৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক আদিগুৰু তথা শিক্ষাগুৰুৰ প্ৰতি আৰু শৰণদাতা গুৰুৰ প্ৰতি স্তুতিবাক্য পাঠ কৰায়। অনুষ্ঠানত শিক্ষাৰ্থীসকলে পিতৃ-মাতৃসকলক সেৱা জনোৱাৰ লগতে পিতৃ-মাতৃসকলে মিঠাই খুৱাই তেওঁলোকক আশীৰ্বাদ প্ৰদান কৰে।

জাতীয় বিদ্যালয়ত শ্ৰেণী সংযোজনৰ প্ৰস্তুতি সভা

অগ্ৰদূত বাৰ্তা

হাজো, ২৮ অক্টোবৰ ঃ কালি কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত বৰছলিস্থিত বৰছলি আঞ্চলিক জাতীয় বিদ্যালয় প্ৰাংগণত নৱম আৰু দশম শ্ৰেণীৰ অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ লগত উক্ত বিদ্যালয়ত (একাদশ আৰু দ্বাদশ শ্ৰেণী)ৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে এখন গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। প্ৰাক্তন কাউন্সিলৰ অজেদ আলীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত অঞ্চলটোৰ বহুকেইগৰাকী ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত হয় উক্ত সভাখন। বিদ্যালয়ৰ অধ্যক্ষ আব্দুৰ ৰহিমে আঁত ধৰা সভাত ক্ষেত্ৰীহাৰদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নাজিমুদ্দিন শইকীয়াই ভাষণ প্ৰসংগত কয় যে বৃহত্তৰ বৰছলি অঞ্চলটো আগুৱাই নিবলৈ হ'লে অঞ্চলৰ সকলো ল'ৰা-ছোৱালী সুশিক্ষিত হোৱা দৰকাৰ। অসমত বৰ্তমান ব্যক্তিগত শিক্ষাষ্ঠানসমূহে শিক্ষা জগতত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। এই বিদ্যালয়খনে বিগত পাঁচটা বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰে সুনাম অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। বিদ্যালয়খন একাদশ আৰু দ্বাদশ শ্ৰেণী সংযোজন কৰাৰ সিদ্ধান্তক ভূয়সী প্ৰসংশা কৰে আৰু অঞ্চলৰ সকলো লোকৰ উপৰি ছাত্ৰ-ছাত্ৰী-অভিভাৱক-অভিভাৱিকাক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। প্ৰাক্তন আছু নেতা তথা নগেন ডেকা গাঁও পঞ্চায়তৰ প্ৰাক্তন কাউন্সিলৰ আতাউৰ ৰহমানে ভাষণ প্ৰসংগত কয় যে বৃহত্তৰ বৰছলি অঞ্চলৰ ৮০ শতাংশ কৃষি নিৰ্ভৰশীল দৰিদ্ৰ লোক। অঞ্চলৰ দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে অৰ্থৰ অভাৱত দুৰ-দূৰণিলৈ শিক্ষা গ্ৰহণ কৰিবলৈ অপাৰগ হয় যাৰ বাবে মেধা শিক্ষাৰ্থী উচ্চ শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হ'ব লগা হৈছে। এই বিদ্যালয়খনত একাদশ আৰু দ্বাদশ শ্ৰেণী সংযোজনৰ যুগান্তকাৰী সিদ্ধান্তক আদৰণি জনোৱাৰ লগতে সকলো প্ৰকাৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে।

বৰপেটা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিবেশনৰ আয়োজন

কলগাছিয়া, ২৮ অক্টোবৰ ঃ বৰপেটা চহৰ আৰু বৰপেটা খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত বৰপেটা মহকুমা প্ৰাথমিক সন্মিলনীৰ ৬০সংখ্যক দ্বি-বাৰ্ষিক বৰপেটা অধিবেশনখন অহা ৩১ অক্টোবৰত অনুষ্ঠিত হ'ব। বৰপেটা জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত ক'ভিড নিয়ম মানি এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা অধিবেশনত পুৱা আঠ বজাত ছাফাই কামেৰে আৰম্ভ হ'ব। পুৱা ৮-৩০ বজাত পতাকা উত্তোলন কৰিব বৰপেটা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰবীন দাসে। ইয়াৰ উপৰি ৮-৪৫ বজাত স্মৃতি তৰ্পণ কৰিব বৰপেটা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ভৱেশ তালুকদাৰে। নামঘৰত গছ পুলি ৰোপণ কৰিব অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নাৰায়ণ দাসে। ইপিনে, পুৱা ৯-২০ বজাত প্ৰতিনিধি পঞ্জীয়ন আৰু পুৱা ১০ বজাত অনুষ্ঠিত হ'ব মুকলি সভা। বৰপেটা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰবীন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণি ভাষণ আগবঢ়াব অভ্যৰ্থনা সভাৰ সভাপতি হৰেন্দ্ৰ নাথ দাসে। উক্ত মুকলি সভাত মুখ্য অতিথিৰূপে বৰপেটাৰ অতিৰিক্ত উপায়ুক্ত লখিমী দত্ত, বৰপেটা জিলা প্ৰাথমিক শিক্ষা বিষয়া মনোৰঞ্জন কাকতি, বিশিষ্ট অতিথি হিচাপে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি আনোৱাৰ হুছেইন, সৰ্বভাৰতীয় সদস্য তথা মণ্ডল সমন্বয়ক কিশোৰ শৰ্মা, সদস্য মোহন হালৈ, নিৰ্দিষ্ট বক্তা হিচাপে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামী, আমন্ত্ৰিত অতিথি হিচাপে ক্ষিতীশ চন্দ্ৰ সাহা, মথুৰা মোহন গোস্বামী, যুগল চন্দ্ৰ চৌধুৰী, চেঙাৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নিকুঞ্জ বৰ্মন, ভৱানীপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া পৰেশ চন্দ্ৰ শৰ্মা, ৰূপসী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া প্ৰদীপ কুমাৰ দাস আৰু মন্দিয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মতিয়াৰ ৰহমান উপস্থিত থাকিব। উল্লেখ্য যে অধিবেশনৰ লগত সংগতি ৰাখি প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ উন্মোচন কৰিব আলহাজ আলী আজগৰে।

ঘগ্ৰাপাৰত দক্ষতা বিকাশ প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ২৮ অক্টোবৰ ঃ অসম চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগৰ অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ ব'ৰ্ডৰ উদ্যোগত বেচৰকাৰী সংস্থা এমুলেট এডুকেছনেল ছাৰ্ভিচেছ ঘগ্ৰাপাৰ শাখাৰ সহযোগত আজি ঘগ্ৰাপাৰত এটা দক্ষতা বিকাশ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। ঘগ্ৰাপাৰ হৰিমন্দিৰ প্ৰাংগণত আয়োজিত প্ৰশিক্ষণ শিবিৰটো মুকলি কৰে নলবাৰীৰ শ্ৰম বিষয়া কবিতা বৰ্মনে। শিবিৰ মুকৰি কৰি বিষয়াগৰাকীয়ে বৰ্তমান সময়ত দক্ষলোকৰ অভাৱ নাই বুলি উল্লেখ কৰি উপযুক্ত প্ৰশিক্ষণৰ অভাৱতহে নিষ্ক্ৰিয় হৈ থকা বুলি মন্তব্য কৰে। অসম চৰকাৰৰ শ্ৰম বিভাগত পঞ্জীয়নভুক্ত মুঠ ১২০ পুৰুষ-মহিলা, যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰা স্বীকৃতিপ্ৰাপ্ত শ্ৰমিকসকলক দক্ষ আৰু শুদ্ধতাৰে যাতে নিৰ্মাণ কাৰ্য সম্পাদান কৰিব পাৰে তাৰ বাবে একাগ্ৰতাৰে প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ ল'বলৈ বিষয়াগৰাকীয়ে আহ্বান জনায়। এমুলেট এডুকেছনেল ছাৰ্ভিচেছৰ ঘগ্ৰাপাৰ শাখাৰ সঞ্চালিকা দেৱশ্ৰী কাশ্যপে উক্ত প্ৰশিক্ষণৰ জৰিয়তে চৰকাৰী সা-সুবিধাসমূহৰ পৰা শ্ৰমিকসকলে কেনেদৰে লাভবান হ'ব পাৰি তাৰ ওপৰত ব্যাখ্যা কৰে। ৰাজমিস্ত্ৰী আৰু কাঠমিস্ত্ৰীৰ ওপৰত হ'ব লগা প্ৰশিক্ষণ শিবিৰৰ প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীয়ে প্ৰতিদিনে ২৮০ টকাকৈ মাননি লাভ কৰিব বুলি সঞ্চালিকাগৰাকীয়ে সদৰী কৰে। সম্পূৰ্ণ দুমাহ অনুষ্ঠিত হ'ব লগা প্ৰশিক্ষণ শিবিৰটোত প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীয়ে পুৱা ৯.১৫ত ঘগ্ৰাপাৰ হৰিমন্দিৰ আয়োজিত প্ৰশিক্ষণ শিবিৰত উপস্থিত থাকিব লাগিব বুলিও সঞ্চলিকাগৰাকীয়ে সদৰী কৰে। আজিৰ এই শিবিৰটোয়ে পঞ্জীয়ন ভুক্ত শ্ৰমিকসকলৰ মাজত হাঁহি বিৰিঙোৱা পৰিলক্ষিত হৈছে। অনুষ্ঠানত আঁত ধৰে ক্ৰমে কেন্দ্ৰ সমন্বয়ক ভগৱান তালুকদাৰ আৰু শিৱ শংকৰ দাসে।

ছবছৰে সম্পূৰ্ণ নহ'ল সৃজনগ্ৰামৰ আদৰ্শ চিকিৎসালয়

■ বঙাইগাঁৱৰ কেবিনেট বৈঠকৰ পূৰ্বে মুখ্যমন্ত্ৰী-স্বাস্থ্যমন্ত্ৰীক চিকিৎসালয় পৰিদৰ্শনৰ আহ্বান

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ২৮ অক্টোবৰ ঃ 'সু-দীৰ্ঘ প্ৰায় ছবছৰৰ মূৰতো এখন চিকিৎসালয় মুকলি কৰিব নোৱাৰা বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰখনে উন্নয়নৰ ঢাক-ঢোল বজাই একো লাভ নাই। বঙাইগাঁও জিলাৰ সৃজনগ্ৰামত বছৰৰ পাছত বছৰ ধৰি নিৰ্মীয়মাণ অৱস্থাত থকা আদৰ্শ চিকিৎসালয়খন আজি পৰ্যন্ত সম্পূৰ্ণ কৰিব নোৱাৰা বিষয়টো উন্নয়নৰ ক্ষেত্ৰত দেখুওৱা চৰকাৰখনৰ সদিচ্ছাৰ এক নিদৰ্শন। এই মন্তব্য সদৌ কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ বঙাইগাঁও জিলা সমিতিৰ সভাপতি নাৰায়ণ মেধিৰ। পৰহি জিলাখনৰ সৃজনগ্ৰামৰ সৃজনী জাতীয় বিদ্যালয়ৰ এক আছুতীয়া কক্ষত আয়োজিত এক সংবাদমেলত কোচ ৰাজবংশী সংগ্ৰাম সমিতিকে ধৰি আক্ৰাছু, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ স্থানীয় আৰু জিলা পৰ্যায়ৰ নেতাই অংশ লোৱা সংবাদমেলত পিছপৰা সৃজনগ্ৰাম অঞ্চলত নিৰ্মীয়মাণ অৱস্থাত থকা চিকিৎসালয়খন কাৰ্যক্ষম কৰি তোলাৰ বাবে বিভিন্ন সময়ত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ পাছতো গুৰুত্ব নিদিয়াত সংগঠনকেইটাই ক্ষোভিত হৈ পৰে। আক্ৰাছুৰ বঙাইগাঁও জিলা সমিতিৰ সহ-সম্পাদক প্ৰবীণ মেধিয়ে চিকিৎসালয়খন নিৰ্মাণৰ দায়িত্ব লাভ কৰা ঠিকাদাৰ মুন্নাফ আহমেদৰ চূড়ান্ত অৱহেলাৰ বাবেই নিৰ্মাণ সম্পূৰ্ণ নোহোৱাৰ অভিযোগ তোলে। মেধিয়ে সংবাদমেলযোগে বঙাইগাঁৱত অনুষ্ঠিত হ'ব লগা অসম চৰকাৰৰ কেবিনেট বৈঠকত অংশ ল'বলৈ অহা মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীক গ্ৰামাঞ্চলৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত বিভাগ আৰু দায়িত্বৱত ঠিকাদাৰৰ কাম-কাজৰ ৰেহৰূপ প্ৰত্যক্ষ কৰিবলৈকো আহ্বান জনায়। এনেদৰে চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বঙাইগাঁও জিলা সমিতিৰ উপ-সভাপতি ছফিকুল আলম শ্বেইখ, আক্ৰাছুৰ সৃজনগ্ৰাম আঞ্চলিক সমিতিৰ সভাপতি গিৰিন কিশোৰ ৰায়, কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ অঞ্জন ৰাজবংশী, ধনজিৎ পাটোৱাৰীয়ে নিৰ্মীয়মাণ চিকিৎসালয়খন শীঘ্ৰে সম্পূৰ্ণ কৰাৰ দাবী জনায় অন্যথা অঞ্চলটোৰ ৰাইজৰ সহযোগত গণতান্ত্ৰিকভাৱে আন্দোলনৰ কাৰ্যসূচী ল'বলৈ বাধ্য হ'ব বুলি হুংকাৰ দিয়ে। যি সময়ত মহামাৰী ক'ভিডে মানুহৰ জীৱন মৰণৰ এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে, চৰকাৰে চিকিৎসা ক্ষেত্ৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে তেনে সময়তো বছৰৰ পাছত বছৰ অতিক্ৰম কৰাৰ পাছতো সৃজনগ্ৰাম আদৰ্শ চিকিৎসালয়খন মুকলি কৰিব নোৱাৰাটো চৰম দুৰ্ভাগ্যজনক বুলি ক্ষোভ উজাৰে সংগঠনকেইটাই। সংবাদমেলত আক্ৰাছুৰ সৃজনগ্ৰাম আঞ্চলিক সমিতিৰ সভাপতি গিৰিণ কিশোৰ ৰায়ে সৃজনগ্ৰাম আদৰ্শ চিকিৎসালয়খনৰ নিৰ্মাণ কাৰ্যৰ দায়িত্ব লাভ কৰা ঠিকাদাৰ মুন্নাফ আহমেদে নিম্নমানৰ সামগ্ৰীৰে যধে-মধে নিৰ্মাণকাৰ্য চলাই এক বৃহৎ ধনৰাশি হৰলুকি কৰা বুলি অভিযোগ কৰে। ঠিকাদাৰজনে বিভাগীয় সকলো নীতি-নিয়মক জলাঞ্জলি দিয়াৰ পাছতো চৰকাৰে ব্যৱস্থা গ্ৰহণ নকৰা বিষয়টো অতি ৰহস্যজনক বুলি তেওঁ উল্লেখ কৰে। সংবাদমেলৰ জৰিয়তে সমস্ত বিষয়টোৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰো দাবী জনায় নেতাজনে। উল্লেখ্য যে তদানীন্তন কংগ্ৰেছ চৰকাৰৰ দিনত ২০১৬ৰ ন ফেব্ৰুৱাৰীত সৃজনগ্ৰাম আদৰ্শ চিকিৎসালয়খনৰ আধাৰশিলা তথা নিৰ্মাণ কাৰ্যৰ আৰম্ভ কৰা হৈছিল। ২০১৭ৰ মাজভাগতেই চিকিৎসালয়খনৰ নিৰ্মাণ সম্পূৰ্ণ হ'ব লাগিছিল। কিন্তু ঠিকাদাৰ আৰু বিভাগীয় কৰ্তৃপক্ষৰ চৰম হেমাহিৰ বাবে ছবছৰতো সম্পূৰ্ণ হৈ নুঠিল। বিগত সময়ত নিৰ্মাণ কাৰ্যত সংঘটিত দুৰ্নীতিৰ বিৰুদ্ধে অঞ্চলটোৰ দল-সংগঠনে প্ৰতিবাদ জনোৱাৰ পাছতো ঠিকাদাৰজনক নাকী লগাব নোৱাৰিলে চৰকাৰে।

মূল্যবৃদ্ধি ঃ ১০-১৫ দিন পাছত অৱস্থা

এক পৃষ্ঠাৰ পৰা কৰিছো অহা ১০-১৫ দিনৰ পাছত এই পৰ্যায়টো পাৰ কৰি যাম।' ইয়াৰ সমান্তৰালভাৱে কৃষিমন্ত্ৰী অতুল বৰাই খুচুৰা বিক্ৰেতাসকলক নিয়ন্ত্ৰণ কৰিব পাৰিলেই মূল্যবৃদ্ধি কিছু হ্ৰাস হ'ব বুলি মন্তব্য কৰি কয়, 'আমাৰ যিকেইখন নিয়ন্ত্ৰিত বজাৰ আছে অৰ্থাৎ পামহীলৈ গ'লেই দেখিব যে তাত বস্তুৰ দাম বহুত বৃদ্ধি হোৱা নাই। বৃদ্ধি পাইছে খুচুৰা ব্যৱসায়তহে। সেয়ে এই খুচুৰা ব্যৱসায়ীসকলক নিয়ন্ত্ৰণ কৰিবলৈ প্ৰতিজন জিলা উপায়ুক্তলৈ নিৰ্দেশ প্ৰেৰণ কৰা হৈছে।' উল্লেখ্য যে প্ৰতিজন জিলা উপায়ুক্তক সংশ্লিষ্ট বিভাগৰ বিষয়াক লৈ এক টাস্ক ফ'ৰ্চ গঠন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে আৰু এই টাস্ক ফ'ৰ্চে খুচুৰা ব্যৱসায়ৰ স্থানসমূহত অভিযান চলাই মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ প্ৰয়াস চলাব চৰকাৰে।

ৰাজ্যত অনলাইনযোগে গাড়ীচালনাৰ

এক পৃষ্ঠাৰ পৰা এতিয়া জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়লৈ নোযোৱাকৈয়ে নিজ গৃহৰ পৰাই আধাৰ সংলগ্ন প্ৰমাণিকৰণৰ জৰিয়তে এই সেৱা লাভ কৰিবলৈ সক্ষম হ'ব। যোৰহাট, শিৱসাগৰ, বৰপেটা, কোকৰাঝাৰ আৰু বাগ্‌সা জিলাত নিৰ্বাচনী আচৰণবিধি অন্ত পৰাৰ পিছত এই সেৱা জনসাধাৰণে লাভ কৰিবলৈ সক্ষম হ'ব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই সেৱা আৰম্ভ কৰাৰ জৰিয়তে সমগ্ৰ দেশৰ ভিতৰত এনে সেৱা উপলব্ধ কৰা অসম ষষ্ঠখন ৰাজ্য হিচাপে পৰিগণিত হ'ল। প্ৰযুক্তিৰ প্ৰয়োগৰ জৰিয়তে জনসাধাৰণৰ সুবিধাৰ্থে এই সেৱাৰ প্ৰাৰম্ভণে জনসাধাৰণক সৰলীকৰণ কৰাৰ উপৰি সু-শাসনৰ সুবিধা প্ৰদান কৰাৰ প্ৰচেষ্টা চলোৱা হৈছে বুলিও তেওঁ কয়। এই সেৱাৰ জৰিয়তে জনসাধাৰণে এতিয়াৰে পৰা জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়লৈ গৈ শাৰীপাতি নিজৰ অমূল্য সময় অপচয় কৰাৰ পৰা ৰেহাই পাব বুলি তেওঁ কয়। এই সেৱাৰ জৰিয়তে এতিয়া জনসাধাৰণে নিজৰ গাড়ী চালনা অনুজ্ঞাপত্ৰৰ নৱীকৰণ আৰু ডুপ্লিকেট ড্ৰাইভিং লাইচেন্স প্ৰাপ্তিৰ বাবে অনলাইনৰ জৰিয়তে আবেদন কৰিব পাৰিব আৰু ইয়ে ৰাজ্য চৰকাৰৰ ৰাজহ বৃদ্ধিতো সহায় কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

জিলা পৰিবহণ বিষয়াৰ কাৰ্যপদ্ধতি আৰু অধিক সুচলতৰ কৰাৰ বাবে আৰু এটা প'ৰ্টেল সৃষ্টি কৰাৰ পদক্ষেপ লোৱা হ'ব বুলি উল্লেখ কৰি এই প'ৰ্টেলৰ জৰিয়তে পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ পৰা স্থায়ী ড্ৰাইভিং লাইচেন্স প্ৰাপ্তিৰ বাবে আগতীয়া এপইণ্টমেণ্ট লোৱাৰ ব্যৱস্থা কৰা হ'ব, যাতে কোনো কাৰণতে জিলা পৰিবহণ বিষয়াৰ অনুপস্থিতিৰ বাবে জনসাধাৰণে সেৱা লাভ কৰাৰ পৰা বঞ্চিত হ'ব নালাগে। আগন্তুক বৰ্ষৰ ৩১ মাৰ্চৰ ভিতৰত জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়সমূহ সম্পূৰ্ণ স্বয়ংক্ৰিয় কৰি তোলা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। সম্পূৰ্ণ স্বয়ংক্ৰিয় কাৰ্যসূচীৰ অধীনত স্বত্বাধিকাৰী হস্তান্তৰ, ডুপ্লিকেট পঞ্জীয়ন প্ৰমাণপত্ৰ, পঞ্জীয়ন প্ৰমাণপত্ৰৰ ঠিকনা সলনি, আন্তঃৰাষ্ট্ৰীয় গাড়ী চালনাৰ অনুজ্ঞা, কণ্ডাক্টৰৰ ডুপ্লিকেট অনুজ্ঞাপত্ৰ, কণ্ডাক্টৰ অনুজ্ঞাপত্ৰৰ নৱীকৰণ ইত্যাদি সেৱাসমূহ উপলব্ধ কৰা হ'ব। প্ৰযুক্তি প্ৰয়োগৰ জৰিয়তে আৰু অধিক সেৱা জনসাধাৰণক উপলব্ধ কৰোৱা হ'ব বুলিও তেওঁ কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বিভাগৰ সেৱা প্ৰদান পদ্ধতিত প্ৰযুক্তি কৌশল ব্যৱহাৰেৰে বিভাগটোক আৰু অধিক সক্ৰিয় কৰাৰ দিশত মুখ্যমন্ত্ৰী ড° শৰ্মাই লোৱা ভূমিকাৰ শলাগ লয়। বিভাগে আধাৰ আৰু আধাৰবিহীন প্ৰমাণিকৰণৰ সেৱাসমূহ জনসাধাৰণৰ বাবে আৰম্ভ কৰাৰ দিশত সক্ৰিয়ভাৱে কাম কৰি আছে বুলিও মন্ত্ৰীজনে কয়।

উল্লেখ্য যে পৰিবহণ বিভাগে যোৱা তিনি ছেপ্টেম্বৰত ইতিমধ্যে কণ্টেক্টলেছ লাৰ্ণাৰ লাইচেন্স প্ৰাপ্তি সেৱাৰ আৰম্ভ কৰিছে। এই সেৱাৰ জৰিয়তে কালিলৈকে সৰ্বমুঠ ১,৩৯,৯২৫ খন লাৰ্ণাৰ লাইচেন্স প্ৰদান কৰা হৈছে। তদুপৰি এম ভান এপ'ৰ জৰিয়তে বিভাগে ২৬ অক্টোবৰলৈ ৪৪৭২ খন ফিটনেছ চাৰ্টিফিকেট প্ৰদান কৰিছে।

মূল্যবৃদ্ধিৰ প্ৰতিবাদ, আৰক্ষীৰ বেৰিকেড

এক পৃষ্ঠাৰ পৰা সন্মুখত গণ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। পদযাত্ৰা কালত কে'বাঠাইত প্ৰতিবাদকাৰীৰ স'তে হতাহতিত লিপ্ত হয় আৰক্ষী। প্ৰতিবাদকাৰীসকলক বাধা প্ৰদানৰ উদ্দেশ্যে আৰক্ষীয়ে কে'বাটাও স্থানত বেৰিকেড স্থাপন কৰিছিল যদিও বেৰিকেড ওফৰাই তেওঁলোক আগবাঢ়ি যায়। ফলত আৰক্ষীৰ আক্ৰমণত কে'বাগৰাকী প্ৰতিবাদকাৰী আহত হয়। আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত প্ৰায় দুঘণ্টা ধৰি চলা ঠেলা-হেঁচা, টনা-আঁজোৰা, খেদা খেদি আৰু সশস্ত্ৰ চি আৰ পিৰ দ্বাৰা ৰচনা কৰা বেহু ভাঙি ৰাজভৱনত উপস্থিত হোৱা দলৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাসহ এটি প্ৰতিনিধি দলে মূল্যবৃদ্ধি ৰোধৰ দাবীৰে ৰাজ্যপাললৈ স্মাৰকপত্ৰ প্ৰদান কৰে।

উল্লেখ্য যে খাদ্য সামগ্ৰীৰ পৰা ঔষধলৈ তথা পেট্ৰ'ল-ডিজেল-ৰন্ধন গেছৰ পৰা আৰম্ভ কৰি নিৰ্মাণ সামগ্ৰীলৈ সকলোতে অনিয়ন্ত্ৰিত মূল্যবৃদ্ধিয়ে জনজীৱন বিপন্ন কৰি তুলিছে। কেন্দ্ৰ আৰু ৰাজ্য উভয়তে ক্ষমতাত থকা বিজেপি চৰকাৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰাৰ সলনি নিজৰ স্বাৰ্থান্বেষী কাম-কাজেৰে মূল্যবৃদ্ধি হোৱাৰ ক্ষেত্ৰত অৰিহণা যোগাই আহিছে। এই অভিযোগ কৰি অসম জাতীয় পৰিষদে চৰকাৰৰ এনে জনবিৰোধী কাৰ্যৰ প্ৰতিবাদত তথা মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত ৰাজভৱনলৈ গণবিক্ষোভ ৰূপায়ণৰ কাৰ্যসূচী হাতত লয়। সেই মৰ্মে দিনৰ ১২ বজাত গুৱাহাটী মহানগৰীৰ গুৱাহাটী ক্লাব টি চি পইণ্টত দলৰ কে'বাশ নেতা-কৰ্মী সমবেত হয়। সমবেত প্ৰতিবাদকাৰীসকলক বাধা দিবলৈ আৰক্ষীয়ে বাঁহৰ বেৰিকেড স্থাপন কৰাৰ লগতে প্ৰতিবাদকাৰীসকলক আটক কৰি নিবলৈ বহুকেইখন চিটি বাছ সাজু কৰি ৰাখে। প্ৰথমে তেওঁলোকে আৰক্ষীৰ বেৰিকেড ভাঙি আগবাঢ়িবলৈ চেষ্টা কৰোতে আৰক্ষীয়ে বাধা দিয়ে আৰু তাতেই মূল্যবৃদ্ধি প্ৰতিৰোধৰ দাবীত তথা চৰকাৰ বিৰুদ্ধে শ্ল'গান দিয়ে। প্ৰতিবাদকাৰীসকলে মূল্যবৃদ্ধি ৰোধ কৰক, নহ'লে গাদী এৰি দিয়ক, ৰাইজৰ সমস্যা সমাধান কৰক, আদানি-আম্বানীৰ চিন্তা বাদ দিয়ক, অসম চৰকাৰ হায় হায় ইত্যাদি শ্ল'গানেৰে সমগ্ৰ পৰিৱেশ উত্তাল কৰে। কিছু সময় শ্ল'গান দি প্ৰতিবাদকাৰীসকলে আচম্বিতে পথ সলনি কৰি বিপৰীত দিশে অগ্ৰসৰ হ'বলৈ ধৰে। প্ৰতিবাদকাৰীসকলৰ এই কৌশলে কাম দিয়ে। এনে কৰাৰ ফলত ছেদেলি-ভেদেলি হৈ পৰে আৰক্ষী-নিৰাপত্তাৰক্ষীসকল। এই সুযোগতে দলৰ সভাপতি লুৰীণজ্যোতি গগৈৰ নেতৃত্বত প্ৰতিবাদকাৰীসকলে বিপৰীত দিশৰ বেৰিকেড ভাঙি গুৱাহাটী ক্লাব বাৰোৱাৰী পথেৰে ৰাজভৱনলৈ উদ্দেশি পদযাত্ৰা আৰম্ভ কৰে। ৰাজভৱনলৈ যাত্ৰা কৰা পথত আৰক্ষীয়ে চাৰিটা পৃথক স্থানত বেৰিকেড বহুৱায় যদিও প্ৰতিবাদকাৰীসকলে আটাইকেইটা বেৰিকেড ভেদ কৰি ৰাজভৱনৰ সন্মুখত উপস্থিত হয়। দলৰ সভাপতি গগৈয়ে মূল্যবৃদ্ধিৰ বিৰুদ্ধে সাব্যস্ত কৰা এই গণতান্ত্ৰিক আন্দোলনক বাধা দিবলৈ চৰকাৰে যি স্থিতি গ্ৰহণ কৰিছে তাৰ বিৰুদ্ধে দলে কোনো কাৰণতে মনে মনে নাথাকে বুলি সকীয়াই দিয়ে।

ইপিনে, বেৰিকেড ভেদ কৰিবলৈ যোৱা প্ৰতিবাদকাৰীক বাধা দিবলৈ যোৱা আৰক্ষীৰ স'তে প্ৰতিবাদকাৰীৰ কে'বা ঠাইত ঠেলা-হেঁচা আৰু হতাহতিৰ সৃষ্টি হয়। বেৰিকেড অতিক্ৰম কৰি আগবাঢ়ি যোৱা প্ৰতিবাদকাৰীক ভেটিবলৈ কে'বা ঠাইত আৰক্ষীয়ে তেওঁলোকক খেদি যায় যদিও ব্যৰ্থ হয়। আনহাতে, সমদলকাৰীক বাধা দিয়াৰ নামত অসম আৰক্ষী সেৱাৰ এজন বিষয়াই অসম জাতীয় পৰিষদৰ সম্পাদক চিত্তৰঞ্জন বসুমতাৰীৰ ডিঙিত চেপি ধৰাৰ ফলত বসুমতাৰীৰ ডিঙিৰ ছাল ফাটি ৰক্তক্ষৰণ হয়। জাতীয় যুৱ শক্তিৰ কামৰূপ মহানগৰ সমিতিৰ মুখ্য আহ্বায়ক জিণ্টু ডেকাক এজন আৰক্ষীয়ে গতা মাৰি দিয়াৰ ফলত ডেকাৰ মুখেৰে তেজ নিৰ্গত হয়। পাছত অহাত ডেকাক মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয়। তদুপৰি গীতা ৰাভা নামৰ আন এগৰাকী দলীয় সদস্য আৰক্ষীৰ আক্ৰমণত আহত হয়। ঠেলা-হেঁচা, টনা-আঁজোৰা, খেদা-খেদিৰে প্ৰায় এঘণ্টা সময় ধৰি প্ৰায় ডেৰ কিলোমিটাৰ পথ পদযাত্ৰা কৰি প্ৰতিবাদকাৰীসকল ৰাজভৱনৰ সন্মুখত উপস্থিত হয় আৰু তাতে আৰক্ষীয়ে তেওঁলোকক আটক কৰি লতাশিল থানালৈ লৈ যায়। আনহাতে, দলৰ সভাপতি লুৰীণজ্যোতি গগৈৰ নেতৃত্বত এটা প্ৰতিনিধি দলে ৰাজভৱনলৈ গৈ ৰাজ্যপাল অধ্যাপক জগদীশ মুখীৰ হাতত স্মাৰকপত্ৰ অৰ্পণ কৰে। দলৰ সভাপতিৰ লগতে কাৰ্যকৰী সভাপতি পবীন্দ্ৰ ডেকা, সাধাৰণ সম্পাদক জগদীশ ভূঞা আৰু মুখ্য উপদেষ্টা বসন্ত ডেকাৰে গঠিত প্ৰতিনিধি দলটোৱে ৰাজ্যপালক প্ৰদান কৰা স্মাৰকপত্ৰখনত অনিয়ন্ত্ৰিত মূল্যবৃদ্ধিয়ে কেনেকৈ জনজীৱন বিপন্ন কৰি তুলিছে তাৰ বৰ্ণনা দিয়াৰ লগতে মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ হকে চৰকাৰখনে যে একো ব্যৱস্থা গ্ৰহণ কৰা নাই সেই কথা উল্লেখ কৰি সেয়া নিয়ন্ত্ৰণৰ ব্যৱস্থা ল'বলৈ দাবী জনায়।

অৱহেলাত ধ্বংসপ্ৰাপ্ত কটপুহাৰ উদ্যোগ

এক পৃষ্ঠাৰ পৰা আৰু চিত্ৰনলা উদ্যোগ ইতিমধ্যে কেতিয়াবাই বন্ধ হৈ প্ৰায় ৭০ বিঘা চৰকাৰী সংৰক্ষিত ভূমি পৰি আছে। গছ লতাই আৱৰি ধৰিছে দুয়োটা উদ্যোগ গৃহ। ভাঙি চিঙি গৈছে কোটি কোটি টকা ব্যয় সাপেক্ষ যন্ত্ৰপাতি। উল্লেখ্য যে নলবাৰী চহৰৰ পৰা প্ৰায় ১৫ কিলো মিটাৰ দক্ষিণে বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত কৰিয়া কটপুহাত থকা প্ৰায় ৭০ বিঘা সংৰক্ষিত ভূমিৰ ২৫ বিঘা সামৰি স্বৰ্ণ জয়ন্তী গ্ৰাম স্বৰোজগাৰ যোজনা আঁচনিৰ ধনেৰে নলবাৰী জিলা গ্ৰামীণ বিকাশ অভিকৰণে নিৰ্মাণ কৰিছিল এক উদ্যোগ পাম। তদুপৰি উক্ত উদ্যোগ পামত এটা কয়াৰ আৰু চিত্ৰনলা উদ্যোগৰ ১৯৯৬ ৰ পহিলা জানুৱাৰীত উদ্বোধন কৰিছিল তদানীন্তন কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাষ্ট্ৰপতি প্ৰয়াত প্ৰণৱ মুখাৰ্জীয়ে। কিন্তু মাত্ৰ কেইটামান দিন চলাৰ পাছতে উদ্যোগ দুটা যি বন্ধ হৈ পৰিল এবাৰো ঘূৰি চোৱাৰ সময় নহ'ল চৰকাৰৰ। ফলত দুই শতাধিক নিয়োগ আৰু সন্তোষজনক উপাৰ্জনৰ সম্ভাৱনা থকাৰ পাছতো সম্প্ৰতি ভগ্নস্তূপত পৰিণত হৈছে উদ্যোগ পামখন। কেৱলমাত্ৰ ইয়াত অস্থায়ীভাৱে নিযুক্ত ৰখীয়া কুমুদ ডেকাৰ পৰিয়ালটোৱে বাস কৰি আছে। ইতিমধ্যে ১১ বছৰ পূৰ্বে মৃত্যুবৰণ কৰা কুমুদ ডেকাৰ পত্নী সুমিত্ৰা ডেকা (৬২)ই কয়, 'মাত্ৰ কেইটামান দিনৰ পাছতে বন্ধ হৈ পৰিছিল উদ্যোগ দুটা; কিন্তু কোনোৱে খবৰ নললে। উদ্যোগ দুটা ভাল হৈ উঠিব, আমাৰো চাকৰি নিয়মীয়া হ'ব তাকে বাট চাই থাকোতে তেওঁ সিফলীয়া হ'ল। এতিয়া ল'ৰা দুটাই দিন হাজিৰা কৰে আৰু টকা ধাৰ লৈ বতৰত ইয়াৰ ভূমিত খেতিখন কৰো। মেছিনঘৰটোতে আমি আছো, কিন্তু এজাক বৰষুণ আহিলেই ঘৰৰ ভিতৰতে প্লাষ্টিক টানি থাকিবলগীয়া অৱস্থা। তথাপি ইয়াতে আছো। দুয়োজন ল'ৰাৰ সংসাৰ হ'ল। এতিয়া এই উদ্যোগৰ কিবা ভাল দেখি মৰিব পাৰিলেই হয়।' ইপিনে, শেহতীয়াভাৱে অসম চৰকাৰৰ উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ গৃহ জিলাতে এনেদৰে উদ্যোগ প্ৰতিষ্ঠান ৰসাতলে যোৱা বিষয়ে সংবাদ মাধ্যমে সবিশেষ দাঙি ধৰাৰ পাছত চৰকাৰী নিৰ্দেশমৰ্মে নলবাৰী জিলা উদ্যোগ আৰু বাণিজ্য বিভাগে যোৱা ২৫ জুনত ইয়াৰ শেহতীয়া অৱস্থাৰ প্ৰতিবেদন দাখিল কৰিয়ে দায়িত্ব সামৰিছে। আনকি কটপুহাৰ উদ্যোগৰ লগত উদ্যোগ বিভাগৰ কোনো সম্পৰ্ক নাই বুলিও স্পষ্ট কৰি দিয়ে বিভাগটোৱে। তদুপৰি বিভাগটোৰ এক সূত্ৰই প্ৰকাশ কৰে, 'এতিয়া আমাৰ হাতত একো কাম কৰাৰ ক্ষমতা নাই। আমি মাত্ৰ পৰ্যবেক্ষণহে কৰিব পাৰো।' ইপিনে, নতুন উদ্যোগ পাম স্থাপনৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰাত নলবাৰীৰ বৰক্ষেত্ৰী সমষ্টিৰ কটপুহাত থকা উদ্যোগ পামৰ পুনৰনিৰ্মাণৰ আহ্বান জনায় বিধায়ক দিগন্ত বৰ্মনে। তেওঁ কয়, 'কটপুহাত থকা কয়াৰ আৰু চিত্ৰনলা উদ্যোগত যদিও ২৫ বিঘা ভূমি আছে ইয়াৰ সংলগ্নভাৱে আৰু ৫০-৬০ বিঘা ভূমি আছে। ইয়াত চাহিদা অনুযায়ী নতুন উদ্যোগ নিৰ্মাণ সহজেই সম্ভৱ। তদুপৰি মূল সংযোগী পথ হাজো-গুৱাহাটী পথৰ পৰা মাত্ৰ এক কিলোমিটাৰ দূৰত্বহে। লগতে ইয়াৰ ওচৰত ডায়েটৰ দৰে প্ৰতিষ্ঠান আৰম্ভ হৈছে। তদুপৰি মই ইতিমধ্যে বিভাগক এই আহ্বান জনাইছো, কিন্তু বিভাগে মাটিৰ শ্ৰেণী অনুসৰি এই পৰ্যন্ত ইচ্ছা প্ৰকাশ কৰা নাই।' লক্ষ্যণীয় যে ৰাজহ বিভাগে চৰকাৰী ভূমিক জলাশয়, ব্যৱসায়িক পথাৰ, পশুৰ চৰণীয়া পথাৰ, খাচ আৰু পাহাৰীয়া শ্ৰেণীবিভাজন কৰি ইয়াৰ অধিকাৰ ব্যৱহাৰৰ ভিন্নতা নিৰূপণ কৰিছে। ইয়াৰ কটপুহাৰ উদ্যোগভূমি ভি জি আৰৰ অন্তৰ্ভুক্ত। আনহাতে ২০০৬ ত উচ্চতম ন্যায়ালয়ে এই শ্ৰেণীৰ চৰকাৰী ভূমি সংৰক্ষণৰ নিৰ্দেশ দিয়াত এই ভূমিত উদ্যোগ পাম নিৰ্মাণত বাধা আহি পৰিছে বুলি উদ্যোগ বিভাগৰ এক সূত্ৰই সদৰী কৰিছে। লক্ষ্যণীয় যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পূৰ্বেই উক্ত ভূমিত উদ্যোগ পাম স্থাপন কৰা হৈছিল। সেইমৰ্মে কটপুহাৰ উদ্যোগভূমিত উদ্যোগ পামৰ পুনঃনিৰ্মাণৰ দাবী তুলিছে স্থানীয় ৰাইজ আৰু কেবাটাও সংগঠন সংস্থাই।

গাখীৰ খোৱা মতলব নহয়, টেকেলি ভঙাৰ হে ঃ সৰৱ আছু, যুৱ- ছাত্ৰ পৰিষদ

'নলবাৰীত পুনৰ তিনিখন উদ্যোগিক পাম স্থাপন হোৱাৰ খবৰ নিঃ সন্দেহে আদৰণীয়; কিন্তু এনেদৰে উদ্যোগীকৰণৰ নামত কিছুমান নিৰ্মাণ কাৰ্য কৰিব আৰু তাৰ পাছত জহি খহি গৈ থাকিব। চৰকাৰৰ খবৰ লোৱাৰ সময় নাথাকে। উদ্যোগ বিভাগে তেওঁলোকৰ অধীনস্থ নহয় বুলি ৰিপ'ৰ্ট এটা দি দায় সৰাৰ চেষ্টা কৰিব— সেইবোৰ মানি ল'ব নোৱাৰি। এই টকাবোৰ কাৰ, ৰাইজৰ নহয় নেকি? সন্দেহ হয়, তেওঁলোকৰ গাখীৰ খোৱা মতলৱ নহয়, টেকেলি ভঙাৰহে। যদি তেনে নহয় অন্ততঃ কটপুহাৰ উদ্যোগভূমিত এখন উদ্যোগ পাম নিৰ্মাণ কৰি সদিচ্ছাৰ প্ৰমাণ কৰক।' এই দাবী নলবাৰী জিলা ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ। নলবাৰী জিলা ছাত্ৰ সন্থাৰ সম্পাদক অক্ষয় ডেকাই কয়, 'এজন নিষ্কৰ্মা মন্ত্ৰীক নিজৰ জিলাৰ বুলি মিছা গৌৰৱ কৰি থাকিলো। মন্ত্ৰীজনৰ যদি নলবাৰীত উদ্যোগ নিৰ্মাণৰ সদিচ্ছা আছে তেনেহ'লে কটপুহাত দেখুৱাওক তেওঁৰ এনে সদিচ্ছা। ইয়াত নলবাৰীৰ ৰাইজৰ আবেগ জড়িত হৈ আছে। অযথা প্ৰলোভন দি নাথাকিব।'

ইপিনে, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি পাৰ্থপ্ৰতিম শৰ্মাই কয়, 'নলবাৰীত উদ্যোগিক পাম স্থাপন হ'ব, এই খবৰ যিমান উৎসাহজনক তাতকৈ অধিক নিৰুৎসাহজনক হ'ব যদিহে ভূমিৰ অভাৱত হেৰুৱাব লগা হয়। গতিকে ইতিমধ্যে যিকেইটা উদ্যোগ বন্ধ হৈ গ'ল সেইবোৰত চৰকাৰে চকু দিয়ক। তদুপৰি কটপুহাৰ দৰে সুবিধাজনক আৰু বৃহৎ অঞ্চলৰ ভূমিত অন্ততঃ এখন উদ্যোগ পাম নিৰ্মাণ কৰক।' অনুৰূপ দাবী প্ৰকাশ কৰিছে যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বিশ্বজিৎ বৰুৱাইও। বৰুৱাই কয়, 'প্ৰচুৰ সম্ভাৱনাময় আছিল কটপুহাৰ উদ্যোগক্ষেত্ৰ; কিন্তু আজি প্ৰায় ২০টা বছৰেই গা নলৰিল চৰকাৰৰ। ইয়াৰ পুনৰজ্জীৱিত কৰাৰ দাবী তোলা কিমানজন লোকে ইতিমধ্যে ইহ সংসাৰ ত্যাগ কৰিলে। এতিয়াতো উদ্যোগ মন্ত্ৰী এইখন নলবাৰী জিলাৰে। গতিকে নলবাৰীত যদি উদ্যোগীকৰণৰ সদিচ্ছা আছে তেনেহ'লে প্ৰথমে কটপুহাৰ উদ্যোগস্থলীত উদ্যোগিক পামৰ নিৰ্মাণ কৰক।' উল্লেখ্য যে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপ সভাপতি বিশ্বজিৎ বৰুৱা এই অঞ্চলৰে এজন লোক। তদুপৰি কটপুহাৰ উদ্যোগক্ষেত্ৰক পুনৰুজ্জীৱিত কৰাৰ বাবে দীৰ্ঘদিন ধৰি দাবী তুলি অহা সকলৰ ভিতৰত বৰুৱাও অন্যতম।

অস্ত্ৰ ত্যাগৰ সিদ্ধান্ত ডিমাছা

এক পৃষ্ঠাৰ পৰা অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ বিষয়া তথা উগ্ৰপন্থী সংগঠনটোৰ নেতৃত্বৰ উপস্থিতিত ড° শৰ্মাৰ অধ্যক্ষতাত এক বৈঠক অনুষ্ঠিত হয়। উল্লেখ্য যে চলিত বৰ্ষৰ ছেপ্টেম্বৰত ছমাহৰ বাবে একপক্ষীয় যুদ্ধবিৰতি ঘোষণা কৰিছিল সংগঠনটোৱে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ শান্তিৰ আহ্বান মৰ্মে সাত ছেপ্টেম্বৰত এক বিবৃতিযোগে যুদ্ধবিৰতি ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰীয়ে আজি দিছপুৰত নেতৃত্বৰ সিদ্ধান্তক আদৰণি জনাই কয় যে অসম চৰকাৰৰ সামুহিক উন্নয়নৰ প্ৰক্ৰিয়াত ডিএনএলএৰ সিদ্ধান্তই অৰিহণা যোগাব।

বৰুৱা দম্পতীৰ শেষকৃত্য

এক পৃষ্ঠাৰ পৰা প্ৰাধিকৰণৰ অৱসৰপ্ৰাপ্ত সঞ্চালক ননীগোপাল বৰুৱা আৰু তেওঁৰ পত্নী মীনা বৰুৱাৰ শেষকৃত্য আজি নৱগ্ৰহ শ্মশানত এক শোকাকুল পৰিৱেশৰ মাজত সম্পন্ন কৰা হয়। শোৱাপাটীতে ঘাতকে যোৱা ২৫ অক্টোবৰৰ নিশা নৃশংসভাৱে হত্যা কৰা দম্পতীহালৰ দুই কন্যাৰ কনিষ্ঠ সোণালী বৰুৱা পৰহিয়ে মুম্বাইৰ পৰা আহি উপস্থিত হোৱাৰ পাছত আজি জ্যেষ্ঠা কন্যা মানসী বৰুৱা লণ্ডনৰ পৰা আহি বেলতলাত উপস্থিত হোৱাৰ পাছতে দুই জীয়ৰীয়ে মুখাগ্নি কৰি পিতৃ-মাতৃক অন্তিম বিদায় দিয়ে। উল্লেখ্য যে ঘটনা সংক্ৰান্তত আৰক্ষীয়ে ৰুজু কৰা ভাৰতীয় দণ্ড বিধিৰ ৪৫৮/৩৮০/৩০২ ধাৰাত ৩৯০০/২০২১ নম্বৰ গোচৰত হত্যাকাণ্ডত জড়িত থকাৰ অভিযোগত মৃত দম্পতীক আলপৈচান ধৰোতা আকাশ চৌধুৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি সাত দিনৰ জিম্মাত লৈছে যদিও আজিও ধৃত আকাশে হত্যাকাণ্ডৰ কথা স্বীকাৰ কৰা নাই। উক্ত দিনা সন্ধিয়া তেওঁ বন্ধুবৰ্গৰ স'তে মদ খাইছিল যদিও তেওঁ এই হত্যাকাণ্ড সংঘটিত কৰা নাই বুলি সংবাদ মাধ্যমৰ আগত আজিও দাবী কৰি আহিছে। ইফালে, তদন্তকাৰী দলে ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰা তথ্য-প্ৰমাণৰ ভিত্তিত ধৃত আকাশ জড়িত বুলি দাবী কৰি আহিলেও এই ঘটনাত আন কোনো লোক জড়িত আছে বুলি তথ্য লাভ কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে আৰক্ষীৰ জেৰাত ধৃত আকাশে কোনো কথা স্বীকাৰ নকৰিলেও মৃত দম্পতীহালক সেই মাটিত এটা ফ্লেট সাজিবলৈ ধৃত আকাশে দাবী কৰি আহিছিল বুলি তদন্তকাৰী দলে তথ্য লাভ কৰিছে। আনকি সেই মাটি বিল্ডাৰক দি তাতে এটা ফ্লেট ল'বলৈও দম্পতীহালক পৰামৰ্শ দিছিল ধৃত আকাশে। কিন্তু বৰুৱা দম্পতীয়ে এই কথাত গুৰুত্ব নিদি মাটিখিনি দুই কন্যাৰ নামত নামজাৰি কৰি দিছিল বুলি তদন্তকাৰী সূত্ৰই সদৰী কৰে। ফলত প্ৰতিশোধৰূপে এনে ঘটনা সংঘটিত কৰিব পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছে। উল্লেখ্য যে ধৃত আকাশে কিছুদিন মাটিৰ দালালিও কৰিছিল আৰু এইক্ষেত্ৰত আৰক্ষীয়ে সকলো দিশ পৰীক্ষা কৰিছে। কোনো বিল্ডাৰ এই ঘটনাত জড়িত থকা বুলি সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে আৰু ঘটনাৰ সংক্ৰান্তত কে'বাজনো বিল্ডাৰক আৰক্ষীয়ে শীঘ্ৰে সোধ-পোছ কৰাৰ সম্ভাৱনা আছে। ইফালে, আৰক্ষীয়ে সোধ-পোছৰ বাবে আটক কৰা তথা ঘটনা সংঘটিত হোৱাৰ দিনা সন্ধিয়া ধৃত আকাশৰ স'তে একে লগে সুৰাপান কৰা সতীৰ্থ চালক জোন শইকীয়া, সত্যেন্দ্ৰ সিং আৰু ৰমেশ চৌধুৰীক আজি মুকলি কৰি দিয়ে আৰক্ষীয়ে। সমান্তৰালভাৱে ধৃত আকাশৰ পত্নী তথা দম্পতীৰ লগত সৰুৰে পৰা থকা পুতু দাসক আৰক্ষীয়ে আটক কৰি ঘটনাৰ সংক্ৰান্তত জেৰা অব্যাহত ৰাখিছে। পাণবজাৰ মহিলা আৰক্ষী থানাত আজি দিনটো মাৰাথন জেৰা অব্যাহত ৰখাৰ পাছত ধৃত আকাশৰ পত্নীয়ে ঘটনাৰ লগত পৰিয়ালটো জড়িত নহয় বুলি দাবী কৰে।

পাকিস্তানৰ জয় উদ্‌যাপন কৰি

এক পৃষ্ঠাৰ পৰা ছাত্ৰ আজি আগ্ৰাত আদালতৰ বাহিৰত আক্ৰমণৰ সন্মুখীন হয়। ছাত্ৰী তিনিজনক আজি দণ্ডাধীশৰ সন্মুখত হাজিৰ কৰোৱাৰ সময়ত এদল লোকে তেওঁলোকক তীব্ৰ প্ৰশ্নবাণেৰে জৰ্জৰিত কৰাৰ উপৰি প্ৰহাৰ কৰে। এই সম্পৰ্কীয় প্ৰতাৰিত ভিডিঅ'ৰ দৃশ্যত দেখা গৈছে যে ক্ষুব্ধ লোকসকলে বিভিন্ন শ্ল'গান দিয়াৰ মাজতে আৰক্ষী দলে ছাত্ৰ তিনিজনক আঁতৰাই নিবলৈ চেষ্টা চলাইছে। পাকিস্তান মুৰ্দাবাদ আৰু ভাৰত মাতা কী জয় আদি বিভিন্ন শ্ল'গান দিয়ে ক্ষুব্ধ লোকসকলে।

আগ্ৰাৰ ৰাজা বলৱন্ত সিং মেনেজমেণ্ট টেকনিকেল কেম্পাছৰ ইঞ্জিনিয়াৰিঙৰ ছাত্ৰ আৰ্শ্বিদ ইউছুফ, আলতাফ শ্বেখ আৰু চৌকত আহমেদ গানাইৰ বিৰুদ্ধে ধৰ্মৰ ভিত্তিত বিভিন্ন গোটৰ মাজত শত্ৰুতা আৰু চাইবাৰ সন্ত্ৰাসবাদৰ অভিযোগ উত্থাপন কৰা হৈছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে এটা টুইটত ইংগিত দিয়া হৈছে যে যুৱক তিনিজন ৰাষ্ট্ৰদ্ৰোহৰ গোচৰত গ্ৰেপ্তাৰ হ'ব পাৰে। আজি জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মেহবুবা মুফটি তিনি ছাত্ৰৰ গ্ৰেপ্তাৰৰ বিৰোধিতা কৰে আৰু তাৎক্ষণিকভাৱে তেওঁলোকক মুকলি কৰি দিবলৈ কয়। ভাৰতীয় জনতা যুৱ মৰ্চা (বি জে ৱাই এম), বিজেপিৰ যুৱ শাখাই অনুমতি অবিহনে কলেজ চৌহদত বলপূৰ্বক প্ৰৱেশ কৰি বিশ্বাসঘাতকক কলেজ কৰ্তৃপক্ষই আশ্ৰয় দিয়াৰ অভিযোগ কৰে। এই দলটোৰ নেতৃত্ব দিয়া বিজেপিৰ যুৱ মৰ্চাৰ গৌৰৱ ৰাজাৱতে কলেজ চৌহদৰ বাহিৰৰ আৰক্ষীক অভিযোগ দাখিল কৰে। ইপিনে, কলেজ প্ৰশাসনে চৌহদৰ ভিতৰত পাকিস্তানৰ সমৰ্থনত শ্ল'গান দিয়াৰ অভিযোগ অস্বীকাৰ কৰে যদিও ভাৰত-পাকিস্তানৰ সমৰ্থনত সামাজিক মাধ্যমত স্থিতি জাহিৰ কৰাৰ শৃংখলাৱদ্ধতা ভংগৰ বাবে ছাত্ৰ তিনিজনক নিলম্বিত কৰে। একে সময়তে বিজেপিৰ যুৱ মৰ্চাৰ দলে কলেজত বলপূৰ্বক প্ৰৱেশ কৰি হৈ-চৈ সৃষ্টি কৰাৰ বাবে সমালোচনা কৰে কলেজ প্ৰশাসনে।

ইয়াৰ পাছত ছাত্ৰকেইজনক গ্ৰেপ্তাৰ কৰা হয়। আন এজন ছাত্ৰ নিয়াজ খানক ফেচবুকত আপত্তিজনক প'ষ্ট দিয়াৰ বাবে পৃথক স্থানৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। তথ্য অনুসৰি, ছাত্ৰজনে 'আই লাভ পাকিস্তান', 'আই মিচ পাকিস্তান', 'জিত মোবাৰক হো' অৰ্থাৎ মই পাকিস্তানক ভাল পাওঁ, পাকিস্তানলৈ মোৰ মনত পৰে, বিজয় সম্ভাষণ জনালো আদি প'ষ্ট দিয়ে। হিন্দু জাগৰণ মঞ্চৰ অভিযোগৰ পাছত ছাত্ৰজনক গ্ৰেপ্তাৰ কৰা হয়। তদুপৰি ভাৰত পৰাজিত হোৱাত আন একাংশই পাকিস্তানৰ পক্ষত উল্লাস ধ্বনি দিয়াৰ অভিযোগত চাৰিজনক গ্ৰেপ্তাৰ কৰা হৈছে। তদুপৰি ভাৰতৰ বিৰুদ্ধে সন্মান হানিকৰ শব্দ ব্যৱহাৰৰ অভিযোগতো আন এজনক গ্ৰেপ্তাৰ কৰা হয়।

সহপাঠীক যৌন নিৰ্যাতনৰ

এক পৃষ্ঠাৰ পৰা গৱেষক ছাত্ৰ এজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছত আদালতে অভিযুক্তক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে যোৱা পহিলা ছেপ্টেম্বৰত তেজপুৰ বিশ্ববিদ্যালয়লৈ আহি আইছ'লেচনত থকা গৱেষক ছাত্ৰীগৰাকীক ১৩ ছেপ্টেম্বৰ আৰু ১৫-১৬ অক্টোবৰত যৌন আতিশয্য চলাইছিল অভিযুক্ত ছাত্ৰ কৌশল আগৰৱালাই। আনকি বিশ্ববিদ্যালয়ৰ চৌহদৰ ছাত্ৰী নিবাসৰ সমীপৰ পথত ছাত্ৰীগৰাকীক ধৰ্ষণৰ চেষ্টা চলাইছিল অভিযুক্তই। একেটা বিভাগৰে দ্বিতীয় যাণ্মাষিকৰ ছাত্ৰজনে যৌন নিৰ্যাতন চলোৱা বুলি এজাহাৰত উল্লেখ কৰা ছাত্ৰী গৰাকীয়ে প্ৰকাশ কৰা অনুসৰি সহপাঠী হোৱাৰ সূত্ৰে পৰিচয় আৰু বন্ধুত্ব গঢ় লোৱা ছাত্ৰজনে নিৰ্যাতিতাৰ ওপৰত তিনিদিন কৰা এই নিৰ্যাতনৰ প্ৰমাণ হিচাপে ছাত্ৰীগৰাকীৰ কাপোৰ আৰু শৰীৰত থকা চিহ্ন ৰৈ গৈছে। নিশা ৭-৩০ বজাৰ পৰা ন বজাৰ ভিতৰত এই ঘটনা সংঘটিত হৈছিল। উল্লেখ্য যে এই ঘটনাৰ বিষয়ে তেওঁ বিশ্ববিদ্যালয়ৰ কৰ্তৃত্বশীল পক্ষকো অৱগত কৰিছিল আৰু দুজন নিৰাপত্তাৰক্ষী এই জঘন্য ঘটনাৰ সাক্ষী আছিল বুলিও এজাহাৰত প্ৰকাশ কৰে। ২৬ অক্টোবৰত তেজপুৰ সদৰ থানাত দাখিল কৰা এজাহাৰ অনুসৰি এছ চি ভি ৰমন ছাত্ৰাবাসত থকা গৱেষক ছাত্ৰ কৌশলে প্ৰথমে তেওঁক একপক্ষীয় প্ৰেম নিবেদন কৰা তথা শিশুকালত কৌশলো যৌন নিৰ্যাতনৰ বলি হোৱা আৰু কৌশলেও এটি শিশুক একে কাণ্ড কৰাৰ বিষয়ে উল্লেখ কৰি অভিযোগকাৰী ছাত্ৰীগৰাকীয়ে আৰু প্ৰকাশ কৰে যে ছাত্ৰীগৰাকীয়ে তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ মানসিক স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানত কিছু চিকিৎসা গ্ৰহণ কৰিছিল। এই বিষয়ে অভিযুক্তই জনাৰ পাছতে ছাত্ৰীগৰাকীক নিজৰ শিশু অৱস্থাত হোৱা ঘটনা তথা ছাত্ৰ কৌশলে নিজেও আত্মহত্যাৰ প্ৰৱণতাত ভোগাৰ বিষয়ে কোৱাত অভিযোগকাৰী ছাত্ৰীগৰাকীয়েই কৌশলকো মনৰোগ চিকিৎসকৰ ওচৰলৈ নিয়াৰ বিষয়েও এজাহাৰত উল্লেখ কৰিছে। ছাত্ৰীগৰাকীৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে অভিযুক্ত গৱেষক ছাত্ৰ কৌশল আগৰৱালাৰ বিৰুদ্ধে তেজপুৰ সদৰ আৰক্ষী থানাত ২৩৭৫-২১ নম্বৰৰ গোচৰ ৰুজু কৰে আৰু কালি সন্ধিয়া তেজপুৰ বিশ্ববিদ্যালয় চৌহদৰ পৰা ছাত্ৰজনক গ্ৰেপ্তাৰ কৰে। আজি বিয়লি প্ৰায় চাৰি বজাত অভিযুক্ত ছাত্ৰজনক তেজপুৰ আদালতত হাজিৰ কৰোৱাত ন্যায়ালয়ে তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ইপিনে, অভিযুক্ত ছাত্ৰজনে এই অভিযোগ সন্দৰ্ভত আদালত চৌহদত সংবাদ মাধ্যমৰ আগত কোনো ধৰণৰ মন্তব্য দিয়াৰ পৰা বিৰত থাকে। ইপিনে, এই ঘটনা সন্দৰ্ভত তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক বীৰেণ দাসে 'দৈনিক অগ্ৰদূত'ৰ আগত প্ৰকাশ কৰা অনুসৰি ছাত্ৰীগৰাকীয়ে এই সন্দৰ্ভত বিশ্ববিদ্যালয়ৰ অন্তৰ্বৰ্তী অভিযোগ সমিতিৰ আগত ১৯ অক্টোবৰত অভিযোগ দাখিল কৰিছিল আৰু সমিতিয়ে অভিযোগকাৰী আৰু অভিযুক্তৰ ভাষ্য গ্ৰহণ কৰিছিল ২০ অক্টোবৰত। যিহেতু বিষয়টো সমিতিয়ে তদন্ত কৰি আছে সেয়ে বিশ্ববিদ্যালয়ৰ আন কোনো পক্ষই এই সন্দৰ্ভত অৱগত নহয় বুলিও তেওঁ কয়। এই পৰ্যন্ত ছাত্ৰজনক গ্ৰেপ্তাৰ কৰাৰ বিষয়ে আৰক্ষীয়ে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক আনুষ্ঠানিকভাৱে জনোৱা নাই বুলিও দাসে উল্লেখ কৰে।

গোসাঁইগাঁৱত অব্যাহত উপ-নিৰ্বাচনকেন্দ্ৰিক

এক পৃষ্ঠাৰ পৰা শিলগুটি নিক্ষেপৰ অভিযোগ উত্থাপন হৈছে। যোৱা নিশা বিপিএফৰ এজন সক্ৰিয় কৰ্মীৰ বাসগৃহত দুৰ্বৃত্তই শিলগুটি নিক্ষেপৰ অভিযোগত আজি গোসাঁইগাঁও আৰক্ষী থানাত এজাহাৰ দাখিল কৰা বুলি সদৰী কৰে বিপিএফ কৰ্মী ৰমন নাৰ্জাৰীয়ে। নিশা প্ৰায় ১১ বজাত দুখন বলেৰ' গাড়ীত অহা দুৰ্বৃত্তৰ দলে তেওঁৰ বাসগৃহলৈ শিলগুটি নিক্ষেপ কৰা বুলিও অভিযোগ কৰে কৰ্মীজনে। উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি এই ঘটনা সংঘটিত হোৱা বুলিও তেওঁ কয়। পৰিয়ালটোৱে এই ঘটনাৰ পাছত নিৰাপত্তাহীন অনুভৱ কৰা বুলিও তেওঁ কয়। ঘটনাস্থলীত ইতিমধ্যে গোসাঁইগাঁৱৰ আৰক্ষীৰ দল উপস্থিত হৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰে। ইপিনে, যোৱা মঙলবাৰে নিশাও গোসাঁইগাঁও বিধানসভা সমষ্টিৰ মালাগুৰি আৰু আমলাগুৰি বিপিএফৰ নিৰ্বাচনী কাৰ্যালয়ত ক্ষতিসাধন কৰাৰ লগতে কৰ্মীৰ বাহনত শিলগুটি নিক্ষেপৰ সম্পৰ্কীয় গোচৰৰ তদন্তৰ বাবে আজি গোসাঁইগাঁৱত উপস্থিত হয় কোকৰাঝাৰ জিলাৰ অতিৰিক্ত অধীক্ষক সুৰজিৎ সিং পানেছাৰে। নিৰপেক্ষ তদন্তৰ আশ্বাস দিয়ে আৰক্ষী বিষয়াজনে।

ভাষাৰ সংকট

এক পৃষ্ঠাৰ পৰা আগবঢ়াইছে। এই তালিকাখনত উল্লেখ থকা কাৰণ বা লক্ষণসমূহ হ'ল—

১। যেতিয়া কোনো এটা ভাষিক জনগোষ্ঠীৰ মুঠ জনসংখ্যাৰ একাংশ লোকে সেই ভাষা ব্যৱহাৰ নকৰা হয় অথবা সেই ভাষা জনা লোকৰ সংখ্যা কমি যায়।
২। মুঠ জনসংখ্যাৰ তুলনাত মাতৃভাষা কোৱা বা জনা মানুহৰ সংখ্যা কমে।
৩। প্ৰজন্মৰ মাজত ভাষিক আদান-প্ৰদান কমি যায়। আগৰ প্ৰজন্মৰ কথিত ভাষা নতুন প্ৰজন্মই নুবুজা বা নোকোৱা হয়।
৪। অইন বাহিৰা ভাষাৰ প্ৰচলন বৃদ্ধি হয়।
৫। ভাষিক জনগোষ্ঠীৰ লোকসকলৰ মাজত নিজ মাতৃভাষাৰ প্ৰতি অনাগ্ৰহ জন্মে।
৬। নতুন প্ৰজন্মৰ মাজত লাহে লাহে মাতৃভাষাটো এলাগী হৈ পৰে।
৭। মাতৃভাষাত শিক্ষা লাভৰ সুবিধা কমে।
৮। মাতৃভাষাৰ কিতাপ-পত্ৰ, আলোচনী আদিৰ প্ৰকাশ কমে।
৯। গণমাধ্যম বিশেষকৈ ৰেডিঅ', টেলিভিছনত মাতৃভাষাৰ অনুষ্ঠানৰ পৰিমাণ কমে।
১০। ৰেডিঅ', টেলিভিছনত অন্য ভাষাৰ কাৰ্যসূচীৰ প্ৰতি কোনোবা এটা ক্ষুদ্ৰ ভাষাৰ শ্ৰোতা দৰ্শকৰ আগ্ৰহ বাঢ়ে।
১১। ভাষাটো চৰকাৰী কাম-কাজত ব্যৱহাৰ নোহোৱা হয়।
১২। মাতৃভাষাটোৰ প্ৰতি প্ৰশাসনীয় উদাসীনতা বৃদ্ধি হয়।
১৩। মাতৃভাষাটোৰ প্ৰতি ৰাজনৈতিক অনীহা পৰিলক্ষিত হয়।
১৪। ৰাজনৈতিকভাৱে যদি জনগোষ্ঠীটোৰ মাতৃভাষাটোৰ প্ৰতি অনাগ্ৰহ বাঢ়ে।

এটা ভাষাত যদি ওপৰত উল্লেখ কৰা লক্ষণসমূহ পৰিলক্ষিত হয়, তেনেহ'লে সেই ভাষাটো বিপন্নতাৰ দিশেৰে আগবাঢ়িছে বুলি ধৰি ল'ব লাগে। আমাৰ দৃষ্টিৰে সাম্প্ৰতিক অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সৰু-বৰ ভাষাসমূহত ওপৰত উল্লেখ কৰা লক্ষণসমূহ স্পষ্টভাৱে পৰিলক্ষিত হৈছে। অৰ্থাৎ এই মতে, উত্তৰ-পূব ভাৰতবৰ্ষৰ সকলো ভাষাই বিপন্নতাৰ গৰাহত পৰিছে। হয়তো অতি ক্ষুদ্ৰ ভাষা কিছুমান একেবাৰে বিলুপ্তপ্ৰায় পৰ্যায় পাইছেগৈ।

উত্তৰ-পূব ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ ভিতৰত ভাষিক বৈচিত্ৰ্যত আটাইতকৈ চহকী ৰাজ্যখন হ'ল অৰুণাচল প্ৰদেশ। এই ৰাজ্যখন এতিয়া হিন্দী ভাষাৰ কৱলত পৰি ভাষিক বিপন্নতাৰ দিশেৰে দ্ৰুতগতিত আগবাঢ়িছে।

২০০১ৰ পিয়ল অনুযায়ী ৰাজ্যখনৰ মুঠ জনসংখ্যা ১,০৯৭,৯৬৮ জন। ইয়াৰে সাত লাখ পাঁচ হেজাৰ লোক জনজাতীয়। অৰ্থাৎ ৰাজ্যখনৰ ৬৪.২ শতাংশ লোক জনজাতীয়।

অৰুণাচলত কে'বাটাও ভাষিক পৰিয়ালৰ ভাষা আছে। এইবিলাকৰ বেছিভাগ ভাষাই তিবেতো বাৰ্মান ভাষা পৰিয়ালৰ। এই ভাষাসমূহক কে'বাটাও দলত ভগাব পাৰি। এই দলসমূহ হ'ল— টানি, মিছিমি, জিংফ'-কন্যাক-বড়ো, নাগা-কন্যাক, বোদ্ধিক, টাই খামতি ইত্যাদি। অধিকাংশ ভাষাই টানি দলৰ। এই দলত আছে— আদি, নিচি, গালো, টাগিন, আপাটানি মিচিং ইত্যাদি। মিছিমি দলৰ ভাষাসমূহ হ'ল— ইদু, তাৰাও, কামান মিছিমি।

জিংফ' কন্যাক বৰোত আছে— চিংফৌ, টাংছা আদি। আনহাতে, নক্টে বাংছু নগা কন্যাক দলৰ।

মনপা, চেৰদেকপুং, অকা, মিজি আদি বোদ্ধিক দলৰ ভাষা। টাই খামতি অন্য এক বৃহৎ ভাষা। অৰুণাচলৰ এই বৈচিত্ৰ্যময় ভাষাসমূহক কিন্তু ভাৰত চৰকাৰে অনুসূচিত কৰা নাই আজিলৈ। অনুসূচিত নকৰাৰ কাৰণ হ'ল, এই ভাষাসমূহৰ ভাষা-ভাষী লোকৰ সংখ্যা ১০ হেজাৰৰ তলত বুলি ধৰা হৈছে।

অৰুণাচলৰ চৰকাৰী কাৰ্যালয়ত ইংৰাজী ভাষা চলে। হিন্দী ৰাজ্যখনৰ দ্বিতীয় ভাষা। অৰুণাচলী শিশুসকলে জন্মৰে পৰা দুটা বা তিনিটা ভাষা ক'বলৈ শিকে। গাঁৱৰ শিশুৱে অৰুণাচলী ভাষাকে দুটা-তিনিটা শিকে। নগৰৰ শিশুৱে নিজৰ মাতৃভাষাৰ লগতে সৰুৰে পৰা হিন্দী ক'বলৈ শিকে। সম্প্ৰতি অৰুণাচলত সৰ্বত্ৰ এক নতুন ধৰণৰ হিন্দী ভাষা চলে, যাৰ নাম অৰুণাচলী হিন্দী। বিদ্যালয়লৈ যোৱা শিশুসকলে সৰুৰে পৰা ইংৰাজী আৰু হিন্দী শিকে। ফলস্বৰূপে যিমানে বেছি ওপৰলৈ শিক্ষা লাভ কৰে, সিমানে নিজৰ মাতৃভাষাৰ স'তে সম্পৰ্ক কমি যায়। আৰু এটা সময়ত শিক্ষিত অৰুণাচলীবিলাকে কেৱল হিন্দী আৰু ইংৰাজী ভাষাতেই নিৰ্ভৰ কৰি চলে। অৰুণাচলত এতিয়া ভাষিক শ্ৰেণী তিনি প্ৰকাৰৰ। গাঁৱৰ অশিক্ষিত লোকসকলে কেৱল নিজৰ মাতৃভাষা আৰু অৰুণাচলী হিন্দী কয়। অলপ শিক্ষিতসকলে কিছু ইংৰাজী আৰু বিশেষকৈ অৰুণাচলী হিন্দী কয়। উচ্চশিক্ষিতসকলে ইংৰাজী ভাষা কয়।

সামগ্ৰিকভাৱে এতিয়া সমগ্ৰ অৰুণাচলতে এক বেলেগ ধৰণৰ হিন্দী ভাষা চলে। এই হিন্দীটো আচল হিন্দী নহয়। হিন্দীৰ দৰে অন্য এক হিন্দী, যাক অৰুণাচলী হিন্দী বুলি কোৱা হয়। অৰুণাচলৰ মানুহে এটা সময়ত অসমীয়া কথা কৈছিল। অৰুণাচলত অসমীয়া ভাষাত বিদ্যালয় আছিল। অৰুণাচলৰ মানুহে অসমীয়াতে লিখা-পঢ়া কৰিছিল। কে'বাজনো অৰুণাচলৰ লোক খ্যাতিমান অসমীয়া সাহিত্যিক হিচাপে পৰিচিত। এতিয়া অৰুণাচলৰ মানুহে বিশেষকৈ নতুন প্ৰজন্মৰ মানুহে অসমীয়া নকয়। ক'ব নিবিচাৰে। তেওঁলোকে হিন্দী ক'বলৈ ভাল পায় বা কয়। এতিয়া অৰুণাচলৰ সকলোতে অৰুণাচলী হিন্দী চলে। হিন্দী ভাষাৰ লগতে হিন্দী সংস্কৃতি অৰুণাচলত জনপ্ৰিয় হৈছে। কেইবছৰমান আগতে লিডু-ম্যানমাৰ সংযোজিত ষ্টীলৱেল পথেৰে 'পাৰচাও পাছ' উৎসৱলৈ গৈছিলো। তাত দেখিলো অৰুণাচলী ভাষাৰ আধুনিক গীতৰ 'চিডি' এখনৰ বিজ্ঞাপন' অৰুণাচলী ভাষাৰ গীতৰ 'চিডি'খনৰ নাম 'দিল চে'। ইংৰাজী আৰু হিন্দীত লিখা আছে।

অৰুণাচলত হিন্দী কিয় ইমান জনপ্ৰিয় হৈছে? এইটো এটা ডাঙৰ প্ৰশ্ন। সৰ্বপ্ৰথম অৰুণাচলৰ মানুহে হিন্দী শিকিছে সেনাসকলৰ পৰা। সেনাসকলৰ বেছিভাগেই হিন্দী ভাষী। তেওঁলোকৰ পৰা সৰ্বপ্ৰথম হিন্দী শিকে অৰুণাচলৰ আগৰ মানুহখিনিয়ে। তাৰ পাছত কেন্দ্ৰীয় চৰকাৰ, হিন্দী ভাষী বিষয়া, হিন্দী ভাষী ব্যৱসায়ী, হিন্দী ভাষী কাম কৰা মানুহৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে হিন্দীৰ অধিক প্ৰচলন হয়। অৰুণাচলত বহুত আগৰে পৰা সমাজকৰ্ম কৰা আৰু শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰি শিক্ষাৰ প্ৰসাৰ কৰা হিন্দু মিছনেৰীসকল যেনে ৰামকৃষ্ণ মিছন, বিবেকানন্দ কেন্দ্ৰ সাৰদা মিছন ইত্যাদি অনুষ্ঠানৰ জৰিয়তেও হিন্দী ভাষা-সংস্কৃতিৰ প্ৰচাৰ হৈছে কিছু পৰিমাণে।

অল ইণ্ডিয়া ৰেডিঅ'ৰ অৰুণাচলৰ কেন্দ্ৰসমূহ আৰু দূৰদৰ্শনৰ কেন্দ্ৰসমূহে হিন্দী গীত আৰু হিন্দী কাৰ্যসূচী প্ৰচাৰৰ জৰিয়তে মানুহক হিন্দী শিকাইছে। বৰ্তমানে অৰুণাচলত এফ এম ৰেডিঅ'ৰ কাৰ্যসূচী চলে। এই ৰেডিঅ'ৰ কাৰ্যসূচী মূলতঃ হিন্দী।

এই সকলো সম্ভাব্য কাৰণ লগ লাগি বৰ্তমান অৰুণাচলত অৰুণাচলী হিন্দীৰ জনপ্ৰিয়তা তুংগত উঠিছে। হিন্দী ভাষাৰ জনপ্ৰিয়তাৰ লগে লগে অৰুণাচলী মাতৃভাষা এলাগী হৈছে। এতিয়া অৰুণাচলৰ গাঁৱে গাঁৱে ডিছ টিভি চলে। প্ৰায় প্ৰতি ঘৰতে ডিছ টিভি আছে। ডিছ টিভিয়ে ভিতৰুৱা গাঁৱৰ মানুহকো হিন্দী ভাষা আৰু হিন্দী সংস্কৃতি শিকাইছে। এতিয়া অৰুণাচলৰ জনজাতীয় লোকসকলে 'চাচা', 'মামা', 'জিজা', 'ভাইয়া', 'দিদি', 'ভাতিজা' আদি সম্বন্ধ বাচক শব্দবিলাক প্ৰায় সম্পূৰ্ণভাৱে ব্যৱহাৰ কৰে। আনকি নিজৰ জনজাতীয় মাতৃভাষাত কথা পাতিলেও এই শব্দবিলাক ব্যৱহাৰ কৰে। এনেদৰেই সমগ্ৰ অৰুণাচলতে মাতৃভাষাৰ অপমৃত্যু হৈছে আৰু তাৰ ঠাইত হিন্দী অথবা অৰুণাচলী হিন্দীয়ে একপ্ৰকাৰ মাতৃভাষাৰ ঠাই দখল কৰিছে।

মাতৃভাষাৰ দুৰৱস্থা কেৱল যে অৰুণাচলতে হৈছে তেনে নহয়। জনজাতীয় মাতৃভাষাৰ অপমৃত্যু ঘটাই হিন্দী ভাষাই স্থান দখল কৰিছে উত্তৰ-পূব ভাৰতবৰ্ষৰ সকলো ৰাজ্যতে। সকলো ৰাজ্যতে টেলিভিছন, এফ এম ৰেডিঅ', ৰেডিঅ' আদিৰ যোগেৰে হিন্দীৰ ব্যাপক প্ৰচলন হৈছে। পৰ্বতীয়া ৰাজ্যকেইখনৰ কেৱল মণিপুৰত মেইতিই মণিপুৰী ভাষাটোৱে হিন্দীৰ স'তে যুদ্ধ কৰি আছে। ঠিক তেনেকৈ অসমতো অসমীয়া ভাষাটোৱে হিন্দীৰ স'তে তুমুল যুঁজ দিবলগীয়া হৈছে।

ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানীতিত হিন্দী সম্প্ৰসাৰণবাদ অতি স্পষ্ট। তেনেকৈ দূৰদৰ্শন অথবা ব্যক্তিগত খণ্ডৰ টিভিসমূহতো হিন্দী সম্প্ৰসাৰণবাদ আগ্ৰাসী ৰূপত স্পষ্ট হৈছে। হিন্দী ভাষাৰ সম্প্ৰসাৰণৰ লগে লগে হিন্দী ভাষী লোকৰ সংস্কৃতিৰো সম্প্ৰসাৰণ হৈছে। যোৱা কেইবছৰ মানত অসমত 'ব'ল বোম' নে 'ভোলে বোম' নামৰ এটা উত্তৰ প্ৰদেশ-বিহাৰৰ উৎসৱ সাংঘাতিকভাৱে জনপ্ৰিয় হৈছে। ঠিক তেনেকৈ গণেশ পূজা, হনুমান পূজা, কৰৱা ট চ, ৰাখী বন্ধন, ষট্‌ পূজা আদি অনা-অসমীয়া, অনা-জনজাতীয় হিন্দী ভাষী লোকৰ সংস্কৃতি ব্যাপকভাৱে জনপ্ৰিয় হৈছে। এই বছৰ অসম চৰকাৰে ব্ৰহ্মপুত্ৰ নদীক পূজিবলৈ যি 'নমামি ব্ৰহ্মপুত্ৰ' উৎসৱ পাতিলে তাত হিন্দী ভাষা আৰু সংস্কৃতিৰ সম্প্ৰসাৰণবাদ স্পষ্ট ৰূপত উদ্ভাষিত হৈছে। অনা-অসমীয়া প্ৰযোজক, গায়ক-গায়িকা, পূজাৰী আদিৰ সমাহাৰে এই চৰকাৰী উৎসৱটোক হিন্দী ভাষা আৰু সংস্কৃতিৰ সম্প্ৰসাৰণৰ কাৰ্যসূচীলৈ ৰূপান্তৰিত কৰিলে একপ্ৰকাৰে। ভাষা আৰু সংস্কৃতিৰ সম্প্ৰসাৰণৰ বাবে যেতিয়া ৰাজনৈতিক ক্ষমতা ব্যৱহাৰ কৰা হয়, তেতিয়াই ক্ষুদ্ৰ ভাষা আৰু সংস্কৃতিৰ বিপদাপন্ন হয়। ভাৰতবৰ্ষৰ প্ৰান্তে প্ৰান্তে থকা ক্ষুদ্ৰ ভাষা আৰু সংস্কৃতিৰ বিপন্নতা আৰু বিলুপ্তিৰ এক প্ৰধান কাৰণ হ'ল হিন্দী ভাষা আৰু হিন্দী ভাষিক গোষ্ঠীৰ সংস্কৃতি ক্ষুদ্ৰ জাতিৰ ভাষা আৰু সংস্কৃতিৰ ওপৰত জাপি দিব খোজাৰ ৰাজনৈতিক ইচ্ছা অথবা ষড়যন্ত্ৰ।

১৯৯৯ত প্ৰকাশ কৰা Summer Institute of Linguistic Surveyৰ প্ৰতিবেদন মতে সমগ্ৰ বিশ্বতে ভাষাৰ বিপন্নতা আৰু বিলুপ্তিৰ ছবিখন অতি ভয়াৱহ। ১৯৯৯ত সমগ্ৰ বিশ্বৰেই ৫১টা ভাষাৰ জনগোষ্ঠীৰ সেই ভাষাত কথা ক'ব পৰা মানুহৰ সংখ্যা আছিল মাত্ৰ এজন। এই ৫০টা ভাষাৰ ভিতৰত ২০টা ভাষাৰ এই এদনীয়া অৱস্থা অকল অষ্ট্ৰেলিয়াতে আছিল। সেই একে প্ৰতিবেদন মতে সেই সময়ত পাঁচশটা ভাষাৰ সেই ভাষাত কথা ক'ব পৰা মানুহৰ সংখ্যা মাত্ৰ এশ জন। ১৫শ ভাষাত কথা ক'ব পৰা মানুহৰ সংখ্যা মাত্ৰ এহেজাৰ জন। তিনি হেজাৰ ভাষাত কথা ক'ব পৰা মানুহৰ সংখ্যা ১০ হেজাৰতকৈ কম। পাঁচ হেজাৰ ভাষাত কথা কোৱা মানুহৰ সংখ্যা এক লাখতকৈ কম। বিশ্বৰ ৯৬ শতাংশ ভাষা মাত্ৰ চাৰি শতাংশ লোকেহে ব্যৱহাৰ কৰে। আনহাতে, বিশ্বৰ ভাষাসমূহৰ মাত্ৰ চাৰি শতাংশ ৯৬ শতাংশ লোকে ব্যৱহাৰ কৰে। চাৰি শতাংশ ভাষাত ৯৬ শতাংশ লোকে কথা-বতৰা কয়, শিক্ষা লাভ কৰে। ৯৬ শতাংশ ক্ষুদ্ৰ ভাষা মাত্ৰ চাৰি শতাংশ লোকে জানে বা কথা কয়। এই সমীক্ষাত কোৱা হৈছে। ১১ শতিকাত বিশ্বৰ ৫০ শতাংশ ভাষা বিলুপ্ত হৈ যাব। এই হিচাপ মতেই প্ৰতি ১৫ দিনত এটাকৈ ভাষাৰ মৃত্যু হ'ব সমগ্ৰ বিশ্বতে। ২১ শতিকাৰ ভিতৰত পৃথিৱীৰ ৯০ শতাংশ ক্ষুদ্ৰ ভাষা ব্যৱহাৰ কৰা লোকে নিজৰ ভাষাটো এৰি অইন ডাঙৰ ভাষা গ্ৰহণ কৰিব। অৰ্থাৎ এই শতিকাটোত বৰ্তমান পৃথিৱীত থকা প্ৰায় সাত হেজাৰ ভাষা নাইকিয়া হৈ মাত্ৰ সাতশ ভাষাহে বৰ্তি থাকিব। এই সাতশ ভাষাৰো বহু ভাষা সেই ভাষাত কথা কোৱা মানুহৰ সংখ্যা ভয়ানকভাৱে কমি যাব আৰু এই ভাষাবিলাকৰ বহুতৰে বিলুপ্তিৰ সম্ভাৱনা বাঢ়ি যাব।

পৃথিৱীৰ সৰ্ববৃহৎ ভাষাটো হ'ল চীনা, মান্ত্ৰিয়ান। দ্বিতীয় সৰ্ববৃহৎ ভাষাটো হ'ল ইংৰাজী, তৃতীয় হিন্দী, চতুৰ্থ স্পেনিছ, পঞ্চম ৰাছিয়ান আৰু ষষ্ঠ বাংলা ভাষা। পৃথিৱীৰ ২০টা বৃহৎ ভাষাৰ ভিতৰত স্থান পোৱা ভাৰতীয় ভাষাসমূহ হ'ল— হিন্দী, বাংলা, উৰ্দু, তেলেগু, তামিল আৰু মাৰাঠী। পৃথিৱীৰ এশটা বৃহৎ ভাষাৰ ভিতৰত স্থান পোৱা উত্তৰ-পূব ভাৰতৰ একমাত্ৰ ভাষাটো হ'ল অসমীয়া। এটা দশক আগলৈকে বিশ্বৰ এশটশ ভাষাৰ ভিতৰত অসমীয়া ভাষাৰ স্থান আছিল ৭৫ নম্বৰত। এতিয়া অসমত চলি থকা ভাষাসমূহৰ বাবে যিকেইটা বৃহৎ ভাষাই কে'বা দশক ধৰি ভাবুকিৰ সৃষ্টি কৰি আছে, সেইকেইটা ভাষা হ'ল— ইংৰাজী, হিন্দী আৰু বাংলা। অসমীয়া ভাষাৰ উত্তৰণৰ ইতিহাসত বাংলা ভাষাই সৃষ্টি কৰা বাধাৰ বহু কথা আছে। সম্প্ৰতি অসমৰ অসমীয়া ভাষা জনসংখ্যাৰ সচেতন লোকসকলৰ মনত আৰু এক শংকাৰ সৃষ্টি হৈছে ৰাজনৈতিক কাৰণত। এই শংকাটো হ'ল চৰকাৰে দেশৰ সংবিধান সংশোধন কৰি বাংলাদেশৰ পৰা আনি হিন্দু বাঙালী লোকক অসমত সংস্থাপন দিব খোজাটো। যিহেতু হিন্দু বাঙালী আৰু অসমীয়া ভাষী লোকৰ মাজত ভাষিক সংঘাতৰ এক সুদীৰ্ঘ ইতিহাস আছে, সেইবাবেই একাংশ সচেতন অসমীয়া লোকে বাংলা ভাষাৰ অশুভ প্ৰভাৱৰ শংকাত ভুগিছে।

অসমীয়া ভাষাৰ প্ৰতি ভাবুকি সৃষ্টি কৰা আন দুটা বৃহৎ ভাষা হৈছে ইংৰাজী আৰু হিন্দী। ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ অধিকাংশতে ইংৰাজী মাধ্যমতহে শিক্ষাদান কৰা হয়। সেইবাবেই এই বিদ্যালয়সমূহত পঢ়া-শুনা বহুত অসমীয়া ভাষী ছাত্ৰই অসমীয়া ভাষা ভালদৰে লিখিব-পঢ়িব নোৱৰা হয়। বহুতে অসমীয়া ভাষাটো নকয়ো। অসমীয়া নাজানো বুলি গৌৰৱো কৰে। এই পৰিস্থিতি অসমীয়া ভাষাৰ বাবে বিৰাট ভাবুকি।

হিন্দী ভাষাৰ কাৰ্যসূচী প্ৰচাৰ কৰা হিন্দী টেলিভিছনে অসম তথা উত্তৰ-পূবৰ গণমাধ্যম ব্যাপকভাৱে দখল কৰিছে। যিহেতু গাঁৱে-নগৰে দিনটোৰ বহুত সময় শৈশৱৰ পৰা বৃদ্ধাৱস্থালৈ অসংখ্য দৰ্শকে হিন্দী গণ মাধ্যমৰ কাৰ্যসূচী উপভোগ কৰে তাৰ ফলস্বৰূপে বহুত অসমীয়া মানুহে অসমীয়া কথাৰ মাজে মাজে হিন্দী শব্দ ক'বলৈ লৈছে। বহুত শিশুৱে টেলিভিছনৰ সুবাদত অসমীয়া ভাষা ক'বলৈ শিকাৰ আগতে হিন্দীহে ক'বলৈ শিকে।

সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ দোমোজাত বহুতে ভালদৰে হিন্দী-ইংৰাজী ক'ব পৰাটো এটা ভাল গুণ বুলি ভাবে আৰু তাৰ বিপৰীতে অসমীয়া ভালকৈ ক'ব নোৱৰাটো দোষ বুলি নাভাবে। এই পৰিস্থিতিত অসমীয়া ভাষাটো সংকটাপন্ন হৈছে। অসমীয়া ভাষা যে এক বিপজ্জনক পথেৰে আগবাঢ়িছে, সেই কথা নিশ্চিত। এতিয়া প্ৰশ্ন উঠিছে— অসমীয়া ভাষাৰ এই বিপন্নতা কিমান দ্ৰুতগতিৰে আহে, তাৰ ওপৰত নিৰ্ভৰ কৰিব অসমীয়া ভাষাৰ ভৱিষ্যৎ।

ফোন ঃ ৯৮৬৪০-২০১১২

আদিবাসী জনগোষ্ঠীসকলক চাহ জনগোষ্ঠীলৈ ৰূপান্তৰৰ ষড়যন্ত্ৰ

■ বিশ্বনাথত আদিবাসী ছাত্ৰ সন্থাৰ উদ্যোগত সৰব আদিবাসী সংগঠন

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ২৮ অক্টোবৰ ঃ ‘আদিবাসী জনগোষ্ঠীসকলক চাহ জনগোষ্ঠীলৈ ৰূপান্তৰ কৰাৰ এক গভীৰ ষড়যন্ত্ৰ ৰচনা কৰা হৈছে। কিন্তু এই ষড়যন্ত্ৰ ওফৰাই পেলাবলৈ সন্মিলিতভাৱে প্ৰচেষ্টা চলাব আদিবাসী জনগোষ্ঠীয়ে।’ আজি আদিবাসী ছাত্ৰ সন্থাৰ বিশ্বনাথ আঞ্চলিক সমিতিয়ে এখন সংবাদমেলত এইদৰে হুংকাৰ দিছে। বিশ্বনাথ চাৰিআলিৰ কস্তুৰী পেলেচত সংগঠনটোৰ নেতৃবৃন্দই আদিবাসী জনগোষ্ঠীসকলক চাহ জনগোষ্ঠীলৈ ৰূপান্তৰ কৰা ষড়যন্ত্ৰ বন্ধ কৰিবলৈ চৰকাৰক সকীয়াই দিয়ে। সংবাদমেলত কে’বাটাও আদিবাসী সংগঠনৰ বিষয়ববীয়াই তেজপুৰত আৰক্ষীৰ নিৰ্যাতনৰ বলি হোৱা আৰক্ষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ ব্যৱস্থা কৰাৰ লগতে বাগ্সাৰ বাগানপাৰাৰ ২২ বছৰীয়া যুৱতীক ধৰ্ষণ কৰি হত্যা কৰা কাণ্ডত জড়িত থকা লোকক ফাঁচি দিয়াৰ দাবী জনায়। উক্ত সংবাদমেলত উপস্থিত থকা বেলতলা কাণ্ডৰ নিৰ্যাতিতা লক্ষ্মী ওৰাঙে আদিবাসীসকলে জনজাতিৰ মৰ্যাদা নোপোৱা পৰ্যন্ত সংগ্ৰাম চলাই যাব বুলি কয়। উক্ত সংবাদমেলত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ বিশ্বনাথ জিলা সমিতিৰ সভাপতি অমিত কিন্দ, বিশ্বনাথ জিলা মুণ্ডা সমাজৰ সম্পাদক বাবুল মুণ্ডা, গড় সমাজৰ বিশ্বনাথ জিলাৰ সভাপতি হৰেন গড়, বৰপথাৰ আছাৰ সম্পাদক আৰমান কুণ্ডু, কুৰুখ সমাজৰ কেন্দ্ৰীয় সমিতিৰ সাংস্কৃতিক সম্পাদক সুৰেশ ওৰাং, প্ৰজা সমাজৰ খগেন প্ৰজা, বিশ্বনাথ জিলা কৃষণ সমাজৰ সুনীল কৃষণ, খাৰিয়া সমাজৰ এণ্টলি কুলু, প্ৰজা সমাজৰ খগেন প্ৰজা, চাওতালী সমাজৰ সম চৰেণ, কৰ্মকাৰ সমাজৰ ৰতন কৰ্মকাৰ, আলনা যুদ্ধ বিৰতি গোটৰ বলৰাম মুৰাৰী, নয়ন ৰাজ গোৰ, নৰেছ গঁড়, কুৰুখ সমাজৰ নেতৃত্ব আৰু বহু আদিবাসী সংগঠনৰ বিষয়ববীয়া, বিশ্বনাথ আছাৰ সভাপতি ৰাজেন ওৰাং, সম্পাদক আগষ্ট মুণ্ডা, শিৱা মুণ্ডা, অনন্ত মুণ্ডা, আৰনিউজ খেৰীয়া আদি উপস্থিত থাকে। আদিবাসী সংগঠসমূহৰ বিষয়ববীয়াই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তেওঁলোকৰ প্ৰধান দাবী জনজাতিকৰণৰ বিষয়টোত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়।

ভূপেন্দ্ৰ সংগীত নৃত্য প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

মৰিয়নি, ২৮ অক্টোবৰ ঃ মৰিয়নিৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান ‘কিংশুক’ৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু তিথিল লগত সংগতি ৰাখি ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু ভূপেন হাজৰিকাৰ গীতৰ আধাৰত এক নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা পাঁচ নৱেম্বৰৰ পৰা দুদিনীয়াকৈ মৰিয়নিৰ কিংশুক ভৱনত অনুষ্ঠিত হ’বলগীয়া এই ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা দুটা শাখাত অনুষ্ঠিত হ’ব। প্ৰথম শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ নিম্ন শাখা আৰু সপ্তম শ্ৰেণীৰ পৰা মুকলি শাখাত প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। আনহাতে, নৃত্য, প্ৰতিযোগিতা পঞ্চম শ্ৰেণীৰ পৰা মুকলি থাকিব।

গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীৰ তিৰোভাৱ তিথি পালন

মৰণোত্তৰভাৱে ‘ভাৰতৰত্ন’ প্ৰদানৰ দাবী

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ২৮ অক্টোবৰ ঃ ঐতিহাসিক গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামীৰ ৬০ সংখ্যক তিৰোভাৱ তিথি মাজুলীৰ শ্ৰীশ্ৰী গড়মূৰ সত্ৰৰ লগতে মাজুলী জিলা সাহিত্য সভাই দিনজোৱা কাৰ্যসূচীৰে পালন কৰে। এই উদ্দেশ্যেৰে পুৱা সাহিত্য সভাৰ পতাকা উত্তোলন কৰে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিৎ কুমাৰ ভূঞাই। সত্ৰাধিকাৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি স্মৃতি তৰ্পণ আৰম্ভ কৰে মাজুলী জিলা সাহিত্য সভাৰ উপ-সভাপতি প্ৰফুল্ল বৰুৱাই। উক্ত সভাত পৌৰোহিত্য কৰে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিৎ কুমাৰ ভূঞাই। আনহাতে, আদৰণি ভাষণ আগবঢ়াই সভাৰ সম্পাদক মনোজ্যোতি ৰেগনে। সভাখনত মুখ্য বক্তাৰূপে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা তৰুণ পামেগাম সোঁৱৰণী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ললিত চন্দ্ৰ হাজৰিকাই দেৱগোস্বামীৰ কৰ্মৰাজি আলোকপাত কৰি তেওঁৰ আদৰ্শৰ প্ৰতি অনুপ্ৰাণিত হ’বলৈ আহ্বান জনায়। আজিৰ প্ৰেক্ষাপটত দেৱগোস্বামীৰ আদৰ্শৰ প্ৰাসংগিকতা অতীৱ প্ৰয়োজন বুলি তেওঁ মন্তব্য কৰে। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি তথা জিলা প্ৰতিনিধি বুঢ়াভকত, প্ৰাক্তন সম্পাদক ৰমেশ শইকীয়া আৰু গড়মূৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভূপেন দত্তই সত্ৰাধিকাৰজনৰ সমাজ-সংস্কৃতিলৈ আগবঢ়োৱা বৰঙণিৰ সম্পৰ্কে গুৰুত্ব আৰোপ কৰে। দত্তই সত্ৰাধিকাৰজনৰ বিষয়ে ৰচিত এটি কবিতা আৰু এটি গীত পৰিৱেশন কৰা হয়। সভাখনত জিলা উপ-সভাপতি প্ৰফুল্ল বৰুৱা, সমাজকৰ্মী যুগল হাজৰিকা আদিয়ে তেওঁক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। সভাত ৰামধেনু শাখা সাহিত্য সভাৰ সভাপতি জগন্নাথ দুৱৰীয়া, উত্তৰ কমলাবাৰী শাখা সাহিত্য সভাৰ সভাপতি প্ৰণৱ মিশ্ৰ, আউনীআটী বিষ্ণুজ্যোতি শাখা সাহিত্য সভাৰ সভাপতি তুলসী ৰাজখোৱা, পশ্চিম গড়মূৰ শাখা সাহিত্য সভাৰ সভাপতি-সম্পাদক ক্ৰমে প্ৰদীপ গোস্বামী আৰু প্ৰমোদ গোস্বামী নামনি মাজুলী শাখা সাহিত্য সভাৰ সভাপতি লক্ষ্যজিৎ বৰা, মাজুলী জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক ক্ৰমে বিকাশ শইকীয়া, মহিম নাথ, জিলা সাহিত্য সভাৰ ধনভঁৰালী গুণেশ্বৰ গায়ন, মাজুলী জিলা সাংবাদিক সন্থাৰ সম্পাদক দীপু বৰা, সাংবাদিক ৰাজীৱ দত্ত আদি উপস্থিত থাকে। সভাই মৰণোত্তৰভাৱে পীতাম্বৰ দেৱগোস্বামীক ভাৰতৰত্ন প্ৰদান কৰিবলৈ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। ইফালে, ঐতিহাসিক গড়মূৰ সত্ৰই একাদশগৰাকী সত্ৰাধিকাৰ প্ৰয়াত শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামীৰ পৱিত্ৰ তিথি ভাগি দিনজোৱা কাৰ্যসূচীৰে পৰম্পৰাগত সত্ৰীয়া নীতিৰে পালন কৰে। অনুষ্ঠানটোৰ আঁত ধৰে সম্পাদক মনোজ্যোতি ৰেগনে।

অভিনেতা নিপন গোস্বামীক আৱাহনৰ ‘ড° ভবেন্দ্ৰ নাথ শইকীয়া বঁটা’ প্ৰদান

অগ্ৰদূত বাৰ্তা

পাঠশালা, ২৮ অক্টোবৰ ঃ ভ্ৰাম্যমাণ নাট্যদল আৱাহন থিয়েটাৰে প্ৰথিতযশা ড° ভৱেন্দ্ৰ নাথ শইকীয়াৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে প্ৰদান কৰি অহা ড° ভৱেন্দ্ৰ নাথ শইকীয়া বঁটা ২০২১ বৰ্ষৰ বাবে প্ৰদান কৰিলে অসমীয়া চলচিত্ৰ জগতৰ বৰেণ্য অভিনেতা নিপন গোস্বামীলৈ। যোৱা ২৬ অক্টোবৰৰ নিশা পাঠশালাৰ ভগৱতী ক্ষেত্ৰত অনুষ্ঠিত আৱাহন থিয়েটাৰৰ নাটৰ আৰম্ভণি অনুষ্ঠানত অভিনেতাজনক এই বঁটা প্ৰদান কৰে পাটাছাৰকুছি সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ লগতে আৱাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক প্ৰযোজক কৃষ্ণ ৰয় আৰু জনপ্ৰিয় অভিনেত্ৰী প্ৰস্তুতি পৰাশৰে। উল্লেখ্য যে বিগত বৰ্ষত কৰ’ণা মহামাৰীৰ পৰিপ্ৰেক্ষিতত নাট প্ৰদৰ্শন কৰিব নোৱাৰা আৱাহন থিয়েটাৰে এইবাৰ তিনিখন মননশীল নাটকৰে যাত্ৰা আৰম্ভ কৰিছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত নাটৰ আৰম্ভণি কৰি মন্ত্ৰী দাসে আৱাহনৰ থিয়েটাৰ পৰিয়ালবৰ্গৰ লগতে কৰ’না সৃষ্ট সংকটৰ মাজত ওলাই অহা অন্য নাট্য দলসমূহৰ বলিষ্ঠ পদক্ষেপৰ লগতে চলিত বৰ্ষৰ সাফল্যৰ জয়যাত্ৰা কামনা কৰি শুভেচ্ছা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত প্ৰথিতযশা সাহিত্যিক, নাট্যকাৰ ড° ভৱেন্দ্ৰ নাথ শইকীয়াৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ বাবে আৱাহন থিয়েটাৰ প্ৰতিবছৰে প্ৰদান কৰি অহা বঁটা নিপন গোস্বামীক প্ৰদান কৰি মন্ত্ৰী দাসে এজন প্ৰকৃত শিল্পীয়ে উপযুক্ত মৰ্যাদা পোৱা বুলি মন্তব্য কৰে। বিশিষ্ট অভিনেতাজনক প্ৰদান কৰা এই বঁটাত আছে গামোচা, ট্ৰফী, চেলেং, সম্বৰ্ধনা পত্ৰ আৰু নগদ ১০ হেজাৰ টকা। নিৰন্ধকাৰ পুলু কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানত নাট্যকাৰ তথা পৰিচালক অভিজিৎ ভট্টাচাৰ্যই আৱাহন থিয়েটাৰৰ বাৰ্ষিক মুখপত্ৰ ‘ৰংগবেদিকা’ উন্মোচন কৰে। অনুষ্ঠানটোত বিশিষ্ট অধিবক্তা গিৰিধৰ চৌধুৰীকে ধৰি কে’বাগৰাকীও ব্যক্তিৰ লগতে প্ৰেক্ষাগৃহত দৰ্শকৰ উপস্থিতিয়ে আৱাহন থিয়েটাৰৰ পৰিয়াল বৰ্গক উৎসাহিত কৰা বুলি প্ৰযোজিকা তথা অভিনেত্ৰী প্ৰস্তুতি পৰাশৰে সাংবাদিকৰ আগত মন্তব্য কৰে।

গোসাঁইগাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে সাজু মহকুমা প্ৰশাসন

অগ্ৰদূত বাৰ্তা

গোসাঁইগাঁও/দোতমা, ২৮ অক্টোবৰ ঃ অহা ৩০ অক্টোবৰত ৰাজ্যৰ পাঁচ সমষ্টিত হ’বলগীয়া বিধানসভাৰ উপ-নিৰ্বাচনৰ বাবে মাজত মাথোঁ এটা দিন বাকী থকা অৱস্থাত গোসাঁইগাঁও মহকুমা প্ৰশাসনেও ইতিমধ্যে ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় কাম-কাজ প্ৰায় সম্পূৰ্ণ কৰিছে।উল্লেখ্য যে গোসাঁইগাঁও সমষ্টিৰ বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰীৰ ক’ভিডত আক্ৰান্ত হৈ মৃত্যু হোৱাত সমষ্টিটোত পুনৰ উপ-নিৰ্বাচন অনুষ্ঠিত কৰিবলগা হয়। সাম্প্ৰতিক ক’ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উপ-নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত নিয়োজিত প্ৰিজাইডিং আৰু প’লিং বিষয়াসকলৰ প্ৰশিক্ষণ ইতিমধ্যে সমাপ্ত হৈছে। এই উপ-নিৰ্বাচনত ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিটোত সৰ্বমুঠ ২,৯০,৬৪০ গৰাকী ভোটাৰে ভোটদান কৰিব। ইয়াৰ ভিতৰত ৮৭,৬৭২ জন পুৰুষ ৯২,৯৬৬ গৰাকী মহিলা আৰু দুগৰাকী উভয় লিংগৰ ভোটাৰ। সমষ্টিটোৰ মুঠ ২৮৫টা ভোট কেন্দ্ৰৰ ভিতৰত ২২টা ভোট কেন্দ্ৰ স্পৰ্শকাতৰ আৰু ২০টা অতি স্পৰ্শকাতৰ ভোট কেন্দ্ৰ হিচাপে চিহ্নিত হোৱাত উক্ত ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা বুলি গোসাঁইগাঁও জিলা নিৰ্বাচন নডেল বিষয়া গৌতম প্ৰিয়ম মহন্তই সদৰী কৰিছে।

সমাজসেৱক, অৱসৰী অধ্যক্ষ গণেশ চন্দ্ৰ বৰ্মনৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ২৮ অক্টোবৰ ঃ নলবাৰী জিলাৰ মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ অৱসৰী ভাৰপ্ৰাপ্ত অধ্যক্ষ গণেশ চন্দ্ৰ বৰ্মন (৬৭)ৰ আজি পুৱতি নিশা তিনি বজাত বিয়োগ ঘটে। চহৰখনৰ বিদ্যাপুৰ নিবাসী বৰ্মনে যোৱা নিশা শ্বাস প্ৰশ্বাসত অসুবিধা অনুভৱ কৰাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও পুৱতি নিশা শেষ নিশ্বাস ত্যাগ কৰে। ইপিনে, চিকিৎসালয়ত ক’ভিড পৰীক্ষা কৰাত তেওঁৰ গাত ক’ভিড পজিটিভ ধৰা পৰে। উল্লেখ্য যে এম এন চি বালিকা মহাবিদ্যালয়ত প্ৰতিষ্ঠা কালৰে পৰা শিক্ষকতা কৰা বৰ্মনে পৰৱৰ্তী সময়ত শিক্ষানুষ্ঠানখনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। অমায়িক স্বভাৱৰ বৰ্মন পৰৱৰ্তী সময়ত মহাবিদ্যালয়খনত উপাধ্যক্ষ পদ অলংকৃত কৰাৰ লগতে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বও পালন কৰিছিল। বিভিন্ন লিখা-মেলাত জড়িত থকা প্ৰয়াত বৰ্মন বিদ্যাপুৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুজন পুত্ৰ, এগৰাকী কন্যা এৰি যায়। তেওঁৰ বিয়োগত এম এন চি বালিকা মহাবিদ্যালয় পৰিয়াল, অসম ভেলী একাডেমী, নলবাৰীৰ অধ্যক্ষ অনুপম বৰ্মা মজুমদাৰ, নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা, অসম প্ৰদেশ সাংবাদিক সন্থাৰ কাৰ্যকৰী সভাপতি অৰূপ ৰঞ্জন বৰ্মন, সন্থাৰ নলবাৰী জিলা সমিতিৰ সভাপতি চম্পক বৈশ্য, সাধাৰণ সম্পাদক শশাংক শৰ্মা, সাংবাদিক এম মহিবৰ ৰহমানে শোক প্ৰকাশ কৰিছে।

সুলভ মূল্যৰ সামগ্ৰী যোগানত অনিয়ম ঃ গ্ৰেপ্তাৰ

কয়াকুছি, ২৮ অক্টোবৰ ঃ বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালৰ নিৰ্দেশ ক্ৰমে আজি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল বিতৰণত অনিয়ম কৰাৰ অভিযোগত সৰুক্ষেত্ৰী সমষ্টিৰ কয়াকুছিৰ ব্যৱসায়ী এজনক গ্ৰেপ্তাৰ কৰে। অতিৰিক্ত উপায়ুক্ত নৱজিৎ পাঠকৰ নেতৃত্বত যোৱা যোগান বিভাগৰ এটা দলে কয়াকুছি বজাৰত অভিযান চলাই সুলভ মূল্যৰ দোকানী মংগল আলীৰ দোকানত বিসংগতি ধৰা পেলায়।

উল্লেখ্য যে দোকানীজনৰ বিৰুদ্ধে গ্ৰাহকক ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল আৰু অন্যান্য সামগ্ৰী কমকৈ দিয়াৰ অভিযোগ উত্থাপন হৈ আহিছিল। তদন্তৰ সময়ত দোকানীজনে তদন্তকাৰী দলটোক কোনো নথিপত্ৰ দেখুৱাব পৰা নাছিল। ৰাইজৰ অভিযোগ আৰু তদন্তৰ সময়ত গুৰুতৰ বিসংগতি পৰিলক্ষিত হোৱাত দোকানীজনৰ বিৰুদ্ধে কয়াকুছি আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰা হয়। সেই মৰ্মে বৰপেটা থানাৰ অন্তৰ্গত কয়াকুছি আৰক্ষী চকীৰ আৰক্ষীয়ে ব্যৱসায়ীজনক গ্ৰেপ্তাৰ কৰিছে। দোকানখনৰ পৰা ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ ২.৫ কুইণ্টল চাউল আৰু ৪০০ লিটাৰ কেৰাচিন জব্দ কৰিছে।

হোজাইত নিচাজাতীয় দ্ৰব্য খুৱাই অপকৰ্মৰ চেষ্টা ঃ গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

হোজাই, ২৮ অক্টোবৰ ঃ হোজাইৰ জয়নগৰৰ মাটিখোলাত পোহৰলৈ আহিছে এক ভয়ংকৰ ঘটনা। এগৰাকী নাবালিকাক নিচাজাতীয় দ্ৰব্য খুৱাই অপকৰ্ম কৰাৰ চেষ্টা কৰে দুৰ্বৃত্তই। অৱশ্যে ধৰ্ষণৰ পৰা কথমপি ৰক্ষা পৰে নাবালিকাগৰাকী। আনহাতে, একাংশ মাতব্বৰে বিষয়টো গাপ দিয়াৰ চেষ্টা কৰিছিল যদিও সচেতন লোকৰ তৎপৰতাত পোহৰলৈ আহে ঘটনাটো। উল্লেখ্য যে যোৱা ২১ অক্টোবৰৰ নিশা দুৰ্বৃত্তই বেৰ কাটি ঘৰৰ ভিতৰত প্ৰৱেশ কৰি উক্ত ঘটনা সংঘটিত কৰিছিল। ঘটনা সংক্ৰান্তত মোৰাঝাৰ থানাত গোচৰ ৰুজু হোৱাৰ পাছত আৰক্ষীয়ে কৌচৰ উদ্দিন আৰু বাহাৰ উদ্দিনক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱাত আদালতে দুয়োকে জেললৈ প্ৰেৰণ কৰে। অভিযোগ মতে, মাটিখোলা গাঁৱত যোৱা ২১ অক্টোবৰৰ নিশা সংঘটিত হৈছিল এই জঘন্য ঘটনা। এগৰাকী মহিলাৰ স্বামী বিদেশত থকাৰ সুযোগত নিশা ঘৰৰ বেৰ ভাঙি কেইজনমান দুৰ্বৃত্তই ঘৰৰ ভিতৰত প্ৰৱেশ কৰি নিচাজাতীয় দ্ৰব্য ছটিয়াই পৰিয়ালৰ তিনিজন লোকক অচেতন কৰি লুটপাট চলায়। পাছত দুৰ্বৃত্তই অচেতন হৈ থকা এগৰাকী নাবালিকাৰ লগত অপকৰ্মৰ চেষ্টা চলাই আঘাত কৰে। সেই সময়ত স্থানীয় লোকে চিঞৰ-বাখৰ কৰাত দুৰ্বৃত্তৰ দলটোৱে পলাই যায় যদিও নাবালিকাগৰাকীয়ে দুজনকৈ লোকক চিনাক্ত কৰে। ইফালে, এই ঘটনাক ধনৰ বিনিময়ত গাপ দিবলৈ একাংশ মাতব্বৰে চেষ্টা কৰি যদিও সচেতন লোকৰ প্ৰচেষ্টাত ভুক্তভোগী পৰিয়ালে মোৰাঝাৰ থানাত এটা গোচৰ তৰাত মোৰাঝাৰ আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৩২৮/৪৫৭/৩৫৪ ধাৰাৰ অধীনত ৬৮৯/২১ নম্বৰ এক গোচৰ ৰুজু কৰে। ঘটনাটোত আন কে’বাজনো লোক জড়িত থকাৰ সন্দেহ কৰা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ বাছ ভাড়া ৫০ শতাংশ কৰাৰ দাবী

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ২৮ অক্টোবৰ ঃ আজি ছাত্ৰ সংগঠন অল ইণ্ডিয়া ডি এছ অ’ৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ বাছৰ ভাড়া ৫০ শতাংশ ৰেহাইৰ দাবীত সংগঠনৰ এটা সঁজাতী দলে শোণিতপুৰৰ উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সংগঠনৰ জিলা সভাপতি আৰু সম্পাদক ক্ৰমে নয়নমনি চৌধুৰী আৰু মাধুৰ্য গগৈ স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লেখ কৰে যে কৰ’নাই ৰাজ্যৰ জনসাধাৰণক জুৰুলা কৰাৰ সময়তে আকৌ অস্বাভাৱিক নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে ৰাইজক দিশহাৰা কৰিছে। ইপিনে, স্কুল-কলেজ ক্ৰমান্বয়ে খুলিছে যদিও গ্ৰাম্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে বাছ, মেজিক, টেম্প’ৰ অত্যধিক ভাড়া বৃদ্ধিৰ কাৰণে বিদ্যালয়-মহাবিদ্যালয়ত প্ৰত্যেকদিন উপস্থিত থাকিব পৰা নাই।

ভৱানীপুৰত ১,৪৮,১৪৪ গৰাকী ভোটাৰে সাব্যস্ত কৰিব ভোটাধিকাৰ

বিশেষ সংবাদদাতা,

পাঠশালা, ২৮ অক্টোবৰ ঃ অহা ৩০ অক্টোবৰত ভৱানীপুৰ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বজালী জিলা প্ৰশাসন তথা নিৰ্বাচন আয়োগে। স্বচ্ছ আৰু নিকা নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে বুলি আজি আবেলি অনুষ্ঠিত এক সংবাদমেলত এই কথা সদৰী কৰে বজালী জিলা উপায়ুক্ত ভৰত ভূষণ চৌধুৰীয়ে। এইবাৰ উপ-নিৰ্বাচনৰ বাবে ভৱানীপুৰ সমষ্টিৰ সৰ্বমুঠ ১,৪৮,১৪৪ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে পুৰুষ ভোটাৰ ৭৫,৪২৯ জন আৰু মহিলা ভোটাৰ ৭২,৭১৫ গৰাকী। ২১৩ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে যদিও সমষ্টিটোত স্পৰ্শকাতৰ আৰু অতি স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰ নাই।

আনহাতে, সমষ্টিটোত মহিলাৰ দ্বাৰা পৰিচালিত ভোট গ্ৰহণ কেন্দ্ৰ পাঁচটা। ভোট গ্ৰহণৰ বাবে প্ৰিজাইডিং আৰু প’লিং বিষয়াৰ সংখ্যা ১০২৪ গৰাকী নিয়োগ কৰাৰ উপৰি ভোট গণনাৰ বাবে ৮৪ গৰাকী বিষয়া-কৰ্মচাৰী নিয়োগ কৰা হ’ব। ইয়াৰ উপৰি ছেক্টৰ বিষয়াৰ সংখ্যা ২২ জন, জোনেল বিষয়া পাঁচজনক নিযুক্তি দিয়া হৈছে। ক’ভিড সংক্ৰান্তীয় ব্যৱস্থাপনাৰ সকলো প্ৰিজাইডিং আৰু প’লিং বিষয়া, ভোট গণনাত নিয়োজিত বিষয়া-কৰ্মচাৰী, নিৰ্বাচন পৰিচালনা কৰাৰ বাবে গঠন কৰা চেলৰ বিষয়া-কৰ্মচাৰী, গাড়ীচালকৰ দ্বিতীয় পালি প্ৰতিষেধক হোৱা বুলি উল্লেখ কৰি ইয়াৰ বাহিৰেও দ্বিতীয় পালি ক’ভিড প্ৰতিষেধক নোলোৱা থাকিলে ৭২ ঘণ্টাৰ ভিতৰত আৰটিপিচিআৰ কৰা হ’ব।

Notification

Dated Dispur 28th October, 2021

No. SEC.145/2019/360 : In exercise of powers conferred under Section 12-A of the Assam Municipal Act, 1956 and in accordance with the Rules for the Election of Commissioners of Municipal Boards (MBs) under the Assam Municipal Act, 1956, the Assam State Election Commission hereby notifies the following time schedule for preparation and publication of the Photo Electoral Rolls, on the lines of Photo Electoral Rolls of Election Commission of India, for election to the 79 (seventy-nine) Municipal Boards in the state of Assam listed below, with reference to 01.01.2021 as the qualifying date and as per qualifications for registration in an electoral roll under the provision of Section 14 of the Assam Municipal Act, 1956.

The Magistrates appointed against each Municipal Board vide this Commission's Notification No. SEC 145/2019/29 dated 24.01.2020 and subsequent Notifications Nos. SEC 145/2019/37 Dated 04.02.2020, SEC 145/2019/40 dated 06.02.2020, SEC 145/2019/55 dated 27.02.2020, SEC 145/2019/136 dated 03.09.2020 and SEC 145/2019/Pt/9 dated 30.09.2020 (copies enclosed for ready reference) shall perform the duties associated with the preparation and publication of Photo Electoral Rolls as specified under the relevant provisions of the Rules for Election of Commissioners of Municipal Boards under the Assam Municipal Act, 1956. In the Municipal Boards where there is unavailability of the concerned Magistrate, the District Magistrate of the respective district or the Sub-Divisional Magistrate of the respective sub-division shall issue orders to designate a Magistrate as per the provision of sub-rule (i) of Rule 2 of the aforementioned Rules with information to this Commission.

Time Schedule for Preparation of Photo Electoral Roll

Sl No.	Events	Date
1.	Publication of Preliminary/Draft Photo Electoral Rolls	16.11.2021 (Tuesday)
2.	Last Date for lodging claims and objections	26.11.2021 (Friday)
3.	Publication of the list of claims and objections	29.11.2021 (Monday)
4.	Last date for disposal of claims, objections etc.	10.12.2021 (Friday)
5.	Final Publication of Photo Electoral Rolls	28.12.2021 (Tuesday)

The names of the 79 (seventy-nine) Municipal Boards (MBs):

Sl No	District/Sub-Division	Name of MB	No. of Wards
1.	Tinsukia	1. Tinsukia MB	15
		2. Makum MB	10
		3. Doomdooma MB	10
2.	Sadiya	4. Chapakhowa MB	10
3.	Margherita	5. Margherita MB	10
		6. Digboi MB	10
4.	Dibrugarh	7. Dibrugarh MB	22
		8. Naharkatia MB	10
		9. Chabua MB	10
		10. Namrup MB	10
5.	Sivasagar	11. Sivasagar MB	14
		12. Amguri MB	10
		13. Demow MB	10
6.	Nazira	14. Nazira MB	10
		15. Simaluguri MB	10
7.	Charaideo	16. Sonari MB	16
		17. Moran MB	11
8.	Jorhat	18. Jorhat MB	19
		19. Teok MB	10
9.	Titabar	20. Titabar MB	10
		21. Mariani MB	10
10.	Golaghat	22. Golaghat MB	13
		23. Dergaon MB	10
11.	Dhansiri	24. Sarupathar MB	10
		25. Barpathar MB	10
12.	Nagaon	26. Nagaon MB	26
		27. Raha MB	10
		28. Dhing MB	10
		29. Kampur MB	10
13.	Hojai	30. Hojai MB	19
		31. Lanka MB	11
		32. Lumding MB	13
		33. Doboka MB	10
14.	Dhemaji	34. Dhemaji MB	10
		35. Silapathar MB	12
15.	Lakhimpur	36. North Lakhimpur MB	21
		37. Bihpuria MB	10
		38. Narayanpur MB	10
16.	Dhakuakhana	39. Dhakuakhana MB	10
17.	Biswanath	40. Biswanath MB	12
		41. Sootea MB	10
18.	Gohpur	42. Gohpur MB	10
19.	Sonitpur	43. Tezpur MB	19
		44. Rangapara MB	10
		45. Dhekiajuli MB	10
		46. Jamugurihat MB	10
20.	Darrang	47. Mangaldoi MB	10
		48. Sipajhar MB	10
21.	Morigaon	49. Morigaon MB	11
22.	Kamrup (R)	50. Palashbari MB	10
		51. North Guwahati MB	10
23.	Rangia	52.Rangia MB	10
24.	Nalbari	53. Nalbari MB	17
		54. Tihu MB	10
25.	Barpeta	55. Barpeta MB	22
		56. Barpeta Road MB	10
		57. Howly MB	10
		58. Sarthebari MB	10
		59. Sorbhog MB	10
26.	Bajali	60. Pathsala MB	10
		61. Patacharkuchi MB	10
27.	Bongaigaon	62. Bongaigaon MB	25
28.	North Salmara	63. Abhayapuri MB	11
29.	Dhubri	64. Dhubri MB	16
		65. Gauripur MB	13
		66. Golakganj MB	10
30.	Bilasipara	67. Chapar MB	10
		68. Bilasipara MB	14
		69. Sapatgram MB	10
31.	Goalpara	70. Goalpara MB	19
		71. Lakhipur MB	10
32.	Cachar	72. Silchar MB	28
		73. Sonai MB	11
33.	Lakhipur	74. Lakhipur MB	10
34.	Hailakandi	75. Hailakandi MB	16
		76. Lala MB	10
35.	Karimganj	77. Karimganj MB	27
		78. Badarpur MB	11
		79. Ramkrishna Nagar MB	10

Sd/-
(Alok Kumar)
State Election Commissioner, Assam
Dispur, Guwahati-6

Janasanyog/D/8166/21

■ মজদুৰ সংঘ-আদানি গ্ৰুপৰ বিমান বন্দৰ কৰ্তৃপক্ষৰে আলোচনা

বৰঝাৰ বিমান কোঠৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ সমস্যা সমাধানৰ আশ্বাস আদানি গ্ৰুপৰ

অগ্ৰদূত বাৰ্তা

আজাৰা, ২৮ অক্টোবৰ ঃ গুৱাহাটী বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠত কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ অনিশ্চিত ভৱিষ্যতৰ প্ৰসংগত আলোচনা কৰাৰ উদ্দেশ্য ভাৰতীয় মজদুৰ সংঘৰ অসম প্ৰদেশ কমিটীয়ে আজি বৰঝাৰস্থিত বিমান বন্দৰত আদানি গুৱাহাটী ইণ্টাৰনেচনেল এয়াৰপ'ৰ্ট লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়াৰ লগতে মানৱ সম্পদ সঞ্চালকৰ স'তে এক আলোচনাত মিলিত হয়। আলোচনা ইতিবাচক হোৱা বুলি মজদুৰ সংঘই সদৰী কৰিছে। মজদুৰ সংঘৰ অসম প্ৰদেশ কমিটীৰ সভানেত্ৰী দীপ্তি বৰা শইকীয়া, সাধাৰণ সম্পাদক নৰ কুমাৰ গগৈ, সম্পাদকদ্বয় অনুপম বৰগোহাঁই, ৰঞ্জন শৰ্মা, কামৰূপ জিলা সমিতিৰ সম্পাদক কমল শৰ্মা, কোষাধ্যক্ষ নূপুৰ বৰুৱা, ইণ্ডিয়ান এয়াৰ'পোৰ্ট কামগাৰ ইউনিয়নৰ ঠিকাভিত্তিক কৰ্মচাৰী সন্থাৰ সভাপতি দিলীপ দাস, সম্পাদক দীপাংকৰ বৰদলৈ, সহকাৰী সম্পাদক দিগন্ত দাসৰ নেতৃত্বত যোৱা দলটোৱে আদানি গুৱাহাটীৰ কাৰ্যবাহী বিষয়া উৎপল বৰুৱা, মানৱ সম্পদ সঞ্চালক বনজিৎ ওজাক কৰা সাক্ষাৎ অতি ইতিবাচক বুলি মতপোষণ কৰে। মুখ্য কাৰ্যবাহী বিষয়া উৎপল ৰুৱাই পূৰ্বৰে পৰা কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ যাতে নিজৰ কৰ্মসংস্থান নেহেৰুৱায় তাৰ প্ৰতি সতৰ্কতা অৱলম্বন কৰাৰো আশ্বাস দিয়ে। উক্ত আলোচনাত ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যা সংক্ৰান্তীয় বিষয় আলোচনা কৰাৰ লগতে বিমান বন্দৰৰ সমস্যা সমাধানৰ চেষ্টা কৰিব বুলি আদানি গুৱাহাটীৰ বিষয়াজনে কয়।

মাটিয়াপাৰাত কেএচিৰ অধ্যক্ষসহ কাৰ্যবাহী সদস্যসকলক সম্বৰ্ধনা জ্ঞাপন

অগ্ৰদূত বাৰ্তা

ফকিৰাগ্ৰাম, ২৮ অক্টোবৰ ঃ কোকৰাঝাৰ জিলাৰ গোঁসাইগাঁও মহকুমাৰ মাটিয়াপাৰাত কামতাপুৰ স্বায়ত্ত শাসিত পৰিষদ চমুকৈ কেএচিৰ নৱ নিযুক্ত অধ্যক্ষৰ লগতে সদস্যসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। মাটিয়াপাৰা সমূহীয়া সভাকক্ষৰ প্ৰাংগণত আক্ৰাছুৰ মাটিয়াপাৰা আঞ্চলিক সমিতিৰ উদ্যোগত আয়েজিত সম্বৰ্ধনা অনুষ্ঠান হয়। উক্ত সম্বৰ্ধনা সভাখনত উপস্থিত থাকে কেএছিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন, ইএম কাৰ্মেশ্বৰ ৰায়, জীৱেশ ৰায়, বিজেপি নেতা কংকন ৰায় আদিয়ে। উক্ত সভাত উপস্থিত থাকি ভাষণ প্ৰসংগত অধ্যক্ষ বৰ্মনে কয় যে বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে কোচ ৰাজবংশী জনগোষ্ঠীৰ বাবে স্বশাসনৰ ব্যৱস্থা কৰি দি বহুদূৰ বাট আগুৱাই দিলে। ইপিনে, ইএম কাৰ্মেশ্বৰ ৰায়ে কয় যে কেএচিৰ বাহিৰেও বিটিআৰত বসবাস কৰা কোঁচ ৰাজবংশী জনগোষ্ঠীৰ বাবেই বিজেপি ইউপিপিএল আৰু অগপৰ মিত্ৰজোঁটৰ চৰকাৰখনে চিন্তা-চৰ্চা কৰি আছে বুলিও উল্লেখ কৰে।

■ নুমলীগড় শোধনাগাৰত তেল পৰিবাহী টেংকাৰ সৰবৰাহ বন্ধ কৰি দিয়াৰ হুংকাৰ মালিক সন্থাৰ

বিপিচিএলৰ বিৰুদ্ধে আন্দোলনৰ হুংকাৰ

বিশেষ সংবাদদাতা

গোলাঘাট, ২৮ অক্টোবৰ ঃ বিপিচিএলৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিব নুমলীগড় শোধনাগাৰ টেংকাৰ মালিক সন্থাই। নুমলীগড় শোধনাগাৰলৈ সৰবৰাহ হোৱা সকলো ধৰণৰ তেল পৰিবাহী টেংকাৰ চলাচলত বাধা আৰোপ কৰি অচল কৰিব শোধনাগাৰটো। নুমলীগড় শোধনাগাৰ টেংকাৰ মালিক সন্থাৰ আজি আয়োজিত এক গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভাত এনে সিদ্ধান্তৰ কথা ঘোষণা কৰিছে। শোধনাগাৰৰ সমীপৱৰ্তী তেলগৰমস্থিত টেংকাৰ মালিক সন্থাৰ স্থায়ী কাৰ্যালয়ত আজি সন্থাৰ মুখ্য উপদেষ্টা বিপিন গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত নুমলীগড় শোধনাগাৰৰ তেল পৰিবাহী টেংকাৰৰ মালিকসকলে ভোগ কৰা অন্তহীন সা-সমস্যাৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোচিত হয়। সভাৰ আৰম্ভণিতে সন্থাৰ যুটীয়া সম্পাদকদ্বয় ভাস্কৰ গোহাঁই আৰু ৰঞ্জিত শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰে। উক্ত সভাত দিলীপ শইকীয়া, দিগন্ত কুমাৰ ভূঞা, বিপুল বৰা, মুনীন্দ্ৰ মোহন গগৈ, দিগন্ত চেতিয়া, চন্দ্ৰপ্ৰসাদ বৰা, অভিজিৎ শইকীয়া আদিয়ে বক্তব্য আগবঢ়াই নুমলীগড় শোধনাগাৰৰ এছঅ'চি পৰ্যায়কে ধৰি বিপিচিএলৰ অধীনস্থ পৰিবহণকাৰীসকলে দীৰ্ঘদিন ধৰি সন্মুখীন হৈ অহা বিভিন্ন সমস্যাৰ সম্পৰ্কে বিস্তৃতভাৱে আলোকপাত কৰি সন্থাক দৃঢ় স্থিতি গ্ৰহণ কৰাৰ মুকলি আহ্বান জনায়। বিপিচিএলৰ স্বজন-তোষণ নীতি আৰু কলকাতা হালধীয়াৰ বিশৃংখল পৰিৱেশৰ ফলত টেংকাৰ মালিকসকলে হাৰাশাস্তিৰ সন্মুখীন হৈ অহা বুলি নুমলীগড় টেংকাৰ সন্থাৰ বিষয়ববীয়া, সদস্যসকলে আজি সৰৱ হৈ পৰে। বিপিচিএলৰ বিৰুদ্ধে নুমলীগড় টেংকাৰ মালিক সন্থাই আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি প্ৰয়োজনত নুমলীগড় শোধনাগাৰত সকলো ধৰণৰ তেল টেংকাৰৰ প্ৰৱেশ বন্ধ কৰি দিয়াৰো আজি সিদ্ধান্ত গ্ৰহণ কৰে। অচিৰেই সন্থাই বিপিচিএলৰ বিৰুদ্ধে জংগী আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিব। আনহাতে, অহা ১৪ নৱেম্বৰত তেলগৰমস্থিত সন্থাৰ স্থায়ী কাৰ্যালয়ত নুমলীগড় শোধনাগাৰ টেংকাৰ মালিক সন্থাৰ সাধাৰণ সভা অনুষ্ঠিত কৰাৰো আজি সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত সাধাৰণ সভাতে আগন্তুক কাৰ্যকালৰ বাবে গঠন হ'ব সন্থাৰ নতুন কাৰ্যনিৰ্বাহক সমিতি।

আৰক্ষী পৰ্যবেক্ষকৰ সমষ্টি পৰ্যবেক্ষণ

অগ্ৰদূত বাৰ্তা

মৰিয়নি, ২৮ অক্টোবৰ ঃ মৰিয়নি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগে নিযুক্তি দিয়া আৰক্ষী পৰ্যবেক্ষক নীতি শেখৰে মৰিয়নি সমষ্টি পৰ্যবেক্ষণ কৰি সমগ্ৰ পৰিস্থিতিৰ বুজ লয়। আৰক্ষী পৰ্যবেক্ষক শেখৰে মৰিয়নি সমষ্টিৰ অন্তৰ্গত মৰিয়নি আৰক্ষী থানা আৰু টিয়ক আৰক্ষী থানাৰ উপৰি লাহদৈগড়, বামুনপুখুৰী, চেলেংহাট আৰু দেবেৰাপাৰ আৰক্ষী চকী পৰিদৰ্শন কৰে। আৰক্ষী থানা আৰু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ স'তে আৰক্ষী পৰ্যবেক্ষকজনে আইন-শৃংখলা আৰু নিৰাপত্তাজনিত বিষয়সমূহ সন্দৰ্ভত মত বিনিময় কৰে। পৰ্যবেক্ষকজনে অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চলসমূহো পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। আনহাতে, মৰিয়নি মোককচাং পথেৰে নগা অধ্যুষিত অঞ্চললৈও আগবাঢ়ি গৈ সাম্প্ৰতিক পৰিস্থিতিৰ বুজ লয়। মৰিয়নি উপ-নিৰ্বাচনৰ সকলো দিশৰ পৰাই সুকলমে অনুষ্ঠিত কৰাৰ লগতে আইন-শৃংখলাজনিত পৰিস্থিতিৰ যাদে উদ্ভৱ নহয়, তাৰ বাবে নিৰ্বাচনী বিভাগে সকলো ব্যৱস্থা আগতীয়াকৈ হাতত লৈছে।

ক'ভিডত আৰক্ষীৰ মৃত্যু

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

মঙলদৈ, ২৮ অক্টোবৰ ঃ ছিপাঝাৰৰ এক নম্বৰ ঘোঁৰাশাল (তুৰাই) গাঁৱত জন্মগ্ৰহণ কৰি পাছত মঙলদৈৰ প্ৰফুল্ল নগৰত বসবাস কৰা আৰক্ষী উপ-পৰিদৰ্শক উপেন্দ্ৰ শৰ্মা (৫৬) ৰ আজি মৃত্যু হয়। নগাঁও জিলাৰ ৰূপহী আৰক্ষী থানাৰ উপ-পৰিদৰ্শক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা শৰ্মা কৰ্তব্যৰত অৱস্থাত যোৱা দুই অক্টোবৰত অসুস্থ অনুভৱ কৰাত তেওঁক নগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। কাহ আৰু উশাহ-নিশাহ লোৱাত কষ্ট অনুভৱ কৰা শৰ্মাক গ্ৰেড চিকিৎসকে পৰীক্ষা কৰাত তেওঁ ক'ভিডত আক্ৰান্ত হোৱা বুলি ধৰা পৰে। নগাঁৱৰ চিকিৎসকে তেওঁক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰাত পৰিয়ালৰ লোকে শৰ্মাক এপল' হাস্পতালত ভৰ্তি কৰায়। চিকিৎসালয়খনৰ আইচিইউত বিগত ২৬ দিনে চিকিৎসাধীন হৈ থকাৰ পাছত আজি দিনৰ ১.৩০ বজাত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰক এৰি যায়।

দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

ছিপাঝাৰ, ২৮ অক্টোবৰ ঃ দৰঙীয়া লোক শিল্পীসকলৰ সন্মিলিত অনুষ্ঠান দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ ১৯ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখনি আজি হাপামাৰা ননৈঘাট সাহিত্য সভাৰ বাকৰিত অনুষ্ঠিত হয়। পুৱা ন বজাত সংঘৰ সভাপতি গহীন চহৰীয়াই সংঘৰ পতাকা উত্তোলন আৰু ননৈ পৰীয়া সাহিত্য সভাৰ সম্পাদক ভদ্ৰেশ্বৰ শইকীয়াই স্মৃতি তৰ্পণ ৰূপায়ণৰ পাছত ১১ বজাত অনুষ্ঠিত হয় সাধাৰণ সভা। ননৈপৰীয়া আয়তী নামৰ দলৰ দিহানামেৰে শুভাৰম্ভ হোৱা এই সাধাৰণ সভাত দৰঙীয়া কলাকৃষ্টিসমূহক অধিক জনপ্ৰিয় আৰু উন্নয়ন সংঘক গতিশীল কৰি তোলাত গুৰুত্ব প্ৰদান কৰে। সংঘৰ সভাপতি গহীন চহৰীয়াৰ সভাপতিত্বত আৰু সম্পাদক কুলেন্দ্ৰ নাথ ডেকাই আঁত ধৰা সভাত নতুন সমিতিখন গঠন কৰা হয়।

মহাবিদ্যালয়ত ধপাত জাতীয় সামগ্ৰীৰ বিৰুদ্ধে নলবাৰীত স্বাস্থ্য বিভাগৰ সজাগতা সভা

অগ্ৰদূত বাৰ্তা

নলবাৰী, ২৮ অক্টোবৰ ঃ নলবাৰী চহৰৰ কে'বাখনো মহাবিদ্যালয়ত আজি জিলা স্বাস্থ্য বিভাগে ধপাত জাতীয় সামগ্ৰীৰ বিৰুদ্ধে সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰে। এই উপলক্ষে নলবাৰীৰ বাণিজ্য মহাবিদ্যালয়ত স্বাস্থ্য বিভাগৰ সজাগতা সভা অনুষ্ঠিত কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক ধপাতমুক্ত কৰাৰ লক্ষ্যৰে স্বাস্থ্য বিভাগৰ ফালৰ পৰা বাটৰ নাট, পত্ৰিকা বিতৰণেৰে সজাগতাৰ চেষ্টা চলায় স্বাস্থ্য বিভাগে। নলবাৰী জিলাৰ স্বাস্থ্য বিভাগৰ মহকুমা চিকিৎসা বিষয়া কৈলাশ ডেকাৰ নেতৃত্বত ধঁপাত নিয়ন্ত্ৰণ অভিযান নলবাৰীৰ কে'বাখনো মহাবিদ্যালয়ত আৰম্ভ হৈছে। ইতিমধ্যে নলবাৰী মহাবিদ্যালয়ত ধপাত জাতীয় সামগ্ৰী পকেটত লৈ কোনো ছাত্ৰ-ছাত্ৰীৰ প্ৰৱেশ নিষিদ্ধ কৰিছিল অধ্যক্ষই। ইপিনে, নলবাৰী কলেজ চ'কত গুটখা আৰু ধপাত জাতীয় সামগ্ৰী বিচাৰি স্বাস্থ্য বিভাগে অভিযান চলায়। নলবাৰী মহাবিদ্যালয়ৰ কাষতে লাগি থকা কে'বাখনো দোকানত গুটখা আৰু ধপাত জাতীয় সামগ্ৰী বিচাৰি অভিযান চলায়। নলবাৰী মহাবিদ্যালয়ৰ গাতে লাগি থকা দোকনসমূহে বিক্ৰী কৰি অহা গুটখা আৰু ধপাত জাতীয় সামগ্ৰীৰ বিৰুদ্ধে অভিযান চলাই নলবাৰী জিলা স্বাস্থ্য বিভাগৰ দলটোৱে।

কলগাছিয়াত ম'বাইল চোৰ গ্ৰেপ্তাৰ

কলগাছিয়া, ২৮ অক্টোবৰ ঃ আজি কলগাছিয়া চাৰিআলি চ'কৰ পৰা ৰাইজে এজন ম'বাইল চোৰৰ কৰায়ত্ত কৰি কলগাছিয়া আৰক্ষীক গতাই দিয়ে। ছলমান আলী নামৰ চোৰজনে কিছুদিন পূৰ্বে বৰপেটা ৰোডৰ এজন কুঁহিয়াৰ বেপাৰীৰ পৰা ফোন কৰিম বুলি ম'বাইল লৈ উধাও হয়। কলগাছিয়া গাঁৱৰ ছলমানক আজি ৰাইজে কৰায়ত্ত কৰি কলগাছিয়া আৰক্ষীক গতাই দিয়ে।

বামুণীগাঁৱৰ সাহিত্যানুৰাগী ব্যক্তিৰ মৃত্যু

ছয়গাঁও, ২৮ অক্টোবৰ ঃ কামৰূপ জিলাৰ ছয়গাঁও সমষ্টিৰ বামুণীগাঁৱৰ সাহিত্য অনুৰাগী ব্যক্তি যতীন ঠাকুৰীয়াৰ যোৱা নিশা ১০-৪৫ বজাত মৃত্যু হয়। বামুণীগাঁও শাখা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক কৌস্তভ ঠাকুৰীয়াৰ পিতৃ যতীন ঠাকুৰীয়া আছিল বামুণীগাঁও সাহিত্য সভাৰ সহকাৰী সাধাৰণ সম্পাদক আছিল। স্বৰ্ণ সুবাস নামৰ এখন গ্ৰন্থ প্ৰকাশৰ উপৰি বহু কিতাপ-আলোচনীত তেওঁৰ লেখা প্ৰকাশ পায়। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ, এজনী কন্যা এৰি যায়।

সত্ৰ, নামঘৰ আদিৰে শংকৰী কলা-কৃষ্টিৰ চৰ্চা, নাট্য চৰ্চাৰ উপৰি ইয়াৰ পুৰণা দৌল তথা মন্দিৰৰ ভগ্নাৱশেষ উদ্ধাৰে তাহানিৰে পৰাই পূজা-পাতল হোৱাৰো যথেষ্ট সমল উদ্ধাৰ কৰা হৈছে। অসমীয়া ভাষী লোকৰ এই ঐতিহাসিক অঞ্চলটোলৈ তাহানিতে বিভিন্ন স্থানৰ লোক আহি বসবাস কৰিবলৈ লোৱাৰ যি ধাৰাবাহিকতা সেয়া বৰ্তমানেও অক্ষুণ্ণ আছে। উল্লেখ্য যে শৈক্ষিক দিশৰ পৰাও অতি সুবিধাজনক স্থান এই মাজগাঁও অঞ্চল। ঐতিহ্যমণ্ডিত দৰং মহাবিদ্যালয়, তেজপুৰ আইন মহাবিদ্যালয় তথা বৰ্তমান উচ্চতৰ মাধ্যমিকৰ অনুমোদন প্ৰাপ্ত তেজপুৰ কলেজিয়েট হাইস্কুলৰ সমীপৱৰ্তী এই অঞ্চলত কে'বাখনো প্ৰাথমিক বিদ্যালয় আছে। সাংস্কৃতিক তথা আধ্যাত্মিক দিশত বৰঙণি থকা মাজগাঁৱৰ শ্ৰীশ্ৰীনিকামূল সত্ৰ দেশৰ স্বাধীনতা আন্দোলনৰ প্ৰতিও বিশেষ বৰঙণি আছে।

তেজপুৰৰ এখন ঐতিহাসিক গাঁও মাজগাঁও

শুৱনি আমাৰ গাঁওখনি

■ অৰূপ কলিতা

গুপ্তযুগৰ ঐতিহাসিক সমল সমৃদ্ধ আৰু ইয়াৰ পৰাই তেজপুৰৰ এক মধ্য অঞ্চলৰ এখন ঐতিহ্যমণ্ডিত গাঁও হিচাপে পৰিচিত মাজগাঁও যে এক জনবসতিপূৰ্ণ অঞ্চল আছিল সেই কথা স্পষ্ট ভাৱে উল্লেখ্য যে বৃহত্তৰ তেজপুৰৰ এক মধ্যঅঞ্চল এই মাজগাঁও এক কৃষিপ্ৰধান অঞ্চল হিচাপেই পূৰ্বে পৰিচিত আছিল। মাজগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০টা খণ্ডৰ বিপৰীতে তৰাজান কুমাৰ গাঁও, ডেউৰী গাঁও আৰু মাজগাঁও তিনিখন বৃহৎ গাঁও। ইয়াৰে ভিতৰত দাধৰা অঞ্চলৰ পৰা হাতভগা চুবুৰি, শইকীয়া চুবুৰি, ঘৰ পৰা চুবুৰি, তামুলী চুবুৰি, নিকামূল, মৰাভৰলীপাৰ, বামুণ চুবুৰি, বৰুৱা চুবুৰি, কেতেকীবাৰী, নৰপুৰ, ৰত্নপুৰ, খৰাঅটি আদি বৃহৎ অঞ্চল সামৰি ১৫ সহস্ৰাধিক লোকৰ বসতিপূৰ্ণ এক অঞ্চল এই মাজগাঁও। উল্লেখ্য যে সত্ৰ, নামঘৰ আদিৰে শংকৰী কলা-কৃষ্টিৰ চৰ্চা, নাট্য চৰ্চাৰ উপৰি ইয়াৰ পুৰণা দৌল তথা মন্দিৰৰ ভগ্নাৱশেষ উদ্ধাৰে তাহানিৰে পৰাই পূজা-পাতল হোৱাৰো যথেষ্ট সমল উদ্ধাৰ কৰা হৈছে। অসমীয়া ভাষী লোকৰ এই ঐতিহাসিক অঞ্চলটোলৈ তাহানিতে বিভিন্ন স্থানৰ লোক আহি বসবাস কৰিবলৈ লোৱাৰ যি ধাৰাবাহিকতা সেয়া বৰ্তমানেও অক্ষুণ্ণ আছে। উল্লেখ্য যে শৈক্ষিক দিশৰ পৰাও অতি সুবিধাজনক স্থান এই মাজগাঁও অঞ্চল। ঐতিহ্যমণ্ডিত দৰং মহাবিদ্যালয়, তেজপুৰ আইন মহাবিদ্যালয় তথা বৰ্তমান উচ্চতৰ মাধ্যমিকৰ অনুমোদন প্ৰাপ্ত তেজপুৰ কলেজিয়েট হাইস্কুলৰ সমীপৱৰ্তী এই অঞ্চলত কে'বাখনো প্ৰাথমিক বিদ্যালয় আছে। সাংস্কৃতিক তথা আধ্যাত্মিক দিশত প্ৰভূত বৰঙণি থকা মাজগাঁৱৰ শ্ৰীশ্ৰীনিকামূল সত্ৰ দেশৰ স্বাধীনতা আন্দোলনৰ প্ৰতিও বিশেষ বৰঙণি আছে। তদানীন্তন সত্ৰাধিকাৰ প্ৰয়াত গহন চন্দ্ৰ গোস্বামী নিজেই স্বাধীনতা আন্দোলনৰে জড়িত হৈ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স'তে এই সত্ৰৰ মাটিতে থকা এজোপা অশোক গছৰ তলত স্বাধীনতা যুঁজৰ বাবে স্বেচ্ছাসেৱক বাহিনীৰ কুচকাৱাজ কৰা আৰু চন্দ্ৰকান্ত ডেকা বৰুৱা তথা প্ৰমীলা বৰুৱাৰ দৰে স্বাধীনতা সংগ্ৰামীৰ বিষয়ে উল্লেখ কৰি সমাজকৰ্মী তথা সত্ৰাধিকাৰ পৰিয়ালৰ সদস্য মুকুল গোস্বামীয়ে কয়, 'তাহানি মাজগাঁৱত গঢ়ি উঠা শতবৰ্ষীয় শ্ৰীশ্ৰীশংকৰদেৱ অনুষ্ঠান আৰু সমীপৰ পুথিভঁৰালে শিশুৰ পৰা জ্যেষ্ঠজনলৈকে জ্ঞান আৰু সংস্কৃতি তথা স্বদেশ প্ৰেমৰ এক পোহৰ বিয়পাইছিল।' বৰ্তমান এইখন বিশাল গাঁৱে ক্ৰমান্বয়ে গ্ৰাম্যজীৱনৰ প্ৰাণ প্ৰাচুৰ্যতা হেৰুৱাইছে বুলি উল্লেখ কৰি তেওঁ কয় যে বৰ্তমান জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহৰ মাজত আন্তৰিকতা হ্ৰাস পাইছে।



শেখৰ বৰুৱা

বৰ্তমানৰ জাতীয় ছহিদ বাকৰি তথা পূৰ্বৰ চিত্ৰলেখা মিলন বাকৰি আৰু বৰ্তমানৰ কলেজিয়েট হাইস্কুল খেলপথাৰৰ লগতে পৰৱৰ্তী সময়ত গহন চন্দ্ৰ গোস্বামী স্মৃতি উদ্যানৰ বিহু, ৰাস আদিয়ে অঞ্চলটোৰ ৰাইজক একত্ৰিত কৰি ৰখাত বিশেষ ভূমিকা পালন কৰা বুলিও তেওঁ কয়। অৱশ্যে মাজগাঁৱৰ প্ৰায় ৮০ শতাংশ ধাননি পথাৰ, প্ৰাকৃতিক হোলা নিঃশেষ হোৱাটো বৰ্তমান অতিশয় উদ্বেগজনক ঘটনা বুলি গোস্বামীয়ে মন্তব্য কৰি লগতে কয় যে নিকামুল সত্ৰতে বৰ্তমানলৈকে কে'বাবাৰো চুৰিকাণ্ড সংঘটিত হোৱা ঘটনাই সময়ৰ নেতিবাচক সূচাইছে। আনহাতে, মাজগাঁৱৰ ঘৰপৰা চুবুৰিৰ দৌলগুৰিত গুপ্তযুগৰে দৌলৰ ভগ্নাৱশেষ উদ্ধাৰ হোৱা আৰু ইয়াৰ আশে-পাশে বহু কাৰুকাৰ্য খোদিত শিলাখণ্ডৰ উদ্ধাৰে অঞ্চলটোৰ ঐতিহাসিক পটভূমিৰ বিষয়ে প্ৰকাশ কৰে বুলি মন্তব্য কৰি মাজগাঁৱৰ আন এজন সমাজকৰ্মী শেখৰ বৰুৱাই কয় যে এই দৌলগুৰিতে আকৃতিত সৰু এখন শৈলদ্বাৰ উদ্ধাৰ কৰা হৈছিল। প্ৰায় এশ বছৰ পূৰ্বে উদ্ধাৰ হোৱা এই শৈলদ্বাৰত তিনি নাৰীমূৰ্তি খোদিত আছে আৰু গুপ্তযুগৰে বুলি ধাৰণা কৰা এই দ্বাৰখন বৰ্তমান ঘৰপৰা চুবুৰিয়ে শ্ৰীশ্ৰীগোপাল গোসাঁই থানত ৰখা হৈছে বুলি উল্লেখ কৰি বৰুৱাই কয় এই মাজগাঁও অঞ্চলত পুৰাতত্ত্ব বিভাগে অধ্যয়ন চলোৱাটো অতি আৱশ্যক আছিল যদিও সেয়া হোৱা নাই। প্ৰণিধানযোগ্য যে এই দ্বাৰৰ স'তে দপৰ্বতীয়াৰ শৈলদ্বাৰৰ বহু সাদৃশ্য আছে। বৰুৱাই লগতে কয় যে বৰ্তমান গাঁওখনৰ পথসমূহ উন্নত কৰাৰ বিপৰীতে বহু অঞ্চলত নলাৰ ব্যৱস্থা নথকাটো এক সমস্যা হৈ পৰিছে। মাজগাঁও দা ধৰা সংযোগী পথত থকা দুটা কালভাৰ্ট যাক স্থানীয় লোকে ছেঙেলি পকী আৰু কপৌতি পকী বুলি কয় সেই দুটা পকীৰ তলতো বহু কাৰুকাৰ্য খচিত শিল আছিল যদিও ইয়াৰে বহুসংখ্যক শিল ইয়াৰ পৰা সময়ে সময়ে আঁতৰাই নিয়া হয়। বৰ্তমান তেজপুৰৰ এক ঐতিহাসিক শ্মশান দৌলগুৰি প্ৰকৃততে দ'লৰ গুৰি নামৰ পৰাই উৎপত্তি হোৱা বুলি থৰৰ কৰিব পাৰি। ইয়াত বৰ্তমান বহুসংখ্যক প্ৰাচীন শৈলস্তম্ভৰ অংশ সংৰক্ষিত হৈ আছে। বৰুৱাই লগতে মাজগাঁও কেতেকীবাৰীৰ কেটেকেশ্বৰ দেৱালয়কো এক বিশেষ পৰ্যটন



মুকুল গোস্বামী

স্থলীৰূপে গঢ়ি তুলিব পাৰি বুলি অভিমত ব্যক্ত কৰে। বহুকেইজন সাংস্কৃতিক পুৰোধা, ৰাজনীতিক, লিখক, সাহিত্যিক, বিদ্যান ব্যক্তিত্বৰ জন্মস্থান এই মাজগাঁৱতে বৰ্তমান ৰাজ্যিক পৰিবহণ নিগমৰ আইএছবিটি নিৰ্মাণৰ কাম চলি আছে। বৰ্তমান কৃষিপ্ৰধান অঞ্চলৰ পৰিচয় হেৰুৱাই মাজগাঁও এক ব্যৱসায়িক অঞ্চললৈ ৰূপান্তৰিত হোৱাৰ দিশে গতি কৰাৰ লগতে অঞ্চল বিশেষে কৃত্ৰিম বান এক সমস্যা হৈ উঠিছে।

ভাৰতৰ নিৰ্বাচন আয়োগ
http://eci.gov.in/

ভোটদানৰ পূৰ্বে
আপোনাৰ প্ৰাৰ্থীৰ সম্পৰ্কে জানি লওক

যোগ্যতা,
কামৰ অভিজ্ঞতা
/দায়বদ্ধতা
আৰু
অপৰাধমূলক কাৰ্যকলাপৰ
ইতিহাস
(যদি কিছু থাকে)

বিস্তাৰিত তথ্য পাব
ভোটাৰ হেল্পলাইন
ম'বাইল এপৰ যোগেদি
ডাউনলোড কৰিবলৈ কিউ আৰ কোড স্কেন কৰক।

ইয়াৰ উপৰিও বিস্তাৰিত তথ্য পাব
www.affidavit.eci.gov.in
চি ই অ'/ডি ই অ'ৰ ৱেবছাইটত

জানি বুজি পছন্দ কৰক

হেল্পলাইন ☎ 1950 | কোনো ভোটাৰ যাতে বাদ পৰি নাযায়।
@ECI @ECISVEEP @ECISVEEP

davp 52101/13/0013/2122

চাপমুক্ত থকাৰ অনুশীলন টিম ইণ্ডিয়াৰ

অৱশেষত নেটত বলিং কৰিলে হাৰ্দিকে ঃ সুস্থতাৰ প্ৰমাণ অলৰাউণ্ডাৰৰ

নিউজ ব্যুৰ’

ডুবাই, ২৮ অক্টোবৰ ঃ পাকিস্তানৰ বিপক্ষে বিধ্বস্ত হোৱাৰ পাছত স্বাভাৱিকতেই যথেষ্ট চাপত আছে ভাৰতীয় দল। অৱশ্যে সেই চাপ দলটোৱে বাহিৰলৈ আহিবলৈ দিয়া নাই। ইয়াৰ পৰিৱৰ্তে বিৰাট কোহলি আৰু তেওঁৰ সতীৰ্থসকলে যথাসম্ভৱ চাপমুক্ত হৈ থকাৰ চেষ্টা কৰিছে। কিয়নো কোহলি বাহিনীৰ পৰৱৰ্তী খেল শক্তিশালী নিউজিলেণ্ডৰ বিপক্ষে, যাৰ পৰিসংখ্যা ভাৰতৰ বিপক্ষে সততে ভাল। তাতে প্ৰতিযোগিতাৰ দিশৰ পৰাও দেওবাৰৰ খেলখন অত্যন্ত গুৰুত্বপূৰ্ণ। ইয়াৰ বাবেই নিজক চাপমুক্ত কৰি ৰখাৰ অনুশীলন কৰিছে ভাৰতীয় দলে। যোৱা নিশা দলৰ অনুশীলনত সেই দৃশ্যই প্ৰকট হ’ল।

পাকিস্তানৰ বিপক্ষে পৰাজয়ৰ পাচত কালি প্ৰথমবাৰলৈ অনুশীলন কৰিলে ভাৰতীয় দলে। অধিনায়ক কোহলিসহ কে’বাজনো খেলুৱৈয়ে ডুবাইত নিশাৰ ভাগত অনুশীলন কৰে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব’ৰ্ডৰ তৰফৰ পৰা দলৰ এই অনুশীলনক ‘ফান ড্ৰীল’ আখ্যা দিয়া হৈছে। এই সময়ত দেখা গুৰুত্বপূৰ্ণ বিষয়টো হৈছে অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াৰ বলিং অনুশীলন। উল্লেখ্য যে কালি ভাৰতীয় দৰ ঐচ্ছিক অনুশীলন আছিল। সেয়ে সকলো ক্ৰিকেটাৰ খেলপথাৰত উপস্থিত নাছিল। এই অনুশীলনতে হাৰ্দিকে বলিং কৰা দেখা যায়। উল্লেখ্য যে অস্ত্ৰোপচাৰৰ বাবে তাৰকা অলৰাউণ্ডাৰজনে বিগত কে’বা মাহ ধৰি বলিং কৰা নাই। একমাত্ৰ বেটাৰৰূপে তেওঁ দলত স্থান পাইছে। পাকিস্তানৰ বিপক্ষে খেলত তেওঁ কান্ধত আঘাত পাইছিল। যোৱা নিশা তেওঁ প্ৰায় ১০ মিনিট বলিং অনুশীলন কৰে যদিও নিউজিলেণ্ডৰ বিপক্ষে বলিং কৰাৰ বিষয়টো স্পষ্ট হোৱা নাই। অৱশ্যে কান্ধৰ আঘাতৰ পৰা যে হাৰ্দিক সুস্থ হৈছে, তাৰ নিশ্চয়তা পোৱা গ’ল। বলিঙৰ পাছত হাৰ্দিকে কিছু সময় বেটিং অনুশীলনো কৰে। উল্লেখ্য যে হাৰ্দিকৰ এই অনুশীলন মুখ্য প্ৰশিক্ষক ৰবি শাস্ত্ৰী, মেণ্টৰ মহেন্দ্ৰ সিং ধোনি আৰু অধিনায়ক কোহলিয়ে সূক্ষ্মভাৱে নিৰীক্ষণ কৰা পৰিলক্ষিত হয়।

হাৰ্দিক পাণ্ডিয়াৰ বলিং অনুশীলন, বুধবাৰে।

বজালী দল চূড়ান্ত বিজয়ী

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২৮ অক্টোবৰ ঃ বজালী ফুটবল দলে বজালীৰ বতিয়ামাৰীত জ্যোতিমিলন আঞ্চলিক যুথ ক্লাবৰ উদ্যোগত আয়োজিত প্ৰাইজমানি ফুটবলৰ খিতাপ অৰ্জন কৰিছে। আজিৰ ফাইনেলত বজালীয়ে গড়গাঁৱৰ দাওগাফু ফুটবল ক্লাবক ৩-১ গ’লত পৰাজিত কৰে। চেম্পিয়ন দলক ট্ৰফীসহ নগদ পাঁচ হেজাৰ আৰু ৰাণাৰ্ছআপ দলক ট্ৰফীসহ তিনি হেজাৰ টকা প্ৰদান কৰা হয়। বজালী দলৰ সুমন কাকতিক ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা প্ৰদান কৰে। আজিৰ ফাইনেল উদ্বোধন কৰে শিক্ষক-সমাজকৰ্মী সতীশ ৰায়ে।

পৰিসংখ্যাত পিছুৱাই আছে ভাৰত

টিম ইণ্ডিয়াৰ বিপক্ষে ধাৰাবাহিক সফলতা নিউজিলেণ্ডৰ

নিউজ ব্যুৰ’

কলকাতা, ২৮ অক্টোবৰ ঃ টি-২০ বিশ্বকাপৰ সম্ভাৱনা সজীৱ ৰখাৰ বাবে দেওবাৰে মৰণপন যুঁজত অৱতীৰ্ণ হ’ব ভাৰত আৰু নিউজিলেণ্ড। গুৰুত্বপূৰ্ণ খেলখনৰ বিজয়ী দলটোৱে প্ৰতিযোগিতাৰ ছেমিফাইনেলৰ দিশত এখোজ আগুৱাই যাবলৈ সক্ষম হ’ব। এনে পৰিস্থিতিত বিৰাট কোহলিৰ দলৰ বাবে আন এক চিন্তাৰ কাৰকৰূপে দেখা দিছে দল দুটাৰ মাজৰ খেলৰ পৰিসংখ্যাই। এই পৰিসংখ্যাত বহুখিনি আগুৱাই থকাৰ আত্মবিশ্বাসী ৰূপতে দেওবাৰে কোহলি বাহিনীৰ বিপক্ষে খেলিব কেন উইলিয়ামছনৰ কিৱি দলে।

টি-২০ বিশ্বকাপত এই পৰ্যন্ত ভাৰত আৰু নিউজিলেণ্ড দুবাৰ মুখামুখি হৈছে। দুয়োখন খেলতে শেষ হাঁহি মাৰিছিল নিউজিলেণ্ডে। ২০০৭ৰ বিশ্বকাপৰ গ্ৰুপ পৰ্বত মহেন্দ্ৰ সিং ধোনিৰ দল ১০ ৰাণত পৰাজিত হৈছিল। তাৰ পাছত ২০১৬ৰ বিশ্বকাপৰ ‘ছুপাৰ ১০’ত নিউজিলেণ্ডে ভাৰতক ৪৭ ৰাণত পৰাজিত কৰে। দুই দলৰ সামগ্ৰিক টি-২০ৰ ফলাফলতো ভাৰত বহু পিছপৰি আছে। এই পৰ্যন্ত দল দুটাই ১৭খন টি-২০ মেচ পৰস্পৰৰ বিপক্ষে খেলিছে। ইয়াৰ আঠখনত নিউজিলেণ্ডে আৰু ছখনত ভাৰতে জয়লাভ কৰিছে। দুখন মেচ ‘টাই’ হয়।

উল্লেখ্য যে আইচিচিৰ প্ৰতিযোগিতাসমূহতো কিৱিৰ বিপক্ষে ভাৰতৰ পৰিসংখ্যা যথেষ্ট অনুন্নত। অন্তিম পাঁচখন মেচৰ চাৰিখনতে ভাৰতীয় দল পৰাজিত হৈছে। তাৰ ভিকৰত আছে ২০১৯ৰ বিশ্বকাপৰ ছেমিফাইনেল, ২০১৬ৰ টি-২০ বিশ্বকাপ, ২০০৭ৰ টি-২০ বিশ্বকাপ। কিছু মাহৰ পূৰ্বে আইচিচিৰ টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলতো কোহলিৰ দৰে কিৱিৰ বিপক্ষে আত্মসমৰ্পণ কৰিছিল। আইচিচি প্ৰতিযোগিতাত নিউজিলেণ্ডৰ বিপক্ষে ভাৰতে ২০০৩তে অন্তিমবাৰলৈ জয়লাভ কৰিছিল। সেইবাৰ সৌৰভ গাংগুলীৰ নেতৃত্বত ভাৰতে বিশ্বকাপত নিউজিলেণ্ডক সাত উইকেটত হৰুৱাইছিল।

ইংলিছ লীগ কাপত মানচেষ্টাৰ চিটীক পৰাজিত কৰি ৱেষ্ট হামৰ খেলুৱৈৰ উল্লাস, বুধবাৰে।

অৱশেষত ক্ষমা খুজিলে দক্ষিণ আফ্ৰিকাৰ ডি ক’কে

মুম্বাই ইণ্ডিয়ানছ দলৰ পৰা বাহিৰ হোৱাৰ সম্ভাৱনা প্ৰকট



নিউজ ব্যুৰ’

ডুবাই, ২৮ অক্টোবৰ ঃ অৱশেষত বিতৰ্কৰ মুখত ক্ষমা খুজিবলৈ বাধ্য হ’ল কুইণ্টন ডি ক’কে। দক্ষিণ আফ্ৰিকাৰ উইকেট কীপাৰ-বেটাৰজনে দলৰ ওচৰত ক্ষমা ভিক্ষা কৰে। লগতে এইবাৰৰ পৰা বৰ্ণ বৈষম্যৰ বিৰুদ্ধে দলৰ স’তে আঁঠু কাঢ়ি প্ৰতিবাদ সাব্যস্ত কৰিব বুলিও ডি ক’কে জনাইছে।

উল্লেখ্য যে দক্ষিণ আফ্ৰিকা ক্ৰিকেট ব’ৰ্ডৰ নিৰ্দেশ সত্ত্বেও ডি ক’কে আঁঠু কাঢ়ি প্ৰতিবাদ সাব্যস্ত কৰাৰ পৰিৱৰ্তে যোৱা মঙলবাৰে বিশ্বকাপৰ মেচৰ পৰা নাম প্ৰত্যাহাৰ কৰিছিল। তাৰকা ক্ৰিকেটাৰজনৰ এই কাণ্ডত চৌদিশে সমালোচনাৰ ঢৌ উঠে। যোৱা নিশা দক্ষিণ আফ্ৰিকাৰ ক্ৰিকেট ব’ৰ্ডৰ স’তে এক বৈঠকত মিলিত হোৱাৰ পাছতে ডি ক’কে নিজৰ সিদ্ধান্তৰ পৰা আঁতৰি আহে। সংবাদ মাধ্যমৰ আগত ডি ক’কে কয়, ‘মই যি কৰিছো তাৰ বাবে ক্ষমা বিচাৰিছো। যদি মই আঁঠু কাঢ়ি প্ৰতিবাদ জনালে তাৰ মাধ্যমেৰে আনক সামান্য শিক্ষাও দিব পাৰি, তেনেহ’লে মই সেয়াই কৰিম।’ তেওঁ নিজকে বৰ্ণবাদী নহয় বুলিও দাবী কৰে। অৱশ্যে ক্ষমা খুজিলেও এক শাস্তিৰ সন্মুখীন হ’ব পাৰে দক্ষিণ আফ্ৰিকাৰ তাৰকা ক্ৰিকেটাৰজন। আগন্তুক ছিজনত তেওঁক আইপিএলৰ মুম্বাই ইণ্ডিয়ান্‌ছ দলৰ পৰা বাহিৰ কৰা হ’ব পাৰে। মুকেশ আম্বানীৰ ফ্ৰেঞ্চাইজিৰ সূত্ৰই এই কথা সদৰী কৰিছে। সূত্ৰই কয় যে ডি ক’কে মুম্বাই ইণ্ডিয়ান্‌ছৰ পৰা প্ৰতি বছৰে পাচ লাখ ডলাৰ পায় আৰু তেওঁ ৰোহিত শৰ্মাৰ দলৰ গুৰুত্বপূৰ্ণ সদস্য। অৱশ্যে বৰ্ণ বৈষম্যৰ বিৰুদ্ধে প্ৰতিবাদ নকৰা বিষয়টো ফ্ৰেঞ্চাইজিটোৱে ভাল চকুৰে চোৱা নাই।

ভাৰত পৰাস্ত

নিউজ ব্যুৰ’

কলকাতা, ২৮ অক্টোবৰ ঃ শক্তিশালী ওমানক পৰাজিত কৰিলেও ২৩ বছৰ অনূৰ্ধ্বৰ এএফচি এছিয়ান কাপ ফুটবলৰ যোগ্যতা অৰ্জন পৰ্বত জয়ৰ ধাৰা অব্যাহত ৰাখিব নোৱাৰিলে ভাৰতে। যোৱা নিশাৰ দ্বিতীয়খন গ্ৰুপ মেচত সংযুক্ত আৰব আমিৰশ্বাহিয়ে ভাৰতক ১-০ গ’লত পৰাজিত কৰে। আমিৰশ্বাহিৰ আব্দুল্লাই পেনাল্টিৰ জৰিয়তে জয়সূচক গ’লটো দিয়ে। মূল পৰ্বত স্থান নিশ্চিত কৰিবলৈ হ’লে ভাৰতে অন্তিম গ্ৰুপ মেচত কিৰ্ঘিজ গণৰাজ্যক পৰাজিত কৰিব লাগিব।

টি-২০ বিশ্বকাপত স্বপ্নৰ দৌৰ অব্যাহত নামিবিয়াৰ

নিউজ ব্যুৰ’

আবু ঢাবি, ২৮ অক্টোবৰ ঃ চলিত টি-২০ বিশ্বকাপত স্বপ্নৰ দৌৰ অব্যাহত ৰাখিছে নামিবিয়াই। প্ৰথমবাৰলৈ বিশ্বকাপ খেলা দলটোৱে প্ৰাথমিক পৰ্বৰ ফৰ্ম অব্যাহত ৰাখি ‘ছুপাৰ ১২’ৰ যোৱা নিশাৰ খেলত স্কটলেণ্ডক চাৰি উইকেটত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি স্কটলেণ্ডে আঠ উইকেটত ১০৯ ৰাণ কৰে। প্ৰত্যুত্তৰত দলটোৱে সহজেই জয়ৰ লক্ষ্যত উপনীত হয়। জোহানেছ স্মিটে ৩২ ৰাণত অপৰাজিত হৈ থাকে। ইয়াৰ পূৰ্বে স্কটলেণ্ডৰ প্ৰথম অভাৰতে তিনিটা উইকেট দখল কৰি দলটোৰ বিপৰ্যয় মাতি আনিছিল নামিবিয়াৰ ফাষ্ট বলাৰ ৰুবেন ট্ৰাম্পেলমানে। অৱশ্যে পৰৱৰ্তী সময়ত মাইকেল লিস্কে ৪৪ আৰু ক্ৰিছ গ্ৰিভ্‌ছে ২৯ ৰাণ কৰে।

টি-২০ ক্ৰিকেটৰ ইতিহাসত বিৰল নজিৰ স্থাপন নামিবিয়াৰ বলাৰৰ

প্ৰথম অভাৰতে তিনি উইকেট দখলৰ কৃতিত্ব

নিউজ ব্যুৰ’

আবু ঢাবি, ২৮ অক্টোবৰ ঃ প্ৰথমবাৰলৈ টি-২০ বিশ্বকাপত খেলিবলৈ নামিয়েই এক বিৰল নজিৰ স্থাপন কৰিলে নামিবিয়াৰ ফাষ্টবলাক ৰুবেন ট্ৰাম্পেলমানে। যোৱা নিশা স্কটলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত খেলখনত ৰুবেনে প্ৰথম অভাৰতে তিনিটা উইকেট দখল কৰে। টি-২০ ক্ৰিকেটৰ প্ৰথম অভাৰত তিনিটা উইকেট দখল কৰা ৰুবেনেই প্ৰথম বলাৰ। ২৩ বছৰীয়া বাঁওহতীয়া ফাষ্টবলাৰজনে খেলৰ প্ৰথম অভাৰতে জৰ্জ মুন্সে, কালাম মেকলিয়ড আৰু স্কটলেণ্ডৰ অধিনায়ক ৰিচি বেৰিংটনক আউট কৰে। উক্ত অভাৰত তেওঁ মাত্ৰ দুই ৰাণ খৰচ কৰে। ৰুবেনৰ দুৰ্দান্ত বলিঙৰ বাবেই যোৱা নিশাৰ খেলখনত নামিবিয়াই চাৰি উইকেটত জয়লাভ কৰিবলৈ সক্ষম হয়।

ৱেষ্টইণ্ডিজ দলত হ’ল্ডাৰ

নিউজ ব্যুৰ’

ডুবাই, ২৮ অক্টোবৰ ঃ ৱেষ্টইণ্ডিজৰ টি-২০ বিশ্বকাপ দলত অন্তৰ্ভুক্ত হ’ল অভিজ্ঞ অলৰাউণ্ডাৰ তথা প্ৰাক্তন অধিনায়ক জেছন হ’ল্ডাৰ। আহত অ’বেড মেকয়ৰ পৰিৱৰ্তে হ’ল্ডাৰক দলভুক্ত কৰা হৈছে। হ’ল্ডাৰক দলভুক্ত কৰাৰ আবেদনত সঁহাৰি জনায় বিশ্বকাপৰ ইভেণ্ট টেকনিকেল কমিটীয়ে। আইচিচিৰ তৰফ পৰা জনোৱা হৈছে যে ক’ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি হ’ল্ডাৰ অতিৰিক্ত খেলুৱৈৰূপে দলৰ স’তেই আছিল।

আজি মৰণপন যুঁজত বাংলাদেশ-ৱেষ্টইণ্ডিজ

নিউজ ব্যুৰ’

শ্বাৰজাহ, ২৮ অক্টোবৰ ঃ দুখনকৈ খেলত পৰাজিত হোৱাৰ পাছত কাইলৈ টি-২০ বিশ্বকাপৰ মৰণপন যুঁজত মুখামুখি হ’ব বাংলাদেশ আৰু যোৱাবাৰৰ চেম্পিয়ন ৱেষ্টইণ্ডিজ। প্ৰতিযোগিতাৰ সম্ভাৱনা সজীৱ কৰি ৰখাৰ বাবে কাইলৈৰ গ্ৰুপ ‘এক’ৰ খেলখন দুয়োটা দলৰ বাবেই অত্যন্ত গুৰুত্বপূৰ্ণ। সেইদৰে কাইলৈ পৰাজিত হোৱা দলটোৰ বিদায় প্ৰায় নিশ্চিত হৈ পৰিব।

নিজৰ দুখন গ্ৰুপ মেচত যোৱাবাৰৰ চেম্পিয়ন দলটো ইংলণ্ড আৰু দক্ষিণ আফ্ৰিকাৰ বিপক্ষে পৰাজিত হৈছে। আনহাতে, বাংলাদেশক ইতিমধ্যে পৰাজিত কৰিছে ইংলণ্ড আৰু শ্ৰীলংকাই। ছেমিফাইনেলৰ আশা সজীৱ কৰি ৰখাৰ বাবে দুয়োটা দলকে কাইলৈৰ খেলত জয়ৰ প্ৰয়োজন। টি-২০ ক্ৰিকেটত সততে শক্তিশালী কেৰিবিয়ান দলে এইবাৰ বেটিঙৰ সমস্যাত ভুগিছে। দলত কে’বাজনো টি-২০ৰ বিশেষজ্ঞ বেটাৰ থকা সত্ত্বেও তেওঁলোকে প্ৰয়োজনৰ সময়ত জিলিকি উঠিব পৰা নাই। ইংলণ্ডৰ বিপক্ষে দলটো মাত্ৰ ৫৫ ৰাণতে অলআউট হৈছিল। সেইদৰে দক্ষিণ আফ্ৰিকাৰ বিপক্ষেও দলটোৰ বেটাৰসকলে পৰিচিত বিস্ফোৰণ ঘটাব নোৱাৰিলে। কাইলৈৰ খেলত অপেনাৰ লেণ্ডল ছিমন্সৰ পৰিৱৰ্তে ৰ’ষ্টন চেজক মূল একাদশত অন্তৰ্ভুক্ত কৰিব পাৰে। তেওঁৰ আগমনে দলত স্পীন আক্ৰমণতো ভিন্নতা আনিব। কিয়নো ৱেষ্টইণ্ডিজৰ বলিং বিভাগেও প্ৰথম দুখন মেচত বিশেষ প্ৰভাৱ পেলাব পৰা নাই। কেৱল বাঁওহতীয়া স্পীনাৰ আকিল হুছেইনেহে কিছু দৃষ্টি আকৰ্ষণ কৰিছে। ইপিনে, ঘৰুৱা পৰিৱেশত অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ দৰে দলক পৰাজিত কৰিলেও বাংলাদেশে ধাৰাবাহিকতা প্ৰদৰ্শন কৰিব পৰা নাই। ‘ছুপাৰ ১২’ত চাপ ৰাখিব পৰা নাই দলৰ একমাত্ৰ বিশ্বমানৰ খেলুৱৈ অলৰাউণ্ডাৰ ছকিব অল হাছানে। তেওঁৰ বাহিৰে প্ৰতিভাৱান লিটন দাস, মহম্মদ নঈম, অধিনায়ক মহম্মদুল্লাহ আৰু অভিজ্ঞ মুছফিকুৰ ৰহিমেও একত্ৰিতভাৱে দলক আগুৱাই নিব পৰা নাই। দলটোৰ বলিং বিভাগে অৱশ্যে কিছু সমীহ আদায় কৰিবলৈ সক্ষম হৈছে।

কাছমাৰী ফুটবলৰ ছেমিত চকলাঘাট

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ২৮ অক্টোবৰ ঃ চকলাঘাট ফুটবল ক্লাবে নগাঁও জিলাৰ কাছমাৰী আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত আয়োজিত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। আজিৰ কোৱাৰ্টাৰ ফাইনেলত চকলাঘাটে ৰহা ফুটবল ক্লাবক টাই ব্ৰেকাৰৰ জৰিয়তে সামগ্ৰিকভাৱে ৪-৩ গ’লত পৰাজিত কৰে। তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলখন নিৰ্ধাৰিত সময়ত ১-১ গ’লত অমীমাংসিতৰূপে শেষ হৈছিল। আজি চকলাঘাটৰ বিজয়ত দলৰ গ’লকীপাৰ তন্ময় হাজৰিকা (কাকু)ৰ দক্ষতাই সকলোকে মুগ্ধ কৰে। খেল পৰিচালনা কৰাত ৰেফাৰী বিপ্লৱ কোঁৱৰক সহায় কৰে বিষ্ণু বৰদলৈ, সমীৰ বৰদলৈ আৰু চতুৰ্থ ৰেফাৰী কণ্ঠী ৰাজাই।

পাঁচ পৰিৱৰ্তনৰ সিদ্ধান্ত বাহাল থাকিব ফুটবলত

নিউজ ব্যুৰ’

জুৰিখ, ২৮ অক্টোবৰ ঃ ক’ভিড-১৯ পৰিস্থিতিত ফুটবলাৰসকলৰ শাৰীৰিক স্বাস্থ্য ভালে থকাৰ বাবে এখন খেলত পাঁচজন খেলুৱৈ পৰিৱৰ্তনৰ নিয়ম প্ৰয়োগ কৰা হৈছিল। অস্থায়ীভাৱেই এই নিয়ম প্ৰয়োগ কৰিছিল যদিও এতিয়া সেই নিয়মেই স্থায়ী হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। অৰ্থাৎ আগন্তুক দিনতো প্ৰশিক্ষকে এখন খেলত পাঁচজন খেলুৱৈ পৰিৱৰ্তন কৰিব পাৰিব। অৱশ্যে সকলো ক্ষেত্ৰতে এই নিয়ম প্ৰযোজ্য নহ’ব। বিভিন্ন প্ৰতিযোগিতা বা লীগৰ আয়োজকে ঠিক কৰিব কোনটো নিয়ম প্ৰয়োগ কৰা হ’ব। তথ্য অনুসৰি, ফুটবলৰ নিয়ম প্ৰণয়নকাৰী সংস্থা আইএফবিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিব।

অষ্ট্ৰেলিয়াৰ সহজ জয়

নিউজ ব্যুৰ’

ডুবাই, ২৮ অক্টোবৰ ঃ টি-২০ বিশ্বকাপৰ আজি অনুষ্ঠিত একমাত্ৰ খেলত শ্ৰীলংকাক সাত উইকেটত সহজে পৰাস্ত কৰিলে অষ্ট্ৰেলিয়াই। জয়ৰ বাবে প্ৰয়োজন হোৱা ১৫৫ ৰাণ দলটোৱে ১৮টা বল বাকী থকা অৱস্থাতে সংগ্ৰহ কৰে। ডেভিদ ৱাৰ্ণাৰে ৬৫ আৰু এৰ’ন ফিন্সে ৩৭ ৰাণ কৰে। ষ্টিভ স্মিথ ২৮ ৰাণত অপৰাজিত হৈ থাকে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰি শ্ৰীলংকাই ছয় উইকেটৰ বিনিময়ত ১৫৪ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ চৰিত আছালাংকাই ৩৫, কুশাল পেৰেৰাই ৩৫ কৰাৰ উপৰি ভানুকা ৰাজাপাক্‌ছে ৩৩ ৰাণত অপৰাজিত থাকে। অষ্ট্ৰেলিয়াৰ হৈ মিচেল ষ্টাৰ্ক, পেট কামিন্স আৰু আদাম জাম্পাই দুটাকৈ উইকেট লয়।

ওদালগুৰিত বালিৰাম বড়ো স্বৰ্ণকাপ ফুটবল আৰম্ভ

উদ্বোধনী খেলত ছানৰাইজৰ জয়

বিশেষ সংবাদদাতা

ওদালগুৰি, ২৮ অক্টোবৰ ঃ ওদালগুৰি জিলাৰ হৰিশিঙা আঞ্চলিক এবছু আৰু হৰিশিঙা ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা ৰবি কছাৰী মিনি ষ্টেডিয়ামত ২১সংখ্যক সৰ্বভাৰতীয় ছহিদ বালিৰাম বড়ো স্বৰ্ণকাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰতিযোগিতা উদ্বোধন কৰে এবছুৰ কেন্দ্ৰীয় উপদেষ্টা কুসুম কুমাৰ স্বৰ্গীয়াৰীয়ে। খেলপথাৰ মুকলি আৰু ছহিদ বালিৰাম বড়োৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ওদালগুৰি জিলা এবছুৰ সভাপতি লোহিত বড়োৱে। আজিৰ উদ্বোধনী মেচত জয়লাভ কৰে ছানৰাইজ এফ চিয়ে। খেলখনত ছানৰাইজে ওদালগুৰিৰ ইডেন এফ চিক ৪-২ গ’লত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰগতি অৰ্জন কৰে। এই প্ৰতিযোগিতাত আঠটা দলে অংশগ্ৰহণ কৰিছে। অহা চাৰি নৱেম্বৰত ফাইনেল অনুষ্ঠিত হ’ব বুলি জনাইছে পৰিচালনা সমিতিৰ সভাপতি সঞ্জয় স্বৰ্গীয়াৰী আৰু সম্পাদক মাৰ্চেল বসুমতাৰীয়ে।

বিশ্ব বক্সিংৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত নৰেন্দাৰ

নিউজ ব্যুৰ’

বেলগ্ৰেড, ২৮ অক্টোবৰ ঃ বেলগ্ৰেডত চলি থকা আইবা পুৰুষৰ বিশ্ব বক্সিং প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰত প্ৰৱেশ কৰিছে ভাৰতৰ নৰেন্দাৰ বেৰৱালে। আজিৰ দ্বিতীয় ৰাউণ্ডৰ যুঁজত নৰেন্দাৰে ছিয়েৰে লিয়নিৰ মহম্মদ কেন্দেহক ৫-০ ব্যৱধানত পৰাজিত কৰে। ৯২ কেজিৰ উৰ্ধ্বৰ যুঁজখনত আৰম্ভণিৰে পৰাই ভাৰতীয় বক্সাৰজনে আধিপত্য বিস্তাৰ কৰিছিল। ইপিনে, ৬০ শাখাৰ ভাৰতীয় প্ৰতিযোগী বৰিন্দাৰ সিঙে যোৱা নিশা প্ৰৱল জ্বৰৰ বাবে আৰ্মেনিয়াৰ কাৰেন ট’নাকানিয়ানক ‘ৱাকঅভাৰ’ দিবলৈ বাধ্য হয়। উল্লেখ্য যে যোৱা নিশা ভাৰতৰ লক্ষ্য চাহাৰে ৮৬ কেজি শাখাত কোৰিয়াৰ কিম হেয়ংকিউৰ বিপক্ষে পৰাজিত হয়। অৱশ্যে ভাৰতীয় দলে বিচাৰকৰ সিদ্ধান্তৰ বিৰুদ্ধে আবেদন জনাইছিল যদিও আজি সেই আবেদন খাৰিজ কৰে।

লা লিগাত ক্ৰমাগত পৰাজয় বাৰ্চিলোনাৰ

নিউজ ব্যুৰ’

মাদ্ৰিদ, ২৮ অক্টোবৰ ঃ লিয়নেল মেছিয়ে এৰি যোৱাৰ পাছত শোচনীয় ব্যৰ্থতা অব্যাহত আছে বাৰ্চিলোনাৰ। কালি স্পেনিছ লা লিগাৰ খেলত তুলনামূলকভাৱে দুৰ্বল দল ৰায়’ ভালেকান’ৱে বাৰ্চিলোনাক ১-০ গ’লত পৰাজিত কৰে। তিনিদিনৰ পূৰ্বে দলটো লীগৰ মেচত ৰিয়াল মাদ্ৰিদৰ বিপক্ষে পৰাজিত হৈছিল। ১০খন মেচৰ পৰা ১৫ পইণ্ট সংগ্ৰহ কৰি বাৰ্চিলোনা সম্প্ৰতি লীগৰ পইণ্ট তালিকাৰ ন নম্বৰত আছে। চলিত ছিজনৰ লীগত দলটো এই পৰ্যন্ত পাঁচখন খেলত পৰাজিত হৈছে। কালিৰ পৰাজয়ৰ পাছতে ক্লাব কৰ্তৃপক্ষই দলৰ প্ৰশিক্ষক ৰোনাল্ড ক’য়েমেনক তাৎক্ষণিকভাৱে বৰ্খাস্ত কৰে।

ইপিনে, কালিৰ লীগ মেচত ড্ৰ খেলাৰ বাবে পইণ্ট তালিকাত এককভাৱে শীৰ্ষত থকাৰ পৰা বঞ্চিত হ’ল ৰিয়াল। অ’ছাছুনাৰ স’তে ৰিয়ালে গ’ল শূন্যভাৱে ড্ৰ খেলি পইণ্ট ভগাই লয়। ৰিয়ালৰ স’তে যৌথভাৱে শীৰ্ষত থকা ছেভিয়ায়ো মায়’ৰ্কাৰ স’তে ১-১ গ’লত ড্ৰ খেলে। ৰিয়াল আৰু ছেভিয়াই এটাকৈ পইণ্ট অৰ্জন কৰাত দল দুটাৰ মুঠ সংগ্ৰহ হৈছে ২১ পইণ্ট। ফলত সমসংখ্যক পইণ্ট লাভ কৰি থকা ৰিয়াল ছ’চিয়েডাডো পইণ্ট তালিকাৰ শীৰ্ষলৈ উঠিল। অৱশ্যে আজি চেল্টা ভিগ’ৰ বিপক্ষে খেলিবলগীয়া ছ’চিয়েডাডে এককভাৱে শীৰ্ষলৈ উঠাৰ সুযোগ পাব। ইফালে, কালিৰ আন এখন খেলত বিজয়ী হৈ তিনি পইণ্ট সংগ্ৰহ কৰি ৰিয়াল বেটিছেও যৌথভাৱে শীৰ্ষস্থানত থকাৰ সুযোগ পালে। কালি বেটিছে ভেলেন্সিয়াক ৪-১ গ’লত পৰাজিত কৰে।

আন তিনিটা দলৰ স’তে পইণ্ট তালিকাৰ শীৰ্ষত ৰিয়াল মাদ্ৰিদ

শোচনীয় পৰাজয় বেয়াৰ্ণৰ

নিউজ ব্যুৰ’

মিউনিখ, ২৮ অক্টোবৰ ঃ জাৰ্মান কাপ ফুটবলৰ ইতিহাসত সবাতোকৈ শোচনীয় পৰাজয়ৰ সোৱাদ পালে শক্তিশালী বেয়াৰ্ণ মিউনিখে। জাৰ্মানীৰ ফুটবলত বিগত কে’বা বছৰ ধৰি একক আধিপত্য বিস্তাৰ কৰি থকা দলটোক কালিৰ জাৰ্মান কাপৰ এখন খেলত ব’ৰুছিয়া মনচেংগ্লেডবাখে ৫-০ গ’লত বিধ্বস্ত কৰে। জাৰ্মানীৰ দ্বিতীয় সৰ্বোচ্চ ফুটবল প্ৰতিযোগিতাখনত বেয়াৰ্ণে ইয়াৰ পূৰ্বে কেতিয়াও ইমান বেছি ব্যৱধানত পৰাজয়ৰ গ্লানি সহ্য কৰিবলগীয়া হোৱা নাছিল। আনহাতে, বিগত ৪৩ বছৰত দলটোৱে প্ৰথমবাৰলৈ এনে শোচনীয় পৰাজয়ৰ স্বাদ পালে। জাৰ্মানীৰ বুণ্ডেছলিগাত ১৯৭৮ৰ ন ডিচেম্বৰত ফৰ্চুনা ডাছেলড’ৰ্ফে বেয়াৰ্ণক অন্তিমবাৰলৈ ৭-১ গ’লত পৰাজিত কৰিছিল। উল্লেখ্য যে মনচেংগ্লেডবাখেই হৈছে দুটা দলৰ অন্যতম, যি চলিত বুণ্ডেছলিগাত বেয়াৰ্ণৰ পৰা পইণ্ট সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। লীগৰ উদ্বোধনী খেলত বেয়াৰ্ণৰ স’তে ১-১ গ’লত ড্ৰ খেলি দলটোৱে এটা পইণ্ট সংগ্ৰহ কৰিছিল।

দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/2021-2023

বিলাসনন্দন চ'ৰা



এলাগী হৈ পৰি আছো

কি খবৰ? ভালনে? মোৰ কিন্তু একেবাৰে ভাল নহয়। বৰ কষ্টত আছো বুজিছে। ঘৰৰ এটা চুকত পৰি আছো জাবৰ হৈ। কোনেও মোক গাটোও ধুৱাই দিবলৈ নাহে। সময় যে কেনেকৈ সলনি হৈ যায় নহয়! কেনেকৈ সলনি হয় আপোনালোকেতো দেখিছেই চাগে। সৌসিদিনালৈ যি ৰজা আছিল, সি মন্ত্ৰী হৈ গ'ল। যি মন্ত্ৰী আছিল, সি ৰজা হৈ গ'ল। যি কালিলৈকে 'হাত' দেখুৱাই দেখুৱাই ৰাইজক বাই বাই কৰিছিল, সিয়ে আজি 'পদুম'ৰ পাহিৰে গা মালিচ কৰি কৰি বাই-ইলেকছন খেলি আছে। সৌসিদিনালৈ দছ জনপথৰ দছজনেই নহয়, হেজাৰ হেজাৰ মানুহে লাইন পাতি আছিল, তাত লাইন দিবলৈ আজি দছজনো নাই। অনবৰতে বেচিজিল আন্দোলনেৰে বেচিজিল ভাচন দি দি মুখৰ হৈ থকা বেচিজিল গগৈৰ আজি-কালি মুখত সোপা লাগিছে। মুঠতে সময় কেনেকৈ সলনি হয়, একো ধৰিব নোৱাৰি। সময় সলনি হোৱাৰ লগে লগে সকলো সলনি হৈ যায়। যেনেকৈ মোৰ ষ্টেটাছ সলনি হৈ গ'ল। হঠাৎ!

মনত পৰে সৌসিদিনালৈ। সিদিনা মানে তিনি-চাৰি বছৰ আগৰ কথা। বেলেগ বিউটিফুল আছিলো মই। কিমানে যে মোলৈ চাই চাই চকুৰ টিপ মাৰিছিল। তেতিয়া মোৰ গাটো বৰ চিল্‌চিলীয়া আছিল। একেবাৰে হেমামালিনী, নহয় চানী লিঅ'নীৰ গাটোৰ দৰে। আটায়ে ছুই ছুই চাইছিল পাই! ইমান যে লাজ লাগিছিল নহয়! মনে মনে অলপ ভালো লাগিছিল। ইমান ডিমাণ্ড যে আছিল নহয় মোৰ! ভাবিলেই ভাল লাগি যায় পাই! বহুতে মোক নিবলৈ আহিছিল। মই কিন্তু অলপ ছিলেক্টিভ আছিলো দেই! যাৰে-তাৰে লগত যাবলৈ মই মুঠেই ৰাজি নাছিলো। যাৰ লগত মই থাকিম, সি অলপ ষ্টেণ্ডাৰ্ড থকা মানুহ হ'লে ভাল হয় দিয়কচোন। আজি-কালি যিয়ে-তিয়ে আমাৰ জেনেৰেছনটোক নিবলৈ আহে। পাছত চলাব নোৱাৰি বেলেগৰ হাতত গতাই দিয়ে অথবা কিছুমান পাহোৰাল পাহোৰাল গুণ্ডাই আহি টানি নিব খোজে। ইমান যে লাজ লাগে! মোৰ কে'বাজনী বান্ধৱীৰ লগত তেনেকুৱা হৈছিল। সেইবোৰ শুনি মই বৰ ভয় খাই আছিলো। মোৰ লগতো তেনে কিবা হ'ব বুলি ভিতৰি ভিতৰি কঁপি আছিলো। লাক ভাল আছিল। এটা ফেমিলী আহিল। বৰ ধনী যেন লগা নাছিল যদিও বৰ দুখীয়া যেনো লগা নাছিল। মোক লগত নিবলৈ আহিছে যেতিয়া অলপ মালদাৰতো হ'বই দিয়কচোন।

আহি আহি মই এইখন ঘৰ পালো। মোক আটায়ে তামাম মৰম কৰাত লাগিল। পুৱাই পুৱাই আহি বাপেক বা পুতেকে মোক গা ধুৱাই দিয়ে, ধুনীয়া ধুনীয়া কাপোৰেৰে গাটো মচি দিয়ে। য'লৈকে যায়, মোক লগত লৈ যায়েই। পুতেকেতো মোক নেৰাই হ'ল। দুদিনমান মোক কলেজলৈও লৈ গ'ল। ফ্ৰেণ্ডছৰ লগত মোক ইন্ট্ৰ'ডিউচ কৰি দিলে। সি ফ্ৰেণ্ডছবোৰৰ আগত নিলাজৰ দৰে চিনাকি কৰাই দিলে যে মোক বোলে সি তামাম ভাল পায়। কথাষাৰ শুনি ইমান যে লাজ লাগিছিল মোৰ! বাপেক-মাকৰো মনে মনে তেনে কিবা ধান্দা আছিল নেকি? মোক দেখোন কিবা বোৱাৰীয়েকৰ দৰে মৰম কৰিব ধৰিছিল। ওচৰৰ বজাৰলৈ গ'লেও মোক লগত লৈহে গৈছিল। বাপেকেতো সদায় মোক অফিচলৈ লৈ গৈছিল। কলিগবোৰৰ আগত মোক দেখুৱাই দেখুৱাই কিবা কৈছিল। কৈছিল চাগৈ এইজনীয়ে মোৰ হ'ব লগা বোৱাৰী! সেইবোৰ কথা ভাবি ভাবি ইমান যে ভাল লাগিছিল নহয়।

যোৱা দুদিনমানৰ পৰা হঠাতে ঘৰৰ মানুহখিনিৰ মুডটো কিবা চেঞ্জ হৈ যোৱা যেন লাগিল। কোনেও মোৰ কাষলৈ নহা হ'ল। গা-পাও ধুৱাই নিদিয়া হ'ল। গাত ধূলি-মাকতি পৰি থাকিলেও কোনেও পাত্তা নিদিয়া হ'ল। মাকক দেখো—খোজ কাঢ়ি দোকানলৈ গৈছে। বাপেকক দেখো— ইৰিক্সাত উঠি অফিচলৈ গৈছে। পুতেকক দেখো—চাইকেল চলাই কলেজলৈ গৈছে। আটায়ে হঠাতে এনেকৈ পাহৰি গ'ল কিয়? বেয়া পোৱা হ'ল কিয় মোক? কাৰ কি অপকাৰ কৰিলো মই! মই একো ততেই ধৰিব পৰা নাই জানেনে? কাৰণো একো বিচাৰি পোৱা নাই। কেৱল ঘৰখনৰ পৰা বাপেকৰ মাতটোহে শুনি থাকো, তাকো অস্পষ্ট। দুটামান শব্দ অৱশ্যে শুনিছো—তেল, চেঞ্চুৰী, নোৱাৰি, একেবাৰে জেপ খালী ইত্যাদি।

পুতেকে কেতিয়াবা কন্দা-কটা কৰে মোৰ কাষলৈ আহিবলৈ। বাধাৰ প্ৰাচীৰ হৈ থিয় দিয়ে বাপেকে—নহ'ব! লিটাৰতে চেঞ্চুৰী! দেউলীয়া হৈ যাম।

বৰ্তমান মই বৰ এলাগী। এলাগী হৈ পৰি আছো ঘৰৰ এচুকত। অ' ছ'ৰী। আপোনালোকক তো মই মোৰ পৰিচয়টো দিয়াই নাই। নামটো বাৰু কিবা এটা হ'ব, এনেয়ে মই এখন চাৰিচকীয়া গাড়ী হয়।

(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)

শেষ পৃষ্ঠাৰ প্ৰথম

দৈনন্দিন

উদৰ পুৰাই খাব নোৱাৰিলেও আশাবাদী

পুত্ৰৰ-কন্যাক উচ্চ শিক্ষাৰে শিক্ষিত কৰাৰ লক্ষ্য কামালৰ

'তলাবন্ধই আমাৰ দৰে সাধাৰণ ব্যৱসায়ীসকলৰ জীৱন দুৰ্বিহ কৰিছে। বিগত ডেৰ বছৰে পেটৰ ভাতমুঠিৰ বাবে যি সংগ্ৰাম কৰিবলগীয়া হৈছে সেয়া ২৫ বছৰীয়া ব্যৱসায়িক জীৱনতো হোৱা নাছিল। তলাবন্ধৰ প্ৰভাৱ এতিয়াহে ভালকৈ পৰিছে। তিনি সাজ উদৰ পূৰাই খোৱাটো দূৰৰে কথা, ঘৰভাৰাকে নিয়মীয়াভাৱে দিব পৰা নাই।' শিলপুখুৰীত বিগত ২০ বছৰে পদ-পথত ফল-মূলৰ দোকান দি জীৱন নিৰ্বাহ কৰা কামাল মিঞা নামৰ ক্ষুদ্ৰ ব্যৱসায়ীজনে শেহতীয়াভাৱে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ বিষয়ে এনেদৰে উল্লেখ কৰি কান্দোনমুৱা হৈ পৰিল। বৰপেটা জিলাৰ বহৰিত জন্মগ্ৰহণ কৰা কামালে আঠ বছৰ বয়সৰ পৰাই গুৱাহাটী মহানগৰীত থাকিবলৈ লয়। জন্মৰ পাছত তেওঁ গাঁৱৰেই বিদ্যালয়ত অধ্যয়ন কৰিছিল যদিও খহনীয়াত বিদ্যালয়খন ব্ৰহ্মপুত্ৰত জাহ যোৱাত সমস্যাৰ সন্মুখীন হৈছিল কামাল। কেনেবাকৈ পঞ্চম শ্ৰেণীলৈকে ওচৰৰে বিদ্যালয় এখনত পঢ়ে যদিও আৰ্থিক দুৰৱস্থাৰ বাবে অধ্যয়ন ইমানতেই সমাপ্ত কৰিবলগীয়া হ'ল। সাতজন ভ্ৰাতৃৰ কামাল হ'ল জ্যেষ্ঠ। দেউতাকে আমিনগাঁৱত কাপোৰৰ ব্যৱসায় কৰা বাবে আঠ বছৰ বয়সৰ পৰাই তেওঁ দেউতাকৰ স'তে থাকিবলৈ লয়। দেউতাকে এডোখৰ মাটি কিনিছিল যদিও অসুখত মাটি বিক্ৰী কৰি চিকিৎসা কৰিবলগীয়া হ'ল। ইয়াৰ পাছতেই বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। কামালে পদপথতে আৰম্ভ কৰে ফল-মূলৰ ব্যৱসায়।

উক্ত অঞ্চলটোত কিছু বছৰ ব্যৱসায় কৰাৰ পাছত কামাল শিলপুখুৰীলৈ আহে। প্ৰথমতে পদ-পথত ব্যৱসায় কৰিলেও পৰিয়ালক পোহপাল দিয়াটো ইমান কঠিন হোৱা নাছিল। নিতৌ পাঁচশৰ পৰা এহেজাৰ টকালৈ লাভ হৈছিল। এই ধনেৰে পত্নীৰ লগতে তিনি সন্তানক পোহপাল দিয়াত বিশেষ সমস্যাৰ সন্মুখীন হোৱা নাছিল।

পুৱা সাত বজাতেই ব্যৱসায় আৰম্ভ কৰা কামালে শেহতীয়াভাৱে পৰিয়ালক পোহপাল দিয়াৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে। এতিয়া পাঁচশ টকা নিতৌ লাভ হোৱাটো দূৰৰে কথা, কেতিয়াবা আনকি লোকচান ভৰিয়েই ফল-মূল বিক্ৰী কৰিবলগীয়া হৈছে। আনহাতে, দীৰ্ঘদিন ব্যৱসায় কৰিলেও বহুতেই তেওঁক 'মিঞা' বুলি ঠাট্টা কৰে যদিও সেইবোৰলৈ তেওঁৰ ভ্ৰূক্ষেপ নাই। তেওঁ, এই প্ৰসংগত কয়, 'কোনোবাই যদি মিঞা বুলি আত্মসন্তুষ্টি লাভ কৰে, তাত মোৰ ক'বলগীয়া একো নাই। কাৰণ যিজনে কয় তেওঁ হয়তো এবাৰো ভাবি নাচায় যে আমিও আন ১০ জনৰ দৰেই পৰিশ্ৰম কৰি জীৱন-নিৰ্বাহ কৰা লোক। মই সেইবোৰক লৈ মূৰ ঘমাই নাথাকো। ফল-মূল বিক্ৰী কৰি পেটৰ ভোক গুচোৱাটোহে আমাৰ লক্ষ্য।' চিনাকি হ'লেও বহুতো লোকে বাকীকৈ ফল-মূল নি পইচা নিদিলেও তেওঁ কোনোদিনে কাকো টানকৈ কথা কোৱা নাই। তেওঁৰ মতে, কোনোবাই ডাবি ধমকি, ফাঁকি দি খাব খুজিলেও সেইবোৰ স্থায়ী নহয়। কেতিয়াবা আনকি কিছুমানে ধমকি দিও ফল বিনা পইচাই লৈ যায়। তথাপি কামালে এই সকলোবোৰ নীৰৱে সহ্য কৰে পাঁচজনীয়া পৰিয়ালটোক পোহপাল দিয়াৰ স্বাৰ্থত। বিগত ডেৰ বছৰত কামালে কেতিয়াবা এটকাৰো ফল বিক্ৰী নকৰাকৈয়ে ঘৰলৈ উভতিব লগীয়া হৈছে। তেওঁলোকক সহায়ৰ বাবে কোনো আগবাঢ়িও নাহে। আনকি কাৰোবাৰ ওচৰলৈ সহায় বিচাৰি আগবাঢ়ি গ'লেও সহায় নকৰে বুলি কয় কামালে। দুটা ল'ৰা আৰু এটি কন্যা সন্তানৰ পিতৃ কামালে ল'ৰা-ছোৱালীক উচ্চ শিক্ষাৰে শিক্ষিত কৰাৰ বাবে কঠোৰ পৰিশ্ৰমত ব্ৰতী হৈছে বুলি কয়। এনেদৰে জীৱন ডিঙা কিমানদিনলৈকে বাই থাকিব পাৰিব তাক লৈহে চিন্তিত হৈছে কামাল।

■ নয়ন কুমাৰ শৰ্মা

শুভ দীপাৱলী
Flat 25% off on making charges of Gold ornaments
Flat 5% off on Diamond / Platinum ornaments
Offer valid from 28th Oct to 06th Nov 2021
মানিক চান্দ্‌ জুৱেলাৰ্ছ
MANIK CHAND JEWELLERS
GOLD • DIAMOND • PLATINUM
G.S. Road, Christian Basti # 2343186,
H.B. Road, Fancy Bazar # 2732767,
K.C. Road, Fancy Bazar # 2547454,
Imperial Mall, Club Road, Silchar # 236002 / 04
www.facebook.com/Manik-Chand-Jewelers - 969752743149007 9678068937
EXCHANGE YOUR OLD GOLD JEWELLERY WITH NEW JEWELLERY | WE ACCEPT ALL MAJOR DEBIT AND CREDIT CARDS

তদাৰকী সজাগতা সপ্তাহ-২০২১
২৬ অক্টোবৰ -০১ নৱেম্বৰ

অসম চৰকাৰ

দিছপুৰ
৯ কাতি, ১৪২৮ ভাস্কৰাব্দ
২৭ অক্টোবৰ, ২০২১ ইং

শুভেচ্ছাবাণী

'স্বতন্ত্ৰতাৰ ৭৫ বছৰ - সতানিষ্ঠাৰে আত্মনিৰ্ভৰতা' এই মূলবাণীৰে কেন্দ্ৰীয় তদাৰকী আয়োগে ২৬ অক্টোবৰৰ পৰা ১ নৱেম্বৰলৈ তদাৰকী সজাগতা সপ্তাহ উদ্‌যাপন কৰিবলৈ লোৱা বুলি জানিবলৈ পাই আনন্দিত হৈছোঁ। সৃজনীমূলক প্ৰচাৰ অভিযানেৰে কেন্দ্ৰীয় তদাৰকী আয়োগে এই কাৰ্যসূচীত সংশ্লিষ্ট প্ৰতিটো পক্ষৰে অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা প্ৰয়াস নিঃসন্দেহে প্ৰশংসনীয়।

দুৰ্নীতিয়ে আমাৰ আৰ্থ-সামাজিক পৰিগাঁথনিটোৰ প্ৰতি ভাবুকি নমাই অনাৰ লগতে সমাজ-ব্যৱস্থাক পংগু কৰি তোলে। আমাৰ সমাজ ব্যৱস্থাক স্বচ্ছ তথা নিকা কৰাৰ বাবে আমাৰ ৰাজহুৱা জীৱনৰ লগতে ব্যক্তিগত জীৱনতো দুৰ্নীতিৰ বিৰুদ্ধে আমি যুদ্ধ ঘোষণা কৰিব লাগিব। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ডিজিটেল ভাৰত অভিযানৰ সূচনাৰে চৰকাৰৰ প্ৰতিটো কাম-কাজত তথ্য প্ৰযুক্তিৰ ব্যাপক প্ৰয়োগেৰে প্ৰশাসনৰ স্বচ্ছতা আৰু দায়বদ্ধতা সুনিশ্চিত কৰাৰ লগতে দুৰ্নীতিৰ মূল উৎসস্বৰূপ কায়িক হস্তক্ষেপৰ প্ৰয়োজনীয়তা বহুলাংশে দূৰ কৰিলে। মাননীয় প্ৰধানমন্ত্ৰীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ৰাজ্য চৰকাৰেও দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰি আহিছে। চৰকাৰৰ শেহতীয়া পদক্ষেপসমূহত এই কথা অধিক স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। এই যুঁজ ভৱিষ্যতৰ দিনত অবিৰতৰূপত চলাই এক স্বচ্ছ প্ৰশাসন ব্যৱস্থা গঢ়ি দিয়াৰ বাবে আমি বদ্ধপৰিকৰ।

এখন সদা সতৰ্ক আৰু সমৃদ্ধ ভাৰত গঢ়িবলৈ হ'লে দেশৰ প্ৰতিগৰাকী নাগৰিকে সততাক জীৱনৰ মন্ত্ৰ হিচাপে গ্ৰহণ কৰি দুৰ্নীতি আৰু অনিয়মৰ ওপৰত নিৰন্তৰ চোকা দৃষ্টি ৰাখিব লাগিব। আমি সকলোৱে নিৰ্ভীক, সজাগ আৰু সচেতন হ'লেহে এই মহাব্যাধিক পুলিয়ে-পোখাই উভালি এখন সুন্দৰ সমাজ গঢ়াৰ লগতে আত্মনিৰ্ভৰ আৰু সমৃদ্ধ ভাৰতবৰ্ষ নিৰ্মাণৰ মহান লক্ষ্যত উপনীত হ'ব পাৰিম। 'স্বতন্ত্ৰতাৰ ৭৫ বছৰ - সততানিষ্ঠাৰে আত্মনিৰ্ভৰতা' মূলমন্ত্ৰৰে তদাৰকী সজাগতা সপ্তাহ উদ্‌যাপনৰ এই পবিত্ৰ উপলক্ষত মই ৰাজ্যখনৰ চৰকাৰী-বেচৰকাৰী বিষয়া কৰ্মচাৰীসকলক আৰু অধিক দায়িত্বশীল হোৱাৰ লগতে প্ৰতিগৰাকী নাগৰিকক এই দিশত বিশেষভাৱে সজাগ হৈ দুৰ্নীতিৰ বিৰুদ্ধে চলোৱা যুঁজখনত দৃঢ়তাৰে আত্মনিয়োগ কৰিবলৈ আহ্বান জনালোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

জনসংযোগ/ডি/৮১২৮/২১

ভাৰত নিৰ্বাচন আয়োগ
আপুনি ভোট দান কৰাৰ পুৰ্বে
আপোনাৰ প্ৰাৰ্থী জনক জানি লওঁক
যোগ্যতা, কৰ্ম অভিজ্ঞতা, সম্পত্তি/ঋণ আৰু পূৰ্বৱৰ্তী আপৰাধী (যদি আছে)
বিৱৰণ সমূহ উপলব্ধ VOTER HELPLINE MOBILE APP Scan QR Code to Download
বিৱৰণ সমূহ ইয়াতো উপলব্ধ www.affidavit.eci.gov.in CEOs'/DEOs' website
জানি বুজি বাছনি কৰক।
জনসংযোগ/ডি এফ/১২৮৭/২১
Chief Electoral Officer, Assam
www.ceoassam.nic.in
Helpline 1950
NO VOTER TO BE LEFT BEHIND
@ECI @ECISVEEP @ECISVEEP
জিলা নিৰ্বাচনী বিষয়া, বজালীৰ দ্বাৰা ৰাইজৰ জ্ঞাতাৰ্থে প্ৰচাৰিত

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com